সদাগৰ ভোলানাথ বৰুৱা

যোগেন্দ্ৰনাৰায়ণ ভূঞা

ডিব্ৰু সাহিত্য সভা

SADĀGAR BHOLĀNATH BOROOAH, a monograph by Jogendranārāyan Bhuyān, Lecturer, Nowgong Girls' College, Nagāon ; published by Karunākānta Bharāli, Secretary, Diphu Sāhitya Sabhā ; Kārbi Ānglong ; 1993. Price Rs. 35·00.

প্ৰথম প্ৰকাশ

জানুৱাৰী, ১৯৯৩

প্ৰকাশক

শ্ৰীকৰুণাকান্ত ভঁৰালী

সম্পাদক, ডিফু সাহিত্য সভা

বাংচিনা ভৱন : ডিফু

মূল্য : ৩৫·০০ টকা

মুদ্ৰাকৰ

পূৰ্বদেশ মুদ্ৰণ

বিহাবাৰী, গুৱাহাটী-৭৮১ ০০৮

ডক্টর প্রফুল্লদত্ত গোস্বামী

পরম শ্রদ্ধাস্পদেষু

প্ৰকাশকৰ একাষাৰ

ডিফু সাহিত্য সভাই ভাষা-সাহিত্য আৰু সংস্কৃতিৰ বিকাশ আৰু চৰ্চাৰ কাৰণে সভাৰ প্ৰতিষ্ঠা কালৰ পৰাই এক স্বকীয়া ভূমিকা গ্ৰহণ কৰি আহিছে। গ্ৰন্থ প্ৰকাশৰ ক্ষেত্ৰত ডিফু সাহিত্য সভাই লোৱা ভূমিকা উল্লেখযোগ্য। এতিয়ালৈকে বিভিন্ন দিশৰ প্ৰায় কুৰিখন গ্ৰন্থ প্ৰকাশ কৰাৰ উপৰিও 'কাৰবি শব্দকোষ', 'ভাষা বিচিত্ৰা', 'পাহাৰী জনজীৱনত নাৰীৰ স্থান' আদি গ্ৰন্থৰ প্ৰণয়নৰ কাম সভাই কৰি আছে।

ঊনবিংশ শতিকাৰ এগৰাকী স্বনামধন্য ব্যক্তি সদাগৰ ভোলা বৰুৱা। ব্যৱসায়-বাণিজ্যৰ মাজেৰেওযে এখন দেশ, এটা জাতিক সমৃদ্ধ কৰিব পাৰি, সেই পথ ঊনবিংশ শতিকাতে স্বৰ্গীয় লক্ষ্মীনাথ বেজবৰুৱা আৰু তেওঁৰ সতীৰ্থ ভোলানাথ বৰুৱাই আমাক দি গৈছে। সদাগৰ ভোলানাথ বৰুৱাযে অকল এজন ব্যৱসায়ীয়েই আছিল এনে নহয়। তেওঁ শিক্ষা আৰু সংস্কৃতি-চৰ্চাৰ এজন পৃষ্ঠপোষকো আছিল। শিক্ষা-সংস্কৃতিৰ প্ৰসাৰ আৰু বিকাশৰ বাবে দেশৰ বিভিন্ন ঠাইত মুক্তহস্তে দান আগ বঢ়াই তেওঁ বদান্যতাৰ পৰিচয় দিয়াৰ কথা আমি শুনিবলৈ পাইছোঁ। অসমৰ যিসকল নতুন পুৰুষে ব্যৱসায়-বাণিজ্যৰ প্ৰতি মনোনিবেশ কৰিছে, সেইসকলে যাতে এইগৰাকী স্মৰণীয় পুৰুষৰ আদৰ্শেৰে অনুপ্ৰাণিত হ'ব পাৰে, এই দিশটোলৈ লক্ষ্য ৰাখিয়েই ডিফু সাহিত্য সভাই এই গ্ৰন্থ প্ৰণয়নৰ আঁচনি গ্ৰহণ কৰে।

ঊনবিংশ শতিকাৰ বিভিন্ন দিশৰ গৱেষণাত একাণপতীয়াভাৱে লাগি থকা প্ৰথিতযশা সাহিত্যিক শ্ৰীযুত যোগেন্দ্ৰনাৰায়ণ ভূঞাদেৱক ডিফু সাহিত্য সভাই 'সদাগৰ ভোলানাথ বৰুৱা' গ্ৰন্থখনি ৰচনা কৰিবৰ বাবে অনুৰোধ জনায়। সুখৰ বিষয়, শ্ৰীযুত ভূঞাদেৱে নানা ব্যস্ততাৰ মাজতো গ্ৰন্থখনি প্ৰণয়ন কৰি ডিফু সাহিত্য সভালৈ যি সক্ৰিয় সহযোগ আগবঢ়াইছে, আমি সঁচাকৈয়ে অভিভূত হৈছোঁ। এই প্ৰসংগতে শ্ৰীযুত ভূঞাদেৱক আমাৰ আন্তৰিক কৃতজ্ঞতা জনাইছোঁ।

গ্ৰন্থখনি প্ৰকাশৰ বাবে ডিব্ৰু সাহিত্য সভাই শ্ৰীযুত নন্দেশ্বৰ বৰাদেৱৰ অৰ্থ-সাহায্য বিচৰাত শ্ৰীযুত বৰাদেৱে গ্ৰন্থ প্ৰকাশৰ সমুদায় খৰচ বহন কৰি যি বদান্যতা দেখুৱালে, তাৰ বাবে তেখেতলৈ আমাৰ আন্তৰিক ধন্যবাদ থাকিল। অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি শ্ৰীযুত নৱকান্ত বৰুৱাদেৱে সভাৰ গ্ৰন্থ প্ৰকাশৰ এই আঁচনি ৰূপায়ণৰ কাৰণে ডিব্ৰু সাহিত্য সভাক বিভিন্ন দিহা-পৰামৰ্শ দি অনুগৃহীত কৰিছে। সভাই শ্ৰীযুত বৰুৱাদেৱৰ ওচৰত কৃতজ্ঞতা জনাইছে। ডিব্ৰু সাহিত্য সভাৰ হিতৈষী সদস্য শ্ৰীযুত পুষ্পেন্দ্ৰ নাথ বৰাদেৱে বিশেষ তদাৰকী ব্যৱস্থা নকৰিলে গ্ৰন্থখনে প্ৰকাশৰ মুখ দেখা নাপালেহেঁতেন। শ্ৰীযুত বৰাদেৱক আমাৰ শলাগ জনাইছোঁ। সভাৰ প্ৰকাশন সচিব শ্ৰীশৈলেন দাসে বিশেষ তৎপৰতাৰে সৈতে গ্ৰন্থখনি প্ৰকাশৰ বাবে ব্যৱস্থা গ্ৰহণ কৰাত আমাৰ এই কাম সম্ভৱ হৈ উঠিল। শ্ৰীদাসলৈ আমাৰ ধন্যবাদ থাকিল। ডিব্ৰু সাহিত্য সভাৰ সভাপতি শ্ৰীযুত পদ্মকান্ত বৰুৱা, প্ৰাক্তন সভাপতি শ্ৰীদেৱেন গগৈ আৰু শ্ৰীমহেন্দ্ৰনাথ বৰদলৈ, সহকাৰী সম্পাদক শ্ৰীৰবেণ দাস, অসম সাহিত্য সভাৰ ডিব্ৰু কাৰ্যালয় কৰ্মচাৰীদ্বয় শ্ৰীভবানন্দ তালুকদাৰ আৰু শ্ৰীক্ষীৰোদচন্দ্ৰ মুদৈ আদিয়ে গ্ৰন্থ প্ৰণয়ন আঁচনিত আমাক বিভিন্ন ধৰণেৰে সহায়-সাহায্য কৰি উপকৃত কৰা বাবে আমাৰ আন্তৰিক শলাগ জনাইছোঁ। গ্ৰন্থখনি অতি কম সময়ৰ ভিতৰতে ছপাই দিয়া বাবে পূৰ্বদেশ মুদ্ৰণৰ স্বত্বাধিকাৰী তথা কৰ্মচাৰীবৃন্দলৈ ধন্যবাদ জনাইছোঁ। সদৌ শেষত সভাৰ অন্যান্য প্ৰকাশনৰ দৰে এই গ্ৰন্থখনো পঢ়ুৱৈ সমাজে আদৰি ললে ডিব্ৰু সাহিত্য সভাৰ শ্ৰম সাৰ্থক হ'ব।

"চিৰ চেনেহী মোৰ ভাষা জননী"

১৮ জানুৱাৰী/৯৩ | শ্ৰীলক্ষীকান্ত ভঁড়ালী
বাৰ্হিনা অঞ্চল | সম্পাদক
ডিব্ৰু-৭৮২৪৩০ | ডিব্ৰু সাহিত্য সভা

লেখকৰ একাষাৰ

এসময়ত এখন দেশত এজন সদাগৰ আছিল। তেওঁ বেহা-বেপাৰ কৰি বহুতো ধন-সম্পত্তি আৰ্জিছিল। সদাগৰজনে অৰ্জন কৰা ধনেৰে দেশখনত কিছুমান ভাল কামো হৈছিল।···· সদাগৰ ভোলানাথ বৰুৱাৰ বিষয়ে আমাৰ বহুতৰে, অন্ততঃ মোৰ নিজৰ, ধাৰণা আছিল এনেকুৱাই। তেওঁৰ বিষয়ে জনাৰ বা জনোৱাৰ আগ্ৰহৰ অভাৱেই নিশ্চয় ইয়াৰ কাৰণ।

ডিব্ৰু সাহিত্য সভাৰ চাৰিজন বিষয়-ববীয়া আহি এদিন মোৰ ঘৰত উপস্থিত। তাৰিখটো ৭. ৩. ১৯৯২। অনুষ্ঠানটোৰ সম্পাদক শ্ৰীকৰুণাবন্ধু ভঁৰালীয়ে আনুষ্ঠানিক চিঠি এখন (দিনাংক ২৯.২.৯২) মোলৈ আগবঢ়ালে। অনুৰোধ—সদাগৰ ভোলানাথ বৰুৱাৰ জীৱনী এখন লিখি সভাৰ আঁচনি ৰূপায়ণত মই সহায় কৰিব লাগে। সহায় কৰাৰ সামৰ্থ্য সঁচাকৈয়ে যদি মোৰ থাকিলহেঁতেন, মোৰ অসম্মতি-প্ৰকাশক বাক্য-বিনিময়ত তেখেতসকলৰ বহুমূলীয়া প্ৰায় এঘণ্টা সময়ৰ অপচয় মই নঘটালোহেঁতেন। অসম্মতিৰ প্ৰথম কাৰণ; ভোলানাথ বৰুৱাৰ বিষয়ে মই নাজানো; তেখেতৰ বিষয়ে জনা মানুহকেইজনৰ বিষয়েও মই নাজানো। দ্বিতীয় কাৰণ, ভোলানাথ বৰুৱাৰ মৃত্যুৰ তিনি কুৰি দহ বছৰৰ পাছত তেখেতৰ জীৱনীৰ সমল বিচাৰি পাব পৰা মুলুক অসম নহয়। (কাৰোবাৰ হাতত থকা ভোলানাথ বৰুৱাৰ চিঠি এখনকেনো কিহৰ প্ৰয়োজনত কোনোবাই ইমান দিনলৈ ৰাখি থব!) কিন্তু ডিব্ৰু সাহিত্য সভাৰ প্ৰতিনিধি কেইগৰাকীও মোৰ সম্মতি আদায় নকৰাকৈ উঠতি বোৱা বিধৰ মানুহ নহয়।

অসমীয়া সদাগৰ ভোলানাথ বৰুৱাৰ বিষয়ে জানিবলৈ আৰু জনাবলৈ ডিব্ৰু সাহিত্য সভাৰ যি আগ্ৰহ, তাৰেই পৰিণতি মোৰ এই খুদীয়া কিতাপখন। পাছলৈ জানিব পাৰিলোঁ, অনুষ্ঠানটোৰ এই আঁচনিৰ মূলত আছে নগাঁও আৰু কাৰ্বি আংলঙৰ এজন প্ৰখ্যাত ব্যৱসায়ী শ্ৰীনন্দেশ্বৰ বৰাৰ বাঞ্ছা আৰু বদান্যতা। শ্ৰীনন্দেশ্বৰ বৰা সদাগৰ ভোলানাথ বৰুৱাৰ আদৰ্শৰ দ্বাৰা অনুপ্ৰাণিত এজন প্ৰবীণ ব্যৱসায়ী। ব্যৱসায়-ক্ষেত্ৰত তেখেতৰ এজন সুযোগ্য পুত্ৰ শ্ৰীপুষ্পেন্দ্ৰ নাথ বৰা ('টিম্বাৰ মাৰ্চেণ্ট, ডিব্ৰু)-ৰ সাহিত্যানুৰাগ আৰু সক্ৰিয় সহযোগো এই কৰ্মটিৰ লগত জড়িত। অনুষ্ঠানটোৰ আগ্ৰহ আৰু বৰা-পৰিয়ালৰ বাঞ্ছাৰ প্ৰতিফলকযে মোৰ এই কিতাপখন হোৱা নাই, সেই কথা মই জানো। মোৰ সীমাবদ্ধতাৰ কথা মৌৰ বাহিৰে আন কোনেও নাজানে।

সদাগৰ ভোলানাথ বৰুৱাৰ জীৱনী মই লিখিব নোৱাৰিলোঁ। তেখেতৰ বিষয়ে বিভিন্নজনে বিভিন্ন প্ৰসংগত কোৱা আৰু ঠাই-ঠাইত সিঁচৰতি হৈ থকা কথাকেইটামান থুপাই থবলৈ মই ইয়াত যত্ন কৰিলোঁ মাত্ৰ। মোৰ এই কামটোৰ ত্ৰুটী-বিচ্যুতিখিনি আঁতৰাই যোগ্যজনে সদাগৰ ভোলানাথ বৰুৱাৰ বিষয়ে পূৰ্ণাংগ জীৱনী এখন যুগুতাবলৈ যত্ন কৰিলেই মোৰ পৰিশ্ৰম সাৰ্থক হ'ব, আৰু এতিয়াৰ পৰা এশ বছৰৰ পূৰ্বে অসমৰ বাহিৰৰ ব্যৱসায়-ক্ষেত্ৰত আত্মনিয়োগ কৰি অসম আৰু অসমীয়াৰ গৌৰৱৰ পাত্ৰ হোৱা অসমীয়া এজনৰ আদৰ্শেৰে উদ্বুদ্ধ হ'বলৈ আমাৰ নতুন প্ৰজন্মক সহায় কৰা হ'ব।

এই খুদীয়া কিতাপখন যুগুতাওঁতে কিমানজনৰ ওচৰতযে মই ঋণী হৈছোঁ, তাৰ প্ৰমাণ দিব কিতাপখনৰ প্ৰতিটো পৃষ্ঠাই। যি সকলৰ নাম সেই পৃষ্ঠাকেইটাত নাই, সেইসকলৰ ভিতৰত গুৱাহাটীৰ (সৰ্বশ্ৰী) কৃষ্ণকান্ত বৰুৱা, ৰবীন্দ্ৰনাথ বৰুৱা, গুণীকান্ত বৰুৱা; নগাঁৱৰ (সৰ্বশ্ৰী) শিৱকান্ত বৰুৱা, ৰাজেন শইকীয়া, হৰেশ্বৰ গোস্বামী, জীৱকান্ত বৰগোহাঁই, বিৰিঞ্চি কুমাৰ বৰা, উত্তম বৰা; যোৰহাটৰ

শ্ৰীপৱন বুঢ়াগোহাঁই, 'প্ৰিন্স অফ্ ৱেল্‌চ ইনষ্টিটিউট অফ্ ইঞ্জিনীয়াৰিং এণ্ড টেক্‌নলজী'ৰ অধ্যক্ষ শ্ৰীৰমেশ চন্দ্ৰ ফুকন, শিক্ষক শ্ৰীতীৰ্থনাথ বৰগোহাঁই ; কামপুৰৰ শ্ৰীব্ৰজেন বৰা আৰু শ্ৰীহিৰণ্য বৰা (নগা)-ৰ নাম মই ইয়াতে উল্লেখ কৰিছোঁ। 'আজিৰ বাতৰি'ৰ সম্পাদক শ্ৰীধীৰেন্দ্ৰ নাথ চক্ৰবৰ্তী আৰু বিভাগীয় সম্পাদক শ্ৰীমিহিৰ দেউৰীয়ে কাকতখনত 'সদাগৰ ভোলানাথ বৰুৱা' শীৰ্ষক লেখাটো ধাৰাবাহিক-ভাৱে উলিয়াবলৈ নিৰিচৰা হ'লে কিতাপখন যুগুতোৱাত বহুত পলম হ'লহেঁতেন। গুৱাহাটীৰ নতুন শৰণীয়া-নিবাসী শ্ৰীযতীন্দ্ৰ মোহন বৰাৰ সহায় আৰু তেওঁৰ পত্নী শ্ৰীমতী জুৱেল বৰাৰ আতিথ্য মোৰ কেইবাটাও সাহিত্য-কৰ্মৰ লগত জড়িত। উল্লিখিত সকলোটিকে মোৰ আন্তৰিক ধন্যবাদ আৰু কৃতজ্ঞতা জনাইছোঁ। বিভিন্ন প্ৰকাৰে সহায় কৰা সত্বেও বন্ধু ড° নগেন শইকীয়াৰ নামটো ইচ্ছা কৰিয়েই ইয়াত উল্লেখ নকৰিলোঁ।

বৰপুৰ : নগাঁও
২৬ জানুৱাৰী, ১৯৯৩

যোগেন্দ্ৰনাৰায়ণ ভুঞা

এক

অসমীয়াৰ ব্যৱসায়-বাণিজ্য

অসমীয়া জাতি "ইংৰাজতকৈ অসভ্য হোৱাৰ" যিকেইটা হেতু আনন্দৰাম ঢেকিয়ালফুকনে দৰ্শাইছিল, তাৰ এটা আৰু "দ্বিতীয় হেতু" আছিল অসমীয়াৰ বাণিজ্য-চিন্তা বা বাণিজ্য-অনুশীলনৰ অভাৱ। তেওঁৰ মতে, ইংৰাজসকলৰ সভ্যতাৰ অন্যতম কাৰণ আছিল তেওঁ-লোকৰ বণিক-প্ৰবৃত্তি। ১৮৪৭ খ্ৰীষ্টাব্দৰ এপ্ৰিল সংখ্যা অৰুণোদইত প্ৰকাশিত 'ইংলণ্ডৰ বিবৰন' শীৰ্ষক ৰচনাত সেইবাবে আনন্দৰামে অসমীয়াসকলক সম্বোধন কৰি কৈছিল, "তোমোলোকৰ ভিতৰত বানিজ্যৰ অনুসিলন নিচইকৈ নাই, সকলে ধন মাটিত পুতি থই ভাল পাই; কিন্তু জিহৰ পৰা সেই ধনেৰেই ধন হই, তাক নিচিন্তে। ইংৰাজৰ সভ্যতাৰ যাই এক হেতু বানিজ্য, এতেকে জদি ধনৱন্ত হব খোঁজা, তেন্তে সম্প্ৰতি বানিজ্যত প্ৰবৰ্ত্ত হোৱা" (মহেশ্বৰ নেওগ-সংকলিত আৰু পুনঃসম্পাদিত অৰুণোদই, অসম প্ৰকাশন পৰিষদ, পৃ. ১৩১)। গুণাভিৰাম বৰুৱায়ো ১৮৫৩ খ্ৰীষ্টাব্দত কলিকতাৰ পৰা অসমীয়াসকলৰ উদ্দেশ্যে লিখা চিঠিত (চতুৰ্থ পত্ৰ, অৰুণোদই, পৃ. ১০৩৩) ইংলণ্ডৰ লোকসকলে কেনেকৈ "বিদ্যা সিকি বানিজ্যক আশ্ৰই লৈ নানা দেশলৈ গৈ নানা সুখ ভোগ" কৰিছে, সেই কথা কৈ স্বজাতীয়সকলক ব্যৱসায়ৰ প্ৰতি আকৃষ্ট কৰিব খুজিছিল।

আনন্দৰাম-গুণাভিৰামৰ সমসাময়িক অসমত ধনৱন্ত অসমীয়া লোক আছিল; ধনৰ ব্যৱহাৰহে সেই ধনৱন্তসকলে নাজানিছিল।

ধন সঞ্চয় কৰাটোৱেই, মাটিৰ তলত ধন পুতি থোৱাটোৱেই আছিল তেওঁলোকৰ দৃষ্টিত ধনৰ উপযোগিতা। আনন্দৰামে কৰৰ দৰে, মাটিৰ তলৰ সেই ধনত মামৰে ধৰিছিল, "দেশত বিদ্যা ব্ৰিধিলৈ" বা "পৰৰ উপকাৰ কৰিবলৈ" "ধন ভাঙ্গা" কথাটো অসমীয়া ধনৱন্তসকলৰ বাবে আছিল নিচেই আচহুৱা। যাৱতীয় শিক্ষা আৰু স্বজাতীয়-সকলৰ মাজত যথাৰ্থ আৰ্হিৰ অভাবেই আছিল তাৰ কাৰণ।

১৮৩৮ খ্ৰীষ্টাব্দত নগাঁও জিলাত শিক্ষিত মানুহ ভেৰকুবিজনো নাছিল বুলি তেতিয়াৰ জিলাধিপতি কেপ্টেইন বাট্‌লাৰে কৈ গৈছে। যিকেইজন লোকে যৎকিঞ্চিৎ পঢ়াশলীয়া শিক্ষা লাভ কৰিছিল, তেওঁলোকৰো চৰম আৰু পৰম পুৰুষাৰ্থ আছিল চৰকাৰী চাকৰি। কৃষি-কৰ্মৰ বাবেও তেনে শিক্ষিত লোকসকল অনুপযুক্ত হৈ পৰিল (Mill's Report on the Province of Assam, P. 27)। কিন্তু চাকৰি আৰু কৃষি-কৰ্মৰ বাহিৰেওযে জীৱিকা নিৰ্বাহৰ অন্য পথ থাকিব পাৰে, ব্যৱসায়-বাণিজ্যৰ যোগেদিওযে মানুহে জীৱিকা নিৰ্বাহ কৰিব আৰু সামাজিক প্ৰতিষ্ঠা লাভ কৰিব পাৰে, তেনে ধ্যান-ধাৰণাই ঊনবিংশ শতিকাৰ প্ৰথমাৰ্দ্ধতে নালাগে দ্বিতীয়াৰ্দ্ধতো অসমীয়া মানুহৰ মনত বাৰুকৈ সোমা মেলা নাছিল। 'ব্যৱসায়' বা 'বাণিজ্য' বোলোঁতে আমি আভিধানিক অৰ্থৰ 'বেপাৰ' বা 'বেপাৰীৰ কৰ্ম'কে বুজাব খুজিছোঁ। সেই দিশৰ পৰা "বাণিজ্যে বসতি লক্ষ্মীঃ"— এই আপ্তবাক্যৰ লগত যেন অসমীয়া আছিল অপৰিচিত।

ব্যৱসায় সম্পৰ্কে অসমীয়াৰ অজ্ঞতাৰ কথা জন মেক্‌ক'চেও কৈ গৈছে ১৮৩৭ চনতে। অসমৰ বেহা-বেপাৰ তেতিয়া মাৰোৱাৰীৰ একচেটীয়া (Topography of Assam, 1986, P: 63)। ১৮৩৯ চনত শিৱসাগৰ জিলাত থকা কুৰিখন দোকানৰ আঠাইকেইখনেই আছিল মাৰোৱাৰী ব্যৱসায়ীৰ। ১৮৫৩ চনত জিলাখনত মাৰোৱাৰী ব্যৱসায়ীৰ দোকানৰ সংখ্যা ৮৪-লৈ বাঢ়িল; জিলাখনত বঙালী ব্যৱসায়ীৰো দোকান আছিল সেই চনত ৬২ খন (দ্ৰষ্টব্য: Mill's

Report, P. 503-4 ; হেৰম্বকান্ত বৰপূজাৰীৰ 'Assam in the Days of the Company', 1980, P. 264)। উইলিয়াম ৰবিন্‌ছনে ১৮৪১ চনত ৰচনা কৰা অসমৰ খোলোচা বিবৰণ (A Descriptive Account of Asam)-তো অসমৰ ব্যৱসায়-বাণিজ্য ধন ঘটাৰ উদ্দেশ্যেই স্থায়ীভাবে অসমত বসবাস কৰিবলৈ লোৱা মাৰোৱাৰী সম্প্ৰদায়টোৰ একচেটীয়া বিষয় আছিল বুলি কৈছে। ৰবিন্‌ছনৰ ভাষাতে ক'বলৈ হ'লে, "At present, almost the whole of the commerce of Asam is engrossed by the Kaiyas, a very enterprising class of men, resident in the principal towns. They are emigrant from Marwar, and seem to have been induced to settle in Asam for the sake of trading merely." (উক্ত গ্ৰন্থ, পৃ. ২৪৫)। ৰবিন্‌ছনে তেনেকৈ কোৱাৰ তিনিটা দশকৰ পাছতো অসমৰ বাণিজ্য-ক্ষেত্ৰত একচেটীয়া প্ৰতিপত্তি চলি আছিল অন-অসমীয়াবেই।

১৮৭৪ চনত ৰচনা কৰা অসমৰ পৰিসংখ্যামূলক বিবৰণত (A Statistical Account of Assam, Vol. 1) হাণ্টাৰ চাহাবে কোৱা মতে, কামৰূপ জিলাৰ ব্যৱসায় প্ৰায় সম্পূৰ্ণকৈ আছিল মাৰোৱাৰী আৰু মুছলমান বেপাৰীসকলৰ হাতত : "The trade of Kamrup is almost entirely in the hands of Kyāh or Mārwāri merchants and Muhammedan dealers. The former are scattered throughout the length and breadth of the district, while the latter principally confine their operations to the towns of Gauhati and Barpeta." (P. 57)। মুছলমান বেপাৰী বোলোঁতে হাণ্টাৰে ঔৰংজেবৰ ৰাজত্ব-কালত ১৬৬২ চনত অসম আক্ৰমণ কৰোঁতে অসমতে থাকি যোৱা লোকসকলৰ এভাগকে বুজাইছে (The Musal-

man population of the District is supposed to date from the temporary invasion of Assam, 1662 A.D., in the reign of Aurangzeb." (P. 39)।

মুঠতে, কমলাকান্ত ভট্টাচাৰ্যই 'ভিক্ষা' কবিতাত কোৱা মতে, শতিকাটোৰ নৱমটো দশকলৈকে অসমৰ অৰ্থনীতি অন-অসমীয়া-সকলৰ হাতত আছিল :

"চাকৰিৰো নাই আশা বিদেশীয়ে পায়,
বাণিজ্যৰো নাই বাট ভেটিলে কেঞাই।"

তেওঁৰ মতে, ধনী মাৰোৱাৰী যোগ্য লোকসকলে পৰম সুখেৰে অসম ভোগ কৰিব লাগিছে, বঙালীসকলেও অশেষ উন্নতি লাভ কৰিছে। অসমৰ সৰিয়হ, চাহ, এৰী, মুগা, মাহ, ৰবৰ, কপাহ আদি বিভিন্ন পণ্য দ্ৰব্যৰ বেহা কৰি অসমৰ "সোণৰ ভঁৰাল" তেওঁলোকে বাহিৰলৈ লৈ যাবলৈ সক্ষম হৈছিল কমলাকান্তৰ মতে (প্ৰফুল্লদত্ত গোস্বামী-সম্পাদিত 'কমলাকান্ত ভট্টাচাৰ্য ৰচনাৱলী', অ. প্ৰ. প., পৃ. ৩১৪, ২৮৭)। ১৮৮৪ চনত প্ৰকাশিত গুণাভিৰাম বৰুৱাৰ 'আসাম বুৰঞ্জী'তো আছে, "কেয়াঁ নামে প্ৰসিদ্ধ মাড়োৱাৰৰ আগৰৱালা আৰু ওসোৱাল, ঢাকাৰ মুসলমান বেপাৰী এবং কিছুমান অল্প বঙ্গালী বেপাৰী এই দেশৰ প্ৰধান বণিক" (পুনৰ্মুদ্ৰণ, ১৯৭২, পৃ. ১৯০)। কমলাকান্তই আকৌ কৈছে, "অসমত বিদেশী মানুহবিলাক বৰ ধনী, অসমীয়াই কোনো এটা কাম কৰিব খুজিলেই বিদেশীবিলাকে উঁশাব নিদিয়ে, বৰ অৰিয়াঅৰি লগায়" (পূৰ্বোক্ত গ্ৰন্থ, পৃ. ২৭৭)।

অসমীয়াৰ বাণিজ্য-ক্ষেত্ৰত ঘটা তেনে 'অৰিয়াঅৰি'ৰ ইতিহাস কিমান পুৰণি জনা নাযায়। কিন্তু তেনে 'অৰিয়াঅৰি'ৰ মাজতোৰে অসমীয়াই বাণিজ্য-চেষ্টা চলাইছিল, তাৰ প্ৰমাণ আছে ১৮৪৭ খ্ৰীষ্টাব্দত নগাঁও জিলাৰ ছোট কন্দলী মৌজাত বৰ বাপা বৰুৱাই পতা হাটখনত। ১৮৪৭ চনৰ ছেপ্টেম্বৰ সংখ্যা অৰুনোদইত প্ৰকাশিত

সংবাদ এটাত কোৱা হৈছে, "জিলা নগাঁৱৰ পৰা এক পত্ৰত লিখিছে, মিকিৰপাৰে চোট্‌ কন্দলি মৌজাত বৰ বাপা নামে এজন বৰুৱাই পাঁচ পুৰামান মাটি এডোখৰত এক হাট নিৰূপন কৰাইচে। তাতে ধান, চাউল, মাহ, গুৰ, পাখিৰ আৰু শুকান মাচ, মকৰ, সাক-পাচলি অনেক উপহাৰ বস্তু আৰু কানি কটিকাকে আদি কৰি এই সকলো বস্তু হাটত গোট খাই··"। এই বাতৰি প্ৰকাশ হোৱাৰ চাৰি মাহৰ পাছত শিৱসাগৰ জিলাৰ অৰ্জুনগুৰিত মণিৰাম দেৱানে পতা শনিবৰীয়া হাটখনেও অসমীয়াৰ বাণিজ্য-চেষ্টাৰ কথা কৈছে: "জিলা শিৱসাগৰৰ অৰ্জুনৰ গুৰিত শ্ৰীযুত মনিৰাম দেৱানে সনিবৰিয়া হাট পতাইছে, তাত সকলো বস্তু ওলাই গাঁৱলিয়া আৰু নগৰিয়া নগাকে আদি কৰি সকলো মানুহে সনিবাৰৰ দিনা কিনা বেচা কৰি হাট বেহাই গৈ····" (পূৰ্বোক্ত গ্ৰন্থ, পৃ. ২০০)।

১৮৫৩ চনত বা তাৰ পাছৰটো বছৰত দিলিহীয়াল ভট্টাচাৰ্যৰ ঘৰৰ বুধদত্ত খাট্টনিয়াৰৰ পুত্ৰেক ধৰ্মদত্তই ('The Pronouncing Anglo-Assamese Dictionary' প্ৰণেতা বৃন্দীন্দ্ৰনাথ ভট্টাচাৰ্যৰ পিতৃ) আনন্দৰাম ঢেকিয়াল ফুকনৰ সহায়ত নগাঁও জিলাৰ ছামগুৰি ("শ্যামগুৰি") নামৰ ঠাইত সাপ্তাহিক হাট এখন পতাৰ কথা গুণাভিৰাম বৰুৱাই 'আনন্দৰাম ঢেকিয়াল ফুকনৰ জীৱন চৰিত্ৰ'ত কৈছে। "সেই হাট আজিলৈকে আছে" (উক্ত গ্ৰন্থ, অ. প্ৰ. প.; ১৯৭১, পৃ. ১৩৯)।

ঊনবিংশ শতিকাৰ আদি ভাগত কামৰূপ জিলাৰ বৰপেটা আৰু গুৱাহাটী অঞ্চলৰ অসমীয়া মানুহে ব্যৱসায়ত আত্মনিয়োগ কৰাৰ সম্ভেদ অমলেন্দু গুহই দিছে। তেখেতৰ মতে, সেই দুই অঞ্চলৰ কৃষক-বেপাৰী কেইজনমানে নাৱেৰে বংগদেশলৈ সৰিয়হ নিছিল আৰু অসমৰ গাঁওবোৰত নিজৰ হস্তশিল্পজাত সামগ্ৰী বিক্ৰী কৰিছিল। নদীয়ালসকলেও মাছ, তামোল-পাণ আৰু চূণৰ লক-খুৰা ব্যৱসায় কৰিছিল বুলি একেটা প্ৰসংগতে প্ৰকাশ। গুহই কোৱা মতে, সেই

ব্যৱসায়ীসকল মাৰোৱাৰীসকলৰ পুঁজিৰ বহুতীয়া হ'ব লগীয়া হৈছিল (দ্ৰঃ Planter-Raj to Swaraj, 1977, P. 58)।

কামৰূপ জিলাৰে ধৰ্মপুৰ মৌজাৰ জনৈক খগেশ্বৰৰ ১৩।১৪ বছৰীয়া ল'ৰা নৰোত্তমে উনবিংশ শতিকাৰ চতুৰ্থ দশকত (আনুমানিক ১৮৩৩।৩৪ খ্ৰীষ্টাব্দত) ঘৰৰ পৰা নিৰুদ্দিষ্ট হৈ কোনোবা বেপাৰীৰ লগত গুৱাহাটী আৰু তাৰ পৰা উজনি অসম পালেগৈ। একাধিক বেপাৰীৰ লগত কিছুদিন উজনিত থাকি নৰোত্তমে নিজাকৈ নাও এখন ঘটি নাৱেৰে ব্যৱসায় কৰিবলৈ ধৰিলে। অশেষ যত্নৰ ফলত সৌভাগ্যই লাগ দিয়াত কালক্ৰমত নৰোত্তম পাঁচ-ছখন হোলোং নাৱৰ গৰাকী হ'ল। নৰোত্তমৰ ব্যৱসায় চলিল গোলাঘাটৰ পৰা কপাহ নি গোৱালপাৰাত বিক্ৰী কৰাৰ আৰু গোৱালপাৰাৰ পৰা অন্যান্য সামগ্ৰী আনি উজনিত বিক্ৰী কৰাৰ। গোলাঘাটতে নৰোত্তমৰ ব্যৱসায়ৰ প্ৰতিষ্ঠা হ'ল। দোকান পাতিলে কেইবাখনো। গোলা-ঘাট-ডিব্ৰুগড়ৰ মাজত তেওঁ চাউলৰ ব্যৱসায় কৰিবলৈ ধৰিলে। লক্ষ্মীয়ে নৰোত্তমক আদৰিলে। উনবিংশ শতিকাৰ তিনিটা শেহ আৰু বিংশ শতিকাৰ তিনিটা আদি দশকৰ মাজৰ কালছোৱাৰ এজন অসমীয়া কবি আৰু নাট্যকাৰ দুৰ্গাপ্ৰসাদ মজিন্দাৰ বৰুৱাৰেই পিতৃ এই নৰোত্তম (যোগেন্দ্ৰনাৰায়ণ ভূঞাৰ 'দুৰ্গাপ্ৰসাদ মজিন্দাৰ বৰুৱা', ১৯৮৮, পৃ. ২-৩)।

অসমীয়াৰ বাণিজ্য-ইতিহাসৰ আন কেইটামান পৃষ্ঠা পূৰ্ণ হৈ আছে আৰু তিনিজন অসমীয়াৰ বাণিজ্য-বাৰ্তাৰে। সেই তিনিজনৰ এজন ৰবৰ আৰু হাতী ব্যৱসায়ী অগ্নিকবি কমলাকান্ত ভট্টাচাৰ্যৰ মামোৱেকেই যথেষ্ট বুলি ভাবোঁ। আন দুজনৰ এজন হ'ল গুৱাহাটীৰ ৰাধাচৰণ বৰুৱা, আৰু আনজন দৰং জিলাৰ পমিৰিৰ হৰিবিলাস আগৰৱালা। বেজবৰুৱাই আত্মজীৱনীত কৈছে মতে, "ৰাধাচৰণ বৰুৱাই অসম এৰি কিছু কাল গুপ্তভাৱে থাকি আৰ. চি. বেঞ্জামিন নাম লৈ দিল্লী প্ৰভৃতি ঠাইত ব্যৱসায়-বাণিজ্য কৰি আছিল। অনেক

কালৰ পিছত তেওঁ দেখা দিছিল, আৰু তায়েক উমাচৰণ বৰুৱাক তেওঁ ব্যৱসায়ৰ সম্পৰ্কত আনি কলিকতাত থৈছিল" (মোৰ জীৱন সোঁৱৰণ, অসম সাহিত্য সভা, ১৯৬১, পৃ. ১৩০)। বেজবৰুৱাৰ কথাৰ পৰাই ক'ব পাৰি, আৰ. চি. বেঞ্জামিন ওৰফে ৰাধাচৰণ বৰুৱাৰ ব্যৱসায়ো আছিল কলিকতা-কেন্দ্ৰিক, আৰু সেই ব্যৱসায়ে পোখা মেলিছিল দিল্লীলৈকে।

হৰিবিলাস আগৰৱালাৰ ব্যৱসায় আছিল গোনতে অসম-ভিত্তিক আৰু অসম-কেন্দ্ৰিক। এই প্ৰসংগত আমি হৰিবিলাসৰ চাহ বাগিচাৰ কথা ক'ব খোজা নাই, ক'ব খুজিছোঁ ৰবৰৰ ব্যৱসায়ৰ কথাহে, কাঠ ফলা কলৰ কথাহে। জ্যোতিপ্ৰসাদ আগৰৱালাই কোৱা মতে "ৰবৰৰ কাৰবাৰতে হৰিবিলাসে লাখ লাখ টকা আৰ্জে।" হৰিবিলাসে তেজপুৰত খোলা কাঠ ফলা কলত বোলে ইয়ং নামৰ এজন য়ুৰোপীয় অভিযন্তাক নিযুক্তি দিছিল, আৰু তেঁওলোকৰ আটাইবোৰ চাহ বাগিচাই হৰিবিলাসৰ কলৰ পৰাই চাহ বাকচ ক্ৰয় কৰিছিল (জ্যোতিপ্ৰসাদ ৰচনাৱলী, ১৯৮১, পৃ. ৭৮০)। হৰিবিলাসৰ এই ব্যৱসায়-সমৃদ্ধি অসমীয়াৰ বাণিজ্য-ইতিহাসৰ নিঃসন্দেহে এটা গৌৰৱময় পৃষ্ঠা। বৈষ্ণৱ অসমীয়া সাহিত্যৰ মুদ্ৰণ-প্ৰকাশন কাৰ্যই তেওঁৰ ব্যৱসায়-সম্প্ৰসাৰণত সহায় কৰিছিল বুলি ভবাৰ থল নাই। তাৰ বিপৰীতে এই কথাহে কোৱা যুগুত হ'ব যে বৈষ্ণৱ অসমীয়া সাহিত্যৰ মুদ্ৰণ-প্ৰকাশন তেওঁৰ বাণিজ্যিক সাফল্যেৰে অসমীয়া ভাষা-সাহিত্যৰ মন্দিৰলৈ আগবঢ়োৱা এগছি ভকতি-প্ৰদীপহে। হৰিবিলাসেযে শেহৰ কালে কলিকতাত বেতৰ ব্যৱসায়ো চলাইছিল, তাৰ বিবৰণ পদ্মনাথ গোহাঞিবৰুৱাই দিছে (মোৰ সোঁৱৰণী, পৃ. ১৭৭)। বেজবৰুৱাই কৈছে, "কলিকতাৰ বৰবজাৰত আৰ্মেনিয়ান ষ্ট্ৰীটৰ ১০ নং ঘৰটো হৰিবিলাস আগৰৱালা ডাঙৰীয়াৰ বাণিজ্য-ব্যৱসায়ৰ আৰু বাস-স্থানৰ 'কুঠী' আছিল। এজন অসমীয়াৰ কলিকতাত তেনে এটা

বৰ কুঠী বৰবজাৰত থকা দেখি মোৰ মনটো জাতীয় গৌৰৱত ওকন্দি পৰিছিল" (মোৰ জীৱন সোঁৱৰণ, পৃ. ১৩২)।

হৰিবিলাস আগৰৱালাৰ ব্যৱসায়িক সাফল্য অসমীয়াৰ লক্ষ্মী-পূজাৰ প্ৰথম মংগল-বাদ্য, প্ৰথম উৰুলি-জোকাৰ বুলিব লাগিব। উল্লিখিত আন আন অসমীয়াৰ প্ৰচেষ্টা সেই পূজাৰ উপকৰণ-আহৰণহে আছিল মাথোন। আনহাতে, হৰিবিলাসকে ধৰি উল্লিখিত সকলো অসমীয়াৰ ব্যৱসায়ক বা ব্যৱসায়িক প্ৰযত্নক অসমীয়াৰ বাণিজ্য-ইতিহাসৰ প্ৰস্তাৱনা অংশ বুলিহে ক'ব লাগিব। দৰাচলতে অসমীয়াৰ বাণিজ্য ইতিহাসৰ প্ৰথম অধ্যায়টো ৰচনা কৰে উনবিংশ শতিকাৰ সত্তৰৰ দশকত মাণিকচন্দ্ৰ বৰুৱাইহে। প্ৰফুল্লদত্ত গোস্বামীয়ে কৈছে, "অসমীয়া প্ৰথম ডাঙৰ ব্যৱসায়ী মাণিকচন্দ্ৰহে" (মাণিকচন্দ্ৰ বৰুৱা আৰু তেওঁৰ যুগ, ১৯৭০, পৃ: ১৭)। হয়, প্ৰকৃতপক্ষে মাণিকচন্দ্ৰইহে অসমীয়াৰ বাণিজ্য-চেতনা জাগ্ৰত কৰিলে। "ধনেৰে চহকী কৰোঁ অসম জননী, পাতো আহাঁ জাতীয় কুম্পানী" বুলি জনোৱা কমলাকান্ত ভট্টাচাৰ্যৰ উদাত্ত আহ্বানৰ সাৰ্থকতা যেন প্ৰকাশ পালে মাণিকচন্দ্ৰৰ জীৱন আৰু কৃতিৰ মাজতহে। ১৮৭৪ চনত কামৰূপ জিলাৰ ডেপুটী কমিছনাৰ কেম্বেল চাহাবে আগবঢ়োৱা মুন্সিফ পদ প্ৰত্যাখ্যান কৰি ব্যৱসায়-বৃত্তিৰে অসমীয়া মানুহে স্বাধীনভাৱে জীৱন আৰু জীৱিকা নিৰ্বাহ কৰিব পৰা আদৰ্শৰ ভেটি এটা দৃঢ়ভাৱে প্ৰতিষ্ঠা কৰি গ'ল মাণিকচন্দ্ৰ বৰুৱাইহে।

বেইনব্ৰিজ (Mr. Bainbridge) নামৰ ব্ৰিটিছ বণিক এজনৰ লগত থাকি মাণিকচন্দ্ৰই বাণিজ্য-বিস্তাৰ আদি পাঠ শিকে। বেইনব্ৰিজৰ লগত পোনতে জাহাজৰ সহকাৰী অভিকৰ্তা (Assistant Agent) ৰূপে চাকৰি কৰা কালতে মাণিকচন্দ্ৰই বেইনব্ৰিজৰ পৰা চাহ ব্যৱসায়ৰ শিক্ষাও আৰম্ভ কৰে। কুমুদেশ্বৰ বৰঠাকুৰ, সোণাপতি দেৱ শৰ্মা আৰু মহীচন্দ্ৰ বৰাৰ দ্বাৰা প্ৰণীত 'মাণিক'

নামৰ পুথিত (প্ৰকাশক—লোহিত চন্দ্ৰ ভূঞা, ক্ৰেণ্ড্ছ আসাম এজেন্সী, ৪৩ নং আমহাৰ্ষ্ট ষ্ট্ৰীট, কলিকতা) কোৱা হৈছে, "বেইনব্ৰিজৰ লগতে চাহৰ ব্যৱসায় তেওঁ শিকি লয়। বেইনব্ৰিজ চাহাবে কাম এৰি যোৱাৰ পিছত ৺জয়নাথ বৰদলৈৰ লগত লৈ সেই ব্যৱসায়কে তেওঁ কিছুমান দিন চলাইছিল। জয়নাথ বৰদলৈয়ে চাহপাত মাৰিব জানিছিল; বৰুৱা ডাঙৰীয়াই তেওঁৰ পৰা সেই কাম শিকি লয়। তেতিয়া চাহপাতৰ দাম বৰ বেছি আছিল। তেওঁলোকে ইয়াত চাহপাত মাৰি সেইবিলাক কলিকতাত বেচিছিল" (পৃ. ৯)।

কলিকতাত চাহপাত বিক্ৰী কৰা ব্যৱসায় মাণিকচন্দ্ৰই যেনেকৈ দুবছৰমান চলোৱাৰ পাছত জয়নাথ বৰদলৈৰ সঙ্গ এৰি আনন্দৰাম ঢেকিয়াল ফুকনৰ পুত্ৰ অন্নদাৰামৰ লগত যুটীয়া ব্যৱসায়-প্ৰতিষ্ঠান এটা খুলিলে 'বৰুৱা-ফুকন ব্ৰাদাৰ্ছ' নামকৰণেৰে (মাণিক, পৃ. ৯)। এই 'বৰুৱা-ফুকন ব্ৰাদাৰ্ছ' গুৱাহাটীতে স্থাপিত হৈছিল। অমলেন্দু গুহই দেখুৱা* মতে, 'বৰুৱা-ফুকন ব্ৰাদাৰ্ছ'ৰ অস্তিত্ব ১৮৭৫ খ্ৰীষ্টাব্দৰ পৰা ১৮৮৪ খ্ৰীষ্টাব্দলৈ। ১৮৮৪ চনত অন্নদাৰাম ফুকনৰ বিয়োগ ঘটাৰ লগে লগে প্ৰতিষ্ঠানটোৰ পৰিচয়ত বিঘিনি ঘটিল। অন্নদাৰামৰ অকাল বিয়োগ নঘটা হ'লে 'বৰুৱা-ফুকন ব্ৰাদাৰ্ছ'ৰ আয়ুস নিশ্চয় ইমান চুটি নহ'লহেঁতেন। মাণিকচন্দ্ৰৰ ব্যৱসায়ৰ অংশীদাৰজন ব্যৱসায়-বাণিজ্যত ব্ৰতী হোৱা কথাবেই গুণাভিৰাম বৰুৱাই 'আনন্দৰাম ঢেকিয়াল ফুকনৰ জীৱন চৰিত্ৰ' সামৰিছে— "অন্নদাৰামে চাহৰ কৃষি আৰু বাণিজ্য আৰু আন সাধাৰণ বাণিজ্য ব্যৱসায় কৰি স্বাধীনৰূপে আছে" বুলি। লক্ষ্মীনাথ বেজবৰুৱাই কৈছে, "বৰুৱা-ফুকন ব্ৰাদাৰ্ছ'ৰ বেহা-বেপাৰ খুব ডাঙৰভাৱে ভাল ৰকমেই চলিছিল। তেওঁলোকৰ সক জাহাজ এখনো আছিল। বাস্তবিকতে য়ুৰোপীয় ধৰণেৰে অসমত বেহা-বেপাৰৰ প্ৰথম পথ প্ৰদৰ্শক (pioneer), 'বৰুৱা-ফুকন ব্ৰাদাৰ্ছ'কেই বুলিব লাগে" (মোৰ

জীৱন সোঁৱৰণ, পৃ. ৮১)। ‘বৰুৱা-ফুকন ব্ৰাদাৰ্ছ’ৰ পৃষ্ঠপোষকতাতে হেমচন্দ্ৰ বৰুৱা-সম্পাদিত সাপ্তাহিক ইংগ-অসমীয়া বাতৰি কাকত ‘আসাম নিউচ’ ওলোৱাৰ কথাও বেজবৰুৱায়েই কৈছে। অৱশ্যে, ‘আসাম নিউচ’ চলাবৰ বাবে বৰুৱা-ফুকন ব্ৰাদাৰ্ছৰে শাখা প্ৰতিষ্ঠান ‘আসাম প্ৰিন্টিং কৰ্পোৰেচন’ গঠিত হোৱাৰ কথা ‘মাণিক’ পুথিৰ লেখক তিনিগৰাকীয়ে উল্লেখ কৰিছে (পৃ. ১৭)।

অন্নদাৰাম ফুকনৰ মৃত্যুৰ পাছত ‘বৰুৱা-ফুকন ব্ৰাদাৰ্ছ’ৰ নাম পৰিবৰ্তিত হ’ল ‘এম. চি. বৰুৱা এণ্ড কোম্পানী’লৈ। ‘গৌহাটী আইচ কোম্পানী লিমিটেড’ নামেৰে বৰফ প্ৰস্তুতকাৰী কাৰখানা এটাও আছিল সেই প্ৰতিষ্ঠানৰে আন এটা অংশ (মাণিক, পৃ. ১৪)। হৰকান্ত সদৰামীনে আত্মজীৱনীত ১৮৮৭ চনৰ জুন মাহৰ পৰা “গোহাটী শুক্রেশ্বৰত বৰফ তৈয়াৰ ও বিক্রী হয়” বুলি লিখিছে। বাক্যটোৱে মাণিকচন্দ্ৰ বৰুৱাৰ ‘গৌহাটী আইচ কোম্পানী লিমিটেড’ৰ কথাকে কৈছে নিশ্চয়। ‘নিশ্চয়’ বুলি এইবাবেই ক’ব পাৰি যে ‘মাণিক’ পুথিৰ লেখকসকলে কোৱা মতে, মাণিকচন্দ্ৰই ‘গৌহাটী আইচ কোম্পানী লিমিটেড’ প্ৰতিষ্ঠা কৰাৰ উপৰি গুৱাহাটী নগৰত নিৰ্মল পানী যোগোৱাৰ চেষ্টাও কৰিছিল আৰু “গুৱাহাটীৰ পানীৰ কল (water-works) তেওঁৰ সেই সময়ৰ যত্নৰ ফল।” ১৮৮৭ চনৰ ৩১ মে’ত সদৰামীনে লিখা মতে, “এই মাহৰ পৰা গোহাটী চহৰত কলৰ দ্বাৰা পানী তোলে” (সদৰামীনৰ আত্মজীৱনী, ১৯৬০, পৃ. ২৬২)। উল্লিখিত দুয়োটা উৎসই দিয়া সংবাদৰ সাদৃশ্য মন কৰিব লগীয়া।

মাণিকচন্দ্ৰই ‘বাহাদুৰ’ (পাছলৈ ‘বৰুৱা বাহাদুৰ’) নামৰ সৰু জাহাজ এখন কিনি সেই জাহাজেৰে মঙ্গলদৈৰ পৰা গুৱাহাটীলৈ চাহপাত কঢ়িয়া কাৰ্যও আছিল ‘এম. চি. বৰুৱা এণ্ড কোম্পানী’ৰ ধনাগমৰ আন এটা পথ।

‘এম. চি. বৰুৱা এণ্ড কোম্পানী’ৰ পূৰ্বৰূপ ‘বৰুৱা-ফুকন ব্ৰাদাৰ্ছ’ৰ

লক্ষ্য আছিল কাঠৰ ব্যৱসায়হে। 'মাণিক' পুথিৰ লেখকসকলৰ মতে কামৰূপ, নগাঁও, গোৱালপাৰা, গাৰো হিল, ঢাকা, কলিকতা আৰু ৰংপুৰ প্ৰভৃতি ঠাইলৈ সেই ব্যৱসায়ৰ বিস্তৃতি ঘটিছিল আৰু "আসাম-বেঙ্গল ৰেলওৱেৰ প্ৰায় সমুদায় Sleeper তেওঁলোকৰ কাঠৰ কাৰ্মৰ পৰা যোগাইছিল" (পৃ. ১০)। লক্ষ্মীনাথ বেজবৰুৱাই কোৱা মতে, সেই 'বৰুৱা-ফুকন ব্ৰাদাৰ্ছ'ৰ "কাঠৰ বিজনেছ বিভাগৰ মেনেজাৰ আছিল" "শ্ৰীযুত ভোলানাথ বৰুৱা (পিছত বিখ্যাত সদাগৰ বি. বৰুৱা)" (মোৰ জীৱন সোঁৱৰণ, পৃ. ৮১)। 'মাণিক'ৰ ৰচয়িতাসকলে কৈছে, "আমাৰ সাউদ শ্ৰীযুত ভোলানাথ বৰুৱা এই কোম্পানীৰ মেনেজাৰ আছিল। উক্ত সাউদ ডাঙৰীয়াই সেই সময়ত মাণিকচন্দ্ৰ বৰুৱা ডাঙৰীয়াৰ পৰা বেহা-বেপাৰৰ বহুত আও-ভাও পাইছিল।" প্ৰফুল্লদত্ত গোস্বামীয়ে কোৱা মতেও মাণিকচন্দ্ৰৰ সম্বন্ধীয় ভায়েক ভোলানাথে "কোম্পানীৰ মেনেজাৰী দায়িত্ব" লৈ মাণিকচন্দ্ৰৰ আশ্ৰয়তে গা কৰি উঠে (পূৰ্বোক্ত গ্ৰন্থ, পৃ. ১৭)। অমলেন্দু গুহই কোৱা মতেও, মাণিকচন্দ্ৰৰ কাঠৰ ব্যৱসায়-প্ৰতিষ্ঠানতে কাৰ্যাধ্যক্ষৰূপে জীৱন আৰম্ভ কৰি শেহলৈ স্বতন্ত্ৰীয়াভাৱে উৰিষ্যাত কাঠৰ ব্যৱসায় কৰা মাণিকচন্দ্ৰৰ নিকটাত্মীয় ভোলানাথ বৰুৱা কলিকতা-কেন্দ্ৰিক লাখপতি সদাগৰ হৈ পৰিল : "Bholanath Borooah (1853-1923), a close relation of Manik, started his career as the manager of the latter's timber business and later rose to be an independent millionaire timber merchant of Orissa with his head office in Calcutta." (Planter-Raj to Swaraj, P. 60)। যিটো পটিয়েদি গতি কৰি মাণিকচন্দ্ৰ বৰুৱা অসমীয়া জাতিৰ উত্তৰ পুৰুষৰ বাবে স্মৰণীয় আৰু বৰণীয় হৈ ৰ'ল, সেই পটিয়েদিয়েই বাট বুলিলে ভোলানাথ বৰুৱাইও। বাণিজ্যৰ অনুশীলনৰ যোগেদি ইংৰাজৰ দৰে সভ্য আৰু ধনৱন্ত

হ'বৰ বাবে আনন্দৰাম ঢেকিয়ালফুকনে জনোৱা আহ্বানৰ প্ৰতি মাণিকচন্দ্ৰ বৰুৱাৰ পাছতে যিজন অসমীয়াই সঁহাৰি জনাইছিল, সেইজনেই আছিল ভোলানাথ বৰুৱা। আৰ্জিত ধন কেৱল সঞ্চয় কৰি নথৈ দেশত বিদ্যা বুদ্ধিৰ বাবে বা পৰোপকাৰৰ অৰ্থে ধন ভঙা ধনৱন্ত বুলিলে বিংশ শতিকাৰ প্ৰথম দুটা দশকৰ অসমীয়া-সকলৰ ভিতৰত কেৱল এজন ব্যক্তিৰ নামহে মনলৈ আহে, আৰু সেইজনেই হ'ল ভোলানাথ বৰুৱা, অসমীয়া সদাগৰ ভোলানাথ বৰুৱা। এইজন ভোলানাথ বৰুৱাৰ সংবাদেই অসমীয়াৰ বাণিজ্য-ইতিহাসৰ দ্বিতীয় আৰু গৌৰৱময় সোণালী অধ্যায়টো।



সদাগর ভোলানাথ বকরা

দুই

পুৰণিগুদামৰ পৰা কলিকতালৈ

সদাগৰ ভোলানাথ বৰুৱাৰ জীৱনৰ কথা সম্যকভাৱে জনাৰ সুবিধা সম্প্ৰতি নাই। ভোলানাথে নিজৰ জীৱনৰ কথা ক'তোৱেই লিপিবদ্ধ কৰি থোৱা নাই, আনকি তেওঁ নিজৰ জীৱনৰ কথা লিখিবলৈ দায়িত্ব বা সুযোগ দি থোৱা নাছিল। তেওঁৰ মন বা হৃদয়ৰ পৰিচয়জ্ঞাপক ৰচনা নাছিলেই; চিঠিপত্ৰ বা দিনলেখাও এতিয়া দুৰ্লভ। ভোলানাথ বৰুৱা আছিল আজীৱন অবিবাহিত। নিজৰ তেওঁৰ গৃহৰ লগত সম্পৃক্ত যথাৰ্থ উত্তৰপুৰুষ বুলিবলৈও এতিয়া তেওঁৰ কোনো নাই। তেনে স্থলত তেওঁৰ জীৱনৰ পৰিচয় দাঙি ধৰাটো সহজ-সাধ্য নহয়।

সাহিত্যিক-সাংবাদিক লক্ষ্মীনাথ ফুকন 'অমৃত বাজাৰ পত্ৰিকা'ৰ সহকাৰী সম্পাদক হৈ কলিকতাত থাকোঁতে ভোলানাথ বৰুৱাৰ লগত ফুকনৰ সৌহাৰ্দ্যপূৰ্ণ সম্পৰ্ক এটা গঢ় লৈ উঠিছিল। এদিন বোলে তেওঁৰ জীৱনৰ বিষয়ে ফুকনে সোধোঁতে বৰুৱাই ক'লে, "মোৰ জীৱনৰ কথা কি শুনিবা; লক্ষ্মীনাথ বেজবৰুৱা আৰু হেমচন্দ্ৰ গোস্বামীয়েহে মোৰ জীৱনৰ কথা জানে" (মহাত্মাৰ পৰা ৰূপ-কোঁৱৰলৈ, দ্বিতীয় প্ৰকাশ, পৃ. ৭৮-৭৯)। কিন্তু বেজবৰুৱা আৰু গোস্বামীয়ে জনা ভোলানাথৰ জীৱন কলিকতীয়া জীৱনহে। তেওঁৰ জীৱনৰ প্ৰথম ছোৱাৰ, তেওঁৰ নগাঁৱা শৈশৱ আৰু গুৱাহাটীয়া যৌৱনৰ কোনো সংবাদ বেজবৰুৱা বা গোস্বামী একজনেও নাজানে।

সদাগৰ ভোলানাথ বৰুৱা সম্পৰ্কত চিন্তা-চৰ্চা আমাৰ মাজত

হোৱা নাই বুলিয়েই ক'ব পাৰি। বিক্ষিপ্তভাৱে দুই-এখন কাকত-আলোচনীত যি দুই-এজনে দুআষাৰ-একাষাৰ কথা ভোলানাথৰ বিষয়ে লিখিছে, তেনে লেখাবো কোনোবাটোত শ্রুত তথ্যৰহে পৰিবেশন ঘটিছে, কোনোবাটোৰ মাজত আকৌ বিভ্রান্তিকৰ বা ভুল তথ্য পৰিবেশিত হৈছে। বিজ্ঞানসম্মতভাৱে ভোলানাথ বৰুৱা সম্পৰ্কীয় তথ্য উদ্‌ঘাটন বা পৰিবেশনৰ প্ৰচেষ্টা আমাৰ দৃষ্টিত পৰা নাই।

লক্ষ্মীনাথ ফুকনৰ আগত কওঁতে ভোলানাথে বেজবৰুৱা আৰু হেমচন্দ্ৰ গোস্বামীৰ নাম কাঢ়িলেও ভোলানাথ সম্পৰ্কত হেমচন্দ্ৰৰ অৱগতি ব্যাপক নহয়। তাৰ কাৰণ, ভোলানাথ আছিল প্ৰবাসী, অসমৰ লগত ৰখা সম্পৰ্কৰ দিশৰ পৰা চালে বেজবৰুৱাতকৈও প্ৰবাসী। আনহাতে, হেমচন্দ্ৰৰ কৰ্মক্ষেত্ৰ আছিল অসম। স্বাৰ্থ আৰু প্ৰয়োজনবশতঃ কলিকতালৈ যাওঁতেই বা সাময়িকভাৱে কিছুদিন কলিকতাত থাকোঁতেই ভোলানাথৰ লগত হেমচন্দ্ৰৰ যিকণ সান্নিধ্য-সম্পৰ্ক ঘটিছিল, সিমানেই মাত্ৰ। তথাপি হেমচন্দ্ৰই ভোলানাথক যিমানখিনি প্ৰকাশ দিলে, সেয়াও আমাৰ বাবে কম লাভৰ কথা নহয়।

ভোলানাথ বৰুৱাৰ প্ৰবাসী জীৱন আৰু কৰ্ম-জীৱনৰ, ব্যৱসায়ী জীৱনৰ কথা জানিছিল লক্ষ্মীনাথ বেজবৰুৱাইহে। বেজবৰুৱাৰ আত্ম-জীৱনী আৰু দিনলেখাতহে সদাগৰ ভোলানাথ বৰুৱাজন সোমাই আছে। এতিয়া ক'ব লাগিব, সদাগৰ ভোলানাথ বৰুৱাৰ জীৱনৰ ছবিখন নিখুঁত আৰু নিটোলভাৱে অংকন কৰিব পৰা চিত্ৰকৰ আছিল মাত্ৰ এজনেই, আৰু সেইজনেই হৈছে লক্ষ্মীনাথ বেজবৰুৱা। কিন্তু অসমীয়া জাতিৰেই দুৰ্ভাগ্য যে তেনে এটি সম্ভাব্য অমূল্য সম্পদৰ পৰা জাতিটো বঞ্চিত হ'ব লগীয়া পৰিস্থিতি এটাৰ সৃষ্টি হ'ল। সেই কথাৰ অৱতাৰণা হ'ব পাছলে। এতিয়া পিছে এই কথা কৈ থোৱা উচিত হ'ব যে বেজবৰুৱাৰ আত্মজীৱনী আৰু দিনলেখাৰ

সহায় অবিহনে সন্মুখৰ ভোলানাথ বৰুৱাৰ মূৰ্ত্তিটোৰ জুমুৰিটো সাজিব নোৱাৰি।

ভোলানাথ বৰুৱাৰ জন্ম নগাঁও জিলাৰ বিখ্যাত খৰঙী বৰুৱা বংশত। সেই বংশৰ ঐতিহ্যৰ ধাৰক-বাহকসকলৰ এজন, বৰ্ত্তমান গুৱাহাটীৰ পূব শৰণীয়া-নিবাসী শ্ৰীলক্ষ্মীধৰ বৰুৱাই দেখুৱা বংশ-লতিকাৰ পৰা জানিব পৰা মতে ভোলানাথ বৰুৱা ময়ূৰধ্বজ খৰঙী বৰুৱাৰ অধস্তন পঞ্চমটো পুৰুষৰ অন্যতম। ময়ূৰধ্বজৰ পুত্ৰ (বা পুত্ৰসকলৰ এজন)-ৰ নাম সুদাম। সুদামৰ পুত্ৰ (বা সন্তানসকলৰ এজন) সুধাই নাওশলীয়া বৰুৱা। তেওঁৰ পুত্ৰ (বা সন্তানসকলৰ এজন)-ৰ নাম যদুৰাম বা জয়ৰাম। এওঁ শেনচোৰা বৰুৱা বুলিও চিহ্নিত। যদুৰাম ওৰফে জয়ৰামৰ পুত্ৰ (বা সন্তানসকলৰ এজন) হ'ল ঘনশ্যাম। শ্ৰীলক্ষ্মীধৰ বৰুৱাই দেখুৱা এই বংশ-লতাত ঘনশ্যাম বৰুৱাৰ পুত্ৰ-সন্তানসকল হ'ল যথাক্ৰমে ৰত্নেশ্বৰ, ভোলানাথ, যোগেশ্বৰ আৰু গোপীকান্ত। একমাত্ৰ কন্যা সন্তান বগ্না ঘনশ্যামৰ তৃতীয় সন্তান, অৰ্থাৎ দ্বিতীয় পুত্ৰ ভোলানাথৰ পাছতে বগ্নাৰ জন্ম।

ভোলানাথৰ জন্ম ১৮৫৩ চনত নগাঁও জিলাৰ পুৰণিগুদামত বুলি আৰু তেওঁৰ মাতৃৰ নাম ভোগদৈ বুলি জনা গৈছে। কিন্তু ভোলা-নাথ বৰুৱাৰ এজন বিশিষ্ট আত্মীয়, 'জয়ন্তী' আলোচনীৰ প্ৰতিষ্ঠাপক কেশৱকান্ত বৰুৱাই লিখা এটা প্ৰবন্ধত ('Bholanath Borcoah'; বি. বৰুৱা কলেজ ৰূপালী জয়ন্তী স্মৃতিগ্ৰন্থ, ১৯৬১) ভোলানাথৰ জন্মৰ চনটো ১৮৫০ বুলি প্ৰকাশ পাইছে। আমাৰ বোধেৰে ই মুদ্ৰণ-প্ৰমাদহে। অমলেন্দু গুহৰ মতেও ভোলানাথৰ জন্ম ১৮৫৩ খ্ৰীষ্টাব্দত। পুৰণিগুদামহে তেওঁৰ জন্মস্থান, সেই কথা অসম সাহিত্য সভাৰ সভাপতিৰ আসনৰ পৰা কোৱা ৰজনীকান্ত বৰদলৈৰ কথাতো প্ৰকাশ পাইছে এনেকৈ, "এই নগাঁৱৰ পুৰণিগুদাম অঞ্চলত বনামধন্য ৺কৰ্ত্তিকচন্দ্ৰ বৰুৱা, ৺মাণিকচন্দ্ৰ বৰুৱা আৰু ভাৰতবৰ্ষৰ ভিতৰত বিখ্যাত হৈছিল ধনী, মানী, দানী লাটম ৺ভোলানাথ বৰুৱাই জন্ম গ্ৰহণ

কৰিছিল" (অসম সাহিত্য সভাৰ ভাৰণাৱলী, ১ম ভাগ, পৃ. ১৪৬-৭)।

পিছে, ঘনশ্যাম বৰুৱা আৰু ভোগদৈৰ সন্তানসকলৰ ক্ৰম-নিৰূপণত এটা বিসংগতিয়ে দেখা দিছে। শ্ৰীলক্ষ্মীধৰ বৰুৱাৰ পৰা পোৱা বংশ-লতিকাতথে ঘনশ্যাম বৰুৱাৰ জ্যেষ্ঠ পুত্ৰ বত্নেশ্বৰহে, সেই কথা আমি কৈ আহিছোঁ। কিন্তু বি. বৰুৱা কলেজ ৰূপালী জয়ন্তী স্মৃতিগ্ৰন্থত সন্নিবিষ্ট এটা প্ৰবন্ধত ('শিক্ষানুৰাগী ৺ভোলানাথ বৰুৱা', লেখক: ভুবন চন্দ্ৰ বৰুৱা) ঘনশ্যাম বৰুৱাৰ প্ৰথম সন্তান বুলি দেখুৱা হৈছে গোপীকান্ত বৰুৱাকহে, আৰু বত্নেশ্বৰ সেই মতে চতুৰ্থ পুত্ৰহে। মন কৰিব লগীয়া যে উক্ত লেখাটোত ঘনশ্যাম বৰুৱাৰ সন্তানসকলৰ ভিতৰত বত্নাৰ উল্লেখ নাই। কিন্তু ভৱানী নামৰ ভোলানাথৰ ভাগিনীয়েক এজনৰ কথা বেজবৰুৱাই কৈছে। আমি পোৱা বংশ-লতাতো বত্নাৰ পুতেক ভৱানী ৰৰদলৈৰ নাম আছে। আকৌ, বেজবৰুৱাই তেওঁৰ 'জীৱন-সোঁৱৰণ'ত (পৃ. ১৮৩) ভোলানাথৰ হেমকান্ত নামৰ ককায়েক এজনৰ কথা উল্লেখ কৰিছে। হেমকান্ত ভোলানাথৰ সহোদৰ নহৈ সম্বন্ধীয় ককায়েক হোৱাৰ সম্ভাৱনাও বেজবৰুৱাই নোহোৱা কৰিছে হেমকান্তৰ পুতেকসকলক ভোলানাথৰ "নিজা ভতিজাক" বুলি কৈ। এনে অৱস্থাত আমাৰ ফালৰ পৰা সিদ্ধান্ত দিয়াটো সম্ভৱ নহয়।

কেশৱকান্ত বৰুৱাৰ দ্বাৰা লিখিত পূৰ্বোক্ত প্ৰবন্ধত ভোলানাথৰ পিতৃ ঘনশ্যাম বৰুৱা মৌজাদাৰ আছিল বুলি আৰু সেই মৌজা হেৰুৱাৰ ফলত তেওঁলোকৰ আৰ্থিক অৱস্থা শোচনীয় হৈ পৰিল বুলি কোৱা হৈছে। ভোলানাথে নগাঁও গৱৰ্ণমেণ্ট হাইস্কুলত তেতিয়াৰ থাৰ্ড ক্লাছ (এতিয়াৰ অষ্টম শ্ৰেণী)-লৈকে পঢ়িছিল বুলি একেটা সূত্ৰতে প্ৰকাশ পাইছে। নগাঁও গৱৰ্ণমেণ্ট হাইস্কুলৰ শতবাৰ্ষিকী স্মৃতিগ্ৰন্থত অধ্যক্ষজনে (৺কৃষ্ণদাস বৰুৱা) দিয়া প্ৰতিবেদনত স্কুলখনৰ আদি অৱস্থাৰ ছাত্ৰ-সকলৰ মাজৰ ভোলানাথো এজন আছিল বুলি সগৌৰৱে উল্লেখ কৰা

হৈছে। সেই প্ৰতিবেদনত কোৱা মতে, ভোলানাথে পুৰণিগুদামৰ নিজৰ ঘৰৰ পৰাই খোজ কাঢ়ি অহা-যোৱা কৰি ৮ মাইল (প্ৰায় ১৩ কিলোমিটাৰ) দূৰৰ স্কুলখনত পঢ়িছিল : "Bholanath Borooah, the renowned business magnate, was one of the earliest pupils of this school. It has been known that he used to walk all the way from Puranigudam to Nowgong, a distance of about 8 miles, to attend school." (উক্ত গ্ৰন্থ, পৃ. ৬)। ভোলানাথবৰুৱাই "দিনে তেওঁৰ পুৰণিগুদামৰ পৰা ছয়-সাত মাইল খোজ কাঢ়ি নগাঁৱত ইংৰাজী স্কুলত পঢ়িবলৈ আহিছিল", সেই কথা তেওঁ নিজে লক্ষ্মীনাথ ফুকনৰ আগতো কৈছিল। ফুকনক তেওঁ এই কথাও কৈছিল— সকলালত "কেনেকৈ তেওঁ বাটত ঠেলেঙা লগা পুহমহীয়া পুৱা পুখুৰীত ডুব মাৰি থাকি পাঁচ টকাৰ বাজি জিকিছিল। পুখুৰীত জোঁৰোৱা মৰাৰ আগতে তেওঁৰে ব্ৰাণ্ডি এটুপিৰে গাটো গৰম কৰি লৈছিল, তাকো ক'বলৈ পাহৰা নাছিল" (মহানগৰ পৰা কণকৈলৈ, পৃ. ৭৯)।

নগাঁও গৱৰ্ণমেণ্ট হাইস্কুলত তৃতীয় শ্ৰেণীলৈকে পঢ়াৰ পাছত ভোলানাথ গুৱাহাটীলৈ যায় তেওঁৰ আত্মীয় [illegible] বৰুৱা আৰু মাণিকচন্দ্ৰ বৰুৱাৰ আশ্ৰয়ত থাকি সুবহুমান স্কুলীয়া শিক্ষা লৈছিল আৰু এণ্ট্ৰেন্স ক্লাছলৈকে পঢ়িছিল বুলি কেশৱকান্ত বৰুৱাই কৈছে। পিছে নিয়াৰতে শিক্ষাৰ্থী জীৱনৰ সামৰণি মাৰিব লগীয়া হ'ল ভোলানাথে, আৰু জীৱন-জীৱিকাৰ অৰ্থে মাণিকচন্দ্ৰ বৰুৱা আৰু অমলাবাব ফুকনৰ ব্যৱসায়-প্ৰতিষ্ঠান 'বৰুৱা-ফুকন ব্ৰাদাৰ্ছত' সোমাল। আমি বেজবৰুৱাৰ কথাৰে পূৰ্বে কৈ অহা মতে ভোলানাথ হ'ল 'বৰুৱা-ফুকন ব্ৰাদাৰ্ছৰ "কাঠৰ বিজ্‌নেছ বিভাগৰ মেনেজাৰ।"

দুবছৰৰ মূৰত বৰুৱা-ফুকন ব্ৰাদাৰ্ছ এম. চি. বৰুৱা এণ্ড কোম্পানীলৈ ৰূপান্তৰিত হ'ল। তাৰ পাছতে এই কোম্পানীৰ কাৰ্য

ব্যৱসায়ে গাৰোপাহাৰ জিলাত খোপনি পুতিলে বেছিকৈ। কিন্তু সেই সময়ত সংক্ৰামক ৰূপে দেখা দিয়া ক'লাজ্বৰৰ বিধ্বংসী প্ৰভাৱৰ ফলত কোম্পানীটোৰ গাৰোপাহাৰত থকা কাঠ কটা কৰতীয়া, কাঠ কটিওৱা গাৰোৱান আৰু অন্যান্য বনুৱাৰ বহুতেই মৃত্যুৰ মুখত পৰাত আৰু বহুতো বনুৱা প্ৰাণ লৈ কাঠনিৰ পৰা গুচি যোৱাত এম. চি. বৰুৱা এণ্ড কোম্পানী'ৰ বিস্তৰ আৰু অপূৰণীয় ক্ষতি হ'ল। তাৰ পৰিণাম স্বৰূপে 'এম. চি. বৰুৱা এণ্ড কোম্পানী' তথা মাণিকচন্দ্ৰ বৰুৱাৰ ব্যৱসায় চিৰদিনলৈ বন্ধ হৈ গ'ল। থাকি গ'ল মাথোন কোম্পানী আৰু মাণিকচন্দ্ৰ বৰুৱাৰ নামত কলিকতীয়া কেইবাখনো ফাৰ্ম আৰু স্থানীয় কেইবাগৰাকীও মাৰোৱাৰী ব্যৱসায়ীক পৰিশোধ কৰিব লগীয়া ঋণৰ গধুৰ বোজা।

মাণিকচন্দ্ৰ বৰুৱাৰ ব্যৱসায় বন্ধ হৈ যোৱাটো কেৱল মাণিকচন্দ্ৰৰে ক্ষতি হৈ নাথাকিল। সেই অঘটনে সামগ্ৰিকভাৱে আনিলে অসমীয়াৰ বাণিজ্য-ক্ষেত্ৰৰ উজ্জ্বল সম্ভাৱনা এটাৰ অৱলুপ্তি, আৰু ব্যক্তিগতভাৱে ঘটালে ভোলানাথ বৰুৱাৰ লেখীয়া উদ্যোগী আৰু প্ৰতিশ্ৰুতিসম্পন্ন ডেকা এজনৰ স্বপ্নভংগ। এতিয়া ভোলানাথ হৈ পৰিল সংস্থানহীন, হৈ পৰিল নিবনুৱা।

কিন্তু সেই স্বপ্নভংগ, সেই সংস্থানহীনতা আছিল নিতান্ত সাময়িক। এম. চি. বৰুৱা এণ্ড কোম্পানীৰ অৱলুপ্তিয়ে ভোলানাথক হতাশা-গ্ৰস্ত কৰিব পৰা নাছিল, বৰঞ্চ নতুন কৰ্মক্ষেত্ৰৰ সন্ধানত তেওঁ উদ্যোগী হোৱাতহে সহায় কৰিলে পৰোক্ষভাৱে। অসম এৰি কলিকতালৈ যোৱাৰ সিদ্ধান্ত কৰিলে ভোলানাথে। আৰ্থিক সম্বল তেওঁৰ হাতত কিমান আছিল সঠিকভাৱে জনা নাযায়; কিন্তু দৃঢ়তা আছিল তেওঁৰ মনত অপৰিসীম।

কেশৱকান্ত বৰুৱাই কৈছে যে ১৮৮০ চনত ভোলানাথ বৰুৱা অসম এৰি কলিকতা পালেগৈ ভাগ্যৰ অন্বেষণত। কাৰ্ত্তিকচন্দ্ৰ বৰুৱাৰ পত্নীয়ে বোলে তেওঁক পাঁচ শ টকা দি সহায় কৰিছিল, আৰু

তাৰেই তেওঁ কলিকতাত ব্যৱসায় আৰম্ভ কৰি শেহলৈ হাজাৰজনৰ আৰ্থিক সংস্থাপনত অৰিহণা যোগাইছিল (In 1880, Bholanath Borooah left Assam to seek his fortune in Calcutta. The wife of late Fatik Chandra Borooah helped him with a sum of Rs. 500·00, and that was all the capital with which he started becoming a capitalist and gave employment to thousands during his long life.)।

কিন্তু ভোলানাথ বৰুৱা কলিকতালৈ যোৱা সময় ১৮৮০ চন হ'ব নোৱাৰে। বৰুৱা-ফুকন ব্ৰাদাৰ্ছৰে আয়ুস আছিল ১৮৮৪ চনলৈ। তাৰ পাছত মাণিকচন্দ্ৰ বৰুৱাই নিজাকৈ লোৱা উদ্যোগৰ কথাও আমি কৈ আহিছোঁ। তেনে স্থলত ভোলানাথৰ অসম-ত্যাগ আৰু কলিকতা-যাত্ৰা ১৮৯০ চনৰ পূৰ্বে হৈছিল বুলি ভাবিব নোৱাৰি। 'মাণিক' পুথিত কোৱা হৈছে, "ইয়াৰ (মাণিকচন্দ্ৰ বৰুৱাৰ ব্যৱসায় বিধ্বস্ত হোৱাৰ) পাছত ১৮৯০।৯২ চনত শ্ৰীযুত ভোলানাথ বৰুৱা ডাঙৰীয়াই মাণিকচন্দ্ৰ বৰুৱাৰ লগ এৰি কলিকতাত নিজাকৈ কাঠৰ ব্যৱসায় আৰম্ভ কৰেগৈ" (পৃ. ১৫)। দেখা গৈছে, মাণিকচন্দ্ৰ বৰুৱা আৰু তেওঁৰ ব্যৱসায়ৰ পৰা বিচ্ছিন্ন হোৱা কাল সম্পৰ্কত 'মাণিক' পুথিৰ লেখক তিনিজনেও থাটাং কথা ক'ব পৰা নাই। এইখিনিতে আমি 'কাণ্ডাৰ বা কচাল বৰুৱা বংশৰ সংক্ষিপ্ত বিৱৰণ' (লেখক : চন্দ্ৰকুমাৰ বৰুৱা, ১৯৬৮) নামৰ পুথিয়ে কোৱা এষাৰ কথা উল্লেখ কৰিব খুজিছোঁ। পুথিখনৰ সংশ্লিষ্ট কথাষাৰ এনে ধৰণৰ : "তেওঁৰ (মাণিকচন্দ্ৰৰ) কাঠৰ কাৰবাৰৰ এহোৱা কালত অসমৰ নামজলা ধনাঢ্য সদাগৰ বি. বৰুৱা সহযোগী হৈছিল আৰু কিছু অৰ্থ যোগানো হৈছিল। কিন্তু··পৰিজনসমূহৰ মাজত হোৱা ক'লাজ্বৰৰ প্ৰকোপত কাৰবাৰৰ আভ্যন্তৰিক অৱস্থা ক্ৰমাগত বেয়াৰ ফালে ঢাল লোৱাত ১৮৮৮ চনত তেওঁৰ (ভোলানাথৰ) প্ৰাপ্য স্বৰূপে কিছু ধন লৈ

এৰাডোল দিব লগীয়াত পৰে” (পৃ. ২৭-২৮)। এই সূত্ৰই কেশৱকান্ত বৰুৱাই কোৱা ১৮৮০ চনটোক নাকচ কৰাৰ উপৰি ফটিকচন্দ্ৰ বৰুৱাৰ পত্নীয়ে ভোলানাথক পাঁচ শ টকা দিয়া কথাটোও একপ্ৰকাৰ অস্বীকাৰ কৰিছে বুলিব পাৰি। মাণিকচন্দ্ৰৰ ব্যৱসায় বন্ধ হ'লেও কোম্পানীটোৰ সহযোগী বা মেনেজাৰজনক মাণিকচন্দ্ৰই বিক্তহস্তে বিদায় দিয়াৰ কথা ভাবিব নোৱাৰি। কোম্পানীটোৰ পৰা ভোলানাথে প্ৰাপ্যখিনি পোৱাটো আৰু লোৱাটো উভয় পক্ষৰ বাবেই ঔচিত্য আৰু সম্ভাব্যতাৰ ওচৰ চপা কথা।

মাণিকচন্দ্ৰৰ ব্যৱসায় ক্ষতিগ্ৰস্ত হোৱা কাল ১৮৯০।৯১ খ্ৰীষ্টাব্দ বুলি প্ৰফুল্লদত্ত গোস্বামীয়ে দেখুৱাইছে। একেটা প্ৰসংগতে গোস্বামীয়ে কৈছে, “মাণিকচন্দ্ৰৰ এনে দুৰৱস্থাৰ সময়ত তেওঁৰ কাৰবাৰৰ মেনেজাৰী কৰা সম্বন্ধীয় ভায়েক ভোলানাথ বৰুৱাই তেওঁৰ সঙ্গ ত্যাগ কৰি কলিকতালৈ যাত্ৰা কৰিলে” (মা. ব. আ. তে. যু. পৃ. ২২)। ভোলানাথৰ কলিকতা-যাত্ৰাৰ কাল গোস্বামীয়ে নিৰ্দিষ্টকৈ দেখুৱা নাই। কিন্তু ১৮৯১ চনতে ভোলানাথ কলিকতালৈ যায় বুলি অনুমান কৰিব পাৰি।

১৮৯১ চনত বেজবৰুৱাৰ বিয়া হোৱাৰ পাছত পত্নীক জোড়াসাঁকোত থৈ বেজবৰুৱা নিজে ভাড়া ঘৰত আছিল। কলিকতাত ভোলানাথে প্ৰথম ব্যৱসায় আৰম্ভ কৰা কাল, বেজবৰুৱাই কোৱা মতে, ১৮৯৩ খ্ৰীষ্টাব্দ, আৰু সেয়াও বেজবৰুৱাৰ লগত একেলগে (দুটা পৃথক খোটালীত হ'লেও) থাকিবলৈ লোৱাৰ পাছত।

কলিকতাৰ শোভাৰাম বসাক লেনৰ দুমহলীয়া ঘৰ এটাৰ তিনি খুটলীয়া ওপৰটো মহলাৰ দুটা খোটালী ভাড়া কৰি বেজবৰুৱা আৰু চন্দ্ৰকুমাৰ থাকোঁতে আনটো খোটালী ভাড়ালৈ লৈছিল মহেন্দ্ৰনাথ গুপ্ত নামৰ ধৰ্মপ্ৰাণ আৰু নিৰ্মল চৰিত্ৰৰ এজন শিক্ষকে। মহেন্দ্ৰনাথ গুপ্তই খোটালীটো এৰি যোৱাৰ পাছত “ভোলানাথ বৰুৱা ডাঙৰীয়া (বি. বৰুৱা) সেই খোটালী-নিবাসী হ'ল।” ভোলানাথৰ এই

নিবাসৰ কাল বেজবৰুৱাই উল্লেখ কৰা নাই। মহেশ্বৰ নেওগেহে 'বেজবৰুৱাৰ দিনলেখা'ৰ (১ম খণ্ড) এঠাইত (পৃ. '১২) দেখুৱা মতে তেতিয়া ১৮৯২ চন। অৱশ্যে ভোলানাথৰ কলিকতা-বাসৰ সেয়ে প্ৰথম দিন বা সময় নহয়। বেজবৰুৱাই নিজে কৈছে, "অসমত মাণিকচন্দ্ৰ বৰুৱাৰে সৈতে কৰা তেওঁলোকৰ ভাগৰ ব্যৱসায়টো বন্ধ হ'লত ভোলানাথ বৰুৱা কলিকতালৈ গুচি আহিল। মোৰে সৈতে যদিও, আগেয়ে মই কলিকতাৰ মেছত থাকোঁতে, মাজে-সময়ে তেওঁৰ দেখা-শুনা আৰু অলপ-অচৰপ আলাপ-পৰিচয় হৈছিল, কিন্তু এতিয়াহে দুয়ো একেলগে থকাৰ নিমিত্তে, সি দিনে দিনে পৰিপূৰ্ণতা লাভ কৰিলে" (মো. জী. সোঁ., পৃ. ১৪৯)। শোভাৰাম বসাক লেনৰ ঘৰটোলৈ অহাৰ পূৰ্বে ২নং ভবানীচৰণ দত্তৰ গলিত থকা মেছতে ভোলানাথৰ লগত বেজবৰুৱাৰ দেখা-শুনা হৈছিল নিশ্চয়। সেই মেছ এৰি নতুন ঘৰলৈ অহাৰ "কেইমাহমানৰ পিছত মহেন্দ্ৰ বাবুৱে তেওঁৰ খোটালীটো এৰি দিয়ে"। ভোলানাথে সেই খোটালীত থাকিবলৈ লোৱাৰ পোন্ধৰ দিনমানৰ পাছতে তেওঁৰ অসুখ হয়। অসুখৰ কাল প্ৰায় দুমাহ। অসুখ ভাল হোৱাৰ পাছতে তেওঁ ১৮৯৩ খ্ৰীষ্টাব্দত ব্যৱসায়ত ধৰে।

উল্লিখিত কথাখিনিৰ পৰা ভোলানাথ ১৮৯১ চনৰ ভিতৰতে অসম এৰি কলিকতা পালেগৈ বুলি অনুমান কৰিব পাৰি।' কেৱল বেজবৰুৱাৰ লগত, খোটালী সুকীয়া হ'লেও, একেটা ঘৰতে থাকিবলৈ লোৱা আৰু দুয়োৰে পৰিচয় গাঢ় হোৱাৰ, তদুপৰি বেজবৰুৱাৰ নিজৰ কথাৰে ক'বলৈ গ'লে দুটা "বিপৰীত ধৰ্মাৱলম্বী পদাৰ্থৰ ৰাসায়নিক সম্মিলন" ঘটাৰ সময়হে ১৮৯২ খ্ৰীষ্টাব্দ বুলিব লাগিব। ১৮৯২ খ্ৰীষ্টাব্দটো ভোলানাথ-লক্ষ্মীনাথ দুয়োৰে জীৱনৰ এটা তাৎপৰ্যপূৰ্ণ পৰিবৰ্তন-বিন্দু, দুয়োৰে জীৱন-পথৰ এটা উমৈহতীয়া মাইল-খুঁটি, অসমৰ লক্ষ্মী-সৰস্বতীৰ মিলন-সংঘটক আৰু সুদূৰপ্ৰসাৰী পৰিণতি-সূচক কাল-চিহ্ন।

তিনি

'ৰাসায়নিক সম্মিলন'

পূৰ্বৰ অধ্যায়ত কোৱা হৈছে, কলিকতাৰ শোভাৰাম বসাক লেনত বেজবৰুৱাৰ লগত একেলগে থাকিবলৈ লোৱাৰ ১৫ দিন-মানৰ পাছতে ভোলানাথ বৰুৱা অসুখত শয্যাশায়ী হ'ল। বেজ-বৰুৱা তেতিয়া বি. এল. পৰীক্ষাৰ্থী। পৰীক্ষালৈ তেতিয়া বেছি দিন নাছিল। ভোলানাথক শুশ্ৰূষা কৰাৰ দায়িত্ব পৰিল বেজবৰুৱাৰ ওপৰতে। বেজবৰুৱাৰ বাহিৰে, ভোলানাথক শুশ্ৰূষা কৰিবলৈ তেতিয়া তাত কোনো নাছিলেই। বেজবৰুৱাৰ সঙ্গী চন্দ্ৰকুমাৰ আগৰৱালা কলিকতা এৰি পাটনাত বি. এ. পঢ়িবলৈ গ'ল ভোলা-নাথ তালৈ যোৱাৰ পূৰ্বেই। তেনে স্থলত অসুখীয়া ভোলানাথক পতি কৰাৰ সমস্ত দায়িত্ব-ভাৰ বহন কৰিব লগীয়া হ'ল বেজবৰুৱাৰেই। বেজবৰুৱাই নিজে কৈছে, "পৰীক্ষাৰ কিতাপ পঢ়া কাৰ্য একতীয়াকৈ থৈ মই একাণপতীয়া হৈ তেওঁৰ পতি কৰিবলৈ লাগিলোঁ। সেই-টোৱেই তেনে অৱস্থাত মোৰ কৰ্তব্য বুলি মোৰ ডাঠ বিশ্বাস হৈছিল। তেওঁ দিনে-ৰাতিয়ে প্ৰায় সকলো সময়তে মোক তেওঁৰ নৰিয়া-পাটীৰ কাষত বিচাৰিছিল" (মো. জী সোঁ., পৃ. ১৫০)। প্ৰায় ছমাহমান সময় লাগিছিল ভোলানাথ সুস্থ হৈ উঠিবলৈ।

আত্মজীৱনীৰ ছামাত্তৰত লক্ষ্মীনাথে কৈছে, "তেওঁ গা ভাল পাই (১৮৯৩ খ্ৰীষ্টাব্দত) নৰিয়াৰ পৰা উঠি সৰু-সুৰা ব্যৱসায়ত ধৰিছিল" (পৃ. ১৬৬)। কলিকতাত ভোলানাথ বৰুৱাই ব্যৱসায় আৰম্ভ কৰা কাল মহেশ্বৰ নেওগেও নিৰ্দেশ কৰিছে ১৮৯৩ খ্ৰীষ্টাব্দ বুলি (বেজ-

বৰুৱাৰ দিন-লেখা, পৃ. '১২)। সেয়ে হ'লে, বেজবৰুৱাৰ লগ পোৱাৰ অর্থাৎ বেজবৰুৱাৰ লগত একেলগে থাকিবলৈ লোৱাৰ পূর্বে ভোলানাথৰ ব্যৱসায় কলিকতাত আৰম্ভ হোৱা নাছিল। কিন্তু কলিকতালৈ যোৱাৰ পূর্বে গুৱাহাটীত থাকোঁতেই ১৮৮৯-৯০ খ্রীষ্টাব্দত ভোলানাথ বৰুৱাই নিজাকৈ অসমত উৎপাদিত কাপোৰৰ ব্যৱসায় এটাত হাত দিছিল বুলি জানিব পৰা গৈছে দ্বিতীয় ভাগ 'জোনাকী'ত (শক ১৮১১-১২) প্রকাশিত বিজ্ঞাপন এটাৰ পৰা। বিজ্ঞাপনটো আছিল এনে ধৰণৰ :—

“আসাম চিল্‌ক অর্থাৎ এড়ি, পাট, ৰেছম ইত্যাদি আসাম দেশৰ সকলো কাপোৰ মোৰ ওচৰত সুলভ মূল্যত পোৱা যায়।

শ্রীভোলানাথ বৰুৱা, গুৱাহাটী, আসাম।”

ভোলানাথৰ এই বিজ্ঞাপনটোৰ ওপৰৰ অংশত প্রকাশ পাইছিল কলিকতাৰ ·আলম বজাৰৰ বৰাহ নগৰস্থ 'মুখাৰ্জী ব্রাদার্ছ' নামৰ প্রতিষ্ঠান এটাৰ ডাঙৰ বিজ্ঞাপন এটা। সেই প্রতিষ্ঠানটোৱেও বিক্রী কৰিছিল “নানাবিধ দেশী আৰু বিলাতী কাপোৰ।” মুখাৰ্জী ব্রাদার্ছৰ 'ম্যানেজাৰ' 'শ্রীশৰৎ চন্দ্র মুখাৰ্জী'ৰ নামত প্রকাশিত বিজ্ঞাপনটোত এনেকৈও কোৱা হৈছিল, “আসামৰ উৎপন আদি কোনোবাই বেচিবলৈ পঠালে আমি ইয়াত কমিশ্যন লৈ ভাল দামত বেচি দিম। কমিশ্যনৰ নিৰিখ ২৫৲ টকাৰ কমে হলে শতকৰা ৮৷- হিচাপে, ২৫৲ টকাৰ ওপৰে শতকৰা ৫৲ টকা।”

“আসাম চিল্‌ক অর্থাৎ এড়ি, পাট, ৰেছম ইত্যাদি আসাম দেশৰ সকলো কাপোৰ” বিক্রী সম্পর্কত মুখাৰ্জী ব্রাদার্ছৰ লগত ভোলানাথ বৰুৱাৰ সংযোগ আছিল নে নাছিল জনা নাযায়। কিন্তু চতুৰ ব্যৱসায়ী ভোলানাথে তেনে সংযোগ ঘটোৱা নাছিল বুলিও ভাবিব নোৱাৰি। কিয়নো, সেই সময়ত “কলিকতা প্রভৃতি ঠাইত চাহাব-বিলাকৰ এড়ি কাপোৰৰ পোচাক বৰ হেপাহৰ বস্তু” আছিল বুলি তৃতীয় ভাগ জোনাকীত প্রকাশিত 'অসমত উৎপন্ন বাণিজ্য বস্তু',

শীৰ্ষক প্ৰবন্ধ এটাত কোৱা হৈছে। উক্ত প্ৰবন্ধত এনেকৈও কোৱা হৈছে, "অসমীয়া মানুহৰ পৰা কিনি লৈ মাৰোৱাৰীবোৰে এই কাপোৰবিলাক বিদেশলৈ ৰপ্তানি কৰে। অসমীয়া মানুহে স্বদেশ-জাত এইবিলাক বেছমৰ কাপোৰৰ বেপাৰ কৰা নিতান্ত যুগুত; কাৰণ এইবিলাক কাপোৰৰ টকা অসমীয়া মানুহত বাজে আন কোনোৱেই নেপায়। এই বেপাৰত আমাৰ মানুহে এণ্ডিয়াৰ পৰাই ধৰিব লাগে" (আঘোণ-পুহ, ১১শ/১২শ সংখ্যা, পৃ. ৩৩৯)। মন কৰিব লগীয়া যে উল্লিখিত কথাখিনি জোনাকীত প্ৰকাশ পোৱাৰ পূৰ্বেই "এই বেপাৰত আমাৰ মানুহে", ভোলানাথ বৰুৱাই আত্মনিয়োগ কৰিছিল। কোৱা বাহুল্য মাথোন যে তাৰ প্ৰমাণ পূৰ্বোক্ত দ্বিতীয় ভাগ জোনাকীত প্ৰকাশিত ভোলানাথ বৰুৱাৰ বিজ্ঞাপনটোৱেই। প্ৰসংগক্ৰমে কৈ থ'ব পাৰি, জোনাকীৰ বিজ্ঞাপনৰ নিৰিখ আছিল "Annas two per line, per insertion; Contract rate for six insertions :—Rs. 2 per page, per insertion; or one anna per line." ভোলানাথৰ বিজ্ঞাপনটো জোনাকীৰ একাধিক সংখ্যাত প্ৰকাশ পাইছিল। বিজ্ঞাপনটো আছিল চাৰি শৰীয়া। গতিকে বিজ্ঞাপনটোৰ প্ৰতিটো নিবেশ (insertion)-ত তেওঁ চাৰি অনা (০'২৫ টকা)-কৈ ব্যয় কৰিব লগীয়া হৈছিল।

আত্মজীৱনীত বেজবৰুৱাই "সৰু-সুৰা ব্যৱসায়" বোলোঁতে ভোলানাথে কলিকতাৰ মেক্‌লিঅড (McLeod) কোম্পানীৰ কপাহ পাবোপাহাৰৰ পৰা আনি বেচাটোকেই প্ৰথম বুলি ধৰিব লাগিব। ইয়াৰ পাছত 'বি. ব্ৰাদাৰ্ছ' নাম দি ভোলানাথে চেগুন কাঠৰ ব্যৱসায়ত ধৰে। 'সঞ্জীৱনী' নামৰ বঙলা ৰাতৰি কাকতত দিয়া 'বি. ব্ৰাদাৰ্ছ'ৰ বিজ্ঞাপনত বোলে এনেকৈ কোৱা হৈছিল যে বি. ব্ৰাদাৰ্ছ কোম্পানীয়ে চেগুন কাঠৰ চ'তি, বৰগা, চৌকাঠ ইত্যাদি যাক লাগে, সোনকালে আকশ্যকত যোগাব। মেক্‌লিঅড কোম্পানীৰ কপাহ বিক্ৰী ব্যৱসায় যেনেকৈ ভোলানাথে স্বকল-

শৰীয়াকৈ কৰিছিল, চেগুন কাঠৰ ব্যৱসায়তো আছিল তেনেকৈয়ে তেওঁ অকলশৰীয়া। কিন্তু লক্ষ্মীনাথক ভোলানাথে মানসিকভাৱে ভ্ৰাতৃস্থানত স্থাপন কৰাৰ প্ৰস্তুতি চেগুন কাঠৰ ব্যৱসায় আৰম্ভ কৰাৰ পূৰ্বেই চলাইছিল বুলি ধাৰণা কৰিব পাৰি।

কলিকতা বিশ্ববিদ্যালয়ৰ আইনৰ পৰীক্ষাত অকৃতকাৰ্য হৈয়েই লক্ষ্মীনাথ বেজবৰুৱাই "স্বাধীনভাৱে ব্যৱসায়-বাণিজ্য বৃত্তিকে ধৰি জীৱন কটাবলৈ সঙ্কল্প" কৰে। বেজবৰুৱাই কৈছে, "শ্ৰীযুত ভোলা-নাথ বৰুৱাক মোৰ মনৰ কথা এদিন ক'লতে তেওঁ মোক আঁকোৱাল মাৰি ধৰিলে। তেওঁৰে সৈতে লগ লাগি ব্যৱসায় কৰাকে স্থিৰ কৰি একান্ত মনেৰে মই কাৰ্যত লাগি গ'লোঁ।" বি. ব্ৰাদাৰ্চৰ জন্ম এই ঘটনাৰে পৰিণাম বুলি ভাবিবৰ মন যায়। প্ৰতিষ্ঠানটোৰ নামকৰণৰ ইতিহাস জনাৰ উপায় এতিয়া নাই। কেৱল অনুমান কৰিব পাৰি, 'বি' ভোলানাথ নামৰ আদ্যাক্ষৰ হ'ব পাৰে, হ'ব পাৰে 'বৰুৱা' আৰু 'বেজ' বিয়োগ 'বৰুৱা' উপাধিৰো। সি যি হওক, 'বি. ব্ৰাদাৰ্চ' কলিকতাত ভোলানাথৰ দ্বিতীয়টো পদক্ষেপ। এই 'বি. ব্ৰাদাৰ্চে'ই পাছলৈ 'বি. বৰুৱা কোম্পানী' হ'লগৈ।

লক্ষ্মীনাথক ভোলানাথে ভ্ৰাতৃস্থানত স্থাপন কৰাৰ বা ব্যৱসায়ৰ সহযোগী কৰাৰ আৰু উভয়ৰ মাজত সৌহাৰ্দ্য গঢ়ি উঠাৰ পটভূমি তেওঁলোকৰ প্ৰথম মিলন-পৰ্বতে নিৰ্মিত হৈছিল বুলিব পাৰি। কথাখিনি লক্ষ্মীনাথৰ নিজৰ ভাষাৰে নক'লে নহ'ব। তেওঁ কৈছে, "মই তেতিয়াও কলেজীয়া জীৱনৰ পৰা একেবাৰেই হাত ধুই নোলোৱা কেঁচা ডেকা ছাত্ৰ। তেওঁৰে সৈতে কথা-বাৰ্তা পাতি মিলি-জুলি মই একেবাৰেই তেওঁৰ ব্যৱহাৰত মুগ্ধ হৈ গলোঁ। দিনে দিনে তেওঁ মোৰ মনৰ চাৰিওটা চাপ ভালকৈ অধিকাৰ কৰিবলৈ ধৰিলে। সাংসাৰিক জীৱন-যাত্ৰা নিৰ্বাহত তেওঁ পকা জুনা নাৰিকলটো যেন, আৰু মই কেঁচা ভবি। মোৰ সম্বল কলেজত সংগ্ৰহ কৰা 'পুস্তকস্থা বিদ্যা', আকাশত চাং আৰু অদূৰদৰ্শিতা।

তেওঁৰ সফল জীৱন-যুদ্ধত যুঁজি-বাগি সংগ্ৰহ কৰা ব্যৱহাৰিক জ্ঞানৰ অভিজ্ঞতা আৰু বহুদৰ্শিতা। এনে বিপৰীত ধৰ্মাৱলম্বী পদাৰ্থৰ ৰাসায়নিক সম্মিলন ঘটে, অৱশ্যে ভাল ৰাসায়নিক পণ্ডিতৰ হাতত। যি হওক, দুইৰো ভিতৰত বন্ধুতা আৰু সৌহাৰ্দ্যৰ ঘনিষ্ঠতা শীঘ্ৰে সংঘটিত হ'ল। 'ম'হতকৈ শিং চৰা' বোলা কথা এষাৰ অসমীয়াত আছে। তেতিয়া মোতকৈও মোৰ চাহাবী চৰা আছিল। সেই দেখি বৰুৱা ডাঙৰীয়াই প্ৰথম দিনাৰে পৰা মোক চাহাব চাহাব বুলি মাতিবলৈ ধৰাত মই বৃথা গৰ্বৰ টিঙত উঠি আত্মপ্ৰসাদ লাভ কৰিবলৈ ধৰিলোঁ। 'জোনাকী'ত ওলোৱা মোৰ লেখাবোৰ পঢ়ি আগৰে পৰা মোৰ গঢ়-গতি, স্বভাৱ অনেকখিনি তেওঁ জানিথৈছিল। এতিয়া মোৰে সৈতে একেলগে থাকি বাকীখিনি তীক্ষ্ণ বুদ্ধিসম্পন্ন তেওঁৰ বুজিবলৈ পলম নালাগিল" (মো. জী. সোঁ., পৃ. ১৪৯-১৫০)। বেজবৰুৱাৰ এই কথাখিনিয়েও 'বি. ব্ৰাদাৰ্ছ'ৰ পটভূমিৰ ইংগিত বহন কৰিছে। সেয়ে হ'লেও বেজবৰুৱা পিছে এতিয়ালৈকে ভোলানাথ বৰুৱাৰ ব্যৱসায়ৰ মাজলৈ, 'বি. ব্ৰাদাৰ্ছ'লৈ অহা নাই। তেনেহ'লে প্ৰতিষ্ঠানটোৰ এই নামকৰণৰ অন্তৰালত কি আছিল? ভোলানাথ-লক্ষ্মীনাথৰ ভৱিষ্যৎ ভ্ৰাতৃত্বৰ সম্ভাব্যতা? বেজবৰুৱাই কোৱা ভোলানাথৰ "উদাৰতা"? নে ভোলানাথ বৰুৱাৰ "ব্যৱহাৰিক জ্ঞানৰ অভিজ্ঞতা আৰু বহুদৰ্শিতা"? হ'ব পাৰে আটাইকেইটা।

বি. ব্ৰাদাৰ্ছ গঠিত হোৱাৰ পাছত ভোলানাথে অসমৰ চাহৰ খুচুৰা বিক্ৰী ব্যৱসায়ত ধৰিলে। এইটো তেওঁৰ বাণিজ্য সম্প্ৰসাৰণৰ তৃতীয়টো পদক্ষেপ। তাৰ বাবে ই. আই. আৰ. (ইষ্টাৰ্ণ ইণ্ডিয়া ৰেলৱে)-ৰ আচানচোল ষ্টেচনত সৰু অথচ গুৰুত্বপূৰ্ণ ঘৰ এটা তেওঁ ভাড়ালৈ ল'লে। "চাহৰ লগতে দুই-চাৰিভাল কাঠো বিক্ৰী কৰিবলৈ লৈ থৈছিল।" আচানচোলত চলোৱা ব্যৱসায়ৰ বাবে ভোলানাথে এজন কৰ্মচাৰী নিয়োগ কৰিছিল বঙ্কুবিহাৰী ভট্টনাগৰ।

ভোলানাথ বৰুৱাৰ চতুৰ্থ পদক্ষেপত গঢ় লৈ উঠিল "বেঙ্গল-নাগপুৰ ষ্টেচন গুইলকেৰা আৰু মনোহৰপুৰত সৰু-সুৰাকৈ ৰেলৰ স্লিপাৰৰ ব্যৱসায়।" চৰকাৰৰ লগত ৰয়েল্‌টীৰ ভিত্তিত বন বিভাগৰ গছ ডাকৰীয়াকৈ লৈহে এই ব্যৱসায়ত হাত দিছিল ভোলানাথে। সেই কাৰ্যত সহায়ক হ'ব বুলি ভোলানাথে "তেওঁলোকৰ বংশৰে গোপীনাথ বৰুৱা নামৰ এজনক আনি শোভাৰাম বসাকৰ লেনৰ ঘৰতে" থৈছিল বুলি বেজবৰুৱাৰ কথাৰ পৰা জনা যায়। এই গোপীনাথ আমি বংশ-লতাত দেখা ভোলানাথৰ সহোদৰ আৰু কনিষ্ঠতম ভ্ৰাতৃ গোপীকান্তই নেকি? নহয়। এইজন গোপীনাথক বেজবৰুৱাই কিছুদিন 'জোনাকী'ৰ কামতো খটুৱাইছিল। বেজবৰুৱা-সম্পাদিত জোনাকীৰ চতুৰ্থ ভাগৰ (১৮১৩-১৪ শক) প্ৰকাশক আছিল এইজন গোপীনাথ বৰুৱা। কিছুদিনৰ পাছত গোপীনাথক ভোলানাথ .বৰুৱাই গুইলকেৰা আৰু মনোহৰপুৰলৈ লৈ যায়। এইখিনিতে বেজবৰুৱাই কৈছে, "তাৰ পিছতে মই বি. বৰুৱাৰ ব্যৱসায়ত প্ৰবিষ্ট।" গতিকে ক'ব লাগিব, ভোলানাথৰ কাঠৰ ব্যৱসায় আৰম্ভ হোৱাৰ পাছতহে লক্ষ্মীনাথ বেজবৰুৱা ভোলানাথ বৰুৱাৰ ব্যৱসায়ৰ লগত ওতঃপ্ৰোতভাৱে সম্পৃক্ত হৈ পৰিল, তেতিয়াহে লক্ষ্মীনাথ ভোলানাথৰ ব্যৱসায়ৰ অপৰিহাৰ্য অংগ হৈ পৰিল, তেতিয়াৰ পৰাহে লক্ষ্মীনাথে "আমাৰ কাঠৰ ব্যৱসায়" বুলি ক'ব পৰা হ'ল।

ভোলানাথৰ ব্যৱসায়ত লক্ষ্মীনাথ প্ৰবিষ্ট হোৱাৰ পাছৰে পৰা তেওঁলোকৰ ব্যৱসায়ে উন্নতি কৰিবলৈ ধৰিলে। ব্যৱসায়ত সহায় হ'ব বুলিয়েই ভোলানাথে "সম্বন্ধত তেওঁৰ ভাগিনীয়েক" মহীনাৰায়ণ বৰাক (ইঞ্জিনীয়াৰ বলিনাৰায়ণ বৰাৰ ভায়েক) গুৱাহাটীৰ পৰা তেওঁৰ লগলৈ নিলে। এইখিনিতে বিষয় এটাৰ অৱতাৰণা প্ৰাসংগিক হৈ পৰে। মহীনাৰায়ণক বা ইঞ্জিনীয়াৰ বলিনাৰায়ণক বেজবৰুৱাই ভোলানাথৰ সম্বন্ধীয় ভায়েক বুলিহে কৈছে। কিন্তু বলিনাৰায়ণৰ

পুত্ৰ ইন্দ্ৰনাৰায়ণ বৰাই লিখা মতে বলিনাৰায়ণ আৰু মহীনাৰায়ণ যেন ভোলানাথৰ নিজা ভাগিনীয়েক। ইন্দ্ৰনাৰায়ণ বৰাৰ মতে বলিনাৰায়ণ বৰাৰ পিতৃ দত্তনাৰায়ণে ভোলানাথ বৰুৱাৰ এগৰাকী ভগ্নীক (নাম: পৰুৱা) বিয়া কৰাইছিল: "He married a sister of Bholanath Borooah, the timber merchant, named Porua"। কিন্তু বংশ-লতাত পৰুৱা নামৰ কোনো বায়েক বা ভনীয়েক ভোলানাথৰ নাই। বস্তাৰ পুত্ৰ ভৱানী বৰদলৈৰ নাম আমি বংশ-লতাত পাইছোঁ। বেজবৰুৱায়ো ভৱানীক "বি. বৰুৱাৰ ভাগিনীয়েক" বুলি স্পষ্টভাৱে কৈছে ১৮৯৯ চনৰ ১৮ ফেব্ৰুৱাৰীৰ দিনলেখাত। ইন্দ্ৰনাৰায়ণে নিজৰ বায়েকৰ, পৰা শুনি লিখা বাবেও কথাখিনিয়ে নিৰ্ভৰযোগ্যতা হেৰুৱাইছে বুলি ক'ব পাৰি। আকৌ, ইন্দ্ৰনাৰায়ণ বৰাই কোৱা মতে, ভোলানাথ বৰুৱাৰ পত্নী জহনী ৰোগত ঢুকায় বুলি হেনো বলিনাৰায়ণ বৰাই কৈছিল: "Lot of people died of cholera at Puranigudam. In mama's family six or seven people died including his wife." কিন্তু ভোলানাথ বৰুৱাই বিয়া কৰোৱাৰ সংবাদ আমাৰ হাতত নাই। তথাচ ইন্দ্ৰনাৰায়ণ বৰাৰ লেখাত এই কথাও প্ৰকাশ পাইছে, "Father's uncle did not marry again." ('Bolinarayan Borrah', 1967, p. 72)। এই কথাৰ যথাৰ্থতা বিচাৰি পোৱা নাযায়। ভোলানাথ "অবিবাহিত" বুলি বেজবৰুৱাই স্পষ্টকৈ কৈছে।

কিছুমান দিনৰ পাছত শোভাৰাম বসাক লেনৰ পৰা ১৪নং গোপীকৃষ্ণ লেনৰ ঘৰ এটালৈ ভোলানাথ-লক্ষ্মীনাথ উঠি গ'ল। লক্ষ্মীনাথে পত্নী প্ৰজ্ঞাসুন্দৰী দেৱীকো জোড়াসাঁকোৰ পৰা তালৈ আনিলে। ঘৰটোৰ আগ কালৰ অংশটোত থাকে ভোলানাথ আৰু ভিতৰ কালৰ অংশটোত থাকে লক্ষ্মীনাথ সস্ত্ৰীক। "খোৱা-বোৱা একেলগে চলিল"। ৰন্ধন-বিদ্যাত সুনিপুণা প্ৰজ্ঞাসুন্দৰী দেৱীৰ ৰান্ধা

প্ৰস্তুত আহাৰেৰে ভোলানাথে ব্যৱসায়-সম্পৰ্কীয় বন্ধুসকলকো আপ্যায়িত কৰিবলৈ ধৰিলে। মহীনাৰায়ণক ভোলানাথে ব্যৱসায়-সংক্ৰান্তত মনোহৰপুৰ ষ্টেচনত ৰাখিলে। "কলিকতাৰ কালৈ ব্যৱসায়ৰ সকলো কাম দেখা" আৰু মাজে মাজে বি. এন. আৰ. (বেংগল-নাগপুৰ ৰেলৱে) লাইনৰ ব্যৱসায়-সম্পৰ্কিত ষ্টেচনবোৰলৈ ঘোৰাটো হ'ল বেজবৰুৱাৰ কাৰ্য। ভোলানাথ বৰুৱা লাইনৰ কালে সকলো ঠাইতে ঘূৰি ফুৰে। বেজবৰুৱাই এইখিনিতে কৈছে, "দিনে দিনে আমাৰ ব্যৱসায়ে ঠন ধৰি আহিবলৈ ধৰিলে।"

ব্যৱসায়ে ঠন ধৰি উঠাত ভোলানাথ বৰুৱাৰ পুঁজি আছিল ঘাইকৈ তেওঁৰ বৌদ্ধিক চতুৰতা, বাণিজ্যিক নিপুণতা আৰু আন্তৰিক একাগ্ৰতা। অৱশ্যে ইবোৰৰ লগত যোগ হৈছিল লক্ষ্মীনাথ বেজবৰুৱাৰ প্ৰতি থকা তেওঁৰ প্ৰশ্নাতীত আস্থাশীলতা। কলিকতাৰ প্ৰসিদ্ধ ব্যৱসায়ীসকলৰ লগত আৰু বিখ্যাত বাণিজ্যিক প্ৰতিষ্ঠান-বোৰৰ প্ৰধানবিষয়া বা কৰ্মকাৰকসকলৰ লগত বেজবৰুৱাৰ যোগে-দিয়েই ভোলানাথ বৰুৱাই ঘনিষ্ঠ সম্পৰ্ক গঢ়ি তুলিছিল। বেংগল টিম্বাৰ ট্ৰেডিং কোম্পানীৰ বৰেই মেনেজাৰ হুইফিন (F. D. Whiffin), তেওঁৰ সহকাৰী ৰাইট (C. H. Wright), বেংগল টিম্বাৰ কোম্পানীৰ কলিকতাস্থ কাৰ্যালয়ৰ "বৰ চাহাব" ষ্টুৱাৰ্ট (J. R. Stewart), উৰিষ্যাৰ 'ফিউডেটৰী ষ্টেট' গাংপুৰৰ ৰজা আৰু যুৱৰাজ, জাৰ্ডিন-স্কীনাৰ কোম্পানীৰ "হেড বাবু" বিপিনবিহাৰী দাস, গিলেণ্ডৰ আৰ্বুথ্‌নট্ কোম্পানীৰ প্ৰধান সহায়ক ক্ষেত্ৰ বাবু, হুইফিন চাহাবৰ "হেড ক্লাৰ্ক" শ্যামলাল বেনাৰ্জী আদিৰ লগত ঘনিষ্ঠতা স্থাপন কৰিব পাৰিছিল ভোলানাথে। বেজবৰুৱাৰ যোগেদি এইসকলৰ লগত সম্পৰ্ক স্থাপিত হোৱাৰ উপৰি ৰুৰ্জ হেণ্ডেৰ্চন, মেকেঞ্জি লায়েল আদি কোম্পানীৰ লগতো বি. বৰুৱা কোম্পানীৰ বিস্তৰ আদান-প্ৰদান চলিছিল। কোৱা বাহুল্য মাথোন যে ভোলানাথ বৰুৱাই এইবোৰ বিষয়ত লক্ষ্মীনাথৰ ওপৰতে সম্পূৰ্ণৰূপে নিৰ্ভৰ কৰি

তেওঁ নিজে ব্যৱসায়ৰ অন্যান্য দিশত আত্মনিয়োগ কৰিছিল। বেজবৰুৱাই কৈ যোৱা মতে, তেনে এটা সময়লৈকে "বি. বৰুৱা কোম্পানীৰ নিজৰ গাড়ী-ঘোঁৰা নাছিল, আৰু অফিচ কেৰাণী-মহৰী-বিবৰ্জিত।"

ব্যৱসায়-সংক্ৰান্তত বা সামাজিক সম্পৰ্ক ৰখাত বেজবৰুৱাৰ বিষয়ে ভোলানাথে সদায় নিজৰ ভায়েক বুলিয়েই চিনাকি দিছিল তেওঁয়া। তেওঁলোক যেন "নিতাই-গৌড় দুই ভাই"। সেই সময়ৰ কলিকতাৰ চেগুন কাঠৰ প্ৰখ্যাত ব্যৱসায়ী গিৰীশ চন্দ্ৰ বসু, কেলিডনিয়া ডক (Caledonia Dock)-ৰ গৰাকী কালীকৃষ্ণ প্ৰামাণিক, সেই ডকৰে সহকাৰী কাৰ্যাধ্যক্ষ অতুলকৃষ্ণ ঘোষ আদি লোকসকলৰ লগত ভোলানাথ-লক্ষ্মীনাথৰ ঘনিষ্ঠতা গাঢ় হৈ পৰিছিল, আৰু তেওঁলোকেও ভোলানাথ-লক্ষ্মীনাথক সহোদৰ বুলিয়েই জানিছিল। লক্ষ্মীনাথ আৰু তেওঁৰ পত্নীয়েও ভাবিছিল, "বি. বৰুৱা আমাৰ নিবহু-নিপানী ভাই, তেওঁৰ ব্যৱসায়েই আমাৰ ব্যৱসায়, তেওঁৰ মঙ্গলেই আমাৰ মঙ্গল। মুঠতে, ভোলানাথ আৰু লক্ষ্মীনাথ হৰি-হৰ আত্মা" (মো. জী: সোঁ., পৃ. ১৭১-২)।

কলিকতাত ব্যৱসায় আৰম্ভ কৰাৰ পৰা পাঁচ বছৰ মানলৈকে ভোলানাথে আৰ্থিক স্বচ্ছলতা অৰ্জন কৰিছিল বুলি ক'ব বা ভাবিব নোৱাৰি। অন্যথা, গাড়ী-ঘোঁৰাবিহীন হৈ নাথাকি আৰু কেৰাণী-মহৰীবিহীন অফিচ নচলাই কলিকতাত তেওঁৰ সামাজিক স্থিতি নিশ্চয় দহজনৰ দৃষ্টিত ঈৰ্ষাৰ বিষয় কৰি তুলিলেহেঁতেন ব্যৱসায়ী জীৱনৰ প্ৰাৰম্ভৰে পৰা। ১৯০১ চনৰ ৬ মাৰ্চতহে বি. বৰুৱা কোম্পানীয়ে ১৮০০ টকাত লেণ্ডলেট এখন কিনিছিল ডাইক্ এণ্ড কোম্পানীৰ পৰা। স্বচ্ছলতাৰ অভাৱতে প্ৰথম হোৱাত ভোলানাথ-লক্ষ্মীনাথ দুয়ো নিতৌ ট্ৰেমগাড়ীত গৈছিল বা খোজকাঢ়ি ফুৰিছিল। তেতিয়া, "বি. বৰুৱাৰ গাত থাকে ক্লোট (ভিজি নোখোলা) আৰু পাটলুং, মুৰত ক'লা বা ছাই বৰণীয়া টুপী এটা, হাতত লাঠি এটা

ট্ৰেমৰ পৰা নামি খোজ কাঢ়িবলৈ ল'লেই বোলে ভোলানাথে গাবলৈ লয়—

"চল রে মন যাই রে কাশী,
বাবা বিশ্বনাথকে দেখে আসি।
কাশী গেলে দেখতে পাব
কত শত যোগী ঋষি।"

এতিয়ালৈকে ভোলানাথ বৰুৱা লক্ষ্মীনাথ আৰু প্ৰজ্ঞাসুন্দৰী দেৱীৰে সৈতে গোপীকৃষ্ণ পালৰ লেনৰ ঘৰতে। তেনেকৈ কিছুদিন যোৱাৰ পাছত ভোলানাথহঁত উঠি যায় বলৰাম দে' ষ্ট্ৰীটৰ ঘৰ এটালৈ। সেইই সময়তো বি. বৰুৱা কোম্পানীৰ কাৰ্যাধ্যক্ষ সৰ্বতো-প্ৰকাৰে লক্ষ্মীনাথ বেজবৰুৱা। কলিকতাৰ হেড অফিচৰ হিচাপ-নিকাচ ৰখাৰ পৰা বিভিন্ন কোম্পানীৰ অফিচলৈ গৈ বিভিন্ন লোকক লগ ধৰা, কলিকতাৰ বিভিন্ন বেংকৰ লগত টকা-পইচাৰ লেন-দেন কৰা, এই সমস্ত দায়িত্ব পালন কৰিছিল লক্ষ্মীনাথ বেজবৰুৱাই। ভোলানাথ বৰুৱা বেঙ্গল-নাগপুৰ লাইনৰ পৰা মাজে মাজেহে কলিকতালৈ আহিছিল, আৰু এদিন বা দুদিনতকৈ সৰহ দিন কলিকতাত তেওঁ নাথাকিছিল। কলিকতাৰ বিভিন্ন বেংক, যেনে, ক্ৰেডিট ড লায়ন্স (Credit de Lyons), নেচনেল বেংক, কলিকতা বেংক (Calcutta Bank), হিন্দুস্থান বেংক, হংকং এণ্ড চাংহাই বেংকিং কৰ্পৰেচন আদিত টকা-পইচাৰ লেন-দেনত ভোলানাথে সম্পূৰ্ণ কৰ্তৃত্ব প্ৰদান কৰিছিল লক্ষ্মীনাথক। এয়া এফালে যেনেকৈ লক্ষ্মীনাথৰ ওপৰত ভোলানাথৰ শতাংশ নিৰ্ভৰতা, আনফালে তেনেকৈ এজন দূৰদৰ্শী ব্যৱসায়ী হিচাপে নিজৰ সহযোগী বা অধীনস্থজনৰ প্ৰতি পোষণ কৰা ভোলানাথৰ আন্তৰিকতা আৰু বিশ্বাস-কাম্যতা। কলিকতাত বি. বৰুৱা কোম্পানীৰ "মরেই ছোট চাহাব, মরেই মেনেজাব, মরেই একাউন্টেন্ট, মরেই কেরাণী"—এনেদৰে ক'বলৈ বেজবৰুৱাই বি. বৰুৱা কোম্পানীৰ লগত যমৰ অনুভৱ বা স্থাপন

কৰিব পাৰিছিল যিমান, তাকে কৰিবলৈ ভোলানাথ বৰুৱাৰ বিশ্বাস আৰু আস্থাও বেজবৰুৱাৰ ওপৰত অৰ্পিত হৈছিল সিমান। অন্যথা, তেজ-মঙহৰ কোনো সম্পৰ্ক নোহোৱা লক্ষ্মীনাথক ভোলানাথে কলিকতীয়া সমাজৰ য'তে-ত'তে সহোদৰ ভ্ৰাতৃ বুলি পৰিচয় দিছিলে-হেঁতেন, তাকে কৰিবলৈ লক্ষ্মীনাথ বেজবৰুৱাৰ নামটোৰো ইংৰাজী ৰূপটোৰ পৰিবৰ্তন ভোলানাথে নঘটালেহেঁতেন। বেজবৰুৱাই নিজেই স্বীকাৰ কৰিছে, "বি. বৰুৱাৰ অনুৰোধত মই মোৰ বেজবৰুৱা (Bezbaroa) উপাধিৰ বৰ্ণবিন্যাস (Spelling) সলাই এল. এন. বি. বৰুৱা কৰিছিলোঁ, যেনে, L. N. B. Boroah. বি. বৰুৱাৰ সহোদৰ ভাইৰ বেজবৰুৱা উপাধি কেনেকৈ হ'ব" (মো. জী. সোঁ., পৃ. ১৮২)? লক্ষ্মীনাথ বেজবৰুৱাক ভ্ৰাতৃ-স্থানত বহুৱাবলৈকে নহয়, সহোদৰ ৰূপতো গ্ৰহণ কৰিবলৈ ভোলানাথ বৰুৱাৰ কিমান-খিনি উদাৰ-প্ৰাণতাৰ বিনিময়ত লক্ষ্মীনাথে তেনে কৰিব লগীয়া হৈছিল, সেই কথা অনুভৱহে কৰিব পাৰি, প্ৰকাশ কৰিব নিশ্চয় নোৱাৰি।

লক্ষ্মীনাথযে ভোলানাথৰ সহোদৰ, সেই কথা "বি. বৰুৱাই অকল আচৰণবেই নহয়, মুখৰ কথাৰেও সকলোৰে আগত তাকে সমৰ্থন কৰি চলিছিল" আৰু ব্যৱসায়-ক্ষেত্ৰত "আমি দুই ভাইহে মাথোন,"—এয়ে আছিল ভোলানাথৰ উক্তি। বেংগল টিম্বাৰ ট্ৰেডিং কোম্পানীৰ 'বৰ চাহাব' ই ব্ৰাৰ্টে বোলে লক্ষ্মীনাথক লগ পালেই সুধিছিল এই বুলি, "How is your brother? When is he coming to Calcutta?" মুঠতে, কলিকতাত বেজবৰুৱাৰ শহুৰেকৰ পৰিয়ালৰ দুই-এজনৰ বাহিৰে কোনেও জানিব নোৱাৰিছিল যে ভোলানাথ আৰু লক্ষ্মীনাথ সহোদৰ নহয় (মো. জী. সোঁ. পৃ. ১৮২)।



কলিকতা (13/5 Government Place E)-ৰ এছ. চি লেনৰ ষ্টুডিঅ'ত ভোলানাথ বৰুৱা আৰু তেওঁৰ সোঁ-হাতত স্বৰূপ লক্ষ্মীনাথ বেজবৰুৱা

চাৰি

ব্যৱসায় সম্প্ৰসাৰণ

বৰুৱা-ফুকন ব্ৰাদাৰ্ছৰ "কাঠৰ বিজ্‌নেছ বিভাগৰ মেনেজাৰ" হৈ থকা কালতে ভোলানাথ বৰুৱাই ব্যৱসায়ৰ অভিজ্ঞতা প্ৰচুৰ পৰিমাণে লাভ কৰিছিল। কিন্তু তেওঁৰ স্বভাৱজ গুণো আছিল প্ৰচুৰ। বিশেষকৈ "মানুহক নানা কৌশলেৰে বশ কৰা বিদ্যাত বি. বৰুৱা বৰ পটু আছিল" বুলি লক্ষ্মীনাথ বেজবৰুৱাই নিজ মুখে কৈ গৈছে। সেই বশীকৰণ বিদ্যাৰ বলতে ভোলানাথে কলিকতাত ব্যৱসায় সম্প্ৰসাৰণৰ পথ প্ৰশস্ত কৰিলে।

বেংগল টিম্বাৰ ট্ৰেডিং (বি. টি. টি.) কোম্পানীৰ ফৰেষ্ট মেনেজাৰ হুইকিন আৰু তেওঁৰ সহকাৰী বাইটৰ নাম আমি পূৰ্বে উল্লেখ কৰি আহিছোঁ; উল্লেখ কৰি আহিছোঁ জাৰ্ডিন স্কিনাৰ কোম্পানীৰ 'বৰ চাহাব' ষ্টুৱাৰ্টৰ কথাও। জাৰ্ডিন স্কিনাৰ কোম্পানী আছিল বেংগল টিম্বাৰ ট্ৰেডিং কোম্পানীৰ পৰিচালন অভিকৰ্তা, 'মেনেজিং এজেণ্ট্‌ছ'। বি. টি. টি.ৰ সদৰ (হে'ড কোৱাৰ্টাৰ) আছিল বেংগল-নাগপুৰ ৰেলৱেৰ পানপোহ ষ্টেচনত, জাৰ্ডিন স্কিনাৰ কোম্পানীৰ মাই কাৰ্যালয় আছিল কলিকতাত। উৰিষ্যাৰ গাংপুৰৰ ৰজা বা যুৱৰাজৰ কথাও পূৰ্বে উল্লেখ কৰি অহা হৈছে। এই সকলোটি ব্যৱসায়ৰ লগত সম্পৃক্ত ব্যক্তি। এইসকল ব্যক্তি বা এনেবোৰ প্ৰতিষ্ঠানৰ উপৰি ইকুইটেবল ক'ল কোম্পানী (Equitable Coal Co.), বেংগল ক'ল কোম্পানী, মেছাৰ্ছ কিলিপ, বৰ্মা টিম্বাৰ কোম্পানী, হুগলী ডক, বাৰ্ণো এণ্ড কোম্পানী, বামাৰ লৰি (Balmer

Lawrie), বলৰন্ত ৰয় শ্ৰীৰাম আদি প্ৰতিষ্ঠানকো বৰুৱাই ব্যৱসায়ৰ স্বাৰ্থত হাত কৰিব লগীয়া হৈছিল। এওঁলোকক বিভিন্ন প্ৰকাৰে সন্তুষ্ট কৰি কলিকতাত ব্যৱসায় সম্প্ৰসাৰণৰ বাট বহলোৱাটোৱেই ভোলানাথ বৰুৱাৰ প্ৰধান কৰ্তব্য হৈ পৰিল।

ব্যৱসায়ৰ লগত সম্পৃক্ত লোকসকলক সন্তুষ্ট কৰিবৰ কাৰণে ফল আৰু শাক-পাচলি আদিৰ ভেটি বা উপঢৌকন বৰুৱাই প্ৰায়েই তেওঁলোকলৈ পঠিয়াইছিল। বাৰিষা-খৰালি উভয় ঋতুতে কলিকতাৰ নিউ মাৰ্কেট বা বৰবজাৰৰ পৰা কিনা ৰাশি ৰাশি ফল আৰু শাক-পাচলি হাওড়া ষ্টেচনত 'বুক' কৰি যথাস্থানলৈ পঠোৱাৰ দায়িত্ব ভোলানাথে বেজবৰুৱাকে দিছিল। বেজবৰুৱাই হেনো এনে কাৰ্য মাহেকত দহ-বাৰ বাৰ পৰ্যন্ত কৰিব লগীয়া হৈছিল। বেজবৰুৱাই তেওঁৰ দিনলেখাত কোৱা মতে ১৮৯৫ চনৰ ১৩ জানুৱাৰীত দুপাচি শাক-পাচলি কিনি মনোহৰপুৰ আৰু কৰকেলালৈ পঠিয়ায়। ১২ মে'ত কিনা দুপাচি ফলৰ এপাচি পঠিয়ায় কৰকেলাত থকা বাইট চাহাবলৈ, আন পাচি পঠিয়ায় কয়লা কোম্পানী এটাৰ (Equitable Coal Co.) মেনেজাৰ ডব্লু. মিলাৰ চাহাবলৈ। ২৫ মে'ত ৭ টকা মূল্যৰ ফল কিনি ৰাণীগঞ্জত অৱস্থিত বেংগল কয়লা কোম্পানীৰ (Bengal Coal Co.) মুখ্য অভিযন্তা (Chief Engineer) ছিম্পচন (J. H. Simpson) চাহাবলৈ পঠিয়ায়। ৩১ মে'ত পোষ্টাৰ পৰা ১০০ আম (প্ৰতি শত ৫ টকাকৈ) আৰু এমোন পটল কিনে (২ টকা ৮ অনাত)। সেয়াও ব্যৱসায় সংক্ৰান্ততে। ৯ জুনত দুপাচি আম আৰু মাটি কঠাল কিনি পঠিয়ায় বাইট চাহাব আৰু চক্ৰধৰপুৰৰ এজন বিষয়ালৈ। ১৭ জুনতো আমৰ দুটা টোপোলাৰ এটা পঠিয়ায় ছিম্পচনলৈ, আনটো মিলাৰলৈ। ১৮৯৬ চনৰ জানুৱাৰীৰ ৫ তাৰিখে ৰাণীগঞ্জৰ কুমুদ-প্ৰসাদ চেটাৰ্জীলৈও শাক-পাচলি আৰু ফল কিনি পঠোৱাৰ কথা আছে। ১৮৯৯ চনৰ ৯ জুনত বাঁচিত থকা ফৰ্বছ (Mr. Forbes)-লৈ

আম আৰু লিচু পঠোৱাৰ কথা বেজবৰুৱাৰ দিনলেখাই কৈছে। ১৯০০ চনৰো ২১ জুনত কৰ্জনলৈ এপাচি আম (a basket of Nargra mangoes) পঠোৱা হৈছিল। সেই বছৰৰ ২৩ এপ্ৰিলত হুইফিন আৰু শ্যাম বাবুলৈ বেজবৰুৱাই তিনি পাচি আম পঠিয়ায়। ৰয়েল টিম্বাৰ কোম্পানীকয়ে চাহ খোৱা কাপ, কেট্‌লী আদিও (৩০ টকা মূল্যৰ) ভেটি স্বৰূপে দিব লগীয়া হৈছিল সেই বছৰৰে জানুৱাৰীৰ ৯ তাৰিখে। লক্ষ্মীনাথ বেজবৰুৱাই এই কামবোৰ কৰিব লগীয়া হৈছিল ভোলানাথ বৰুৱাৰ আদেশ বা ইংগিততে। ভোলানাথে জানিছিল যে ব্যৱসায়ত এনেবোৰ কথা আৰু কাম নিতান্তই প্ৰয়োজনীয়। কিন্তু এইবোৰ কামত বেজবৰুৱাক সহায় কৰিবলৈ বোলে কেৰাণী বা চাপ্‌ৰাচী এটাও ৰখা হোৱা নাছিল। বৰুৱাই কিমান হিচাপেৰে আৰু মিতব্যয়িতাৰে ব্যৱসায় চলাইছিল, সেই কথা ইয়াৰ পৰা অনুমান কৰিব পাৰি। বেজবৰুৱাৰ কোৱা মতে, "বি. এন. আৰ.ৰ মুখিয়াল ফিৰিঙ্গী বা য়ুৰোপিয়ান কৰ্মচাৰী-সকললৈকো" তেনে উপঢৌকন পঠোৱা হৈছিল। "বৰদিন অৰ্থাৎ খ্ৰীষ্টমাচৰ সময়তো সেইটো বৃহৎ ব্যাপাৰ হৈ উঠিছিল। নিউ মাৰ্কেটৰ 'কে'ক', ফল আৰু কবি আদি শাক-পাচলিৰ 'বাস্কেট' পঠোৱাৰ অন্ত নাছিল" (মো. জী. সো., পৃ. ১৭১)।

হুইফিন চাহাবক সন্তুষ্ট কৰি ভোলানাথ বৰুৱা বেংগল টিম্বাৰ ট্ৰেডিং কোম্পানীৰ ঠিকাদাৰ হ'ল। ঠিকাদাৰ ৰূপে তেওঁ কোম্পানীক স্লিপাৰ সৰবৰাহ কৰিব। সেই ক্ষেত্ৰত নিয়োজিত হ'ব লগীয়া পুঁজিৰ (জংঘল লোৱা আৰু স্লিপাৰ কটোৱা আদিৰ খৰচ) যোগান ধৰিব বেংগল টিম্বাৰ কোম্পানীয়ে। বি. বৰুৱা কোম্পানীয়ে প্ৰতি সপ্তাহত বেংগল টিম্বাৰ কোম্পানীৰ পৰা সেই মতে টকা পায়। বেংগল-নাগপুৰ ৰেলৱে'ত পূৰ্বৰে পৰা ঠিকাদাৰী কৰি থকা কটুকপাল নামৰ অভিজ্ঞ ব্যক্তিগৰাকীক বৰুৱাই তেওঁৰ কোম্পানীৰ অনুতীয়া ঠিকাদাৰ (Sub-Contractor) কৰি ল'লে। বেজবৰুৱাই

কোৱা মতে, "বটুবাবু কৰ্মক্ষম আৰু উপযুক্ত ব্যৱসায়ী মানুহ আছিল।" বটুবাবুৰ পুঁজিৰ যোগান ধৰে বি. বৰুৱা কোম্পানীয়ে। বটুকৃষ্ণ পালৰ উপৰি অন্যান্য সৰু ঠিকাদাৰৰ পৰাও বি. বৰুৱা কোম্পানীয়ে স্লিপাৰ সংগ্ৰহ কৰি বেংগল টিম্বাৰ কোম্পানীক সৰবৰাহ কৰে।

এই স্লিপাৰ যোগান ব্যৱসায়ৰ সম্প্ৰসাৰণ ঘটোৱাৰ উদ্দেশ্যে উৰিষ্যাৰ গাংপুৰৰ ৰজাৰ লগত বৰুৱাই বন্ধুত্ব স্থাপন কৰিলে। তাৰ বাবে গাংপুৰৰ ৰজা বা যুৱৰাজক বৰুৱাই সন্তুষ্ট কৰিব লগীয়া হ'ল। বেজবৰুৱাৰ ১৮৯৫ চনৰ দিনলেখা মতে, ২১ জানুৱাৰীত বৰুৱাই গাংপুৰৰ পৰা বেজবৰুৱালৈ টেলিগ্ৰাম কৰিলে গাংপুৰৰ যুৱৰাজ কলিকতালৈ আহিব বুলি। বৰুৱা থাকে তেতিয়া গুইলুকেৰাত। পাছদিনা (২২ জানুৱাৰী) বৰুৱাই বেজবৰুৱালৈ টেলিগ্ৰাম কৰিলে গাংপুৰৰ যুৱৰাজৰ বাবে কালীঘাটত ব্যৱস্থাপন কৰিবলৈ। ২৩ জানুৱাৰীত বৰুৱাৰ পৰা আকৌ এখন টেলিগ্ৰাম আহিল। সেইদিনা বেজবৰুৱাই যুৱৰাজৰ বাবে ভৱানীপুৰত ঘৰ এটা ৪৬ টকাত ভাড়া কৰিলে, আৰু ধৰমতলাৰ পৰা যাৱতীয় আচবাব-পত্ৰ কিছুমানো কেৰেয়াকৈ ল'লে। আচবাব-পত্ৰৰ ভিতৰত বেতৰ চাৰিখন চকী, দুখন ঘূৰণীয়া মেজ, এখন এজনীয়া বিচনা। বস্তুখিনি স্মিথ এণ্ড কোম্পানীৰ। ভাড়া মুঠতে ৬ টকা; কিন্তু প্ৰতিভূতি (security) হিচাপে অগ্ৰিম আদায় দিব লগীয়া হৈছিল ৫০ টকা।

২৪ জানুৱাৰীত গাংপুৰৰ যুৱৰাজক লৈ ভোলানাথ বৰুৱা কলিকতালৈ আহিল। ২৫ জানুৱাৰীত বেজবৰুৱাক লগত লৈ বৰুৱাই যুৱৰাজক গংগাৰ পাৰত, ইডেন গাৰ্ডেনত ফুৰালে। ২৮ জানুৱাৰীত যুৱৰাজক বৰুৱাই যাদুঘৰ দেখুৱালে বেজবৰুৱাৰ সৈতে। বেজবৰুৱা নাথাকিলেও বা নগ'লেও বৰুৱা যুৱৰাজৰ লগত থাকে বা যুৱৰাজৰ ওচৰলৈ গৈ থাকে। ফেব্ৰুৱাৰীৰ ৮ তাৰিখেহে যুৱৰাজ আৰু তেওঁৰ দলটোক বৰুৱাই মনোহৰপুৰলৈ লৈ যায় বেজবৰুৱাৰ পৰা দুহেজাৰ টকা লৈ (Mr. Boroooah took 2,000 Rs. from

me today and left for Manoharpur with the Prince of Gangpore and party.)।

গাংপুৰৰ ৰজা বা যুৱৰাজৰ দলটোৰ কলিকতা ভ্ৰমণৰ বিষয়ে বেজবৰুৱাই আত্মজীৱনীত মনোৰমকৈ দিছে। তেওঁৰ বিৱৰণ মতে, "ৰজাৰ পুতেক এজাক" আৰু "তেওঁলোকৰ লগৰীয়া দল-বলেৰে" যেতিয়া কলিকতালৈ আহে, সেই আগমন বঙালী যাত্ৰা পাৰ্টিৰ উৎসৱ যেন হৈ পৰে। দলটোৰ সকলোকে ঘূৰাই-ফুৰাই দিনৌ কলিকতাত দেখুৱাব লগীয়া ঠাইবোৰ দেখুওৱাটো ভোলানাথ-লক্ষ্মীনাথৰ যেন অৱশ্য পালনীয় কৰ্তব্য। "বছৰি এনেকুৱা 'উৎসৱ' তিনি-চাৰি বাৰকৈ সম্পাদিত হৈছিল।" এই সম্পৰ্কত বেজবৰুৱাই কৈছে, "বি বৰুৱাৰ ইচ্ছা, ৰজাক ভালকৈ বশ কৰাটো, আৰু ৰজাৰ ৰাজকুমাৰবোৰেৰে সৈতে বৰ্তমান প্ৰণালীৰ সভ্যতা শিকোৱা" (পৃ. ১৭২)।

গাংপুৰৰ যুৱৰাজক সন্তুষ্ট কৰি তেওঁৰ পাহাৰি এডৰা ভোলানাথ বৰুৱাই বন্দবস্তিলৈ আনিলে। কৰ্মক্ষম আৰু অভিজ্ঞ ঠিকাদাৰ বটকৃষ্ণ পালক বৰুৱাই সেই পাহাৰিৰ দায়িত্ব দিলে। বৰুৱাই নিজে বেংগল-নাগপুৰ ৰে'ল লাইনত "স্লিপাৰ-বাতিয়ে টাকুৰি ঘূৰাব ঘূৰিবলৈ ধৰিলে।" বেজবৰুৱাৰ কাম কলিকতাৰ য়ুৰোপীয় আৰু দেশী কাৰ্য-বোৰৰ লগত যোগাযোগ ৰখা। জাৰ্ডিন স্কিনাৰ কোম্পানী, গিলেণ্ডাৰ আৰবুথনট কোম্পানী, বৰ্ড হেণ্ডেৰ্চন, মেকেঞ্জি লায়েল আদিৰ লগত ৰাখিব লগীয়া ব্যৱসায়িক সকলো বিষয়ৰ সংযোগ ৰাখিছিল লক্ষ্মীনাথে। ভোলানাথ বৰুৱাই তেতিয়া গুইলকেৰা, মনোহৰপুৰ, কাড়পোসড়া আদিৰ মাজত ভাঁত বাতি কৰিছিল।

ভোলানাথ বৰুৱা কলিকতালৈ আহিলেই লক্ষ্মীনাথ বেজবৰুৱা ভোলানাথৰ গাৰ লগৰ হাটো। কেতিয়াবা থাকে বটকৃষ্ণ পাল। বটানিকেল গাৰ্ডেন, বেংগল থিয়েটাৰ, ইণ্ডিয়া ক্লাব, হাওড়া, ভৱানীপুৰ, বৰবাজাৰ, নিউ মাৰ্কেট, বৌবাজাৰ, জোড়াসাঁকো,—

এইবোৰেই আছিল সাধাৰণতে কলিকতাত ভোলানাথ বৰুৱাৰ যাতায়াতৰ ঠাই। এনেবোৰ ঠাইলৈ যোৱাৰ গুৰিত বৰুৱাৰ কেৱল ব্যৱসায়ী লক্ষ্যই নাছিল। মনোৰঞ্জন, সজ্জন-মিলন আৰু সামাজিক সম্পৰ্ক স্থাপনো আছিল বৰুৱাৰ এনেবোৰ যাতায়াতৰ উদ্দেশ্য। সেয়ে হ'লেও ব্যস্ত ব্যৱসায়ী ভোলানাথ বৰুৱাৰ বাবে তেনেবোৰ উদ্দেশ্য বাঁহীৰ ফুটাকেইটাহে। দৰাচলতে তেওঁ কলিকতালৈ অহা মানেই ব্যৱসায়-সংক্ৰান্ত লেঠা মৰা বা নতুন আঁচনি বাস্তৱায়িত কৰা।

গুইলকেৰা, মনোহৰপুৰ বা ঝাড়সোগড়াৰ পৰা বৰুৱা কলিকতা পাইছিলহি কেতিয়াবা ৰাতি, কেতিয়াবা ৰাতিপুৱাতে। বেজবৰুৱাৰ দিনলেখাৰ বহুতো দিনৰ আৰম্ভণি ঘটিছে ভোলানাথ বৰুৱাৰ কলিকতা-আগমন সংবাদেৰেই। বেজবৰুৱাৰ দিনলেখাৰ তেনে সংবাদবাহী বাক্যটো হ'ল "Mr. Borooah arrived in the morning." ৰাতি আহিলে প্ৰায়েই ১২ বজাত বৰুৱা বেজবৰুৱা থকা ঠাই পায়হি। বেজবৰুৱাৰ দিনলেখাৰ তেনে সংবাদজ্ঞাপক বাক্যটো হ'ল "Mr. Borooah arrived at 12 at night". নাইবা "Mr. Borooah came at 12 O'clock night:" প্ৰতি মাহে অন্যূন্ দুবাৰকৈ বৰুৱা কলিকতালৈ আহে আৰু ৩ দিনৰ পৰা ৮।১০ দিনলৈকে কলিকতাত থাকে। বেজবৰুৱাৰ লগত ব্যক্তিগতভাৱে সম্পৃক্ত ব্যক্তি যেনে, ৰমাকান্ত বৰকাকতী, শিৱৰাম বৰদলৈ, কনকলাল বৰুৱা, জগন্নাথ বৰুৱা আদিৰ লগ পোৱা বা তেওঁলোকৰ লগত পান-ভোজন কৰাৰ উপৰি ব্যৱসায় সংক্ৰান্তত গিৰীশ চন্দ্ৰ বসু, ভিখৰাজ বাগ্‌লা আদিৰ লগতো ভোলানাথৰ সংযোগ ঘটিছিল কলিকতালৈ আহি তাত থকা দিনকেইটাত। বেজবৰুৱাৰ পৰা হিচাপ লোৱা আৰু বেজবৰুৱাৰ দ্বাৰাই ব্যৱসায় বিষয়ক বিভিন্ন চিঠি-পত্ৰ লিখোৱা আছিল বৰুৱাৰ দুটা প্ৰধান কাম। উল্লেখযোগ্য যে ব্যৱসায় সম্পৰ্কীয় চিঠি-পত্ৰ ভোলানাথ বৰুৱাই নিজে লিখিছিল;

তেওঁৰ হৈ বেজবৰুৱাইহে লিখিছিল। বেজবৰুৱাৰ দিন-লেখাৰ (১৮৯৫) বিভিন্ন ঠাইত এনেধৰে তেওঁ কৈছে, "I wrote some business letters for him."—(৪ আগষ্ট), "Wrote 16 letters for Borooah—all business letters." (১৫ আগষ্ট), "Wrote several letters for Borooah" (১৬, ২৩ আগষ্ট), "Wrote some letters for Mr. Borooah" (২ ছেপ্টেম্বৰ)। অৱশ্যে বেজবৰুৱালৈ লিখা চিঠিবোৰ বৰুৱাই আনৰ হতুৱাই লিখোৱা নাছিল, নিজে লিখিছিল।

ভোলানাথ বৰুৱাৰ ব্যৱসায়ে কেনেধৰে উন্নতি লাভ কৰিছিল, তাৰ আভাস ১৮৯৫ আৰু ১৯০১ চন বছৰ দুটাত কলিকতাৰ বেংক-বোৰকে ধৰি বিভিন্ন ব্যৱসায়িক প্ৰতিষ্ঠান আৰু ব্যৱসায়-সম্পৃক্ত ব্যক্তিৰ লগত ভোলানাথ-লক্ষ্মীনাথে কৰা লেন-দেনৰ পৰাই পাব পাৰি। ১৮৯৫ চনত বি. বৰুৱা কোম্পানীয়ে কৰা আৰ্থিক লেন-দেনৰ উপসংহৃত (approximate) হিচাপ ১,৫৭,৫৯৩ টকা। সম্পূৰ্ণ পাঁচ বছৰৰ পাছৰ বছৰটোত (১৯০১) সেই হিচাপ বৃদ্ধি পালে ৭,৪৯,২১২ টকালৈ। এই কালছোৱাৰ মাজৰ পাঁচটা বছৰৰ হিচাপ আমি ইয়াত ধৰা নাই। তদুপৰি, এয়া বেজবৰুৱাই ৰখা পদ্ধতিগত সাপ্তাহিক বা মাহেকীয়া হিচাপ নহয়; নিজৰ স্মৃতিৰ সহায়ক হিচাপে বেজবৰুৱাই দিনলেখাত টুকি থোৱা কথাৰ পৰা উলিওৱা হিচাপহে এয়া। যেনে, "Mr. Borooah took 2,000 Rs. from me today" (ফেব্ৰুৱাৰী ৮), "Cashed 1,000 Rs. at the currency" (ফেব্ৰু. ১৩), "Paid Borooah Rs. 1,005" (ফেব্ৰু. ১৬), "Received Rs. 3,000 notes from Mr. Borooah by post" (মাৰ্চ ৪), "Mahi N. Bora left this morning with 2,500 Rs." (মাৰ্চ ১৩), "Brought 1,000 Rs. in silver and 1,000 in ten rupee notes from Bengal Bank" (মাৰ্চ ২১), "Cashed two cheques

2,500 Rs, each at Jardine & Skinner" (মে' ৬), "Cashed Rs. 10,000 at the Bank of Bengal" (মে' ৯), "Boroosh brought a cheque of Rs. 10,000 from Jardine & Skinner" (মে' ২৪), "Paid Rs. 10,000 to Butto" (জুন ৫) ইত্যাদি। এয়া বেজবৰুৱাৰ ১৮৯৫ চনৰ দিনলেখাৰ কেইটামান মাত্ৰ উদাহৰণ।

১৯০১ চনৰ দিনলেখাৰ কথাও তেনেকুৱাই। যেনে, "বটুবাবুৱে ৫,০০০ টকা লৈ গ'ল ঝাড়সোগড়ালৈ" (জানু ১৬), "জাৰ্ডিন স্কিনাৰ কোম্পানীয়ে বেংগল বেংকৰ এখন ২৫,০০০ টকাৰ চেক দিলে" (জানু. ২১), "নন্দকিশোৰ নাগপুৰ মেইলত উঠি ২৫,০০০ টকাৰ এশ টকীয়া নোট লৈ ঝাড়সোগড়ালৈ গ'ল" (জানু. ২৩), "জাৰ্ডিন স্কিনাৰৰ পৰা ২৫,০০০ টকাৰ এখন চেক পালোঁ" (জানু. ২৯), "নন্দকিশোৰ মেইলত ২৩,০০০ টকা লৈ ঝাড়সোগড়ালৈ গ'ল" (জানু. ৩১), "ই. বি. এছ. ৰেলৱেৰ পৰা ২,২২০৸৵০ টকা পালোঁ" (ফেব্ৰু. ৪), "আজি মিঃ ষ্টুৱাৰ্টৰ পৰা ১০,০০০ টকা পালোঁ" (মাৰ্চ ১৬), "বেংগল বেংকৰ পৰা ১০,০০০ টকা আনিলোঁ" (এপ্ৰিল ১), "জাৰ্ডিন স্কিনাৰ এণ্ড কোম্পানীৰ পৰা ১০,০০০ টকাৰ এখন চেক পালোঁ" (মেই ৩), "জাৰ্ডিন স্কিনাৰে এখন ৩০,০০০ টকাৰ আৰু এখন ৫০,০০০ টকাৰ দুখন চেক দিলে" (মেই ৪), ইত্যাদি ধৰণৰ হিচাপহে আমি ইয়াত দাঙি ধৰিছোঁ। পুংখানুপুংখ হিচাপ লক্ষ্মীনাথে বেলেগে ৰাখিছিল। ১৯০১ চনৰ ৯ এপ্ৰিলৰ দিনলেখাত আছে, "জানুৱাৰীৰ কলিকতাৰ হিচাপ নকল কৰিলোঁ" বুলি।

সাধাৰণতে সাপ্তাহিক হিচাপ লোৱাটোৱেই আছিল ভোলানাথৰ ব্যৱসায়ৰ ৰীতি ; অন্ততঃ ব্যৱসায়ৰ প্ৰথম ছোৱা কালত। গুইনকেৰা বা মনোহৰপুৰত থকা ভোলানাথলৈ লক্ষ্মীনাথে প্ৰতি সপ্তাহৰ হিচাপ পঠিয়াব লাগিছিল। ১৮৯৫ চনৰ ফেব্ৰুৱাৰীৰ ১০ তাৰিখে লেই

মাহৰ ৮ তাৰিখলৈকে হোৱা লেন-দেনৰ হিচাপ বেজবৰুৱাই ভোলানাথৰ লগত থকা গোপীনাথ বৰুৱালৈ পঠিয়াইছিল (Sent my account for February upto 8th to Gopinath Borooah)। মনোহৰপুৰত থকা ভোলানাথ বৰুৱালৈ যেনেকৈ লক্ষ্মীনাথে সাপ্তাহিক হিচাপ পঠিয়াইছে ৮ মাৰ্চ তাৰিখে (Submitted the weekly cash balance account to Mr. Borooah at Manoharpore.)। মিছেই তাকৰীয়া ধনৰ বাবদ পাব লগীয়া হিচাপো বৰুৱাই বেজবৰুৱাৰ পৰা নীতিগতভাৱে লয় আৰু বেজবৰুৱায়ো দিয়ে। ১৮৯৫ চনৰ আগষ্ট মাহৰ ১৪ তাৰিখে বৰুৱাক দহ হেজাৰ টকা দিবলৈ যাওঁতে ৪৯ টকা ১ অনা ৯ পাইৰ (৪৯·০৯ টকা) হিচাপো ১৫ আগষ্টত বেজবৰুৱাই বৰুৱাক দিছে। তেনেকৈ আগষ্ট মাহৰ ২৩ তাৰিখে দিছে ৯৮ টকা ২ অনাৰ হিচাপ এটা (Submitted account of 98/2/- to Mr. Borooah)। পাছলৈ মাহিলি হিচাপ লোৱাটো নিয়ম হ'লগৈ। ১৯০০ চনৰ ২৫ অক্টোবৰৰ দিনলেখাত বেজবৰুৱাই কৈছে, "Sent Calcutta acct. for August to Gopi Babu today." ১৯০১ চনৰ নৱেম্বৰৰ ৬ তাৰিখে লিখিছে, "১৯০১ চনৰ অক্টোবৰৰ হিচাপটো শেষ কৰা হ'ল।" বহুদিনীয়া পুৰণি হিচাপো ভোলানাথ বৰুৱাই পৰীক্ষা কৰাৰ নজিৰ আছে। ১৮৯৬ চনৰ পৰা ১৮৯৯ চনলৈকে এই চাৰি বছৰৰ হিচাপৰ বহী ১৯০৩ চনৰ ৯ জুলাইত বেজবৰুৱাই বৰুৱালৈ পঠিয়াই দিব লগীয়া হৈছিল। বহীখিনিযে বেজবৰুৱাই সযতনে ৰাখিছিল, সেইটোও সঁচ কথা নহয় নিশ্চয়। কেতিয়াবা আকৌ বৰুৱা কলিকতালৈ আহোঁতেই বেজবৰুৱাৰ পৰা হিচাপ আদায় কৰি লয়। বেজবৰুৱাই দিয়া হিচাপত কেতিয়াবা ভুল উলিয়ায় ভোলানাথ বৰুৱাই। তাৰ বাবে বেজবৰুৱাৰ লজ্জাবোধ হয়, অনুশোচনাও উপজে। ১৮৯৫ চনৰ ১৫ আগষ্টত বেজবৰুৱাই তেওঁৰ হিচাপৰ ভুল স্বীকাৰ কৰি বৰুৱাক ক্ষমা খুজিছে (Ashamed

at my mistake telling Borooah that I received only Rs. 9,000 and 1,000, whereas he said Rs. 9,000 and 1,200. He is correct, and I asked his pardon.)।

বেজবৰুৱাৰ ১৯০২ চনৰ দিনলেখাত প্ৰকাশ পোৱা মতে সেই বছৰত বি. বৰুৱা কোম্পানীৰ লেন-দেন ৬,৮৫,০৩৪ টকা। আগৰটো বছৰতকৈ এইটো বছৰত লেন-দেনৰ পৰিমাণ কম দেখাৰ কাৰণ একাধিক। সেই বছৰৰ ছেপ্টেম্বৰৰ ৬ তাৰিখৰ পৰা ১৭ তাৰিখলৈকে সময়ছোৱাৰ দিনলেখাত ব্যৱসায়-সংক্ৰান্ত হিচাপ বেজবৰুৱাই লিপিবদ্ধ কৰা নাই। ২৩ ছেপ্টেম্বৰৰ পৰা ১১ অক্টোবৰলৈকে বেজবৰুৱাই দিনলেখা লিখাই নাই। ১২ অক্টোবৰৰ পৰা ৬ নৱেম্বৰলৈকে তেওঁ কলিকতাত নাছিল; তেতিয়া আছিল তেওঁ অসমত। ৬ নৱেম্বৰতহে কলিকতা পালেগৈ বেজবৰুৱা। ১৯০২ চনৰ কেইটামান দিনত হোৱা লেন-দেন বেজবৰুৱাৰ দিনলেখাত এনেদৰে প্ৰকাশ পাইছে: "বেংগল বেংকৰ পৰা ১৫,০০০ টকা ভঙাই আনিলোঁ।" (ফেব্ৰু. ২৭), "বি. বৰুৱা মোৰ হাতৰ পৰা ১৫,০০০ টকা লৈ ঝাড়সোগড়ালৈ গ'ল" (ফেব্ৰু. ২৮), "বেংগল বেংকৰ পৰা ১৮,০০০ টকা আনিলোঁ। জে. এছ. এণ্ড কো.-ৰ পৰা বেংগল বেংকৰ ১৫,০০০ টকাৰ এখন চেক পালোঁ।" (মাৰ্চ ৭), "বেংগল বেংকৰ পৰা ২০,০০০ টকা অনা হ'ল। তালৈ আৰ্জিনে কালি দিয়া ১৫,০০০ টকাৰ চেকখন জমা দিবলৈ পঠালোঁ। ২০,০০০ টকা লৈ মই ঝাড়সোগড়াৰ মেইলত উঠিলোঁ" (মাৰ্চ ৮), "বেংগল বেংকৰ পৰা ১০,০০০ টকা আনি খগেনৰ মাৰ্ফত ঝাড়সোগড়ালৈ পঠালোঁ।....বি. টি. টি. কোম্পানীক নেশনেল বেংকৰ ২৫,০০০ টকাৰ এখন চেক দিলোঁ। মেছাৰ্ছ মেকেঞ্জি লায়াল কোম্পানীক ১১,০০০ টকাৰ এখন চেক দিলোঁ" (এপ্ৰিল ৫)। ১৯০১ চনতকৈবে পাছৰটো বছৰত ভোলানাথ বৰুৱাৰ ব্যৱসায়ে ঊৰ্দ্ধগতি লাভ কৰিছিল, সেই বিষয়ত প্ৰত্যয় জন্মাবৰ বাবে বেজবৰুৱাৰ উল্লিখিত সাক্ষ্য-প্ৰমাণেই যথেষ্ট নিশ্চয়। ১৯০৩ চনতো মাত্ৰ দুটা

দিনৰ উদাহৰণেই বি. বৰুৱা কোম্পানীৰ উত্তৰোত্তৰ উন্নতিৰ আভাস দিব পাৰিব। সেই চনৰ ৪ জুনত জাৰ্ডিন স্কিনাৰ কোম্পানীৰ পৰা বেজবৰুৱাই ৫০ হাজাৰ টকাৰ এখন চেক আৰু ১৫ হাজাৰ টকাৰ নোট পাইছে (Recd. from J. S. Co. a cheque for 50,000/- & notes for 15,000/-)। ২১ জুলাইত একেটা কোম্পানীৰ পৰাই ভোলানাথ বৰুৱাই ৫০ হাজাৰ টকা পাইছে শাল কাঠৰ বাবদ (B. B. got Rs. 50,000/- from J. S. & Co. O/a Sal.)।

ইতিপূৰ্বে ভোলানাথ বৰুৱাৰ ব্যৱসায়-বৃক্ষৰ শাখা-প্ৰশাখা কলিকতাত একাধিক হৈ পৰিছে। ১৮৯৫ চনৰ মে' মাহৰ ২৭ তাৰিখে বৰুৱাই গিৰীশচন্দ্ৰ বসু আৰু ভিখ্‌ৰাজ বগ্‌লাৰ লগত আলোচনা কৰি নতুন কোম্পানী এটা গঠন কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰে। ভোলানাথে নতুন কোম্পানীটোৰ অংশীদাৰ আৰু কাৰ্যাধ্যক্ষ পাতিব খুজিলে লক্ষ্মীনাথ বেজবৰুৱাকে। লক্ষ্মীনাথৰ ২৭ মে'ৰ (১৮৯৫) দিনলেখাত আছে, "B. Borooah settled with G. C. Bose and Bhikhraj to open a new Company and make me a partner and manager of it." চাৰি দিনত পাছতে (জুন ১) কোম্পানীটোৰ নামকৰণ, চুক্তিপত্ৰ আদি হৈ গ'ল। কোম্পানীটোৰ এটা শাখা থাকিব কলিকতাত, অন্যটো বি. এন. লাইনত। কলিকতাৰ শাখাটোৰ নাম 'বৰুৱা লক্ষ্মী-নাৰায়ণ', আনটোৰ নাম 'লাকীমেন এণ্ড কোং'। চুক্তি মতে কোম্পানীটোত বেজবৰুৱাৰ অংশ টকাটোৰ ৬ অনা, ভিখ্‌ৰাজ বগ্‌লাৰ ৬ অনা, গিৰীশ চন্দ্ৰ বসুৰ ৩ অনা আৰু ঈশ্বৰ সত্যনাৰায়ণৰ ১ অনা। বেজবৰুৱাৰ ৬ অনীয়া অংশটো ভোলানাথ বৰুৱা আৰু লক্ষ্মীনাথ বেজবৰুৱাৰ মাজত সমানে দুভাগ হ'ব। কথাখিনি বেজবৰুৱাৰ দিনলেখাত এনেদৰে প্ৰকাশ পাইছে: "Entered into contract and formed a Partnership Company

with Bhikbraj Bogla, Girish Ch. Bose and he under the name Rangalál Lakshminarayan at Calcutta and Luckyaman & Co. at B. N: Line. My 6 anna, Girish -/3/-, Bhikhraj -/6/-, Satyanarayan God -/1/-. My /-6/- will be divided equally between Mr. B. and myself."

১৮৯৫ চনৰ ১ জুলাইত ভোলানাথ বৰুৱাই নাগপুৰস্থ ৰয়েল টিম্বাৰ কোম্পানীৰ বিষয়া ডিচৌজাৰ লগত চুক্তিবদ্ধ হয় স্লিপাৰ আৰু কাঠ কিনিবলৈ। টকাৰ যোগান ধৰিব ভোলানাথ বৰুৱাই নিজে। সেই দিনায় আগধনো দিয়া হ'ল তিনি হাজাৰ টকা। ছেপ্টেম্বৰৰ ১৭ তাৰিখে বেণীমাধৱ মুখাৰ্জী নামৰ এজনৰ লগত বি. বৰুৱা কোম্পানীৰ হৈ লক্ষ্মীনাথ বেজবৰুৱাই চুক্তি কৰে। চুক্তি মতে, ১৮৯৬ চনৰ জুন মাহৰ ভিতৰতে শাল কাঠৰ দহ হাজাৰ স্লিপাৰ মুখাৰ্জীয়ে বি. বৰুৱা কোম্পানীক যোগান ধৰিব। বি. বৰুৱা কোম্পানীয়ে কেৱল ৰয়েল্‌টী বাবদ দিব লগীয়াখিনিহে দিব। কাঠ কটা, গাড়ীৰে কঢ়িওৱা, স্লিপাৰবোৰ মেলি থোৱা বাবদ হোৱা ব্যয় বহন কৰিব মুখাৰ্জীয়ে। বি. বৰুৱা কোম্পানীক মুখাৰ্জীয়ে স্লিপাৰ যোগান ধৰিব ৰেল ষ্টেচনত। সেই ক্ষেত্ৰত প্ৰয়োজনীয় আহিলাৰ ব্যয়ো মুখাৰ্জীৰে। নিৰিখ আছিল এনে ধৰণৰ: ৰেল বিভাগৰ দ্বাৰা গৃহীত (passed) প্ৰতিখন স্লিপাৰত ১ টকা ১০ অনা (১·৬২ টকা), ৰেল বিভাগে অগ্ৰাহ্য কৰা প্ৰতিখনত ১ টকা। ১৭ ছেপ্টেম্বৰত এহেজাৰ টকা আগধন দিয়া হ'ল। কিন্তু এই আগধন স্লিপাৰৰ মূল্য বাবদ নহয়, প্ৰয়োজনীয় খৰচৰ বাবদহে। মূল্য বাবদ মুখাৰ্জীয়ে প্ৰতি চলা স্লিপাৰত ১ টকা ৮ অনাকৈ (১·৫০ টকা) আগধন পাব ষ্টেচনত স্লিপাৰ পৌচাই দিয়াৰ পাছতহে। চুক্তি মতে স্লিপাৰ যোগান ধৰিব নোৱাৰিলে প্ৰতিখন স্লিপাৰৰ বাবদ মুখাৰ্জীৰ জৰিপ (penalty) হ'ব ২ অনা (০·১৩ টকা)-কৈ।

বি. বৰুৱা কোম্পানীয়ে স্লিপাৰৰ ব্যৱসায় কৰি ১৯০১ চনত কিমান উন্নতি কৰিলে, তাৰ প্ৰমাণ বেজবৰুৱাৰ সেই চনৰ ১১ জানুৱাৰীৰ দিনলেখাই দিছে। বেজবৰুৱাই লিখিছে: "পুৱা বজা৮॰ কলিকতা পালেহি। আজি বেংগল-নাগপুৰৰ পৰা জে. এন. কোম্পানীয়ে ১ লাখ বি. জি. স্লিপাৰৰ অৰ্ডাৰ দিছে। খনে পতি ৩৷৹ অনাকৈ পৰিব।" এই "অৰ্ডাৰ" বি. বৰুৱা কোম্পানীৰ বাবে দেখা-দেখিকৈয়ে তিনি লাখ পঞ্চাছ হাজাৰ টকীয়া।

বি. বৰুৱা কোম্পানীয়ে আন কথাত ক'বলৈ গ'লে ভোলানাথ বৰুৱাই সেই অৰ্ডাৰবোৰ পোৱাৰ মূলতে আছিল কোম্পানীটোৱে বা বৰুৱাই দাখিল কৰা কম নিৰিখৰ নিৰিদা। বেজবৰুৱাৰ দিন-লেখাৰ একাধিক ঠাইত সেই কথা আছে। "ই. আই. আৰ.-ৰ ৫০০ টন টিকৰ টেণ্ডাৰ পৰীক্ষা কৰা হ'ল। আমাৰ নিৰিখ সকলোতকৈ কম; ৯৫৸৹ অনা হিচাপত। কেলিভনিয়া ভকৰ ১০৩৲, শেতবলৰ (গিৰীশ বাবু) ৯৮৲" (২৩ জানুৱাৰী ১৯০১)। "ই. আই আৰ.-ত ৫০০ টন টিকৰ টেণ্ডাৰ দিলোঁ। আমাৰ নিৰিখ সকলোতকৈ কম হৈছে, প্ৰতি টনে ৯১ টকা" (১৭ জুন ১৯০১)। "আমি ৯১ টকাতেই অৰ্ডাৰটো পালোঁ" (২০ জুন ১৯০১)। "শিয়ালদহ পোৰ্ট ষ্টোৰত যি ১০০ টন টিকৰ টেণ্ডাৰ submit কৰিলোঁ, আমি সকলোতকৈ কম ৰে'ট দিলোঁ ৯০৸৹ অনা, প্ৰামাণিকৰ ৯১৸৹" (১ জুলাই ১৯০১)। "ই. বি. এছ.-ৰ ১০০ টন টিকৰ যোগানৰ অৰ্ডাৰ পালোঁ, ৰে'ট ৯০৸৹" (৬ জুলাই ১৯০১)।

ভোলানাথ বৰুৱাৰ কোম্পানীয়ে যোগান ধৰা শাল কাঠৰ স্লিপাৰ বা চেগুন কাঠৰ আটাইখিনিয়ে ৰেলৱে কৰ্তৃপক্ষ বা সংশ্লিষ্ট কোম্পানীয়ে গ্ৰহণ কৰিছিল এনে নহয়; অগ্ৰাহ্য কৰাৰো চিন আছে। অৱশ্যে অগ্ৰাহ্য কৰা স্লিপাৰ বা ঢুখৰীয়া (Log) চেগুনৰ সংখ্যা কম। যেনে, ১৯০৩ চনৰ ১৩ মে'ত ২৬৩ খন স্লিপাৰ গ্ৰাহ্য (passed) হৈছে, অগ্ৰাহ্য (rejected) হৈছে ৩০ খন। ২২ মে'ত

গ্ৰাহ্য হৈছে ২৭০ খন, অগ্ৰাহ্য ১৬ খন। ১৯০১ চনৰ ৪ নৱেম্বৰত "পোৰ্ট কমিছনাৰ মিষ্টাৰ পণ্টন আৰু মিষ্টাৰ বেনেটে টিক অৰ্ডাৰৰ পাক্কাপটা লগৰ ৩৪টা পাছ কৰিলে।" সেই চনৰ ২৪ মাৰ্চত ই. বি. এছ.-এ "৫৭ ডাল ইৰেগুলাৰ কাঠ" অগ্ৰাহ্য কৰিছিল। তেনেকৈ অগ্ৰাহ্য কৰা কিছুমান স্লিপাৰ ল'বলৈ ২৬ মাৰ্চত বেজবৰুৱাই কাটিহাৰত এক্‌জিকিউটিভ ইঞ্জিনীয়াৰ স্মিথক দেখা কৰি মিনতি কৰিব লগীয়া হৈছিল বি. বৰুৱা কোম্পানীৰ হৈ। ১৯০১ চনৰ ৩১ জানুৱাৰীৰ দিনলেখাত বেজবৰুৱাই কৈছে, "ই. বি. এছ. আৰ-ৰ এক্‌জামিনাৰৰ অফিচৰ হেড একাউণ্টেণ্টক ১০০ টকা দিলোঁ। যোৱা বছৰৰ স্লিপাৰৰ হিচাপ সকলো মিলাই দিবলৈ।" সেই বছৰৰ ৪ ছেপ্টেম্বৰতো কৈছে, "গ্ৰাণ্ট চাহাবৰ বাবে ১০০০ টকা আৰু তেওঁৰ বাবুক ৭৮৮৷৵. দিব লাগিব হিচাপ অনুসাৰে।" আগদিনা "মিষ্টাৰ গ্ৰাণ্টে ৪৬৫ ছোট টিক স্কোৱাৰ পাছ কৰিলে। এম. এল. সকলো ল'লে অৰ্থাৎ ৯০ গ'ল।" বেজবৰুৱাৰ এইকেইটা কথাই বি. বৰুৱা কোম্পানীৰ ব্যৱসায়িক ৰীতি বা নীতিৰো ইংগিত-আভাস দিব পাৰে। কিন্তু সেয়া নিশ্চয় ব্যৱসায়ত অৱশ্য পালনীয় ৰীতি বা নীতিয়েই।

বৰুৱাৰ কাঠৰ ব্যৱসায়ে কলিকতাত উত্তৰোত্তৰ উন্নতি লাভ কৰাৰ লগে লগে বি. বৰুৱা কোম্পানীত যোগ দিলেহি কলিকতাৰ ব্যৱসায় ক্ষেত্ৰৰ এজন প্ৰসিদ্ধ ব্যক্তি অতুলকৃষ্ণ ঘোষে। বেজবৰুৱাৰ দিনলেখাৰ বহু ঠাই আগুৰি থকা 'O.K.G.'জনেই অতুলকৃষ্ণ ঘোষ। এওঁ পূৰ্বে কলিকতাৰ বিখ্যাত ব্যৱসায়ী কালীকৃষ্ণ প্ৰামাণিকৰ প্ৰতিষ্ঠানত কাম কৰিছিল। কালীকৃষ্ণ প্ৰামাণিকৰ অন্যান্য ব্যৱসায়ৰ লগতে জাহাজ মেৰামতী কাৰখানা এটাও আছিল। 'কেলিডনিয়া ডক' নামৰ সেই কাৰখানাৰে 'এছিষ্টেণ্ট মেনেজাৰ' আছিল অতুলকৃষ্ণ ঘোষ। বি. বৰুৱা কোম্পানীত এওঁ নিযুক্ত হৈছিল ১৯০৩ চনৰ ১৩ ফেব্ৰুৱাৰীত। প্ৰামাণিক প্ৰতিষ্ঠানৰ আন এজন

নিপুণ কৰ্মী কিশোৰীমোহন সিংহয়ো (KMS) ইতিপূৰ্বে যোগ দিছেহি বি. বৰুৱা কোম্পানীত। তাৎপৰ্যপূৰ্ণ কথা যে ১৯০০ চনৰ ১২ ছেপ্টেম্বৰত কালীকৃষ্ণ প্ৰামাণিকৰ দুই পুত্ৰ আশুতোষ আৰু প্ৰমথ প্ৰামাণিকে তেওঁলোকৰ কেলিডনিয়া ডকৰ এজিষ্টেণ্ট মেনেজাৰজন (অতুলকৃষ্ণ ঘোষ)-ক লগত লৈ বেজবৰুৱাক প্ৰস্তাৱ দিছিল বি. বৰুৱা কোম্পানী তেওঁলোকৰ ব্যৱসায়ৰ লগত চামিল হৈ যোৱাৰ। ভোলানাথ বৰুৱাৰ লগত আলোচনা কৰি বেজবৰুৱাই সেই প্ৰস্তাৱৰ উত্তৰ দিয়াৰ কথা। প্ৰামাণিক ভ্ৰাতৃদ্বয়ৰ সেই প্ৰস্তাৱৰ উদ্দেশ্য হয়তোবা আছিল নিজৰ প্ৰতিষ্ঠানৰ শ্ৰেষ্ঠত্ব প্ৰমাণ কৰা নতুবা কলিকতাত বি. বৰুৱা কোম্পানীৰ প্ৰতিপত্তি আৰু অস্তিত্ব বিলোপ সাধন কৰা। কিন্তু সেই প্ৰামাণিক প্ৰতিষ্ঠানকো বি. বৰুৱা কোম্পানীয়ে টকা ধাৰলৈ দিব পাৰিছিল। বেজবৰুৱাৰ ১৯০১ চনৰ ১৭ জুনৰ দিনলেখাত আছে, "কালীকৃষ্ণ প্ৰামাণিকক ১০,০০০৲ টকা ধাৰে দিলোঁ।০৭৲ টকা সুদত। তিনি মাহৰ পাছত টকা পৰিশোধ কৰিব।" ১৯০২ চনৰ ২১ ফেব্ৰুৱাৰীৰ দিনলেখাতো আছে, "চি. কে. প্ৰামাণিকে মোৰ পৰা ১০,০০০৲ টকা ধাৰে লৈছিল" বুলি।

কাঠৰ ব্যৱসায়ৰ উপৰি ভোলানাথ বৰুৱাই কলিকতাত কেৰাচিন আৰু কয়লাৰ ব্যৱসায়তো হাত দিলে। অৱশ্যে কেৰাচিন আৰু কয়লা ভোলানাথৰ কাঠৰ ব্যৱসায়ৰ অনুষংগহে, উপজাতহে। ব্যৱসায়ৰ এই দুটা অংগত তেওঁ বৰকৈ দৃষ্টি দিছিল বুলিব নোৱাৰি।

'বলৰাম বয় শ্ৰীৰাম' নামৰ প্ৰতিষ্ঠানৰ পৰা কেৰাচিন কিনি বালী-গঞ্জৰ বেংগল ক'ল কোম্পানীক যোগান ধৰিছিল ভোলানাথ বৰুৱাই। কেৰাচিনৰ ব্যৱসায় তেওঁ ১৮৯৫ চনৰ মাজ ভাগতে হাতত লয় বুলিব পাৰি, আৰম্ভণিৰ দিনটো সঠিকভাৱে নিৰ্ধাৰণ কৰিব নোৱাৰিলেও। ১৮৯৫ চনৰ ১৪ ছেপ্টেম্বৰত বেজবৰুৱাই বলৰাম বয় শ্ৰীৰাম প্ৰতিষ্ঠানত হাতীমাৰ্কা, কেৰাচিন এক ডবা (৮৪৪OD)-ৰ বাবে এশ টকা আগধন দিয়াৰ কথা কৈছে। এক ডবাৰ অৰ্থ অনূন্য ৩২৫

টেমা (case) কেৰাচিন। প্ৰতি টেমাৰ ক্ৰয়-মূল্য ৩ টকা ১৩ অনা ৩ পাই (৩'৮২ টকা)। উক্ত পৰিমাণৰ কেৰাচিনৰ বাবদ বি. বৰুৱা কোম্পানীয়ে মুঠতে ব্যয় কৰে ১,৩৬২ টকা ২ অনা ৯ পাই (১,৩৬২'১৫ টকা)। ১৩ অক্টোবৰত সেই ডবা তেলৰ বাবদ বি. বৰুৱা কোম্পানীয়ে মুঠ ১,৪১১ টকা পালে। গতিকে দেখা গৈছে, প্ৰতি ডবা কেৰাচিনত বি. বৰুৱা কোম্পানীৰ লাভ হয় প্ৰায় ৪৯ টকা। তেনেকৈ ১২ অক্টোবৰত বলৰন্ত ৰয় শ্ৰীৰামৰ পৰা লৈ আচানচোললৈ পঠোৱা এডবা কেৰাচিনৰ বাবদ বি. বৰুৱা কোম্পানীয়ে ১,৩৯৫ টকা ৩ অনা (১,৩৯৫'১৯ টকা) পায় ২৯ অক্টোবৰত। এই ডবাৰ ক্ৰয়-মূল্য আছিল ১,৩৫৬ টকা ১৪ অনা ৬ পাই (১,৩৫৬'৮৯ টকা)। এইবাৰৰ লাভৰ পৰিমাণ কুকুৰি টকাও নহয়। গতিকে কেৰাচিন ব্যৱসায়ত ভোলানাথৰ অৰ্থোপাৰ্জন আপাততঃ বেছি হোৱা নাছিল। তথাপি তেওঁ কেৰাচিন চালানৰ ব্যৱসায়টো কিছু দিনলৈ হাতত ৰাখি থৈছিল। সেই চনৰ ১ নৱেম্বৰতো বেংগল ক'ল কোম্পানীৰ কাৰখানালৈ দুই ডবা কেৰাচিন পঠোৱা হৈছিল। কেৰাচিন-চালানত লাভ যথেষ্ট নোহোৱাৰ কাৰণ ছিদ্ৰযুক্ত পাত্ৰত তেল-কোম্পানীয়ে তেল পঠোৱাটো। শেষোক্ত দুই ডবা তেলৰ ৩৭ টেমা আছিল ফুটা (বেজবৰুৱাৰ দিনলেখা, ১১ নৱেম্বৰ ১৮৯৫)।

১৮৯৫ চনৰ শেহৰ ফালে ভোলানাথ বৰুৱাই কয়লাৰ ব্যৱসায়ত হাত দিছিল বুলি ক'ব পাৰি। কাৰণ, 'মেছাৰ্ছ ফিলিপ' নামৰ কোম্পানীটোৰ পৰা প্ৰথম নমুনা হিচাপে এডবা কয়লাৰ বাবদ ৰে'ল বিভাগৰ ৰচিদ এখন বেজবৰুৱাই পায় ১৮৯৫ চনৰ ৩০ নৱেম্বৰত (Received Rly receipt for the 1st sample wagon of coal from Messrs Phillip)। হৰিমোহন সাণ্ডাল (Sandiyal) নামৰ কয়লা-দালাল (Coal-broker)-জনে এই কয়লাখিনি যোনে তিনি টকা দৰত বিক্ৰী কৰে ১ ডিচেম্বৰত।

১৮৯৬ চনৰ জানুৱাৰীৰ পৰাই বি. বৰুৱা কোম্পানীৰ কয়লা

ব্যৱসায় ক্ষিপ্ৰগতিত চলিবলৈ ধৰে। ৪ জানুৱাৰীৰ ভিনায় পুৱা ৪ ভৰা আৰু গধূলি ৩ ভৰা, আৰু ৫ জানুৱাৰীত ৫ ভৰা কয়লা শালিমাৰ পʼট পায়হি। হুগলী ডক্, কেলিডনিয়া ডক্, নন্দলাল দে এণ্ড ব্ৰেণ্ড্ছ, হৰদয়াল বিষেণ দয়াল, সাথ কৰ, কালীঘাটৰ ক্ৰিটে-ৰিয়ান হোটেল আদিক বি. বৰুৱা কোম্পানীয়ে কয়লাৰ যোগান ধৰিছিল। হুগলী ডকক যোগান ধৰা কয়লাৰ বাবে বি. বৰুৱা কোম্পানীয়ে নাও ব্যৱহাৰ কৰিব লগীয়া হৈছিল। একোখন নাৱত পঠোৱা হৈছিল পাঁচ শৰ পৰা ছশ মোন কয়লা। ক্ৰিটেৰিয়ান হোটেল আদি প্ৰতিষ্ঠানক যোগান ধৰিছিল গৰু-গাড়ীৰে।

কিন্তু কেৰাচিনৰ দৰেই কয়লাৰ ব্যৱসায়ো বৰুৱাই বেছি দিন চলাব নোৱাৰিলে। তাৰ কাৰণ যোলে বি. বৰুৱা কোম্পানীয়ে যোগান ধৰা কয়লাৰ মানৰ নিম্নতা। ১৮৯৬ চনৰ ১৮ জানুৱাৰীত 'মেছাৰ্ছ নন্দলাল দে'ই বি. বৰুৱা কোম্পানীৰ কয়লা বৰ বেয়া বুলি কʼলে। বেজবৰুৱাই লিখিছে, "Had been to Messers Nandalal Dey, who condemned our coal very much."। ইতিমধ্যে সংশ্লিষ্ট কয়লা কোম্পানীটোৱেও কয়লা যোগানৰ ব্যৱসায়টো বি. বৰুৱা কোম্পানীৰ পৰা নি জাৰ্ডিন কোম্পানীক দিয়াৰ সিদ্ধান্ত কৰিলে। কয়লা কোম্পানীটোৰ বিষয়া পʼলছনে সেই কথা ভোলানাথ বৰুৱাক জনায় ১৮৯৬ চনৰ ২৭ জানুৱাৰীত (Mr. Paulson communicated to Mr. Borooah his permission of giving the coal business to Messers Jardine from our hands, and everything ended.)। ১ ফেব্ৰুৱাৰীত হুগলী ডকে এহেজাৰ মোন কয়লা বি. বৰুৱা কোম্পানীৰ পৰা কিনাৰ কথা। পিছে বি. বৰুৱা কোম্পানীয়ে শালিমাৰত মজুত কৰি ৰখা সমস্ত কয়লা হুগলী ডকে কিনি লোৱাৰ সিদ্ধান্ত কৰে ৭ ফেব্ৰুৱাৰীত। কয়লাৰ ব্যৱসায়ত ভোলানাথ বৰুৱাই জাৰ্ডিৰ পৰিবৰ্তে কেভিয়াৰা লোকচানহে ভৰিব লগীয়া

হৈছিল। মেছাৰ্ছ নন্দলাল দে'ক বি. বৰুৱা কোম্পানীয়ে পূৰ্বে যোগান ধৰা কয়লাৰ বাবদ দাখিল কৰা দেয়ক (Bill)-ত প্ৰতি টনৰ দাম দুটকা বাৰ অনা (২'৭৫ টকা)-ৰ পৰিবৰ্তে দুটকা এঘাৰ অনা (২'৬৮ টকা)-লৈ হ্ৰাস কৰিব লগীয়া হৈছিল ১৮৯৬ চনৰ ১ মাৰ্চ তাৰিখে।

কয়লাৰ ব্যৱসায়ত এইছোৱা কালত ভোলানাথ বৰুৱা যদিও ক্ষতিগ্ৰস্ত হৈছিল, তথাপি ব্যৱসায়টোৰ প্ৰতি তেওঁৰ আগ্ৰহ কমা নাছিল। পৰৱৰ্তী কালত, ১৯০৮ চনত তেওঁ নিজাকৈ কয়লাৰ খনি এটা কিনি লয় ৰাণীগঞ্জত। বেজবৰুৱাৰ সেই চনৰ ১৭ আৰু ১৮ মাৰ্চৰ দিনলেখাই সেই কথা কৈছে। ভোলানাথ বৰুৱাৰ কয়লাৰ খনিটো আছিল ৰাণীগঞ্জৰ পৰা প্ৰায় ৭ মাইল (প্ৰায় ১১ কিলো-মিটাৰ) দূৰত্বত অৱস্থিত।

১৮৯৯ চনৰ আৰম্ভণিৰে পৰা ভোলানাথ বৰুৱাই অৰ্থাহৰণৰ আন এটা বাট মুকলি কৰে। সেইটো হ'ল লোহাৰ বাকচ (বেজবৰুৱাৰ ভাষাত "লোৰ পেৰা") যোগানৰ ব্যৱসায়। জি. এন্থাৰ্টন নামৰ এটা কোম্পানী (G. Antherton Co.)-ৰ দ্বাৰা ইংলণ্ডত নিৰ্মিত লোহাৰ বাকচ আনি বিক্ৰী কৰিবৰ বাবে কলিকতাৰ 'ৰাধাবাজাৰ ষ্ট্ৰীট ট্ৰাংক শ্বপ' নামেৰে এখন দোকান খুলিছিল ভোলানাথে। দোকানখনৰ (No. 112 Radhabazar Shop) স্থায়ী প্ৰতিষ্ঠাৰ বাবে চুক্তি-পত্ৰত চহী কৰা হৈছিল (চহী কৰিছিল বেজবৰুৱাই) ১৯০০ চনৰ ২৮ এপ্ৰিলত। চুক্তি মতে দোকানখনৰ মাহিলি ভাড়া আছিল ২৭ টকা। গোপালবাবু (চৌধুৰী?) নামৰ এজনক মাহিলি ৩০ টকা বেতনত দোকানখন চলাবলৈ নিযুক্তি দিয়া হৈছিল ১৯০০ চনৰ ৬ জুনত। দোকানখনত নিয়োগ কৰা হৈছিল বি. বৰুৱা কোম্পানীৰ আন এজন কৰ্মচাৰী গদাধৰ (গদাই)-ৰ পুত্ৰেক সত্যচৰণক। ১৯০০ চনৰ ১০ জুনত সত্যচৰণ কলেৰাত ঢুকায়। ১৯০১ চনৰ ১ মে'ত বেজবৰুৱাৰ ভায়েক হৰিনাথে "ৰাধাবজাৰৰ দোকানৰ ভাৰ ল'লে"। কিন্তু জি.

এথাৰ্টন কোম্পানীৰ লগত সেই ব্যৱসায়ৰ লেন-দেন আৰম্ভ হৈছিল ১৮৯৯ চনৰ ২ ফেব্ৰুৱাৰীতে। সেই তাৰিখতে হৰিশ চন্দ্ৰ বোসৰ যোগেদি দিয়া যোগানৰ আদেশ মৰ্মে কোম্পানীৰ পৰা প্ৰেৰিত ট্ৰাংকৰ এটা খেপ (consignment) আহি পাইছিল (Indented a consignment of steel trunk by Haris Ch. Bose: This consignment has come.)। ২৮ ফেব্ৰুৱাৰীতো বেজবৰুৱাই কোম্পানীটোক "ষ্টীল ট্ৰাংক" প্ৰেৰণ কৰিবৰ বাবে যোগাযোগ কৰাৰ কথা তেওঁৰ দিনলেখাই কৈছে (Ordered G. Antherton Co: for a consignment of steel trunk from England.)। পাছৰটো মাহৰ ৬ তাৰিখতো হৰিশ চন্দ্ৰ বোসক লোহাৰ বাকচ প্ৰেৰণৰ 'অৰ্ডাৰ' দিয়া হয়, আৰু সেই সম্পৰ্কত এখন চুক্তিত বেজবৰুৱাই চহী কৰে। সেই 'অৰ্ডাৰ' অনুযায়ী ২৫.৭.৯৯ তাৰিখে বাকচবোৰ বি. বৰুৱা কোম্পানীৰ হাতত পৰাৰ কথা। এপ্ৰিল মাহৰ ২২ তাৰিখে বেজবৰুৱাই 'মেছাৰ্চ এইচ চি বোস'ক 'অৰ্ডাৰ'-টোৰ কথা দোহাৰে। ইয়াৰ পৰা নিশ্চিতভাৱে ক'ব পাৰি, হৰিশ চন্দ্ৰ বসু বা তেওঁৰ প্ৰতিষ্ঠানৰ জৰিয়তেই বি. বৰুৱা কোম্পানীয়ে লোহাৰ বাকচ যোগানৰ ব্যৱসায়টো চলাবলৈ লৈছিল। ১৯০০ চনৰ ১ মে'ত বেজবৰুৱাই দোকানখনৰ বছৰেকীয়া হিচাপ লয় (To Radhabazar shop, got annual acct. of steel trunk.)।

১৯০১ চন বছৰটোলৈকে ভোলানাথৰ ষ্টীল ট্ৰাংকৰ ব্যৱসায় নিয়মিতভাৱেই চলাৰ প্ৰমাণ বেজবৰুৱাৰ দিনলেখাই দিছে। সেই বছৰৰ ১১ ফেব্ৰুৱাৰী, ৪ মাৰ্চ, ১৬ এপ্ৰিল আৰু ৪ ছেপ্টেম্বৰত যথাক্ৰমে ১১০০ টকা, ৮৫৮ টকা ৩ অনা ১০ পাই, ১১৪১ টকা ২ অনা ৩ পাই আৰু ৮০০ টকা ষ্টীল ট্ৰাংকৰ চালান (ইন্‌ভইচ) বখীয়া লেনা আদায় কৰাৰ কথা বেজবৰুৱাই কৈছে। ১২ ফেব্ৰুৱাৰীত ৬০ টকা আদায় দিয়া হৈছিল "ষ্টীল ট্ৰাংকৰ ডিপোজিট"। ২৮ মে'ত বাগবজাৰৰ ডি. লালৰ পৰা ষ্টীল ট্ৰাংক বেচাৰ হিচাপত ১০০ টকা পোৱাৰ কথাও

বেজবৰুৱাই লিখিছে। ষ্টীল ট্ৰাংকৰ 'কন্‌চাইন্‌মেণ্ট' বিক্ৰী কৰাৰ আংশিক টকা হিচাপে 'মেছাৰ্ছ দুৰ্গাদাস দাস'-ৰ পৰা দুশ টকাৰ চেক 'এখন পাই কলিকতা বেংকত জমা দিয়াৰ কথাও বেজবৰুৱাৰ লেখাত আছে। ব্যৱসায়টোৰ সম্পৰ্কত হোৱা লেন-দেন বৰ বেছি নহয় যদিও এই ব্যৱসায়টো ১৯০৪ চনৰ ৫ মাৰ্চলৈকে ভোলানাথে চলাই আছিল।

পৰবৰ্ত্তী কালত ভোলানাথ বৰুৱাই নিজাকৈ লোৰ কাৰখানা এটা শালিমাৰত স্থাপন কৰিছিল বুলি পণ্ডিত হেমচন্দ্ৰ গোস্বামীৰ কথাৰ পৰা জনা যায়। গোস্বামীয়ে তেওঁৰ ১৯২২ চনৰ ৮ ফেব্ৰুৱাৰীৰ দিনলেখাত কৈছে, "পুৱা ৯ মান বজাত বৰুৱা ডাঙৰীয়াৰ লগত শালিমাৰলৈ ফুৰিবলৈ গ'লোঁ। তাত তেওঁৰ এটা সক বকমৰ Iron Foundry আছে দেখি বৰ ভাল পালোঁ। মানুহজনৰ Business capacity দেখিবে কিমান আনন্দ পালোঁ, কি ক'ম। বিদেশত আহি এজন কোনো সাৰথি নোহোৱা অসমীয়া মানুহে এনেকৈ কাববাব কৰা দেখিলে আমাব জাতিৰ ভৱিষ্যৎ সম্বন্ধে অনেক আশা হয়। তেওঁ বোধ কৰোঁ ৫০।৬০ লক্ষ টকাৰ সম্পত্তি কৰিছে।"

'বাধাবাজাৰ ষ্ট্ৰীট ট্ৰাংক শপ'ৰ উপৰি কলিকতা 'মিছলেনিয়চ ষ্টোৰ' নামৰ এখন দোকানো ভোলানাথৰ আছিল। গদাধৰ (Godadhar Surui) বা গদাই আছিল সেইখন দোকানৰ কৰ্মচাৰী। ভোলানাথৰ ভাগিনীয়েক ভৱানী সেই দোকানখনৰ দায়িত্বত আছিল ১৯০০ চনৰ ২৩ এপ্ৰিলৰ পৰা। ইয়াৰ পূৰ্বে ভৱানী আছিল আচানচোলত। উপেন্দ্ৰনাথ বৰুৱাই তেওঁৰ 'এ গ্লিম্প্‌ছ অব আছাম: পাষ্ট্‌ এণ্ড্‌ প্ৰেজেণ্ট্‌' নামৰ গ্ৰন্থৰ (দ্বিতীয় সংস্কৰণ, ১৯৩৬) এঠাইত (পৃ. ১৪৯) প্ৰসংগক্ৰমে ভোলানাথৰ কাঠ-ব্যৱসায়ৰ সমৃদ্ধিৰ কথা কওঁতে বিদ্যুতৰ ব্যৱসায়ো ভোলানাথে হাতত লৈছিল (His success in it, led him to take up electric business also) বুলি উল্লেখ কৰিছে।

শিলগুটি (rubble) যোগানৰ লেখীয়া সৰু আৰু সাময়িক ব্যৱসায় এটাও ভোলানাথ বৰুৱাই কৰিছিল। বেজবৰুৱাৰ ১৮৯৬ চনৰ ১৫ জানুৱাৰীৰ দিনলেখাত সেই ব্যৱসায়ৰ আৰম্ভণিৰ ইংগিত আছে। উক্ত তাৰিখত জনৈক শৰৎ বাবুৰ পৰা বেজবৰুৱাই এটা 'অৰ্ডাৰ' পায় যশোহৰ (Jessore)-ত ১ ডবা শিলগুটি যোগান ধৰাৰ। নিবিদা দিওঁতে প্ৰতি মোন শিলগুটিৰ ক্ৰয়-মূল্য দেখুৱা হৈছিল ৪ অনা ৩ পাই (০·২৬ টকা); বিক্ৰয়-মূল্য আছিল প্ৰায় ৬ অনা (প্ৰায় ০·৩৭ টকা)। শিলগুটি যোগানৰ পৰিমাণ আছিল কেতিয়াবা ১ ডবা, কেতিয়াবা ৬৯০ মোন।

উল্লিখিত ধৰণেৰে ভোলানাথ বৰুৱাই কলিকতাৰ ব্যৱসায়-ক্ষেত্ৰখনত নিজৰ স্থিতি দৃঢ়ৰ পৰা দৃঢ়তৰ কৰিবলৈ সক্ষম হৈছিল বেজবৰুৱাক লগত লৈ ১৯০৪ চনলৈকে, আৰু অকলশৰে নিজে মৃত্যুৰ আগমুহূৰ্তলৈকে। অৰ্থাগমৰ বিভিন্ন পথ মুকলি কৰিলেও কলিকতাত ভোলানাথ বৰুৱাৰ বি. বৰুৱা কোম্পানী বিখ্যাত হৈছিল কাঠৰ ব্যৱসায়ৰ বাবেহে। বেজবৰুৱাক লগত লৈ চলোৱা কাল-ছোৱাত বি. বৰুৱা কোম্পানীৰ ব্যৱসায়ৰ কথা বেজবৰুৱাই কৈছে এনেদৰে—"আমাৰ ব্যৱসায় ন-জোনৰ দৰে কলা-কলাকৈ দিনৌ বাঢ়ি আহিবলৈ ধৰিলে। কলিকতাত কাঠৰ ব্যৱসায় কৰোঁতে দেশীমানুহৰ ভিতৰত কি মাৰোৱাৰী, কি বঙালী আমাৰ ঠাই মুখচ ছোওঁ-ছোওঁ হ'লগৈ। বাবু গিৰীশ চন্দ্ৰ বোসৰ কথা ওপৰত উনুকিয়াই আহিছোঁ। কলিকতাত কাঠৰ ব্যৱসায় কৰোঁতাসকলৰ ভিতৰত তেওঁৰ ঠাই তেতিয়া টিঙত আছিল। এতিয়া তেওঁকো আমি চুকি পাওঁ পাওঁ যেন হ'লোঁগৈ। ইংৰাজী কাৰ্ম জাৰ্ডিন স্কিনৰ কোম্পানীৰ ঘৰত আমাৰ প্ৰতিপত্তি দেখি গিৰীশ বাবুৰ বুকু কঁপি উঠিল। বৰ্মা যুদ্ধৰ সময়ত ক্ৰোড়পতি হোৱা মাৰোৱাৰী ভগৱান দাস বগলা তেতিয়া জীয়াই নাছিল। তেওঁৰ কাৰ্মবো আগৰ প্ৰতিপত্তি কমি গৈছিল। চিমনলাল গেৰ্ডেৰীৱালা, মতিলাল

বাধাকিষণ প্রভৃতি মাৰোৱাৰী ফাৰ্মো বি. বৰুৱা কোম্পানীৰ কাৰত হাত পাতিব লগীয়া অৱস্থাত পৰিলহি” (মো. জী. সোঁ., পৃ ১৮৬)।

বি. বৰুৱা কোম্পানীৰ সমৃদ্ধিৰ প্ৰসংগত বেজবৰুৱাই এনেকৈত কৈছে, “বি. এন. আৰ. লাইনত কৰা আমাৰ শাল কাঠৰ ব্যৱসায়ৰ বিস্তৃতি আৰু বিপুলতা বুজিব পাৰি তাৰ সাদিনীয়া (weekly) খৰচৰ টকাৰ হিচাপ শুনিলে। প্ৰত্যেক সপ্তাহতে মই কলিকতাৰ পৰা তালৈ দহ-পোন্ধৰ হেজাৰৰ পৰা পঁচিশ-ত্ৰিশ হেজাৰলৈকে টকা পঠিয়াইছিলোঁ।” (মো. জী. সোঁ., পৃ. ১৮৭-৮)। তালৈ অৰ্থাৎ ভোলানাথ বৰুৱা থকা ঠাই ঝাড়সোগড়ালৈ এই টকাবোৰ বেজ-বৰুৱাই কেতিয়াবা অকলে নিজে লৈ গৈছিল “খৰচৰ ভয়ত ব্যয় সংকোচ (economy) কৰি”, কেতিয়াবা ভোলানাথে নিজেও কলিকতাৰ পৰা উভতি যাওঁতে লৈ গৈছিল। কিন্তু সাধাৰণতে বি. বৰুৱা কোম্পানীৰ “কেৰাণী বা বিশ্বাসী চাপৰাচীয়েই এই টকা লৈ গৈছিল”।

বি. বৰুৱা কোম্পানীৰ বিশ্বস্ত দাৰোৱান নন্দকিশোৰৰ হাতেদি বহু হাজাৰ টকা বেজবৰুৱাই ঝাড়সোগড়াত থকা ভোলানাথ বৰুৱালৈ কলিকতাৰ পৰা পঠিয়াইছিল। ১৯০২ চনৰ ২৪ আগষ্টত নন্দ-কিশোৰে কাম এৰি যোৱাত ২৯ আগষ্টত গোলোক (? গোলাপ) সিং নামৰ এজনক দাৰোৱান নিযুক্ত কৰা হৈছিল সাময়িকভাৱে। ‘২১ ছেপ্টেম্বৰত নিয়োগ কৰা হয় গয়াপ্ৰসাদ নামৰ আন এজন দাৰোৱান। ২৩ ছেপ্টেম্বৰত গোলাপ সিঙক কামৰ পৰা অপসাৰণ কৰা হয়। ১৯০৩ চনৰ ২০ জুনত কিষেণ পাল নামৰ এজন লোকো বি. বৰুৱা কোম্পানীৰ দাৰোৱান নিযুক্ত হৈছিল। পিছে, আটাইকেইজন দাৰোৱানৰ ভিতৰত দীৰ্ঘকাল চাকৰিত নিযুক্ত আছিল নন্দকিশোৰহে, আৰু কলিকতাৰ পৰা ঝাড়সোগড়ালৈ টকা অনা-নিয়াৰ সৌভাগ্যও ঘটিছিল তেওঁৰহে।

কলিকতাৰ পৰা ঝাড়সোগড়ালৈ বা আচানচোললৈ টকা অনা-

নিয়া কৰোঁতা 'কেৰাণী' বোলোঁতে বেজবৰুৱাই নিজকো বাদ নিদিয়াকৈ ভৱানীচৰণ বৰদলৈ, মহীনাৰায়ণ বৰা, কিশোৰীমোহন সিংহ, উমাচৰণ গুপ্ত, ভুবনচন্দ্ৰ বৰুৱা, বেজবৰুৱাৰ ভায়েক হৰিনাথ আদি বি. বৰুৱা কোম্পানীৰ লগত জড়িত ব্যক্তিসকলকে বুজাইছে। প্ৰসংগক্ৰমে এইখিনিতে পূৰ্বোক্ত চাপ্‌ৰাচীকেইজনৰ উপৰি বি. বৰুৱা কোম্পানীত বিভিন্ন সময়ত নিযুক্ত স্থায়ী-অস্থায়ী কৰ্মচাৰীসকলৰ নাম উল্লেখ কৰিব পাৰি। হীৰামন, বুলবুল, আনন্দ, খগেন, জিতু, ৰামু, গোপী, ৰামচন্দ্ৰ, ঠাকুৰ, নাথো, লচমন আছিল বি. বৰুৱা কোম্পানীত লগুৱা হিচাপে কাম কৰা মানুহ। ইবোৰৰ ভিতৰত হীৰামন আৰু বুলবুল আছিল ঝাড়সোগড়াত ভোলানাথ বৰুৱাৰ অতি বিশ্বস্ত লগুৱা। বুলবুল নামৰ লগুৱাটোৱেই আছিল বয়োজ্যেষ্ঠ। লগুৱাবোৰৰ দৰমহাৰ উল্লেখ পোৱা নাযায়। বেজবৰুৱাৰ লগত থকা গোপীক মাহিলি ৩ টকাত নিযুক্ত কৰাৰ কথাহে জানিব পৰা গৈছে।

পূৰ্বে উল্লেখ কৰি অহা নন্দকিশোৰ, গয়াপ্ৰসাদ আৰু কিষেণ পালৰ উপৰি পান্নালাল, শিৱদয়াল, চোবেৰাম, মহাবীৰ, কৃপাণ (? কৃপাৰাম), দৌলতৰাম আদি আছিল বিভিন্ন সময়ত বি. বৰুৱা কোম্পানীৰ দাৰোৱান। এওঁলোকৰ দৰমহা মাহিলি ৮।৯ টকাৰ ভিতৰত। ১৯০২ চনৰ ১ ফেব্ৰুৱাৰীত বেজবৰুৱাই ৬,০০০ টকা ভোলানাথ বৰুৱাক দিবলৈ পঠোৱা পান্নালাল নামৰ দাৰোৱানটো বেজবৰুৱাই তেওঁৰ আত্মজীৱনীত দেখুৱা মতে পাছলৈ "এজন ডাঙৰ টিম্বাৰ মাৰ্চেণ্ট, এটা ফাৰ্মৰ মালিক আৰু চাৰি-পাঁচ লক্ষ টকাৰ অধিকাৰী" হ'লগৈ। বি. বৰুৱা কোম্পানীৰ দাৰোৱান এজন আৰ্থিক দিশত এনেদৰে চিকুণ হোৱাটো নিশ্চয় ভোলানাথ বৰুৱাৰে যশ।

কোম্পানীটোত নিযুক্ত কচোৱান আৰু চহিচ আছিল দৌলত, ইলাহিবক্স, জফুৰ, যোগেশ্বৰ, সুখৰাম আদি। এইলোকৰ দৰমহা

আছিল মাহিলি ১০।১২ টকা। কোম্পানীৰ মালীও আছিল বিভিন্ন সময়ত বিভিন্ন জন। বিশিয়া, দুৰ্গাচৰণ, বেচা, দয়াল, বালগোবিন্দ আদি মালীকেইজনৰ ভিতৰত বেচাই চাকৰি কৰিছিল ৭ টকা দৰমহাত, ১৯০১ চনত দুৰ্গাচৰণে ৮ টকাত, দয়ালে কৰিছিল ১০ টকাত। ৰান্ধনী হিচাপে কুলমণি আৰু ৰামচন্দ্ৰৰ বাহিৰে মুছলমান খানচামা এজনো নিযুক্ত হৈছিল মাহিলি ১০ টকা দৰমহাত ১৯০১ চনৰ ৭ জুনত। ১৮৯৫ চনত বি. বৰুৱা কোম্পানীত নিযুক্ত ঝাড়ুৱালাই দৰমহা পাইছিল মাহিলি ১ টকা। ১৯০০ চনত ঝাড়ুৱালাৰ দৰমহা ৬ টকা হ'ল। অৱশ্যে ঝাড়ুৱালীয়ে তেতিয়াও ৩ টকাহে পাইছিল। সাব আৰু নাগু নামৰ দুজন ঝাড়ুৱালাক অৱশ্যে ৮ টকাকৈও দিব লগীয়া হৈছিল। পাংখাৱালা এজনৰ মাহিলি দৰমহা ১৯০১ চনত বি. বৰুৱা কোম্পানীয়ে দিছিল ৬ টকাকৈ। ঘণ্টা হিচাপতো পাংখাৱালাক পাৰিশ্ৰমিক দিয়া হৈছিল। ১৮৯৬ চনত এজন পাংখাৱালাই ঘণ্টাত ১৫ পইচাকৈ (.১৫০ টকা) পাইছিল। সেই বছৰৰ ২৪ ছেপ্টেম্বৰত বেজবৰুৱাই লিখি থৈছে এই বুলি, "এজন পাংখা মৰা কুলী ঠিক কৰিলোঁ। ৰাতি ৮.৩০-ৰ পৰা ২.৩০-লৈকে টানিব। ঘণ্টাত ১৫ পইচাকৈ পাব।"

বিভিন্ন বেংক আৰু কোম্পানীৰ লগত হোৱা ভোলানাথ বৰুৱাৰ ব্যৱসায়িক লেন-দেন যদিও তেতিয়া চেক যোগে চলিছিল, ঝাড়ুগোগড়ালৈ টকা পঠিয়াওঁতে পিছে কলিকতাৰ পৰা লোহাৰ বাকচ (ষ্টীল ট্ৰাংক)-ত ভৰাই নিয়া হৈছিল টকা, আধলি (০.৫০ টকা), সিকি (০.২৫ টকা), আদমহীয়া (০.১৩ টকা) আৰু পইচা (০.০৩ টকা)-ৰ হিচাপত। কিয়নো, বেজবৰুৱাই কোৱা মতে, "জঙ্গলৰ কাম গৱৰ্ণমেণ্ট কৰেঞ্চি নোটেৰে নচলে।...নোট ভঙাই টকা, আধলি, সিকি, আদমহীয়া আৰু পইচা কৰি নপঠিয়ালে কাম অচল। কাৰণ, অশিক্ষিত জংঘলী কৰতীয়া, গাৰোৱান আৰু

কুলীয়ে নোটৰ মূল্য নুবুজে" (মো. জী. সৌ., পৃ. ১৮৮)। ১৯০১ চনৰ ১ নৱেম্বৰৰ দিনলেখাত বেজবৰুৱাই কৈছে, "৫,০০০ টকাৰ ৰূপ আনি ঝাড়সোগড়ালৈ নন্দকিশোৰৰ হাতত পঠালোঁ।" ১৯০২০ চনৰ ২৭ ফেব্ৰুৱাৰীত ভণ্ডোৱা ১৫ হাজাৰৰ ১০ হাজাৰৰ গোটা টকা আৰু ৫ হাজাৰৰ নোট পাছদিনা ভোলানাথ বৰুৱাই নিজে লৈ ঝাড়সোগড়ালৈ গ'ল। অৱশ্যে অন্যান্য ক্ষেত্ৰত ব্যৱহাৰৰ বাবে হাজাৰ টকীয়া নোটবোৰ ভঙাই এশ টকীয়া কৰিও পঠোৱা হৈছিল ঝাড়সোগড়ালৈ। ১৯০১ চনৰ ২৩ জানুৱাৰীত "নন্দকিশোৰ নাগপুৰ মেইলত উঠি ২৫,০০০ টকাৰ এশ টকীয়া নোট লৈ ঝাড়সোগড়ালৈ গ'ল।" ৩০ জানুৱাৰীত বেংগল বেংকত ২৫ হাজাৰ টকাৰ চেকখন ভঙাই "হেজাৰ টকাৰ নোটবিলাক এশ টকীয়া আৰু দহ টকীয়া কৰি" আনিছিল বেজবৰুৱাই।

পাঁচ

কলি-প্ৰৱেশ

ভোলানাথ বৰুৱাৰ ব্যৱসায়ৰ সম্প্ৰসাৰণ আৰু সমৃদ্ধি এনেদৰে ঘটিবলৈ লোৱা সময়তে, ১৯০৩ খ্ৰীষ্টাব্দটো শেষ হ'বলৈ নৌ-পাওঁতেই লক্ষ্মীনাথ আৰু ভোলানাথৰ মাজত মনোমালিন্যই দেখা দিলে। বেজবৰুৱাই নিজে কৈছে, "এই বছৰৰ (১৯০৩) শেহৰ ফালে, বি. বৰুৱা আৰু মোৰ মাজত কলি প্ৰৱেশ কৰিলে" (মো. জী. সোঁ., পৃ. ২০১)। "নিতাই-গৌৰ দুই ভাই"ৰ মাজত এই কলিৰ প্ৰৱেশ ঘটিল কেনেকৈ, সেই কথা স্পষ্টভাৱে কোনেও ক'তো কৈ থৈ যোৱা নাই। বেজবৰুৱাৰ আত্মজীৱনীও এই বিষয়ত নিমাত। নিজৰ দিনলেখাসমূহতো বেজবৰুৱাই "কলি প্ৰৱেশ"ৰ কাৰ্য-কাৰণ সম্পৰ্ক নিৰ্দিষ্টকৈ দেখুৱা নাই। ক'ৰবাত যদিহে দেখুৱাইছিলেও, বেজবৰুৱাৰ দিনলেখাৰ, বিশেষকৈ দ্বিতীয় খণ্ডৰ গাত লগোৱা সম্পাদকীয় চুৰিয়ে সেইখিনি নোহোৱা কৰিলে। 'বেজবৰুৱাৰ দিনলেখা' (দ্বিতীয় খণ্ড)-ৰ সম্পাদক মহেশ্বৰ নেওগে নিজেই কৈছে "সম্পাদনাৰ চুৰিখন" ব্যৱহাৰ কৰাৰ কথা। হয়তোবা ব্যক্তিগতভাৱে বেজবৰুৱাৰ, নতুবা সামগ্ৰিকভাৱে অসমীয়া জাতিৰ স্বাৰ্থতেই নেওগে তেনে কৰিব লগীয়া হ'ল।

দুয়োজন ব্যক্তিৰ মাজত কলি-প্ৰৱেশৰ সংবাদ তেওঁলোকৰ মাজত আদান-প্ৰদান হোৱা চিঠিবোৰে হয়তোবা দিব পাৰিলেহেঁতেন। হয়, টেলিগ্ৰাম পঠোৱাটোৱেই যদিও সাধাৰণ অভ্যাস আছিল ভোলানাথ বৰুৱাৰ, ভোলানাথ আৰু লক্ষ্মীনাথৰ মাজত বহুসংখ্যক চিঠিবো

আদান-প্ৰদান ঘটিছিল ১৮৯৫ চনৰ পৰাই। ১৯০৪ চনৰ ৭ মাৰ্চত বেজবৰুৱাই ভোলানাথে তেওঁলৈ লিখা সেই চিঠিবোৰ ঘূৰিয়াইছিল। বেজবৰুৱাৰ উক্ত তাৰিখৰ দিনলেখাত আছে, "Morning, arranged some of my letters written to me by B. B. from 1895."* ১০ আৰু ১১ মাৰ্চতো চিঠি ঘূৰিয়া কাম কৰে বেজবৰুৱাই। সন্দেহ নাই যে সেই চিঠিবোৰৰ বহুখিনিয়েই নিশ্চয় ব্যৱসায়-সংক্ৰান্ত, আৰু তেনেবোৰ চিঠিয়েও কিজানি দুয়োৰে মাজত ঘটা মনান্তৰৰ হেতু নিৰ্দেশ কৰিব পাৰিলেহেঁতেন। পিছে, সৌভাগ্যৰ বাবেই হওক বা দুৰ্ভাগ্যৰ বাবেই হওক, ভোলানাথ-লক্ষ্মীনাথ এজনৰো সেই সম্পৰ্কীয় চিঠি এতিয়া এখনো পাবলৈ নাই। বেজবৰুৱাৰ দিনলেখাৰ পৰা এটা কথা বুজিব পাৰি যে উভয়ৰে মাজত তৃতীয় পক্ষৰ কোনোবা এজন বা একাধিকজনৰ প্ৰতিক্ৰিয়াশীল বা পশ্চাদ্‌গামী ভূমিকাৰ বাবেই এই দুজন ব্যক্তিৰ মনান্তৰ ঘটিল। এদিন লোক-মুখে কিছুমান কথা শুনি বেজবৰুৱা সন্ত্ৰস্ত হৈ পৰিল ("I am horrified to hear these".)। শ্ৰুতি; সেই সকলোবোৰ কথা শ্ৰুত-মাত্ৰ। বেজবৰুৱাই তেওঁৰ বিষয়ে ভোলানাথে কোৱা বুলি শুনিছিল যেনেকৈ, বেজবৰুৱাই কোৱা বুলি ভোলানাথেও শুনিছিল তেনেকৈয়ে। কলি সোমাল তেনেকৈয়েই।

* ভোলানাথ বৰুৱাই কলিকতাত ব্যৱসায় আৰম্ভ কৰা কালছোৱাত যে লক্ষ্মীনাথ আৰু ভোলানাথ "হৰি-হৰ আত্মা" আছিল, সেই কথা কেৱল কলিকতাৰ ব্যৱসায়ী মহল বা দুয়োৰে পৰিচিতসকলেই জনা নাছিল, জানিছিল আৰু সেই অভেদৰ সোৱাদ মৰ্মে মৰ্মে অনুভৱ কৰিছিল লক্ষ্মীনাথ আৰু ভোলানাথ উভয়েই। বেজবৰুৱাই যেনেকৈ ভাবিছিল "মিঃ বৰুৱা আমাৰ নিবহ-নিপানী ভাই, তেওঁৰ ব্যৱসায়েই আমাৰ ব্যৱসায়, তেওঁৰ মংগলেই আমাৰ মংগল" বুলি, বৰুৱাও তেনেকৈয়ে ব্যৱসায়-ক্ষেত্ৰত কৈ ফুৰিছিল "আমি দুই ভাইহে মালোৰ" বুলি।

বংগদেশৰ মাটিত ভোলানাথে খোপনি পোতাৰ গুৰিত বেজবৰুৱাহে বুলি বেজবৰুৱাই নিজে কৰা দাবী ("I helped his foot on the soil of Bengal.") যেনেকৈ সঁচা বুলি মানি ল'ব পাৰি, ভোলানাথ বৰুৱাৰ সাহচৰ্য অবিহনে বেজবৰুৱাৰ স্বাধীন মনোবৃত্তিয়ে. কেৱল যে নহয়, বেজবৰুৱাৰ সাহিত্য-কৃতিয়েও কলিকতাত উৰ্বৰ ভূমি এডোখৰ বিচাৰি পোৱাটো সহজ নহ'লহেঁতেন, আৰু কলিকতাৰ সামাজিক ক্ষেত্ৰত তেওঁৰ স্থিতিৰ ভেটি শক্তিশালী নহ'লহেঁতেন বুলিও তেনেকৈয়ে ভাবিব পাৰি। মুঠতে, জীৱন আৰু জীৱিকাৰ বেলিকা লক্ষ্মীনাথ আৰু ভোলানাথ দুয়োজনে কলিকতাত যেনেকৈ আছিল পৰস্পৰ নিৰ্ভৰশীল, বি. বৰুৱা কোম্পানীৰ সমৃদ্ধিৰ কালতো তেওঁলোক আছিল মুদ্ৰা এটাৰ ইপিঠি আৰু সিপিঠি মাথোন। ১৯০৩ চনৰ শেহলৈকে দুয়ো আছিল হৰি-হৰ, ৰাম-কৃষ্ণ। কিন্তু কলিৰ প্ৰবেশ ঘটাৰ লগে লগে সেই অৱস্থাৰ পৰিবৰ্তন ঘটিল।

হৰি-হৰ বা ৰাম-কৃষ্ণৰ এই বিচ্ছেদৰ কাৰণ স্বৰূপে 'মোৰ মৃগয়া' শীৰ্ষক লেখাত বেজবৰুৱাই কোৱা দুটামান কথা প্ৰণিধানযোগ্য। বেজবৰুৱাই কৈছে, "....পোন্ধৰ বছৰৰ ওপৰ কাল মোৰ সেই অভিজ্ঞ বন্ধুৰে সৈতে মই একেটা ব্যৱসায়তে আছিলোঁ। কিন্তু লাহে লাহে ব্যৱসায়ৰ গছজোপা ডাঙৰ হৈ উঠিলত তাত অনেক চৰাই-চিৰিকতি গোট খাবলৈ ধৰিলে, তালৈ কাণকুৰিকা আহিল, শালিকা আহিল, কেঁচু আহিল, হেটুলুকা আহিল,—আনকি বিদেশী কেঁচা আৰু কাউৰীবোৰ দৌৰাত্ম্য তাত বাঢ়িবলৈ ধৰিলে। কোঢ়াল বৰ বেছি হ'ল। মই স্বভাৱতে শান্তিপ্ৰিয় মানুহ। সেইদেখি 'ৰাম-কৃষ্ণ দুটি ভাই, ভালে ভালে আঁতৰি যায়' ইয়াকে থিৰ কৰি আঁতৰি পৰিলোঁ। গোটেইটো ব্যৱসায়ৰ টকা-কড়ি, বেংকৰ টকা, ছিচাপ-পত্ৰ মোৰ হাতত আৰু মোৰ নামত আছিল। সুযোগ্য অভিজ্ঞ ভ্ৰাতাক সেইবোৰ বিনা বাক্যব্যয়ে প্ৰত্যৰ্পণ কৰি আঁতৰি পৰিলোঁ। মনত আছে, সেই সময়ত আমাৰ দুটীয়া ব্যৱসায়ৰ মূল্য স্থাৱৰ-অস্থাৱৰ,

নগদ টকা ইত্যাদিৰে প্ৰায় বাৰ লাখ টকাৰ ওপৰ" (বেজবৰুৱা গ্ৰন্থাৱলী, ১ম খণ্ড, ১৯৬৮, পৃ. ১০৭)। ভোলানাথ-লক্ষ্মীনাথৰ বিচ্ছেদ-জ্ঞাপক উদ্ধৃত কথাখিনিত বেজবৰুৱাই কোনো ব্যক্তিৰে নাম উল্লেখ নকৰাটো তাৎপৰ্যপূৰ্ণ নিশ্চয়।

১৯০০ খ্ৰীষ্টাব্দৰ ২০ এপ্ৰিলত ভোলানাথ বৰুৱাই ব্যৱসায়-সংক্ৰান্ত বিষয়ত বেজবৰুৱাক সম্পূৰ্ণ কৰ্তৃত্ব প্ৰদান কৰি বেজবৰুৱাৰ হকে আমোক্তাৰনামা পঞ্জীবদ্ধ কৰি দিছিল হাওড়া আদালতৰ পঞ্জীয়কৰ কাৰ্যালয়ত ("3. B. registered power of attoroey in my favour at Howrah Court Register's Office.")। কিন্তু ১৯০৩ চনৰ ৭ ছেপ্টেম্বৰত সেই আমোক্তাৰনামা অতুলকৃষ্ণ ঘোষৰ হকে পঞ্জীবদ্ধ কৰিলে ভোলানাথ বৰুৱাই। কাৰ্যহে (effect); মনান্তৰৰ কাৰণ (cause) এইটো নহয়; আৰু এয়া আছিল মনান্তৰ পৰ্বৰ প্ৰথমটো অধ্যায়। ১৯০৪ চনৰ ২৪ ফেব্ৰুৱাৰীত ভোলানাথ বৰুৱাই এখন চিঠিৰে বেজবৰুৱাক জনায় যে নেশ্যনেল বেংকৰ বাহিৰে বেংক অফ বেংগল আৰু হংকং বেংকৰ পৰা বেজবৰুৱাই ধন উলিওৱাটো তেওঁ বন্ধ কৰিছে। ভোলানাথৰ তেনে কাৰ্যত বেজবৰুৱা বজ্ৰাহত-প্ৰায় হ'ল। বেজবৰুৱাৰ গাত এইটো আছিল ভোলানাথ বৰুৱাৰ প্ৰথম আঘাত ("This is the first blow to crush me.")। পাছদিনা লিখা এখন চিঠিৰে ৩৮নং ডব্‌ছন ৰোডৰ ঘৰটোৰ ওপৰ মহলাটো খালী কৰি দিবলৈ ভোলানাথে বেজবৰুৱাক জনালে। এই দ্বিতীয় আঘাতটোৱে বেজবৰুৱাৰ দেহ-মন জোকাৰি দিলে ("Tnis 2nd blow staggered me.")।

আনহাতে, বেজবৰুৱাৰ প্ৰতি ভোলানাথ বৰুৱাই বন্ধুত্বপূৰ্ণ আৰু সদয় ব্যৱহাৰ প্ৰদৰ্শন কৰিছিল সেই ঘটনাৰ পাছৰ ১৮ মাৰ্চ তাৰিখে। ৩১ মাৰ্চত ভোলানাথে অতুলকৃষ্ণ ঘোষক ক'লে যে বেজবৰুৱাৰ বাবে ঘৰ এটা কিনিবলৈ তেওঁ ১৫ হাজাৰ টকা দিব, কাঠৰ স্লিপাৰ বিভাগৰ বানচ হিচাপে দিব লাগিছিল ১৭৫ টকা, চেণ্ডন বিভাগত বেজবৰুৱাক

অংশ থাকিব ৩ অনা ৬ পাই (১'০০ টকাৰ ২১ ভাগ)। বোঁৱাৰে সৈতে গাড়ী এখনো বেজবৰুৱাক দিয়াৰ কথা ক'লে। চেণ্ডন মিভাগৰো বানচ বাবদ এশ টকাকৈ দিয়াৰ কথা ২৮ মে'ত ভোলানাথে অতুলকৃষ্ণ ঘোষক জনালে। তদনুসাৰে ১ জুনত বেজবৰুৱাই বানচ বাবদ ২৭৫ টকা পালে ভোলানাথৰ পৰা। কিন্তু সেইদিনা ভোলানাথে লক্ষ্মীনাথ, তেওঁৰ পত্নী প্ৰজ্ঞাসুন্দৰী আৰু তেওঁলোকৰ শিশুটিকো মাত-বোল নকৰিলে; তেওঁলোকৰ লগত খোৱা-বোৱা কৰাটোযে দূৰৰে কথা। ভোলানাথ-লক্ষ্মীনাথৰ বিচ্ছেদ ১৯০৪ চনৰ এই ১ জুন তাৰিখতে প্ৰায় সম্পূৰ্ণ হয়। বেজবৰুৱাই নিজেই কৈছে, "From today, the separation between us is almost complete."

ভোলানাথ-লক্ষ্মীনাথৰ এই বিবাদত সেই সময়ৰ কলিকতাৰ ব্যৱসায়ী মহলৰ প্ৰায় সকলোৱেই দুখ পাইছিল, আৰু পূৰ্বৰ দুয়োজন অভিন্নহৃদয় ব্যক্তিৰ পুনৰ্মিলন ঘটাবলৈও চেষ্টা কৰিছিল বিভিন্নজনে। চি. ডি. ষ্টুৱাৰ্ট, জে. এ. লুইচ আদি য়ুৰোপীয় বিষয়াকেইগৰাকীয়ে কৰা দুখ আৰু চেষ্টাৰ কথা বিশেষভাৱে উল্লেখযোগ্য। পিছে, কলিৰ প্ৰভাৱ ইমানেই প্ৰবল আছিল যে দুয়োৰো পুনৰ্মিলন ঘটিবলৈ কমেও ৯ বছৰ সময় লাগিছিল।

এটা কথা এইখিনিতে লক্ষ্য কৰিব লগীয়া। ভোলানাথ আৰু লক্ষ্মীনাথৰ মাজত ঘটা বিবাদ ব্যক্তিগতহে। ৩৮নং ডব্‌চন ৰোডৰ ঘৰত থকা বি. বৰুৱা পৰিয়ালটো দুভাগ হ'ল, ভোলানাথ বৰুৱাৰ গাৰ ছাঁটো আঁতৰি আহিল; কিন্তু ভোলানাথৰ লগত লক্ষ্মীনাথৰ ব্যৱসায়িক সংযোগ তেতিয়াও চলি থাকিল। ১৯০৪ চনৰ ১৬ ছেপ্টেম্বৰত ভোলানাথে বেজবৰুৱাক ১০ হাজাৰ টকা ১০ বছৰলৈ ধাৰে দিবলৈ গাত ল'লে। বেজবৰুৱাই প্ৰতিবছৰে এক হাজাৰকৈ পৰিশোধ কৰিব লাগিব। কিস্তি কিস্তিকৈ ধনখিনি পৰিশোধ নকৰিলে ৫ বছৰলৈ শতকৰা ৬ টকা হাৰত সুদ ভৰিব লাগিব।

তেতিয়াও দেয়খিনি আদায় নহ'লে তাৎকালিকভাৱে একেবাৰতে সুদে-মূলে গোটেইখিনি ধন ঘূৰাই দিব লাগিব লক্ষ্মীনাথে। এয়া লক্ষ্মীনাথৰ প্ৰতি ভোলানাথৰ সহায়-হাত। ২৩ ছেপ্টেম্বৰত ভোলানাথে লক্ষ্মীনাথক ক'লে চেগুন কাঠৰ নতুন ব্যৱসায় এটা আৰম্ভ কৰিবলৈ। ২ অক্টোবৰত বৰুৱাৰ ডব্‌ছন ৰোডৰ ঘৰত বেজবৰুৱাই ব্যৱসায় সম্পৰ্কীয় কথা পাতে ভোলানাথৰ লগত। ৪ অক্টোবৰত বিলাসপুৰৰ পৰা বৰুৱাই ব্যৱসায়-সংক্ৰান্ত চিঠি এখন দিয়ে বেজবৰুৱালৈ। বিচ্ছেদৰ পাছত বৰুৱাই আগৰ ৰীতিৰে লিখা চিঠি বোলে এইখনেই প্ৰথম ("This is the first letter after the differences with him written to me in his old style.")। ইয়াৰ পূৰ্বে ২৯ মে'ত ঝাড়সোগড়াৰ পৰা বৰুৱাই বেজবৰুৱালৈ লিখা এখন চিঠিৰ আৰম্ভণিত "লক্ষ্মীনাথ বাবু" ("Lakshminath Babu") আৰু সামৰণিত "আপোনাৰ বিশ্বাসী" জ্ঞাপক "Yours faithfully" বুলি লিখিছিল। বেজবৰুৱাৰ বাবে সেই ৰীতিটো আচহুৱা আৰু বেদনাদায়ক।

১৫ অক্টোবৰত ভোলানাথে নিজ হাতে চিঠি এখন লিখি পূজা-পৰ্বীয়া উপহাৰ স্বৰূপে বেজবৰুৱাৰ পত্নী আৰু শিশুকেইটালৈ ১৫০ টকা পঠিয়ায়। পাছদিনা তেওঁ বেজবৰুৱাৰ ঘৰলৈ অহাৰ কথা। ১৬ অক্টোবৰত বেজবৰুৱাৰ ঘৰলৈ বৰুৱা আহিল, আৰু বেজবৰুৱাৰ পত্নীৰ লগত কথা-বতৰা পাতি চাহ-জলপান খালে। সেই চনৰে (১৯০৪) ডিচেম্বৰৰ ২৩ তাৰিখে যোৰহাট সাৰ্বজনিক সভাৰ প্ৰতিনিধি হিচাপে লক্ষ্মীনাথ বেজবৰুৱা বোম্বাইত অনুষ্ঠিত কংগ্ৰেছ অধিৱেশনত যোগ দান কৰিবলৈ গ'ল ভোলানাথ বৰুৱা আৰু ভুবনচন্দ্ৰ বৰুৱাক লগত লৈ। তেওঁলোকৰ লগত গোপীনাথ আৰু বাপুৰাও নামৰ আন দুজন ব্যক্তিও গৈছিল অধিৱেশন চাবলৈ।

এইখিনিতে এটা কথাৰ অৱতাৰণা কৰিব লগীয়া হ'ল। অমৰেন্দু [illegible] জেফ্ৰেৰ 'সেটাৰ-বাজ টু ৰবাৰ' নামৰ গ্ৰন্থত লেখা মতে (১৯৭৭,

পৃ. ৩৪৩-৩৪৪) ১৯০৪ চনৰ বোম্বাই কংগ্ৰেছত যোগ দিয়া অসমৰ প্ৰতি-নিধিসকলৰ মাজত ভোলানাথ বৰুৱা নাই। ভেখেতে দিয়া তালিকা-খনত যোৰহাট সাৰ্বজনিক সভাৰ প্ৰতিনিধি হিচাপে লক্ষ্মীনাথ বেজবৰুৱাৰ নামটো'হে আছে। তালিকাখনত লক্ষ্মীনাথৰ লগতে যোৰহাটৰ চন্দ্ৰকমল বেজবৰুৱা আৰু ধুবুৰীৰ উকিল ভৱানীকান্ত দাসৰ নাম মুদ্ৰিত হৈছে। কিন্তু বোম্বাই কংগ্ৰেছলৈযে ভোলানাথ বৰুৱা গৈছিল আৰু তেওঁ অধিবেশনত উপস্থিত আছিল, সেই বিষয়ে সন্দেহৰ অৱকাশ লেশমানো নাই। ২৫ ডিচেম্বৰত বোম্বাইৰ হৰ্নবী ৰোডৰ ইংলিশ্চ হোটেলত আছিল ভোলানাথ আৰু ভুৱনচন্দ্ৰ এটা কোঠাত, লক্ষ্মীনাথ অকলে এটা কোঠাত আৰু আন দুজন এটা কোঠাত। ২৭ ডিচেম্বৰত লক্ষ্মীনাথ, ভোলানাথ আৰু গোপীনাথ অধিবেশনত উপস্থিত আছিল। বেজবৰুৱাই সেই তাৰিখৰ দিন-লেখাত কৈছে, "Attended Congress with B. B. & Gopi Babu" বুলি। ২৮ ডিচেম্বৰৰ সামৰণী সভাতো তেওঁলোক আগ-দিনাৰ দৰেই উপস্থিত আছিল। ২৯ ডিচেম্বৰত অনুষ্ঠিত সামাজিক বিষয়ৰ সন্মিলনত বেজবৰুৱা উপস্থিত নাথাকিল ; কিন্তু ভোলানাথ বৰুৱা উপস্থিত আছিল সেইখন সভাতো। বেজবৰুৱাই কৈছে, "Social Conference I did not attend. B. B. did." আকৌ, ১৮৯২ চনতো সদাগৰ ভোলানাথ বৰুৱাই গুৱাহাটীৰ পৰা এলাহাবাদ কংগ্ৰেছত প্ৰতিনিধিত্ব কৰিছিল বুলি অমলেন্দু গুহ প্ৰদৰ্শিত তালিকাখনেই কৈছে। জ্ঞানদাভিৰাম বৰুৱাৰ লেখাতো (যদিও তেওঁ ১৮৯৩ চন বুলিছে) সেই সংবাদ আছে। সেইবাৰ ভোলানাথ বৰুৱাৰ উপৰি জোনাকীৰ সম্পাদক লক্ষ্মীনাথ বেজবৰুৱা আৰু উজনি অসম সন্মিলন (Upper Assam Association)-ৰ সম্পাদক ৰাধানাথ চাংকাকতীও আছিল অসমীয়া প্ৰতিনিধি। ১৯০২ চনতো ভোলানাথ বৰুৱা আহমদাবাদ কংগ্ৰেছলৈ প্ৰতিনিধি নিৰ্বাচিত হৈছিল তেজপুৰৰ পৰা। সেই কথা পদ্মনাথ বৰুৱাক

বেজবৰুৱাই তাঁৰ যোগে জনাইছিল ১৯০২ চনৰ ১৩ (নে ২৩) ডিচেম্বৰত। আহমদাবাদ কংগ্ৰেছলৈ ভোলানাথ বৰুৱা গৈছিল নে নাই, জনা নাযায়। কিন্তু ভোলানাথ বৰুৱাইযে অন্ততঃ দুবাৰ কংগ্ৰেছ অধিবেশনত যোগ দিছিল, সেই কথা নিশ্চিতভাৱে ক'ব পাৰি। পিছে, এহ বাহ্য। আমাৰ মূল বক্তব্য হ'ল, বিচ্ছেদৰ পাছতো লক্ষ্মীনাথ আৰু ভোলানাথৰ মাজত থকা আন্তৰিক সংযোগ-টোৰ উমান দিয়া, ভোলানাথৰ উদাৰ হৃদয়ৰ পৰিমাপ প্ৰদৰ্শন কৰা। লক্ষ্মীনাথৰ লগত বোম্বাই কংগ্ৰেছলৈ ভোলানাথ যোৱাটোৱেই ভোলানাথৰ উদাৰনৈতিক মনোভংগীৰ পৰিচায়ক।

১৯০৬ চনৰ ২২ মে'ত প্ৰমোদ-ভ্ৰমণৰ উদ্দেশ্যে ভোলানাথ বৰুৱাই বেজবৰুৱাক লগত লৈ হাওড়াৰ পৰা যাত্ৰা কৰে চিম্‌লা অভিমুখে। ২৪ মে'ত চিম্‌লা পালেগৈ। তাত কেইদিনমান ফুৰি-চাকি ২ জুনত কাশ্মীৰলৈ যাত্ৰা কৰিলে। ৩ জুনত লাহোৰত। ৪ জুনত ৰাৱাল-পিণ্ডিত। তাৰ পৰা শ্ৰীনগৰলৈ গ'ল ৭৫ টকাত লেণ্ড' গাড়ী এখন ভাড়াত লৈ। ৫ জুনত ঝিলামৰ ওপৰৰ ডাক বঙলা এটাত নিশাটো কটাই ৬ জুনত কাশ্মীৰ সীমান্ত ওলালগৈ। ৭ জুনত বাৰামুল্লাত থাকি ৮ জুনত শ্ৰীনগৰত উপস্থিত হ'ল। ৯ জুনত ৬০ টকাত 'হাউচ বোট' এটা ভাড়াত লৈ তাতে থাকিল আৰু লেণ্ড'লেট গাড়ীএখনেৰে শ্ৰীনগৰ চালে। ১২ জুনত কাশ্মীৰৰ মহাৰাজ আৰু তেওঁৰ ভ্ৰাতৃসকলক ভোলানাথ বৰুৱাই সাক্ষাৎ কৰিলেগৈ। ৩ জুলাইত শ্ৰীনগৰ এৰি ৭ জুলাইত হাওড়া পালেহি। প্ৰায় ডেৰ মাহ কাল ভোলানাথ বৰুৱাই লক্ষ্মীনাথ বেজবৰুৱাক, আৰু কেৱল লক্ষ্মীনাথ বেজবৰুৱাক লগত লৈ কৰা এই প্ৰমোদ-ভ্ৰমণ নিশ্চয় লক্ষ্য কৰিব লগীয়া বিষয়। ১৮ জুনত ভোলানাথে লক্ষ্মীনাথৰ বিষয়ে সপ্ৰশংস মন্তব্য কৰাটোও ("On our way B. B. made appreciative remarks about me.") প্ৰণিধানযোগ্য কথা।

কেৱল সেয়ে নহয়। ১৯০৮ চনৰ ৩০ মাৰ্চত আহ্লাদিৰাম

বৰুৱাক লগত লৈ বোম্বাই হৈ যেতিয়া ভোলানাথ বৰুৱা বিলাতলৈ যায়, তেতিয়াও, সেইদিনাও বেজবৰুৱাই বৰুৱাক হাওড়া ষ্টেচনত বিদায়-সম্ভাষণ জনাইছিল। এছ. এছ. মাৰমাৰা নামৰ জাহাজত ভোলানাথ বৰুৱা বোম্বাইৰ পৰা ইংলণ্ডলৈ যাত্ৰা কৰিছিল সেই চনৰ ৪ এপ্ৰিলত।

প্ৰসংগটো ওলাওঁতেই কৈ থওঁ,- ইংলণ্ডলৈ যাওঁতে ভোলানাথ বৰুৱাই ফটিকচন্দ্ৰ বৰুৱাৰ পুতেক ভাৰতচন্দ্ৰকো লগত লৈ যায়। জ্ঞানদাভিৰাম বৰুৱাৰ এজন বন্ধু বিহাৰৰ বালকৃষ্ণ দাস তেতিয়া ইংলণ্ডতে আছিল। জ্ঞানদাভিৰাম বৰুৱাই তেওঁক তাঁৰ-বাৰ্তা যোগে পূৰ্বে জনাই থোৱা বাবে বালকৃষ্ণ (বি. কে.) দাসে যোলে চ্যাৰিং ক্ৰছ (Charing cross)-ৰ পৰা তেওঁলোকক আদৰি নিলে। ভোলানাথ আৰু ভাৰতচন্দ্ৰৰ লগত সাত দিন একেলগে থাকি জ্ঞানদাভিৰামে দুয়োকে লণ্ডনখন চিনাই দিলে। বি. কে. দাসে যোলে বি. বৰুৱা আৰু ভাৰতক কাপোৰ-কানি কৰাই দিলে। ভোলানাথৰ বিলাত-বাসৰ কিছু কথা জ্ঞানদাভিৰামৰ ভাষাৰেই কোৱা ভাল হ'ব। তেওঁ কৈছে, "মোৰ আগৰ পুৰণা বন্ধু মিঃ বীৰেন দেৱক মিঃ বৰুৱাৰ সাময়িকভাৱে 'প্ৰাইভেট ছেক্ৰেটেৰী' কৰাই দিলোঁ। পিছত তেওঁ (বি. বৰুৱা) গ'ল Westminster Palace Hotel-লৈ, ভাৰত গ'ল New-castle-লৈ, মই গ'লোঁ 10, George Inn Palace-লৈ। এই-খিনিতে কৈ থওঁ, মিঃ বৰুৱাই লণ্ডন 'অফিস' অঞ্চলত (City) এটা খোঁটালী কেৰেয়া কৰি B. Borooah &; Co. আৰম্ভ কৰি দিলে। ছমাহমানতে দুই-তিনি ঠাই সলালে। তেওঁৰ বিশেষ পৰামৰ্শদাতা আছিল টেইলৰ বুলি এজন ইংৰাজ। টেইলৰ বি. এন. আৰ.ৰ এঞ্জিনীয়েৰ আছিল। সেই সূত্ৰেই বি. বৰুৱাৰ সৈতে চিনাকি" (জ্ঞা. ব. ৰচনাৱলী, পৃ. ১১১-১১২)। ইংলণ্ডত থাকোঁতে বৰুৱাৰ জেপত সোণৰ ঘড়ী, জেপৰ বাহিৰত সোণৰ চেইন। এঠাইত

এদিন 'ৰোব-দৌব' উপভোগ কৰি থাকোঁতেই কোনোবা জেপ-লুককাই বোলে বৰুৱাৰ ঘড়ীটো চুৰ কৰিলে। পুলিচক জনাওঁতে "মি. বি. বৰুৱাই ক'লে যে তেওঁ সেই ঘড়ীটি মহাৰাণী ভিক্টোৰীয়া ভাৰতেশ্বৰী হোৱাৰ বছৰি কিনা। আৰু ক'লে, ঘড়ীটি Rother-ham." (উক্ত গ্ৰন্থ, পৃ. ১১৪)। মহাৰাণী ভিক্টোৰীয়া 'ভাৰতেশ্বৰী' হৈছিল ১৮৭৭ চনত। বেজবৰুৱাই কোৱা মতে, ১৮৯৬ চনৰ ৩১ জানুৱাৰীতো ভোলানাথে ৪৩৫ টকা মূল্যৰ সোণৰ শিকলি লগোৱা ঘড়ী এটা কিনিছিল (B. Borooah bought gold watch & chain at Rs. 435/-)।

ভোলানাথ ইংলণ্ডত আছিল প্ৰায় পাঁচ মাহ কাল। কেশৱ-কান্ত বৰুৱাই কোৱা মতে, ভোলানাথ বৰুৱা ইংলণ্ডলৈ গৈছিল উৰিষ্যাৰ ময়ূৰভঞ্জত ৰে'ল-লাইন এটাৰ সম্প্ৰসাৰণ ঘটোৱাৰ উদ্দেশ্যে ব্ৰিটিছ চৰকাৰৰ ভাৰত বিষয়ক মন্ত্ৰী (the Secretary of State)-ৰ পৰা সংযোজন (sanction) লাভ কৰিবলৈ। ৰে'ল লাইন সম্প্ৰসাৰণৰ অৰ্থ হ'ল উৰিষ্যাত ভোলানাথৰ কাঠৰ ব্যৱসায়ৰ উত্তৰোত্তৰ উন্নয়ন। সেই বিষয়ত ভোলানাথ বৰুৱা সফল হৈ আছিল। তাৰ ফল স্বৰূপে ময়ূৰভঞ্জৰ মহাৰাজা ৰামচন্দ্ৰ ভঞ্জদেউৰ পৰা সম্পূৰ্ণ সমস্থান (concession)-ত ময়ূৰভঞ্জৰ জংঘল লৈ ব্যৱসায় কৰাৰ সুযোগ লাভ কৰিলে সদাশয় ভোলানাথ বৰুৱাই।

বৰুৱা ইংলণ্ডত ঘূৰি-চাকি ২৭ ছেপ্টেম্বৰত কলিকতা পালেহি। সেই দিনাও ভোলানাথক আগবঢ়াই আনিবলৈ বেজবৰুৱা হাওড়া ষ্টেচনলৈ গৈছিল ("Mr. Borooah arrived from England via Bombay. We received him at the B. N: Rail-way station, Howrah, and happy.")। কোৱা নিষ্প্ৰয়োজন যে ভোলানাথে লক্ষ্মীনাথক ঠেক-ছিগা অৱস্থাত পেলোৱাৰ পাছতো লক্ষ্মীনাথে ভোলানাথক এনেদৰে আন্তৰিক অভ্যৰ্থনা জনাইছিল। ভোলানাথ বৰুৱাৰ ব্যক্তিত্ব আৰু ঔদাৰ্যৰ আকৰ্ষী শক্তিৰ বাবেই

নিশ্চয় লক্ষ্মীনাথ বেজবৰুৱাৰ লেখীয়া এজন প্ৰতিভাধৰ ব্যক্তিয়েও ভোলানাথক এনেদৰে গ্ৰহণ কৰিব লগীয়া হৈছিল।

এইজন ভোলানাথ বৰুৱাই তেওঁৰ বি. বৰুৱা কোম্পানীৰ পৰা লক্ষ্মীনাথ বেজবৰুৱাক সম্পূৰ্ণ ৰূপে বিদায় দিয়ে ১৯১১ চনৰ ৪ অক্টোবৰত। চেগুন-ব্যৱসায় সংক্ৰান্তত বেজবৰুৱাৰ নামত থকা ভোলানাথ বৰুৱাৰ আমোক্তাৰনামা সেই বছৰৰ ২ অক্টোবৰত নাকচ কৰাৰ কথা অতুলকৃষ্ণ ঘোষ আৰু বিপিন বাবুলৈ লিখা চিঠিৰ পৰা বেজবৰুৱাই জানিব পাৰিলে। ব্যৱসায়ৰ কৰ্তৃত্ব আৰু চেক বহীবোৰ ভোলানাথলৈ লক্ষ্মীনাথে ঘূৰাই পঠিয়ালে। সেইদিনাৰ পৰাহে বি. বৰুৱা কোম্পানীৰ অফিচলৈ বেজবৰুৱা আৰু নোযোৱা হ'ল ("B. Borooah cancelled his power of attorney granted in my favour by a letter to Otool Babu & Bepin Babu, dated 2. 10. 11. I returned the power to B. B. today and also the cheque books. Left B. Borooah & Co. office finally today & ceased to go there.")।

তথাপি, মহেশ্বৰ নেওগে কোৱা কথা উদ্ধৃত কৰি এইখিনিতে কওঁ, "ব্যৱসায়ৰ ক্ষেত্ৰত দুইষো মনোমালিন্য আৰু এৰা-এৰি হোৱাৰ পিছতো তেওঁলোকৰ সৌহাৰ্দ্য অটুট আছিল, এইটিহে এই দুজনা মহৎ অসমীয়াৰ মহত্বৰ পৰিচয়। বিহাৰ-উৰিষ্যাৰ হাবিত দুইজনৰে কাঠৰ কাৰবাৰ চলিছিল। বৰুৱা কেতিয়াবা বেজবৰুৱাৰ ঘৰলৈও গৈছিল আন কাম-বন পেলাই থৈ। দিল্লীত বৰুৱাৰ সাংঘাতিক মটৰ-দুৰ্ঘটনাৰ বতৰা শুনি বেজবৰুৱা লৰি গৈছিল নিজৰ কাম এৰি।....বৰুৱাই তেওঁৰ উইলত বেজবৰুৱালৈ পাঁচ হেজাৰ টকা এৰি যায়। আজিৰ হিচাপত এই টকা তাকৰ যেন লাগিলেও দুইজনৰ সৌহাৰ্দ্যৰ চিন স্বৰূপে তাৰ মূল্য তাকৰ নহয় কোনোমতে" (নেওগৰ দ্বাৰা সংকলিত-সম্পাদিত 'পত্ৰলেখা', ১৯৬৯, পৃ. '২৪-'২৫)।

বৰুৱাৰ মৃত্যুৰ পাছত তেওঁৰ সম্পত্তিৰ নিষ্পাদক তৰুণচন্দ্ৰ বৰুৱাই ১৯২৪ চনৰ ১৫ এপ্ৰিলত পাঁচ হাজাৰ টকাৰ চেক এখন বেজ-বৰুৱালৈ পঠিয়াই দিয়ে এই বুলি "I beg to enclose herewith a cheque for Rs. 5000/- in payment of the legacy left to you by late Mr. B. Borooah." (পত্ৰলেখা, পৃ. ২৮৮)।

ছয়

ঘৰ আৰু ঘৰোৱাহ

ভোলানাথ বৰুৱাৰ ব্যৱসায়ে কলিকতাত উত্তৰোত্তৰ উন্নতি লাভ কৰাৰ পূৰ্বেই এনে এটা কথা "অসমত ৰাষ্ট্ৰ হৈ গ'ল যে ভোলানাথ বৰুৱাই মাণিকচন্দ্ৰ বৰুৱা কোম্পানীৰ টকা লৈ আছি, সেই কোম্পানীক 'ফেল' কৰি নিজে কলিকতাত ব্যৱসায় কৰিছেগৈ" (মো. জী. সৌ., পৃ. ১৮১)। বেজবৰুৱাৰ আগত ভোলানাথে সেই কথা অস্বীকাৰ কৰিছিল। মাণিকচন্দ্ৰ বৰুৱাৰ ব্যৱসায়ত ভোলানাথ "দেখা-শুনাকৈ অংশীদাৰ (partner) নাছিল" যদিও সেই কোম্পানীৰ লগত জড়িত ব্যক্তি হিচাপে মাণিকচন্দ্ৰ বৰুৱাৰ বহুতো দেনা ভোলানাথৰ পৰাই উলিয়াব পৰা হ'ব বুলি বহুতো পাওনাদাৰে মাণিকচন্দ্ৰৰ লগতে বোলে ভোলানাথকো সাঙুৰি আদালতৰ কাৰ চাপিছিল। কাৰণটো বেজবৰুৱাই কোৱা মতেই, "তেওঁৰ এতিয়া ধন হৈছে, সেই দেখি তেওঁক ধৰিব পাৰিলেই কোম্পানীৰ পাওনাদাৰ-সকলৰ টকা ওলাব।" সেই পাওনাদাৰসকলৰ পৰা কিছু টকা পোৱাৰ আশাৰে কলিকতাৰ স্কেলেন (Scallan) নামৰ ইংগ-ভাৰতীয় এজনে "গুৱাহাটীলৈ গৈ সংবাদ-দাতা স্বৰূপে ষ্টেট্‌ছমেন কাকতত এটা পেৰেগ্ৰাফ উলিয়ালে, তাত শ্ৰীযুত মাণিকচন্দ্ৰ বৰুৱাৰ দেনাৰ হিচাপ দি শ্ৰীযুত ভোলানাথ বৰুৱাৰ নামটোও উল্লেখ কৰি দিলে" (মো. জী: সৌ., পৃ. ১৮১)।

স্কেলেনৰ সেই চেষ্টা বা অপচেষ্টাৰ ফল কি হ'ল জনা নাযায়। অৱশ্যে ৰামব্ৰে' নামৰ এজনক ভোলানাথ বৰুৱাৰ হৈ বেজবৰুৱাই

তিনি হাজাৰ টকা দিয়াৰ উল্লেখ বেজবৰুৱাৰ দিনলেখাত আছে। ১৯০২ চনৰ ২২ ফেব্রুৱাৰীত বেজবৰুৱাই লিখিছে, "বেংগল বেংকৰ পৰা ৩,০০০্ টকা আনি ৰমাকান্ত বৰকাকতীক দিলোঁ। মিষ্টাৰ এম. চি. বৰুৱাৰে সৈতে সম্পূর্ণ মীমাংসা কৰি মিষ্টাৰ ৰামক্রে'ক দিয়া হ'ল।" আত্মজীৱনীৰ এঠাইত এই কথাকে বেজবৰুৱাই দেখুৱাইছে এনেকৈ, "৩০০০্ টকা "শ্রীযুত ৰমাকান্ত বৰকাকতীক দিলোঁ, শ্রীযুত মাণিকচন্দ্র বৰুৱাৰ বাবে—in full settlement of his claim—অর্থাৎ এম. চি. বৰুৱাই ৰেমক্রিক দিব লগীয়া ধাৰ'শোধ" (পৃ. ১৯৬)। বেজবৰুৱাৰ এই কথাই ৰামক্রে'ক মাণিকচন্দ্রৰ এজন পাওনাদাৰ হিচাপে, আৰু মাণিকচন্দ্রৰ দেনাখিনি ভোলানাথে আদায় কৰি দিয়াটো দেখুৱাইছে। মাণিকচন্দ্র বৰুৱা নিধকৱা হোৱাত "ভেওঁৰ সম্পর্কীয়, কলিকতাত অসমীয়াৰ একমাত্র মুখ উজলাওঁতা শ্রীযুত ভোলানাথ বৰুৱাই বিশেষ সহায় কৰিছিল" বুলি হেমচন্দ্র গোস্বামীয়েও কৈ গৈছে ('পণ্ডিত হেমচন্দ্র গোস্বামী ৰচনাৱলী', অসম সাহিত্য সভা, পৃ. ৪৪৮)। 'মাণিক' পুথিৰ লেখকত্রয়ে সদাগৰ ভোলানাথ বৰুৱাৰ সহায়ত ১৮৯৭ খ্রীষ্টাব্দতে মাণিকচন্দ্র "ঋণৰ পৰা একেবাৰে মুক্ত হয়" বুলি কৈছে যদিও দৰাচলতে ১৯০২ চনতহে ভোলানাথে মাণিকচন্দ্রক ঋণমুক্ত কৰে বুলিব লাগিব। সি যি হওক, এয়া নিশ্চয় পূর্বৰ এজন পৰম উপকাৰী ব্যক্তি, ভোলানাথৰ এজন আত্মীয় মাণিকচন্দ্র বৰুৱাৰ প্রতি প্রদর্শন কৰা ভোলানাথ বৰুৱাৰ কৃতজ্ঞতা, উদাৰতা আৰু কর্তব্যপৰায়ণতাৰে নিদর্শন।

কলিকতাত যেতিয়া ভোলানাথ বৰুৱাৰ আর্থিক স্বচ্ছলতাৰ ভুপৰীয়া, অসমত তেতিয়া মাণিচন্দ্রৰ আর্থিক দিশত ঘোৰ অন্ধকাৰ। মাণিকচন্দ্র তেতিয়া প্রায় ভোলানাথৰ মুখাপেক্ষী। ভোলানাথৰ নির্দেশত কলিকতাৰ পৰা বেজবৰুৱাই মাণিকচন্দ্র বৰুৱালৈ মাজে মাজে টকা পঠিয়াই নাথাকিলে মাণিকচন্দ্রৰ জীৱনৰ নাও অচল।

১৮৯৫ চনৰ ৬ মার্চ তাৰিখে ভোলানাথৰ পুঁজিৰ পৰা মাণিকচন্দ্র

বৰুৱালৈ ১০০ টকা মণিঅৰ্ডাৰ কৰি পঠোৱা কথা বেজবৰুৱাই কৈছে (Sent Rs. 100 to M. C. Borooah by M. O. on B. Borooah's account.)। সেই মাহৰ ২২ তাৰিখতো ৫০ টকা পঠোৱা হৈছিল মাণিকচন্দ্ৰ বৰুৱালৈ। সেই চনৰ ২৫ নৱেম্বৰত মাণিক-চন্দ্ৰৰ পত্নীলৈ পঠোৱা হৈছিল ৫০ টকা। মাণিকচন্দ্ৰৰ পত্নীয়ে টেলি-গ্ৰামযোগে ভোলানাথক অনুৰোধ জনোৱা বাবে ১৮৯৭ চনৰ ২৬ মাৰ্চত মাণিকচন্দ্ৰৰ পত্নীলৈ বেজবৰুৱাই ১৫০ টকা পঠিয়াইছিল টেলিগ্ৰাম মনিঅৰ্ডাৰ কৰি। মাণিকচন্দ্ৰলৈ ১৮৯৬ চনৰ ৫ ফেব্ৰুৱাৰীত ৩৪০ টকা, ৫ মাৰ্চত ১০০ টকা আৰু ১৮ মাৰ্চত ১০০ টকা পঠোৱাৰ উপৰি নগাঁৱৰ জখলাবন্ধাৰ নন্দৰাম দাসলৈ ১৮৯৫ চনৰ ২ ফেব্ৰুৱাৰীত বেজবৰুৱাই টেলিগ্ৰাম মনিঅৰ্ডাৰযোগে ৫০ টকা পঠিয়ায় ভোলানাথ বৰুৱাৰ পুঁজিৰ পৰা। ২৮ ফেব্ৰুৱাৰীত নগাঁৱৰ গোপীকান্ত বৰুৱা-লৈকো টেলিগ্ৰাম মনিঅৰ্ডাৰ কৰি পঠোৱা হৈছিল ১০০ টকা। এইজন গোপীকান্ত বৰুৱালৈ সেই চনৰ ১৪ মে' তাৰিখতো ১৫০ টকা পঠোৱা হৈছিল। একেদিনায় নগাঁৱৰ ললিতৰাম বৰা নামৰ এজন-লৈকো পঠোৱা হৈছিল ১০ টকা। আকৌ গোপীকান্ত আৰু ললিতৰামলৈ যথাক্ৰমে ২০ টকা আৰু ১০ টকা পঠিয়াইছিল সেই চনৰ ১৩ আগষ্টত। ১৮৯৬ চনৰ ৫ ফেব্ৰুৱাৰীত ফটিকচন্দ্ৰ বৰুৱাৰ পত্নীলৈ ৩০ টকা, লোহিত (? ললিত)-লৈ ৫০ টকা আৰু গোপী-কান্তলৈ ২০ টকা মনিঅৰ্ডাৰযোগে পঠোৱাৰ কথা বেজবৰুৱাই লিখি থৈ গৈছে। ভোলানাথ বৰুৱাৰ ভতিজাক নগাঁৱৰ বিষ্ণুচন্দ্ৰ বৰুৱালৈ ১৮৯৬ চনৰ ২৪ ফেব্ৰুৱাৰীত ৪০ টকা পঠোৱাৰ কথাও বেজবৰুৱাৰ দিনলেখাই কৈছে (Money ordered 40/- Rs. to Bishnu Ch: Borooah of Nowgong, nephew of Mr. Borooah.)। সেই চনৰ ৫ মাৰ্চতো মাণিকচন্দ্ৰৰ লগতে ফটিকচন্দ্ৰ, গোপীকান্ত আৰু লোহিত (? ললিত)-লৈ টকা পঠোৱা হৈছিল। ১৯০২ চনৰ আৰম্ভণিতে মাণিকচন্দ্ৰ কলিকতালৈ যাওঁতেও ১৭ ফেব্ৰুৱাৰীত

মাণিকচন্দ্ৰক দুশ টকা দিয়ে ভোলানাথে। ভোলানাথৰ ধনৰ এই প্ৰেৰণযে ব্যৱসায়-সংক্ৰান্ত নহয়, সাহায্য-সূচকহে, মাণিকচন্দ্ৰৰ উপৰি অন্যান্য আত্মীয়সকললৈকো তেনেকৈ পঠোৱাটোৱেই তাৰ প্ৰমাণ।

গতিকে দেখা যায়, কলিকতাত ব্যৱসায় কৰি ধনাঢ্য হৈ পৰিলেও অসমত থকা আত্মীয়সকলৰ প্ৰতি ভোলানাথ বৰুৱা উদাসীন নাছিল। নিজৰ আত্মীয়সকলৰ কেইবাজনকোযে তেওঁ নিজৰ ব্যৱসায়-প্ৰতিষ্ঠানত নিযুক্ত কৰি লৈছিল, সেই কথাৰ সাক্ষ্য দিছে গোপীনাথ বৰুৱা, মহীনাৰায়ণ বৰা, হৰনাৰায়ণ বৰা, ভৱানীচৰণ বৰদলৈ, গোলোক চন্দ্ৰ বৰুৱা আদিয়েই। শেষলৈ পোষ্যপুত্ৰ কৰি লোৱা ভুৱনচন্দ্ৰ বৰুৱাৰ নাম এতিয়া নল'লোঁৱেইবা।

অৱশ্যে ভোলানাথৰ কলিকতা-বাসৰ প্ৰথম ছোৱা কালতযে আত্মীয়সকলৰ প্ৰতি তেওঁৰ বিৰূপ মনোভাব বা উদাসীনতা আছিল, সেই কথা বেজবৰুৱাৰ লেখাৰ পৰা জানিব পাৰি। বেজবৰুৱাৰ আত্মজীৱনীত আছে, "আমি গোপীকৃষ্ণ পালৰ লেনত আৰু বলৰাম দে' ষ্ট্ৰীটত থাকোঁতে, আনকি হাওড়াত ঘৰ কিনি লৈ থাকোঁতে, তাতো প্ৰথম ডোখৰত বি. বৰুৱাই অসমৰ পৰা অহা, তেওঁৰ সম্পৰ্কু থকা বা নথকা কোনো অসমীয়া মানুহেৰে লৈতে দেখা নকৰিছিল; আনকি, তেওঁক বিচাৰি আমাৰ ঘৰলৈ সেই মানুহ আহিলেও তেওঁ দেখা নিদিছিল। তেওঁৰ ককাইদেৱেক শ্ৰীযুত হেমকান্ত বৰুৱা আমি বলৰাম দে' ষ্ট্ৰীটত থাকোঁতে দুবাৰ নগাঁৱৰ পৰা তেওঁক চাবলৈ আহিছিল। বি. বৰুৱাই তেওঁক দেখা নিদি মোৰ হতুৱাই কলিকতাৰ কালীঘাটত থোৱাই কথা-বাৰ্তা কোৱাই, অলপ ধন-বিত্ত দিয়াই ওভোতাই পঠিয়াই দিছিল। হেমকান্ত বৰুৱাৰ পুতেক তেওঁৰ নিজা ভতিজাকসকলৰ প্ৰতিও তেওঁ কলিকতাত তেনে আচৰণকে কৰিছিল। সকলো সময়তে তেওঁ মোৰ আঁৰত থাকি দূৰৰ পৰা মোৰ হতুৱাই তেনেকুৱা সকলো জেঠা মৰাই চলিছিল। ....অসমৰ পৰা

কলিকতালৈ। অহা প্ৰায় সকলোবোৰ মানুহৰ প্ৰতি, ঘাইকৈ গুৱাহাটীৰ, তেওঁৰ ব্যৱহাৰ তেনেকুৱাই আছিল" (মো. জী. সোঁ., পৃ. ১৮৩)। অসমীয়াৰ প্ৰতি, আত্মীয়-স্বজনৰ প্ৰতি ভোলানাথে প্ৰদৰ্শন কৰা তেনেকুৱা আচৰণৰ কাৰণ জনা নাযায়। কাৰণটো হয়তোবা জানিছিল আৰু বুজিছিল উদ্ধৃত কথাখিনিৰ লেখক লক্ষ্মীনাথ বেজবৰুৱাইহে। বেজবৰুৱাই নিজেই কৈছে, "তেওঁ তেনেকৈ চলাৰ আচল কাৰণটো যদিও তেওঁ নানা কৌশলেৰে ঢাকি থ'বলৈ চেষ্টা কৰিছিল, তথাপিযে মই বুজা নাছিলোঁ এনে নহয়। বুজিও, মোৰ অতি বুদ্ধিৰে সেই জ্ঞানৰ ওপৰত মূৰ্খতাৰ বৰ কাপোৰ এখন দি তাক ঢাকি থৈ পোনপটিয়েদি ভাবি মহা সুখ লভিছিলোঁ যে যদিও সেইটোও এটা কাৰণ, তথাপি ঘাই কাৰণটো হৈছে মোৰ প্ৰতি তেওঁৰ প্ৰগাঢ় ভ্ৰাতৃ-স্নেহ নামৰ প্ৰেমৰ প্ৰেৰণাত, সেই প্ৰেৰণাৰ চালনাত তেওঁ নিজ বংশৰ নিজা মানুহকো বিসৰ্জন দি সেইদৰে চলিছে।"

ইমানখিনি কোৱাৰ পাছতো "ঘাই কাৰণটো" বেজবৰুৱাৰ মুখৰ পৰা জানিব পৰা নগ'ল। বেজবৰুৱাই "সেইটোও এটা কাৰণ" বুলি কওঁতেও কাৰণটো অকথিত হৈয়েই থৈ গ'ল। মন কৰিব লগীয়া যে বেজবৰুৱাৰ এই কথাখিনিত ভোলানাথ বৰুৱাৰ প্ৰতি এক প্ৰকাৰৰ বক্ৰোক্তি প্ৰচ্ছন্ন হৈ আছে। এইটোও মন কৰিব লগীয়া যে বেজবৰুৱাৰ আত্মজীৱনীৰ দ্বিতীয় ভাগৰ অষ্টম আধ্যাৰ এই কথাখিনি প্ৰকাশ পাইছিল বেজবৰুৱাৰ লগত ভোলানাথ বৰুৱাৰ মনান্তৰ ঘটাৰ, আৰু ভোলানাথৰ দেহান্তৰ ঘটাৰ কেইবা বছৰবো পাছত। ভোলানাথ বৰুৱাৰ জীৱদ্দশাত বেজবৰুৱাৰ আত্মজীৱনীৰ প্ৰথম ভাগটোও সম্পূৰ্ণকৈ প্ৰকাশ হোৱা নাছিল। আত্মজীৱনী-খনৰ দ্বিতীয়টো ভাগ নিলিখাৰ বা প্ৰকাশ নকৰাৰ "কাৰণ কেইবাটাও আছিল" বুলি বেজবৰুৱাই নিজেই স্বীকাৰ কৰিছে। ভোলানাথৰ বৰ্তমানতাও এটা 'কাৰণ' হ'ব পাৰে। গতিকে ভোলা-

নাথ বৰুৱাৰ অবর্তমানত কোৱা বেজবৰুৱাৰ কথাখিনি পক্ষপাতমুক্ত বুলি ক'ব বা ভাবিব নোৱাৰি।

বেজবৰুৱাই কোৱা কথাখিনিত ভোলানাথে মাণিকচন্দ্ৰক ক্ষতিগ্ৰস্ত কৰি নিজে কলিকতাত স্বতন্ত্ৰীয়াভাৱে ব্যৱসায় প্ৰতিষ্ঠা কৰা কথাটোৰ ইংগিত আছে নে কি? নাই, আৰু সেইটোযে সঁচা নহয়, তাৰ সাক্ষ্য দিব বেজবৰুৱাৰ নিজৰ দিনলেখাবোৰেই। সঁচা হোৱা হ'লে মাণিকচন্দ্ৰ আৰু ভোলানাথৰ মাজৰ সম্পৰ্ক বেয়াোৱাৰ কথাও বেজবৰুৱায়েই উল্লেখ কৰিলেহেঁতেন। মাণিকচন্দ্ৰলৈ ভোলানাথে মাজে-সময়ে অনধিক এশ টকাহে (সেয়াও আকৌ নিয়মীয়াকৈ নহয়) পঠিয়াই থকাটোও মন কৰিব লগীয়া। কেৱল মাণিকচন্দ্ৰলৈকে নহয়, তেওঁৰ পত্নীলৈকো, মাণিকচন্দ্ৰৰ অগ্ৰজ ফটিকচন্দ্ৰ বৰুৱালৈকো ভোলানাথেযে এনেদৰে মাজে-সময়ে আৰ্থিক সাহায্য আগবঢ়াইছিল, সেই কথা আমি ইতিপূৰ্বে দেখুৱাই আহিছোঁ। সেয়াযে কেৱল সাহায্যহে, মাণিকচন্দ্ৰ আৰু ভোলানাথৰ মাজৰ ব্যৱসায়-সংক্ৰান্ত দেনা-পাওনা নহয়, সেই কথাও পুনৰ কোৱা বাহুল্য মাথোন। ১৮৯৭ চনৰ ২৬ মাৰ্চত মাণিকচন্দ্ৰৰ পত্নীলৈ ১৫০ টকা পঠোৱা হৈছিল মাণিকচন্দ্ৰৰ পত্নীয়ে তাঁৰযোগে জনোৱা অনুৰোধ ৰক্ষা কৰিবলৈহে (....in reply to Mrs. M. C. Borooah's telegraphic request.")।

তেনেহ'লে, "অসমৰ পৰা অহা তেওঁৰ সম্পৰ্ক থকা বা নথকা কোনো অসমীয়া মানুহেৰে সৈতে" ভোলানাথে সম্পৰ্ক ৰাখিব নোখোজাৰ, "তেওঁৰ নিজা ভতিজাকসকলৰ প্ৰতিও তেওঁ কলিকতাত ষেনে আচৰণকে" কৰাৰ অন্তৰালত কি কাৰণ থাকিব পাৰে? অনুমানৰ ওপৰত নিৰ্ভৰ কৰি ক'ব পাৰি, শৈশৱত হয়তোবা ভোলানাথে আত্মীয়সকলৰ পৰা প্ৰাপ্য যথোচিত আদৰ-যত্ন পোৱা নাছিল। পোৱা হ'লে কিজানি ভোলানাথে পুৰণিগুদামৰ পৰা নগাঁৱলৈ প্ৰতিদিনে খোজ কাঢ়ি অহা-যোৱা কৰি হাইস্কুলীয়া শিক্ষা ল'ব

লগীয়া নহ'লহেঁতেন, পৰিয়ালৰ আৰ্থিক স্বাচ্ছন্দ্যৰ অভাৱৰ বাবেই উচ্চ শিক্ষা লাভৰ পৰা বঞ্চিত হৈ মাণিকচন্দ্ৰৰ ব্যৱসায়ত সোমাব লগীয়া নহ'লহেঁতেন। গুৱাহাটীত মাণিকচন্দ্ৰৰ ব্যৱসায়ত মেনেজাৰ-গিৰি কৰা ভোলানাথক সমসাময়িক অসমীয়া সমাজখনে হেয় দৃষ্টিৰে চাইছিল নে কি? শিক্ষিত বা অৰ্দ্ধশিক্ষিত অসমীয়া ডেকাসকল আছিল তেতিয়া চাকৰিমুখী। তৃতীয় ভাগ 'জোনাকী'ত প্ৰকাশিত 'অসমত উৎপন্ন বাণিজ্য-বস্তু' শীৰ্ষক লেখা এটাত আছে, "আজি-কালি বহুত অসমীয়া ডেকাৰ লেখা-পঢ়া কৰাৰ একমাত্ৰ উদ্দেশ্য গবৰ্ণমেণ্টৰ চাকৰি কৰা। কিন্তু গবৰ্ণমেণ্টে আমাৰ সকলোকে কাম যোগাই পোহ-পালৰ দিহা কৰি দিব, তাক ভবা ভুল। সেই দেখি নিজে স্বাধীন জীৱিকা বিচাৰি উলিওৱা আমাৰ নিতান্ত যুগুত।" জোনাকীৰ এই কথাখিনি প্ৰকাশ পোৱাৰ পূৰ্বৰে পৰা ভোলানাথে ব্যৱসায়ত আত্মনিয়োগ কৰি "স্বাধীন জীৱিকা" বিচাৰি উলিয়াইছিল। পিছে, ব্যৱসায়ৰ প্ৰতি উদাসীন অসমীয়া-সকলে ভোলানাথক ভাল ভাবত ল'ব পৰা নাছিল নে কি!

মাণিকচন্দ্ৰৰ ব্যৱসায়টো উঠি যোৱাৰ পাছত সংস্থানহীন ভোলা-নাথৰ প্ৰতি আত্মীয়সকলে যথোচিত সস্নেহ দৃষ্টি দিয়া নাছিল যদিও আমি নাজানো। ভোলানাথ বৰুৱা আজীৱন অবিবাহিত হৈ থাকিল। প্ৰায় কুৰি বছৰ বয়সলৈকে তেওঁ অসমতে থকা সত্বেও তেওঁৰ ঘৰ-সংসাৰ এখন পাতি দিয়াৰ প্ৰযত্ন আত্মীয়সকলে নেদেখুৱালে হ'বলা। নে ভোলানাথে কাৰোৱাৰ লগত মনে-পতা সংসাৰখন আত্মীয়সকলৰ কোনোবাই হ'বলৈ নিদিলে? মন কৰিব লগীয়া যে কলিকতাত ভোলানাথে নিজৰ বিয়া-বাৰুৰ বাবে কোনো ধৰণৰ চিন্তা-চেষ্টা কৰা নাছিল। ইচ্ছা কৰা হ'লে কোনোবা বঙালী পৰিয়ালৰ লগতে তেওঁ সহজেই বৈবাহিক সম্পৰ্ক স্থাপন কৰিব পাৰিলেহেঁতেন। হৃদয় এখন ভোলানাথ বৰুৱাৰো আছিল।

অসমৰ পৰা কলিকতালৈ যোৱাৰ পাছত ভোলানাথ বৰুৱা

এবাৰেই মাত্ৰ অসমলৈ আহিছিল বুলি জানিব পাৰি। বেজবৰুৱাৰ দিনলেখাত ১৮৯৯ চনৰ ২৯ জুনত ভোলানাথ বৰুৱা অসমৰ পৰা উভতি গৈ কলিকতা পোৱাৰ কথা আছে (B. Borooah arrived from Assam.)। অসমলৈ তেওঁ কোন তাৰিখে আহিছিল, সঠিকভাৱে জনা নাযায়। কিন্তু বেজবৰুৱাৰ দিনলেখাত ৮ জুনৰ পৰা ২৮ জুনলৈকে ভোলানাথৰ নামটো (B. B.) পাবলৈ নাই। গতিকে সেই কুৰিটা দিনৰ ভিতৰতে কিবা প্ৰয়োজনত অসমলৈ আহি তেওঁ উভতি গৈছিল বুলি ক'ব পাৰি। অসমলৈ ঘনাই আহিবলৈ বা অসমত কিছুদিন থাকি যাবলৈ ভোলানাথৰ অৱসৰেই বা আছিল কিমান? ব্যৱসায়-সংক্ৰান্ত বিষয়ত দিন-ৰাতিক একাকাৰ কৰি অ'ৰ পৰা ত'লৈ মাকো মাৰিয়েই তেওঁ কালযাপন কৰিব লগীয়া হৈছিল। বেজবৰুৱাৰ দিনলেখাৰ ছুটামান দিনৰ কথাতেই ভোলানাথ বৰুৱাৰ ব্যস্ততাৰ আভাস পাব পাৰি।

১৮৯৫ চনৰ ২৩ ছেপ্টেম্বৰৰ পুৱাতে ভোলানাথ কলিকতা পালেহি। পাছদিনা বেজবৰুৱাক লগত লৈ তেওঁ চক্ৰধৰপুৰলৈ গ'ল। তাৰ পাছদিনা চক্ৰধৰপুৰৰ পৰা গ'ল নাগপুৰলৈ। তাৰ পৰা তেওঁ বোম্বাইলৈ, আৰু বোম্বাইৰ পৰা ৱাল্‌টেয়াৰলৈ যোৱাৰ কথা ("B. Borooah left by mail for Nagpore and thence he will go to Bombay and thence to Waltair".)। ১৮৯৬ চনৰ ২৬ জানুৱাৰীৰ পুৱাতে বৰুৱা কলিকতা পালেহি। কয়লা সম্পৰ্কীয় কথাৰে ডেল্‌হাউচি স্কোৱাৰত থকা পি. পল্‌চনক সাক্ষাৎ কৰিলে। ২৭ জানুৱাৰীৰ বোৱাৰী পুৱাতে কয়লাৰ ব্যৱসায়-সংক্ৰান্ত কথাৰে পুনৰ পল্‌চনক লগ পালেগৈ। ২৮ তাৰিখে লক্ষ্মীনাথক লগত লৈ বহুতো ঠাইলৈ গ'ল। সেই চনৰ অক্টোবৰ মাহৰ চাৰিটা দিনৰ ব্যস্ততাৰ কথা জানিব পাৰি লক্ষ্মীনাথৰ কথাৰে এনেকৈ, "অক্টোবৰৰ ৯। মিষ্টাৰ বৰুৱাৰ লগত মেইলত আচানচোললৈ গ'লোঁ"। "অক্টোবৰ ১০। পেছেঞ্জাৰ

ট্ৰেইনত বি. বৰুৱা আৰু মই আচানচোলৰ পৰা সমষ্টিপুৰলৈ গ'লোঁ। ৰাতি ৯ বজাত ট্ৰেইন ধৰিলোঁ। পুৱাতে মোকামা পালোঁগৈ।" "অক্টোবৰ ১১। মোকামাৰ পৰা সমষ্টিপুৰলৈ গ'লোঁ। দুপৰীয়া বাৰ বজাত পালোঁগৈ। দুয়ো ক্ৰামজিৰ হোটেল ক্ৰামভিলাত ৰ'লোঁ। দিনে চাৰি টকা কৰি দিব লাগে"। "অক্টোবৰ ১২। সমষ্টিপুৰত বি. এন. ৰেলৱেৰ চৌৰকিপাৰ ডিকৰ লগত দেখা হ'ল।" "অক্টোবৰ ১৩। সমষ্টিপুৰ। ৰাতিপুৱা ধৰমপুৰৰ ইঞ্জিনিয়াৰ চি. হাৰমানৰ লগত দেখা কৰি কয়লাৰ কথা ক'লোঁ। চাহাব যেন কলা, অন্যমনস্ক ধৰণৰ। আবেলি ৩ বজাত সমষ্টিপুৰ এৰি মোকামাৰ ট্ৰেইন ধৰিলোঁ। ৰাতি ৮ বজাত সেইখিনি পাই ডিনাৰ খালোঁ। মেইল ধৰি ৰাতি দুই বজাত আচানচোল পালোঁগৈ। এইবাৰ এক্সপ্ৰেছ ট্ৰেইনত উঠিলোঁ।"

ভোলানাথ বৰুৱাৰ ব্যস্ততাৰ আন এটা উদাহৰণ দিব পাৰি পদ্মনাথ গোহাঞিবৰুৱাৰ আত্মজীৱনীৰ পৰা। 'বন্তি' কাকতখন চলাই থকাৰ উদ্দেশ্যে পদ্মনাথে অৰ্থ-সাহায্য বিচাৰি কলিকতাৰ বিভিন্নজনৰ ওচৰ চাপিছিল। এদিন ভোলানাথ বৰুৱাৰ ওচৰলৈকো গ'ল হৰি-বিলাস আগৰৱালাক লগত লৈ। দুয়ো ক্লাইৱ ৰোডত থকা বি. বৰুৱা কোম্পানীৰ অফিচ ওলালগৈ। তাত তেওঁক লগ পাওঁতেই বৰুৱাই ক'লে যে তেওঁ হাওড়াৰ বঙলালৈ যাবলৈ ওলাইছে। তালৈকে যেন তেওঁলোকো যায়। গোহাঞি বৰুৱাই কৈছে, "হাওড়াৰ বঙলাত আহি দেখোঁ যে কটকৰ কাদৰ জমিদাৰ এজন মিঃ বি. বৰুৱালৈ অপেক্ষা কৰি বহি আছেহি। তদুপৰি দুই-চাৰিজনকৈ ব্যৱসায়ী লোক আহি কোনো বৈ আছে, কোনো উলটি গৈছেহি। গতি-গোত্ৰ দেখি আমাৰ উদ্দেশ্যৰ পাতনি মেলিবলৈকে ছেগ পোৱা নাযাব যেন লাগিল" (মোৰ সোঁৱৰণী, অ. প্ৰ. প., পৃ. ১৭৭-৮)।

ব্যৱসায়ত সুপ্ৰতিষ্ঠিত হ'বৰ বাবে কৰা এনে হাতুৰুগা পৰিশ্ৰমৰ মাজত অসময়ে আহি আত্মীয়-কুটুম্বৰ আদৰ-আপ্যায়ন বিচৰাৰ

অৱকাশ নাছিল ভোলানাথ বৰুৱাৰ। সেই বাবে আত্মীয়-কুটুম্ব-সকলেই তেওঁক বিচাৰি গৈছিল কলিকতালৈ। বি. বৰুৱা কোম্পানীত সোমাই জীৱিকাৰ অৰ্থে কলিকতাত বসবাস কৰা সকলৰ উপৰি মাণিকচন্দ্ৰ বৰুৱাকে আদি কৰি আত্মীয়সকলৰ অনেকেই ভোলানাথ বৰুৱাৰ আতিথ্য গ্ৰহণ কৰিছিলগৈ। অবিবাহিত ভোলানাথ বৰুৱাই যদিও জীৱনৰ প্ৰায় আধা ভাগ কাল বংগ আৰু উৰিষ্যাতে প্ৰবাসী হৈ কটাইছিল, যদিও অসমত তেওঁৰ নিজা ঘৰ এখন নাছিল, তথাপি অসমত থকা আত্মীয়সকলেই, অসমীয়াসকলেই আছিল তেওঁৰ ঘৰোৱাহ। তেওঁলোকৰ সুখৰ দিনত তেওঁলোকৰ মাজত ভোলানাথ থাকিব নোৱাৰিলেও তেওঁলোকৰ দুখৰ দিনতযে ভোলানাথৰ সহায়-হাতৰ স্পৰ্শ তেওঁলোকে পাই আছিল, আৰু ভোলানাথেও তেওঁৰ হাত আগবঢ়াই আছিল উদাৰচিত্তে, তাৰ উদাহৰণ আমি পূৰ্বে দেখুৱাই আহিছোঁ।

আজিৰ অসমত ভোলানাথ বৰুৱাৰ নিজা ঘৰ এখন যদিও নাই, অসমৰ বাহিৰত তেওঁৰ ঘৰ আছিল একাধিক। ১৯০০ চনত কলিকতাৰ ৩৮ নং ডব্‌ছন ৰোডত ভোলানাথে ঘৰ এটা কিনি লয়। বেজবৰুৱাই কৈ যোৱা মতে, "প্ৰায় আঢ়ৈ 'একৰ' মাটিৰে সৈতে ডাঙৰ টোলেৰে সৈতে এক মহলীয়া ঘৰটো……। ঘৰটো ডিক্সন (Dickson) নামৰ এজনা মহিলাৰ। বাৰ হেজাৰ টকাত ঘৰটো কিনি লোৱা হ'ল। বি. বৰুৱাৰ নামতে দলিল লেখা হ'ল" (মো. জী. সোঁ., পৃ. ১৮৪)। ১৯০০ চনৰ ৯ জানুৱাৰীত সেই ঘৰ আৰু মাটিৰ পঞ্জীয়ন হ'ল ("38 Dobson's Road property registered & paid to Mrs. Dickson balance money & her Attorney cost & municipal cost.")। ঘৰটো নতুনকৈ সজাই-পৰাই তোলাত লক্ষ্মীনাথৰ বৰঙণি বহুত; দৈহিক পৰিশ্ৰমৰ বৰঙণি। আত্মজীৱনীত লক্ষ্মীনাথে কৈছে, "সেই ঘৰৰ গাত, বাহিৰে-ভিতৰে, যি সৌন্দৰ্য বা দেখনিয়াৰ বস্তু আছে, সেই সকলোবোৰতে মোৰ হাতৰ এই

পাঁচোটা আঙুলিৰ সাঁচ আছে।” সি যি হওক, “১৯০০ খ্ৰীষ্টাব্দৰ এপ্ৰিল মাহত মানুহ-বিহুৰ দিনা তাত আদি ব্ৰাহ্ম সমাজৰ আচাৰ্য পণ্ডিত হেমচন্দ্ৰ বিদ্যাৰত্নৰ হতুৱাই উপাসনা কৰাই বন্ধু-বান্ধবেৰে সৈতে গৃহ-প্ৰবেশ উৎসৱ সমাপন” কৰা হ’ল। এই সুযোগতে কৈ থ’ব পাৰি, ভোলানাথ বৰুৱা নিজে ব্ৰাহ্ম নাছিল। তেওঁৰ আধ্যাত্মিক ভাব-ভাবনাৰো কোনো সংবাদ পাবলৈ নাই; কিন্তু ব্ৰাহ্ম সমাজৰ আচাৰ্যৰ উপাসনাৰে গৃহ-প্ৰবেশ কৰাটোত তেওঁৰ কোনো ধৰণৰ দ্বিধা বা আপত্তি নাছিল।

ডব্‌ছন ৰোডৰ সেই ঘৰটো কেনেকুৱা আছিল, তাৰ আভাস পাবলৈ হ’লে লক্ষ্মীনাথ বেজবৰুৱাৰ বৰ্ণনাৰ সহায় নল’লেই নহয়। লক্ষ্মীনাথে ঘৰটোৰ প্ৰসংগত কৈছে, “তাৰ পিছত দিনক দিনে ঘৰটো আৰু তাৰ চাৰিওকালে ইটাৰ বেৰ (Compound wall), চাকৰ-নাকৰৰ ঘৰ, ঘোঁৰা-গাড়ীৰ ঘৰ, বহল বাট-পথ, ফটক (gate) ইত্যাদিবোৰ কৰোৱাত লাগি গ’লোঁ। তিনি মাহৰ ভিতৰতে সি ৰম্যপুৰী হৈ উঠিল। Compound wall-অৰ ভিতৰতে সৰু পুখুৰী এটা আছিল, সেইটো পোতালোঁ। টেনিচ খেলিবলৈ ‘লন-টেনিচ গ্ৰাউণ্ড’ কৰালোঁ, দুকাষে বহিবলৈ শিলৰ বেঞ্চ পতালোঁ। ফুল আৰু ফুলৰ বাগিচা কৰি জকমকীয়া কৰি পেলালোঁ। তাৰ এবছৰৰ পিছতে ঘৰটো দুমহলীয়া কৰি তাৰ আৰু উন্নতি সাধন কৰিলোঁ। সমুখতে মুকলি ঠাইত আৰু পকী ঘৰ এটা সজালোঁ, তাত বিলিয়াৰ্ড টেবোল থৈ বিলিয়াৰ্ড খেলিবৰ দিহা কৰিবৰ মনেৰে।” কোৱা নিষ্প্ৰয়োজন যে লক্ষ্মীনাথৰ এই সমস্ত কৰ্মৰ আঁৰত আছিল ভোলানাথ বৰুৱাৰ আৰ্থিক স্বচ্ছলতা আৰু কলিকতাৰ অভিজাত শ্ৰেণীটোৰ মহজনৰ মাজৰ এজন হিচাপে জীয়াই থকাৰ অভীপ্সা।

“শিৱপুৰত আমাৰ টিম্বাৰ ইয়াৰ্ডত সজা সুন্দৰ ঘৰত আজি আমাৰ প্ৰবেশ। শিৱপুৰত সকলোকে ভাঙৰ ভোজ এটা দিয়া হ’ল। সকলোৰে নথৈ সন্তোষ।” —আত্মজীৱনীত বেজবৰুৱাই কোৱা এই

কথাকেইষাৰ ১৯০২ চনৰ ১৪ এপ্ৰিলৰ। তেওঁৰ দিনলেখাতো সেই তাৰিখত প্ৰায় একেখিনি কথায়েই লিপিবদ্ধ হৈছে। ইয়াৰ পৰা শিবপুৰতোযে ভোলানাথ বৰুৱাৰ ঘৰ এটা আছিল, সেই কথা জানিব পাৰি।

ভোলানাথ বৰুৱাৰ ঘৰ-সম্পত্তি আছিল বিলাসপুৰ আৰু আচানচোলতো। বিলাসপুৰৰ ঘৰ-সম্পত্তি বোলে মহীনাৰায়ণ বৰাক আৰু আচানচোলৰ ঘৰ-সম্পত্তি ভৱানীচৰণ বৰদলৈক দিয়াৰ কথা আছিল (বেজবৰুৱাৰ দিনলেখা, ২য় খণ্ড, পৃ. ৪)।

কলিকতাৰ ৩২ নং আপাৰ চাৰ্কুলাৰ ৰোডতো আছিল বৰুৱাৰ ঘৰ এটা। ডব্‌ছন ৰোডৰ ঘৰৰ পৰা তেওঁ তালৈ যায় ১৯০৭ চনৰ ১৩ আগষ্টত ("Mr. B. Borooah removed from 38 Dobson's Rd. to 32 Upper Circular Rd., his new building.")। কলিকতাৰ এটা ঘৰৰ নাম 'আসাম ভিলা', আন, এটাৰ নাম 'কামৰূপ ভিলা'। বৰুৱাৰ 'আসাম ভিলা' কোনটো, সেই কথা কোৱাত অলপ অসুবিধাই দেখা দিছে। 'আসাম ভিলা'ত ভোলানাথ বৰুৱাই ডাঙৰ ভোজ এটা পতাৰ কথা বেজবৰুৱাই কৈছে ১৯০৬ চনৰ ২৫ আগষ্টত। কিন্তু ১৯০৮ চনৰ ১৭ জানুৱাৰীত ৩২ নং আপাৰ চাৰ্কুলাৰ ৰোডৰ 'আসাম ভিলা'ত চন্দ্ৰকুমাৰ আগৰৱালা আৰু লক্ষ্মীনাথ বেজবৰুৱাক ভুবন-চন্দ্ৰই অভ্যৰ্থনা জনোৱাৰ কথাও তেওঁ কৈছে। লক্ষ্মীনাথ ফুকনে ভোলানাথ বৰুৱাক প্ৰথম লগ পাইছিল "হাওড়াৰ ডব্‌ছন ৰোডত থকা কামৰূপ ভিলা"ত (মহাত্মাৰ পৰা ৰূপকোঁৱৰলৈ, ১৯৯১, পৃ. ৭৭)। তেনে হ'লত কথাটো এনেকুৱাও হ'ব পাৰে যে ডব্‌ছন ৰোডৰ ঘৰটোৰ নাম পোনতে আছিল 'আসাম ভিলা'য়েই। আপাৰ চাৰ্কুলাৰ ৰোডত নতুন ঘৰ এটা লোৱাৰ পাছত নতুনটোক 'আসাম ভিলা' নাম দি ডব্‌ছন ৰোডটোৰ নামকৰণ বোধ হয় 'কামৰূপ ভিলা' বুলি কৰিলে 'আসাম' আৰু 'কামৰূপ'ৰ অৰ্বাচীনতা

থাক প্ৰাচীনতাৰ কথা ভাবিয়েই। জ্ঞানদাভিৰাম বৰুৱায়ো কৈছে, "হাওড়াৰ ঘৰৰ নাম 'কামৰূপ ভিলা' আৰু কলিকতাৰ ঘৰৰ নাম আছিল 'আসাম হাউচ' বুলি (জ্ঞা. ব. ৰ., পৃ. ২৫৭)।

দিল্লীতো ভোলানাথ বৰুৱাৰ ঘৰ এটা আছিল। ঘৰটো জুম্মা মছজিদৰ ওচৰতে। ১৯১৪ চনৰ ১৮ ফেব্ৰুৱাৰীত যেতিয়া বৰুৱা দিল্লীত মটৰ-দুৰ্ঘটনাত পৰি কথমপিহে মৃত্যুৰ মুখৰ পৰা বাচিছিল, তেতিয়া ২৪ ফেব্ৰুৱাৰীত চিভিল আৰু মিলিটেৰী হোটেলৰ পৰা তেওঁক নিজৰ সেই ঘৰটোলৈকে স্থানান্তৰিত কৰা হৈছিল (Removed Mr. B. Borooah from Civil Military Hotel to his own house near Jumma masjid.)। তাৰ আগৰ এটা দিনত (২২ ফেব্ৰুৱাৰী) ভোলানাথ বৰুৱাৰ সেই ঘৰটোতে বেজবৰুৱাৰ নৈশ ভোজন হৈছিল বুলিও তেওঁ লিখি থৈ গৈছে (....took dinner at B. Borooah's house near Jumma masjid.)। মটৰ-দুৰ্ঘটনাৰ কথা ওলাওঁতেই কৈ থ'ব পাৰি, বৰুৱাৰ নিজৰো এখন মটৰ-গাড়ী আছিল। ১৯২০ চনৰ ৬ নৱেম্বৰত বৰুৱাৰ গাড়ীখনেৰেই বেজবৰুৱা জোঁৱায়েক সত্যব্ৰত মুখাৰ্জীৰ সৈতে জোড়াসাঁকোলৈ গৈছিল।

১৯১৫ চন মানত কলিকতাত বৰুৱাই আৰু এটা ঘৰ ক'ৰবাত কিনিছিল নে কি, খাটাংকৈ ক'ব পৰা নাযায়। কিন্তু সেই চনৰ ৩০ অক্টোবৰৰ দিনলেখাত বেজবৰুৱাই কোৱা মতে ভোলানাথ বৰুৱাৰ বাপু নামৰ নাতিয়েকজন ভোলানাথে ন-কৈ লোৱা ঘৰটোলৈ গৈছে ("He removed to B. B.'s newly taken house this evening.")। ঝাড়সোগড়াত বৰুৱাৰ ঘৰ এখন নথকাৰ কথা ভাবিবও নোৱাৰি। কিয়নো, ব্যৱসায়ী জীৱনৰ বহু ভাগ কাল ঝাড়সোগড়াতে অতিবাহিত কৰিছিল বৰুৱাই। ঝাড়সোগড়াৰ ঘৰটোৰ বিষয়ে কওঁতে বেজবৰুৱাই বঙলা (Bungalow) বুলিহে কৈছে।

তেতিয়াৰ অসমৰ শ্বিলঙতো বৰুৱাৰ ঘৰ এটা আছিল। ঘৰটোৰ নাম আছিল 'মেক্স্‌ৱেল্টন (Maxwelton)। ১৯২৩ চনত কেই-দিনমানৰ বাবে জ্ঞানদাভিৰাম বৰুৱা সেইটো ঘৰত আছিলগৈ। এই ঘৰটোৰ প্ৰসংগত পাছৰ কালত জ্ঞানদাভিৰাম বৰুৱাই কৈছে, "সুখৰ কথা, 'বাণিজ্য-বীৰ' শ্ৰীযুত বি. বৰুৱাই আসামত তেওঁৰ উপযোগী ঘৰ এটি কিনিছে। সেই ঘৰটি শ্বিলঙত—নাম 'ম্যাক্স্‌ৱেল্টন'। এতিয়া সেই ঘৰৰ নাম সলাই 'নগাঁও ভিলা' কি 'পুৰণিগুদাম' নাম দিব পাৰে। ঘৰৰ নাম 'পুৰণিগুদাম' দিলে প্ৰথমে শ্ৰুতিমধুৰ নহ'ব পাৰে; কিন্তু পাছত সেয়ে আদৰ্শ হ'ব। মিঃ বি. বৰুৱাই শালকাঠ বেচি টকা কৰিছে; এই ঘৰৰ নাম শালভিল (Salville) অথবা শালভিলা (Sal Villa) দিব পাৰে" (জ্ঞা. ব. ৰচনাৱলী, পৃ. ২৫৭)। চিমলাতো আছিল ভোলানাথৰ ঘৰ এটা। সেইটোৰ নাম 'বৰুৱা আসাম হাউচ' বুলি লক্ষ্মীনাথ ফুকনে কৈছে।

ইমানবোৰ ঘৰ ভোলানাথ বৰুৱাই ঘটিলেহে হয়; তেওঁ পিছে ঘৰ-বাস নকৰিলে। গৃহহে হ'ল তেওঁৰ কেইবা ঠাইতো; তেওঁ নিজে পিছে গৃহস্থ নহ'ল, গৃহী নহ'ল। ন গৃহেণ গৃহস্থঃ। ভাৰ্যাযুক্তজনহে গৃহী। ভাৰ্যাযুক্ত হোৱাৰ আগ্ৰহ পিছে ভোলানাথৰ নাছিল। সেইবাবেই আজীৱন অবিবাহিত ভোলানাথ বৰুৱাই এজন আত্মীয়ক উত্তৰাধিকাৰী পাতিব খুজিলে। ভোলানাথ লক্ষ্মী-নাথৰ লগত ব্যৱসায়-সংক্ৰান্ত কাৰ্যোপলক্ষ্যে বহু বছৰ ঝাড়সোগড়া-কলিকতাত থকা ভুৱনক (ভুৱনচন্দ্ৰ বৰুৱাক) ভোলানাথ বৰুৱাই দত্তকপুত্ৰ কৰি ল'লে ১৯০৬ খ্ৰীষ্টাব্দত। সেই চনৰ ১২ আগষ্টত ঝাড়সোগড়াত ভোলানাথ বৰুৱাই পুত্ৰীকৰণ উৎসৱ পাতি ভুৱনচন্দ্ৰক নিজৰ বিষয়-সম্পত্তিৰ উত্তৰাধিকাৰী ৰূপে গ্ৰহণ কৰিলে। উক্ত তাৰিখত বেজবৰুৱাই লিখিছে, "B. Borooah adopted Bhuban today by performing an adoption ceremony at Jharsuguda. He telegraphed to me to go there;

but I did not, as I could not know that it was to attend the ceremony." লক্ষ্মীনাথ ফুকনে কোৱা মতে ভোলানাথৰ পোষ্যপুত্ৰ ভুৱন আছিল মাণিকচন্দ্ৰৰ ককায়েক ফটিকচন্দ্ৰ বৰুৱাৰ পুত্ৰ। ভোলানাথে ভুৱন নাম সলাই বিশ্বনাথ নাম দিছিল এওঁক (ম. প. ৰূ., পৃ. ৭৯)। 'বেজবৰুৱাৰ দিনলেখা'ৰ 'ভূমিকা'ত মহেশ্বৰ নেওগে কোৱা মতে এইজন ভুৱনচন্দ্ৰই বা কাপ্তানে "উমেশ চন্দ্ৰ বৰুৱা নাম লৈ বাঁহীত অপৰূপ কবিতা লিখিছিল"; "বাৰ্ণছৰ আৰ্হিত ভাষাৰ কথিত ৰূপৰ সৌন্দৰ্য প্ৰকাশক ক্ষুদ্ৰ জীৱনৰ কবিতা" ('অসমীয়া সাহিত্যৰ ৰূপৰেখা', ১৯৬২, পৃ. ৩৩৮)। পিছে, লক্ষ্মীনাথ ফুকনে ফটিকচন্দ্ৰ বৰুৱাৰ কোনজন পুত্ৰৰ নাম ভুৱনচন্দ্ৰ বুলিছে, সেই কথা আমি নাজানো। চন্দ্ৰকুমাৰ বৰুৱাই 'কাণ্ডাৰ বা কঢ়াল বৰুৱা বংশৰ সংক্ষিপ্ত বিবৰণি'ত দেখুৱা মতে ফটিকচন্দ্ৰ বৰুৱাৰ পাঁচজন পুত্ৰৰ এজনৰো নাম ভুৱনচন্দ্ৰ নহয়। নিশ্চয় ফটিকচন্দ্ৰৰ দ্বিতীয় পুত্ৰ ভোলানাথৰ নামটোকে সদাগৰ ভোলানাথ বৰুৱাই সলাই 'ভুৱনচন্দ্ৰ' নাম দিলে নিজৰো নাম একে হোৱা বাবেই।

সি যি হওক, পুত্ৰীকৰণ উৎসৱ উপলক্ষ্যে ১০ আগষ্টত বৰুৱাই ভুৱন আৰু মহীনাৰায়ণ বৰাক লগত লৈ কলিকতাৰ পৰা ঝাড়সোগড়ালৈ যাওঁতে বেজবৰুৱাকো বৰুৱাই লগত নিব খুজিছিল; কিন্তু সেই সময়ত বোলে বেজবৰুৱাক বিচাৰি পোৱা নগ'ল। টেলিগ্ৰাম পায়ো বেজবৰুৱা নোযোৱাৰ কাৰণ হেনো নিমন্ত্ৰণৰ উপলক্ষ্য নুবুজাটো। ১৩ আগষ্টত বৰুৱাই চিঠিৰে বেজবৰুৱাক কথাখিনি জনালে। বেজবৰুৱাই বৰুৱাৰ সেই পুত্ৰীকৰণ উৎসৱ উপলক্ষ্যে তেওঁৰ বিভাগটোৰ কৰ্মচাৰীসকলক দিনটোৰ বাবে অৰ্দ্ধছুটী মঞ্জুৰ কৰিলে (I gave half-holiday to my Dept. o/a of this ceremony.)। ২৫ আগষ্টত কলিকতাৰ আসাম ভিলাত বৰভোজ হ'ল—ভোলানাথ বৰুৱাৰ পুত্ৰীকৰণ উৎসৱ উপলক্ষ্যে।

তিনি শৰো অধিক লোকক আপ্যায়িত কৰা হ'ল। সেই অভ্যৰ্থনাত বেজবৰুৱাই প্ৰধান ভূমিকা ল'ব লগীয়া হৈছিল।

লক্ষ্মীনাথ ফুকনৰ আগত ভোলানাথ বৰুৱাই কৈছিল "যে দিল্লীত মটৰ দুৰ্ঘটনা হোৱাৰ পিছত তেওঁ ভুৱনচন্দ্ৰৰ ওপৰতে সকলো এৰি দি বিলাতত কিছুদিন আছিলগৈ। তেওঁ বিলাতত থাকোঁতেই ভুৱনচন্দ্ৰই বোলে উচটাই জোল খোৱা কেইজনমান চলাহী বন্ধুৰ পৰামৰ্শ শুনি আগেয়ে নধৰা কাৰবাৰত ধৰি ভালেখিনি টকা নষ্ট কৰিলে।...ভুৱনচন্দ্ৰৰ প্ৰতি তেওঁৰ আন্তৰিক মৰম আছিল। ভুৱনচন্দ্ৰৰ মৃত্যুৰ পিছত তেওঁ আৰু কাকো পোষ্যপুত্ৰ নল'লে।"

ভোলানাথ বৰুৱাৰ পোষ্যপুত্ৰ ভুৱনচন্দ্ৰ ওৰফে বিশ্বনাথৰ মৃত্যু সম্পৰ্কে বেজবৰুৱাৰ পৰা একো কথা জানিব পৰা নাযায়। ১৯১০ চনৰ ২৪ ছেপ্টেম্বৰত আনন্দাভিৰাম বৰুৱাৰে সৈতে বেজবৰুৱাই আসাম ভিলাত ভুৱনচন্দ্ৰক লগ পোৱাৰ পাছত বেজবৰুৱাৰ দিনলেখাত ভুৱনচন্দ্ৰৰ নামটো পাবলৈ নাই। 'মৰহা ফুলৰ কৰণি' নামৰ গ্ৰন্থৰ (১৯৬৪) সংকলয়িতা-সম্পাদক অতুলচন্দ্ৰ হাজৰিকাই উক্ত গ্ৰন্থখনৰ এঠাইত (পৃঃ ৩৪৫-৬) 'বাঁহী'ৰ সম্পাদক লক্ষ্মীনাথ বেজবৰুৱাই ভুৱনচন্দ্ৰ বৰুৱাৰ বিষয়ে কোৱা আধাৰচেৰেক কথা উদ্ধৃত কৰিছে। বেজবৰুৱাই কোৱা বুলি তাত প্ৰকাশ পোৱা মতে ১৯১৩ চনৰ ৭ নৱেম্বৰৰ দিনা বাতিপুৱা হাওড়াত ভুৱনচন্দ্ৰ বৰুৱাৰ মৃত্যু হয়। এওঁৱেই যে বিশ্বনাথ বৰুৱাও, সেই কথাও বেজবৰুৱাই কোৱা কথাত প্ৰকাশ পাইছে। বেজবৰুৱাৰ ভাষাৰেই ক'বলৈ গ'লে "বিশ্বনাথ বৰুৱাৰ নিচিনা অমায়িক আৰু সৰ্বজনপ্ৰিয় লোকৰ লেখ এই পৃথিৱীত সৰহ নহয়। তেওঁৰ মৃত্যুত অসম আৰু অসমীয়া ভাষাই এজন সুপুত্ৰ আৰু সুলেখক হেৰুৱালে। তেওঁৰ কাপৰ পৰা যিবোৰ প্ৰবন্ধ ওলাইছিল, পঢ়োঁতাসকলে বুজিছিল যে তেওঁ সাধাৰণ লেখকৰ শাৰীৰ নহয়, আৰু ভৱিষ্যতে তেওঁৰ দ্বাৰাই অসমীয়া সাহিত্য প্ৰভূত উপকৃত হ'ব।...বিশ্বনাথ Deep Scholar আছিল। তেওঁ

ইস্নানবিলাক শ্রেষ্ঠ ইংৰাজী গ্রন্থ পঢ়িছিল যে অসমত তেনেকৈ পঢ়োঁতা আঁজি-কালি আৰু কোনো লোক আছে নে আমাৰ সন্দেহ হয়। তেওঁ এনে সুন্দৰকৈ ইংৰাজী ৰচনা লিখিব জানিছিল যে তেওঁৰ ৰচনা দেখি অনেক ইংৰাজেও শলাগিছিল। বিশ্বনাথত আমি দেশৰ উপকাৰজনক বহুত কাৰ্যৰ বাবে আশা ৰাখিছিলোঁ। কিন্তু ঈশ্বৰৰ ইচ্ছা আমাৰ আশা মনতে মাৰ গ'ল। ভুবন অনেক গুণালংকৃত কৃতী পুৰুষ ফটিকচন্দ্ৰ বৰুৱাৰ মধ্যম পুত্ৰ। অনাৰেবল মাণিকচন্দ্ৰ বৰুৱা তেওঁৰ খুৰাক। তেওঁক সদাগৰ, অসমৰ গৌৰৱ শ্ৰীযুক্ত ভোলানাথ বৰুৱাই পোষ্যপুত্ৰ ৰূপে গ্ৰহণ কৰিছিল। এই কাৰ্যৰ পিছত তেওঁৰ নাম বিশ্বনাথ হয়।"

বেজবৰুৱাৰ এই কথাখিনি ভোলানাথৰ পোষ্যপুত্ৰ ভুবনচন্দ্ৰ বা বিশ্বনাথ বৰুৱাৰ প্ৰতিভাৰ পৰিচায়ক হৈছে যিমান, ভুবনচন্দ্ৰৰ ধৰ্মপিতৃ হিচাপে ভোলানাথ বৰুৱাৰ মৰ্মবেদনাৰো পৰিমাপক হৈছে সিমানেই। ভুবনচন্দ্ৰ বা বিশ্বনাথ বৰুৱাই কেৱল সদাগৰ ভোলানাথ বৰুৱাৰ ঐহিক সম্পদৰেই উত্তৰাধিকাৰী হৈ জন্ম গ্ৰহণ কৰা নাছিল; তেওঁ আছিল ১৮৭২ চনত গঠিত নগাঁৱৰ 'অসম ভাষা উন্নয়ন সমিতি' (Assam Language Improvement Society at Nowgong)-ৰ সুযোগ্য সম্পাদক ফটিকচন্দ্ৰ বৰুৱাৰ পুত্ৰ, ক্ৰেন্‌চিছ জেন্‌কিন্‌ছ আৰু জন বাট্‌লাৰৰ দৰে বিটিছ প্ৰশাসকৰ দ্বাৰা উচ্চ প্ৰশংসিত বিষয়া হাৰিৰাম বৰুৱাৰ পৌত্ৰ; আৰু অসমৰ বিখ্যাত কছাল বৰুৱা বংশৰ ঐতিহ্যৰ ধাৰক-বাহকসকলৰ অন্যতম। এনে এজন ব্যক্তিৰ বিয়োগত ধৰ্মপিতৃ হিচাপে ভোলানাথ বৰুৱাই পোৱা আঘাত কিমান গভীৰ হ'ব পাৰে, সেইটো অনুভূতিৰহে বিষয়; বৰ্ণনাৰ নহয়। সেইবাবেই নিশ্চয় ভোলানাথে আত্মীয়-কুটুম্বৰ দ্বিতীয় এজনক পুনাই পোষ্যপুত্ৰ ৰূপে গ্ৰহণ নকৰিলে।

ভুবনচন্দ্ৰ বা বিশ্বনাথৰ মৃত্যুৰ পাছত ফটিকচন্দ্ৰ বৰুৱাৰ তৃতীয়জন পুত্ৰ তৰুণচন্দ্ৰক ভোলানাথে নিজৰ লগলৈ নিলে। ১৯১৪ চনৰ পৰা

তৰুণচন্দ্ৰ ভোলানাথ বৰুৱাৰ হাতৰ লাখুটি হোৱাদি হ'লহ 'কাণ্ডাৰ বা কড়াল বৰুৱা বংশৰ সংক্ষিপ্ত বিৱৰণি'ৰ লেখক চন্দ্ৰকুমাৰ বৰুৱাই কৈছে, "তৰুণচন্দ্ৰ বৰুৱাই·· খৰঙী বৰুৱা বংশৰ অসমীয়া সাউদ বি. বৰুৱাৰ (ভোলানাথ বৰুৱাৰ) লগত সহযোগী হৈ এক প্ৰকাৰ পুত্ৰ স্বৰূপে বহু কাল কলিকতা মহানগৰীত বাস কৰি অতি আঢ্যৱন্ত হৈ উঠিছিল" (পৃ. ২৩)। কিন্তু 'পুত্ৰস্বৰূপ'হে আছিল তৰুণচন্দ্ৰ, 'পোষ্যপুত্ৰ' নহ'লগৈ। লক্ষ্মীনাথ ফুকনে কৈয়েই গৈছে, "ভুৱনচন্দ্ৰৰ মৃত্যুৰ পাছত তেওঁ (ভোলানাথে) আৰু কাকো পোষ্যপুত্ৰ নল'লে"। হয়, তৰুণচন্দ্ৰকো;—তৰুণচন্দ্ৰ ভোলানাথৰ একেজন কুটুম্বৰে পুত্ৰ হোৱা সত্ত্বেও, একেজন পোষ্যপুত্ৰৰে ভ্ৰাতৃ হোৱা সত্ত্বেও। ভুৱনচন্দ্ৰৰ মৃত্যুৱে যেন ভোলানাথক উপলব্ধি কৰোৱালে "বসুধৈৱ কুটুম্বকম্" বুলি, "ভ্ৰাতৰাঃ মানৱাঃ সৰ্বে" বুলি। সেইবাবেই সদাগৰ ভোলানাথ বৰুৱাই তেওঁৰ স্বোপাৰ্জিত অৰ্থ-সম্পত্তি কেৱল নিজৰ আত্মীয়-কুটুম্বসকলৰ মাজতে আবদ্ধ নাৰাখি বিলাই থৈ গ'ল সমাজৰ সকলোৰে হিতৰ অৰ্থে, সকলোৰে সুখৰ অৰ্থে। সমাজৰ সকলো মানুহেই যেন তেওঁৰ ঘৰোৱাহ।

সমাজৰ, বিশেষকৈ অসমীয়া সমাজৰ সকলো মানুহকে যেনেকৈ ভোলানাথ বৰুৱাই ঘৰোৱাহ বুলি, আপোন বুলি বিবেচনা কৰিছিল, ভোলানাথ বৰুৱাৰ জীৱনৰ শেহৰ কালে অসমৰ অসমীয়া মানুহেও তেনেকৈ তেওঁক আপোন বুলি ভাবিছিল, প্ৰতিগৰাকী সচেতন অসমীয়া মানুহেই যেন ভোলানাথ বৰুৱাৰ লগত আন্তৰিক সংযোগ একোটা স্থাপন কৰিব পাৰিছিল। সেয়ে নোহোৱা হ'লে প্ৰবাসী ব্যৱসায়ী ভোলানাথ বৰুৱাক লৈ, তেওঁৰ ব্যৱসায়ক লৈ অসমীয়াই গৌৰব অনুভৱ নকৰিলেহেঁতেন। ভোলানাথৰ জীৱনৰ শেহৰ কালে তেওঁৰ ব্যৱসায়, তেওঁৰ ব্যৱসায়িক সমৃদ্ধি অসমৰ জাতীয় জীৱনৰ এটা অংগ যেন হৈ পৰিল। সেইবাবেই ভোলানাথৰ ব্যৱসায়-সংক্ৰান্ত ক্ষয়-ক্ষতি বা অপকৰ্ষ অসমীয়াৰ উদ্বিগ্নতাৰ কাৰণ হৈ পৰিছিল তেওঁৰ

মৃত্যুৰ আগে আগে কুৰি শতিকাৰ দ্বিতীয়টো দশক যাওঁ যাওঁ হওঁতে। চন্দ্ৰনাথ শৰ্মা আৰু অম্বিকাচৰণ ৰায়চৌধুৰীৰ যুটীয়া সম্পাদনাত প্ৰকাশ পোৱা ‘চেতনা’ কাকতৰ এটা সংখ্যাত (১ম ভাগ, ১ম সংখ্যা, ১৮৪১, পুহ) ‘অসমীয়াৰ সংকট কাল উপস্থিত’ উপশীৰ্ষত কৰা ‘সম্পাদকৰ আলোচনা’ই নিশ্চয় আমাৰ বক্তব্যৰ যথাৰ্থতা প্ৰতিপাদন কৰিব পাৰিব। দীঘলীয়া হ’লেও ভোলানাথ বৰুৱা আৰু তেওঁৰ ব্যৱসায়ৰ সংবাদবাহী সেই কথাখিনি উদ্ধৃত কৰাৰ লোভ আমি সম্বৰণ কৰিব নোৱাৰিলোঁ।

আলোচনাটোত সম্পাদক দুজনে কৈছে: “আমি শুনিছোঁ, অসমীয়া সাউদ শ্ৰীযুত ভোলানাথ বৰুৱা ডাঙৰীয়াই তেখেতৰ গোটেইটো বেপাৰ চলাবলৈ ইংৰাজ মাৰ্টিন কোম্পানীৰ হাতত গতাই দিলে। তেখেতে কি বিবেচনা কৰি এইটো কৰিলে, আমি ক’ব নোৱাৰোঁ। বেপাৰ-বণিজ সম্বন্ধে তেখেত আমাতকৈ বেছি পকা। কিন্তু হ’লেও, আমি ইয়াত সন্তোষ পোৱা নাই। তেখেতৰ বেপাৰ-টোকে কেন্দ্ৰ কৰি গোটেই আসামৰ মানুহক লগ লগাই এটা বৃহৎ কোম্পানী গঠিত কৰি বিদেশীয়ে লাখ লাখ টকা উপাৰ্জন কৰি নিয়া নিজৰ ঘৰৰ বেপাৰবিলাক হাত কৰিলে অসমীয়া জাতিৰ পক্ষে পৰম মংগলকৰ হ’লহেঁতেন।

“আৰু শুনিছোঁ, তেখেত হেনো এতিয়া বুঢ়া হ’ল ; সেইবাবে জীৱনৰ বাকী দিনকেইটা বিলাতত গৈ কটাব খুজিছে। ইয়াৰ আগেয়ে শুনিছিলোঁ, বুঢ়া বয়সত তেখেত হেনো অসমীয়াৰ মাজত চিলঙত আহি ঘৰ-বাৰী কৰি থাকি বেপাৰ-বণিজ সম্বন্ধে অসমীয়াক হিত-মত দি চলাব। ইয়াত আমি আনন্দ পাইছিলোঁ। কাৰণ, বৰুৱা ডাঙৰীয়াৰ নিচিনা বেপাৰ-বণিজত পকা এজনক অসমীয়াই নেতা স্বৰূপে পালে অসমীয়াৰ অশেষ মংগল সাধিত হ’লহেঁতেন। এতিয়াও আমি তেখেতক অনুৰোধ কৰোঁ, যদি সঁচা হয়, তেনেহ’লে বিলাতলৈ যোৱা তাৰ এৰি দি আসামত নিজৰ ঘৰত আহি তেখেত

বহি লওক, বেপাৰ-বণিজত পিছ পৰা অসমীয়াক হিত-মত দি সেই পথত আগুৱাই দি জগতময় এই প্ৰচণ্ড প্ৰতিযোগিতাৰ যুগত অসমীয়াক তিষ্ঠিব পৰা কৰক; অসমীয়াৰ লগত তেখেতৰ অস্থি-মজ্জাৰ সম্বন্ধ; এই সম্বন্ধৰ পৰা বিচ্ছেদ হ'ব লাগিলে অসমীয়াৰ অন্তৰত বৰ ডাঙৰ আঘাত লাগিব।

"অসমীয়াৰ বেপাৰ-বাণিজ্যৰ ভেটি দৃঢ় কৰি তুলিব লাগিলে অসমীয়াৰ ভিতৰত Banking System প্ৰচাৰ কৰিব লাগিব। এই Banking সম্বন্ধে অসমীয়াই একো নাজানে। বৰুৱা ডাঙৰীয়া যদি অসমীয়াৰ মাজত আহি বেংক এটা স্থাপন কৰিবৰ চেষ্টা কৰে, তেনেহ'লে নিশ্চয় সফল হ'ব। অসমীয়াই তেখেতৰ কথা নিশ্চয় শুনিব; কাৰণ তেখেতৰ ওপৰত অসমীয়াৰ যথেষ্ট শ্ৰদ্ধা আছে। একমাত্ৰ তেখেতৰ নিচিনা হিত-মত, বিচাৰ-বিবেচনাত পকা মানুহৰ হাতত্হে এনে কাম সিদ্ধ হ'ব।"

চেতনাৰ যুটীয়া সম্পাদক চন্দ্ৰনাথ শৰ্মা আৰু অম্বিকাচৰণ (গিৰী) ৰায়চৌধুৰীৰ লেখীয়া দুজন চিন্তানায়কৰ উল্লিখিত কথাখিনিয়ে অসমীয়াৰ বাবে সদাগৰ ভোলানাথ বৰুৱা কি আছিল, অসমীয়াৰ হৃদয়ভেইবা ভোলানাথ বৰুৱাৰ স্থান আছিল কেনে আচুতীয়া, সেই কথাৰ উমান দিব পাৰিব। পণ্ডিত হেমচন্দ্ৰ গোস্বামীয়ে ১৯১৪ চনৰ মাৰ্চ মাহৰ ২৬ তাৰিখেই কৈছিল বোলে "ব্যৱসায় বুদ্ধিত চালাক, ভোলানাথ বৰুৱাৰ নিচিনা মানুহ আৰু অসমীয়াৰ ভিতৰত নাই।" হেমচন্দ্ৰই কথাষাৰ এনেকৈ কৈছিল বা তেওঁ ক'ব লগীয়া হৈছিল ১৯১৪ চনৰ মাৰ্চ মাহত দিল্লীত হোৱা ভোলানাথ বৰুৱাৰ সাংঘাতিক মটৰ দুৰ্ঘটনাৰ কথা জানি। ভোলানাথৰ আশু নিৰাময় কামনা কৰি হেমচন্দ্ৰই লিখা চিঠিৰ উত্তৰ স্বৰূপে ভোলানাথে যিখন চিঠি লিখিছিল, সেই চিঠিয়েও ভোলানাথে অসমীয়াসকলৰ পৰা পোৱা মৰম আৰু শুভেচ্ছাৰ সংবাদ বহন কৰিছে। হেমচন্দ্ৰ

গোস্বামীলৈ লিখা ভোলানাথ বৰুৱাৰ চিঠিখনৰ মূল আৰু পূৰ্ণ পাঠ তলত দিয়া হ'ল :—

"CLOCK TOWER
Delhi
22/3/1914

My dear Goswami,

I thank you very much for your kind letter enquiring after my health: You must have heard all about the accident, so I need not mention here: It was really under the treatment of Sir James Robert, Viceroy's physician, Col. Ahmed and Dr. Majumdar. I am gradually improving but still confined to my bed. I hope to return to Calcutta as soon as I am fit for travelling by rail. It is very kind of you that you are remembering me at the time of my distress. Mr. L. N. Bezbarua came up to Delhi on hearing my accident to see and to help me. He has gone back after staying a week with me when he saw me out of danger. So also my nephew Chandra has come up to attend me; he is still here: Hon. Mr. G. Barua (Ghanashyam Barua) is also taking gerat care of me: I again thank you for your kind enquiry.

Trusting you are all well.

[signature]

("বেণুধৰ শৰ্মা ৰচনাৱলী", চতুৰ্থ খণ্ড, পৃ. ২১৯)

হেমচন্দ্ৰ গোস্বামীলৈ লিখা ভোলানাথৰ এই চিঠিখনত মন কৰিব লগীয়া এটা কথা হ'ল দিল্লীৰ দুৰ্ঘটনাত ভোলানাথৰ খবৰ লোৱা বা যত্ন লোৱাসকলৰ ভিতৰত চন্দ্ৰ বোলাজনৰ বাহিৰে আটাইকেইজনেই আক্ষৰিক অৰ্থত ভোলানাথ বৰুৱাৰ অনাত্মীয়। (ভাৰতৰ ভাইচ-ৰয়ৰ চিকিৎসকে ভোলানাথ বৰুৱাক চিকিৎসা কৰাটোও কম লক্ষ্যণীয় বিষয় নিশ্চয় নহয়।) এনে অনাত্মীয়সকলেই ভোলানাথ বৰুৱাৰ ঘৰোৱাহ। এইসকলকেই আদৰ-আপ্যায়ন কৰি ভোলানাথ বৰুৱাই আনন্দ অনুভৱ কৰিছিল।

অতিথি-আপ্যায়নত ভোলানাথৰ হাত আৰু মন আছিল সদায় মুকলি। আমি পূৰ্বে কৈ অহা গাংপুৰৰ ৰজা বা যুৱৰাজক জনোৱা অভ্যৰ্থনা আছিল ভোলানাথৰ ব্যৱসায়িক স্বাৰ্থ বিজড়িত। কিন্তু কলিকতা, হাওড়া, ঝাড়সোগড়া, দাৰ্জিলিং আদি বিভিন্ন ঠাইত বিভিন্ন সময়ত ভোলানাথে বিভিন্নজনক যিদৰে সোধ-পোছ কৰিছিল, তাত প্ৰকাশ পাইছে ভোলানাথৰ উদাৰ অতিথি-পৰায়ণতা। ব্যক্তিগত বা ৰাজহুৱা বিভিন্ন কামত অসমৰ পৰা যোৱা বিভিন্ন লোকৰ বাবে হাওড়া বা কলিকতাত ভোলানাথ আছিল পৰম নিৰ্ভৰ। কৰ্ণেল জালনুৰ আলি আহমেদ, ৰমাকান্ত বৰকাকতী ডাঃ শিৱৰাম বৰা, মাণিকচন্দ্ৰ বৰুৱা, জগন্নাথ বৰুৱা, অম্বিকা-নাথ বৰা, হেমচন্দ্ৰ গোস্বামী, লক্ষ্মীনাথ ফুকন, শৰৎচন্দ্ৰ গোস্বামী, ৰজনীকান্ত বৰদলৈ, বৰুৱা বাম্বিকাপ্ৰসাদ, কণকলাল, তপনলাল আদি আছিল ভোলানাথ বৰুৱাৰ নিয়মীয়া আলহী। ১৯২২ চনত হেমচন্দ্ৰ গোস্বামী কলিকতালৈ গৈ ভোলানাথৰ ঘৰতে আছিলগৈ। "মই অহাত তেওঁ বৰ ভাল পালে" বুলি হেমচন্দ্ৰই ৩ ফেব্ৰুৱাৰীৰ দিনলেখাত কৈছে। তেওঁৰ ৮ মাৰ্চৰ দিন-লেখাত আছে, "৩।২।২২ তাৰিখে শ্ৰীযুত ভোলানাথ বৰুৱা ডাঙৰীয়াৰ অনুৰোধত তেওঁৰ হাওড়াত থকা ঘৰত থাকিবলৈ আহোঁ আৰু আজি পৰিমিত ভাতে থাকোঁ। তেওঁ মোক বিশেষ যত্ন কৰি ৰাখিছিল।"

৩৮৯৭ চনত বেজবৰুৱাক লগত লৈ বৰুৱা দাৰ্জিলিঙলৈ ফুৰিবলৈ যাওঁতে তাৰ লোই জুবিলি চেনিটেৰিয়ামত (Lowis Jubilee Sanitarium) প্ৰসিদ্ধ বিজ্ঞানী জগদীশ চন্দ্ৰ বসুৰ লগত তেওঁলোক সহ-নিবাসী হৈছিল। ২২ মে' তাৰিখে দাৰ্জিলিং চেনিটেৰিয়াম হলত বিজ্ঞানী জগদীশ চন্দ্ৰ বসুৰ সম্মানাৰ্থে ভোলানাথ বৰুৱাই এটা বিৰাট ভোজৰ আয়োজন কৰিছিল (Gave Professor Bose a gand reception at Darjeeling Sanitarium Hall)। কেৱল লক্ষ্মীৰে পূজাৰী নাছিল ভোলানাথ বৰুৱা। সাৰস্বত সাধক-সকলৰ প্ৰতিও শ্ৰদ্ধা আছিল তেওঁৰ অন্তৰত অসীম। উল্লেখযোগ্য, লোই জুবিলি চেনিটেৰিয়ামত থাকোঁতে ভোলানাথ আৰু লক্ষ্মীনাথ প্ৰথম শ্ৰেণীৰ নিবাসী হৈ আছিল দিনে গাইপতি ছটকা চাৰি অনা (৬'২৫ টকা)-কৈ ভাড়া ভৰি। ভুবনচন্দ্ৰক পোষ্যপুত্ৰ কৰি লওঁতে তিনি শৰো অধিক মানুহক বৰুৱাই অভ্যৰ্থনা জনোৱাৰ কথা আমি পূৰ্বে কৈ আহিছোঁ। ১৯০৭ চনৰ ১৭ ফেব্ৰুৱাৰীতো কলিকতাত বৰুৱাই বিভিন্ন বিশিষ্ট ব্যক্তিক আপ্যায়িত কৰে। অনাৰেবল ভূপেন্দ্ৰনাথ বসু, ডাঃ শিৱৰাম বৰা আৰু মাণিকচন্দ্ৰ বৰুৱাও উপস্থিত আছিল সেইদিনাৰ অভ্যৰ্থনাত—বিভিন্ন অসমীয়া ব্যক্তিৰ লগতে। সেই অভ্যৰ্থনাৰ স্থান আছিল এখন প্ৰদৰ্শনী থলী (exhibition ground)। বেজবৰুৱাইত নিশা ১১'৩০ বজাতহে সেইদিনা তাৰ পৰা উলটিল। ১৯২২ চনৰ ১ ফেব্ৰুৱাৰীতো ভোলানাথে 'টী পাৰ্টি' দিয়াৰ কথা হেমচন্দ্ৰ গোস্বামীয়ে কৈ গৈছে।

সকলোকে ঘৰোৱাহ বুলি ভাবিয়েই বিভিন্নজনক ভোলানাথ বৰুৱাই বিভিন্ন প্ৰকাৰে সহায় কৰিছিল। 'অমৃত বাজাৰ পত্ৰিকা'ৰ কাম এৰি কলিকতাত নিবনুৱা হৈ থাকোঁতে লক্ষ্মীনাথ ফুকনক বৰুৱাই অসমলৈ আহিবলৈ নিদি আঁতে ৰাখি থৈছিল ক'ৰবাত তেওঁক সংস্থাপিত কৰিবৰ অৰ্থেই। ফুকনৰ আৰ্থিক অসুবিধা হোৱাত বৰুৱাই তেওঁক ক্ৰমে ৬০ টকা, ৫০ টকা আৰু ৪০ টকা দি সহায়

কৰিছিল তিনিটা দিনত। আই. চি. এছ. পৰীক্ষা দিবৰ বাবে প্ৰস্তুত হোৱা দিবাকৰ বৰুৱা নামৰ ল'ৰা এজনক হেমচন্দ্ৰ গোস্বামীয়ে দিয়া পৰিচয়ক্রমেই ভোলানাথে সহায় কৰিছিল এশ টকা দি। বৰুৱাই তেওঁৰ ব্ৰিটিছ বন্ধু ছাৰ এডৱাৰ্ড বাকৰ কৈ-মেলি কলিকতাৰ এলায়েন্স বেংকৰ চাকৰি এটাত সুমুৱাই দিছিল ৰাধিকা প্ৰসাদ বৰুৱাক।

কলিকতাত বৰুৱাৰ বন্ধু আছিল শেৰ সিং (Seer Singh) নামৰ এজন ভাৰতীয় লোকো। লোকপ্ৰিয় গোপীনাথ বৰদলৈও আছিল ভোলানাথ বৰুৱাৰ এজন বিশিষ্ট বন্ধু। ১৯১২ চনৰ মাৰ্চ মাহত বৰদলৈ সন্নিপাত ৰোগত পৰি কলিকতাৰ মেডিকেল কলেজ হাস্পতালত ভৰ্তি হ'ব লগীয়া হ'ল। ১৪ মাৰ্চত তেওঁৰ অৱস্থা অতিশয় সংকটজনক। সুদীৰ্ঘ ২১ দিন অৱত ভুগি ৰোগশয্যাত বৰদলৈয়ে চট্‌ফটাব লাগিছে, প্ৰলাপ বকিবলৈ আৰম্ভ কৰিছে। বৰদলৈ থকা কোঠাত কাকো সোমাবলৈ দিয়া নাই হাস্পতাল কৰ্তৃপক্ষই। সূৰ্যকুমাৰ ভূঞা আদি কেইবাজনেও তেওঁক চোৱাৰ অনুমতি নাপালে। নাৰ্ছ-গৰাকীয়ে ক'লে, "বৰদলৈৰ অৱস্থা বৰ বেয়া। ঈশ্বৰে তেওঁক ৰক্ষা কৰক। বন্ধু আৰু আত্মীয়সকলৰ প্ৰাৰ্থনাইহে যদি তেওঁক ৰচাব পাৰে।" সূৰ্যকুমাৰ ভূঞাই কৈছে বোলে বন্ধ কোঠাটোত মৃত্যুমুখী গোপীনাথ বৰদলৈৰ কাষত মাত্ৰ এজন মানুহে পৰ দি আছিল, আৰু বোলে সেই ভাগ্যবান মানুহজন আছিল ভোলানাথ বৰুৱা। সূৰ্যকুমাৰ ভূঞাৰ ১৯১২ চনৰ ১৪ মাৰ্চৰ দিনলেখাত প্ৰসংগটোৰ কিছু কথা এনেকুৱা: "We went in the evening to see Mr. Bordoloi; but we were not admitted. The door was closed, and there was only one attendant with the patient, and that blessed being is Srijut Bholanath Barua." ('Lokapriya Bordoloi', ed: J. P. Saikia, 1992, P. 2)।

এইজন ভোলানাথ বৰুৱাৰ বিষয়ে হেনো সূৰ্যকুমাৰ ভূঞাই তেওঁৰ শৈশৱৰে পৰা শুনি আহিছিল। লক্ষ্মীনাথ বেজবৰুৱাৰ ঘৰত সূৰ্যকুমাৰে প্ৰথম লগ পাইছিল ভোলানাথ বৰুৱাক। প্ৰথম দৃষ্টিতে বোলে বৰুৱাৰ হৃবিল-গৰিলত সূৰ্যকুমাৰে আত্মীয়তা অনুভৱ কৰিলে। হাওড়াত বৰুৱাৰ নিজৰ ঘৰতো সূৰ্যকুমাৰে তেওঁক বহুবাৰ দেখা পাইছিল। ৰাজহুৱা অনুষ্ঠানবোৰৰ পৰিপোষণৰ অৰ্থে কৰা কল্যাণ-মূলক কামবোৰৰ বাবেই ভোলানাথ বৰুৱা চিৰকাল স্মৰণীয় হৈ ৰ'ব বুলি সূৰ্যকুমাৰ ভূঞাই কৈ গৈছে (দ্ৰষ্টব্য : 'Men I have Met', 1962, P. 13)। সমগ্ৰ অসমীয়া জাতিটোকেই তেওঁ ঘৰোৱাহ বুলি ভাবিব নোৱৰা হ'লে তেনেবোৰ কল্যাণমূলক কাম কৰিবলৈ তেওঁ প্ৰেৰণা পালেহেঁতেন ক'ৰ পৰা ?

সাত

ধনাঢ্যতা আৰু বদান্যতা

১৯১৪ চনৰ ৮ জানুৱাৰীৰ দিনলেখাত পণ্ডিত হেমচন্দ্ৰ গোস্বামীয়ে এবাৰ কথা লিখিছিল, "অসমীয়া মানুহৰ নিচিনা স্বাৰ্থপৰ মানুহ জগতত নাই বুলিলেও হয়। যেতিয়ালৈকে কোনো এটা কামত নিজৰ স্বাৰ্থ নেদেখে, তেতিয়ালৈকে তেওঁ সেই কামত হাত দিব নোখোজে। অসমীয়াৰ দেশহিতৈষিতা মানে নিজৰ উপকাৰিতা" (পণ্ডিত হেমচন্দ্ৰ গোস্বামী ৰচনাৱলী, পৃ. ৫১৯)। হেমচন্দ্ৰ গোস্বামীৰ ধাৰণাযে আংশিকভাৱেহে সত্য, তাৰ প্ৰমাণ সদাগৰ ভোলানাথ বৰুৱায়েই, তেওঁৰ দেশহিতৈষিতায়েই। সদাগৰ ভোলানাথ বৰুৱাই অসমৰ হকে, অসমীয়া ভাষা-সাহিত্যৰ হকে আজিৰ তুলনাত বহুতো কাম কৰি থৈ গ'ল। সেইবোৰ কামত তেওঁৰ কোনো স্বাৰ্থ নাছিল। ব্যৱসায়-বাণিজ্যত আত্মনিয়োগ কৰি, অসমৰ বাহিৰত ব্যৱসায়-বাণিজ্যৰ সম্প্ৰসাৰণ ঘটাই স্বাধীনভাৱে জীৱিকা নিৰ্বাহৰ পথটো উত্তৰ পুৰুষৰ বাবে প্ৰশস্ত কৰি থৈ গ'ল ভোলানাথ বৰুৱাই। অসমীয়া ভাষা-সাহিত্যৰ অধ্যয়ন আৰু গৱেষণাৰ অৰ্থে কলিকতা বিশ্ববিদ্যালয়ক বৃহৎ পৰিমাণৰ দান দি গ'ল। অসমৰ ভাবী পুৰুষে কাৰিকৰী জ্ঞান অৰ্জনত সুবিধা পোৱাৰ উদ্দেশ্যে অসমত কাৰিকৰী শিক্ষাৰ অনুষ্ঠান এটাৰ বাবে দান দি অসমীয়া ৰাইজৰ মাজত যেন নিজকে বিলাই দি গ'ল তেওঁ। "সন্ত-সাধু লোকে ধনেৰে নিজৰ উপকাৰ, পৰৰ উপকাৰ, সমাজ আৰু দেশৰ মংগলজনক কাৰ্য কৰে,"— 'কামত কৃতিত্ব লভিবৰ সংকেত' নামৰ পুথিত সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱাই কৰা এই মন্তব্য ভোলানাথ বৰুৱাৰ ক্ষেত্ৰত প্ৰযোজ্য।

অসমীয়া ভাষাযে বঙলা ভাষাৰ পৰা পৃথক, সেই কথা প্রমাণ কৰাৰ বেলিকা অসমৰ পণ্ডিত সমাজে কৰা সকলোবোৰ প্রযত্নৰ কথা মনত ৰাখিও এটা কথা ক'ব লাগিব যে সেই কথাটো প্রমাণিত হোৱাৰ মূলত সদাগৰ ভোলানাথ বৰুৱাৰো ভূমিকা কম নহয়। অসমীয়া ভাষাৰ বেলিকা উন্নাসিকতা প্রদর্শন কৰোঁতা-সকলৰ ভিতৰত বঙলা ভাষা-সাহিত্যৰ ঐতিহাসিক পণ্ডিত দীনেশ-চন্দ্ৰ সেনৰ কথাকে হেমচন্দ্ৰ গোস্বামীয়ে কৈছে বেছিকৈ। ১৯২২ চনত কলিকতাত অনুষ্ঠিত সৰ্বভাৰতীয় প্রাচ্য সম্মিলন (All India Oriental Conference)-ত যোগ দান কৰিবলৈ যাওঁতে ২৯ জানুৱাৰীত দীনেশ চন্দ্ৰ সেনৰ লগত গোস্বামীৰ "অসমীয়া ভাষা সম্বন্ধে অনেক তৰ্কাতর্কি হয়।" ৩০ জানুৱাৰীতো দীনেশ চন্দ্ৰ সেনে "আকৌ তৰ্ক কৰিবলৈ ধৰিলে যে অসমীয়া এটা বেলেগ ভাষা নহয়।" কলিকতা বিশ্ববিদ্যালয়ৰ তেতিয়াৰ উপাচাৰ্য ছাৰ আশু-তোষ মুখাৰ্জীৰ লগতো অসমীয়া ভাষাৰ বিষয়ে দীনেশ চন্দ্ৰ সেনৰ তৰ্কবাদ হৈছিল। সেই চনৰ ১৮ ফেব্রুৱাৰী তাৰিখে আশুতোষ মুখাৰ্জীয়ে দীনেশ চন্দ্ৰ সেনক ক'লে, "অসমীয়া সাহিত্যৰ এইবিলাক যেতিয়া ওলাই পৰিব, তেতিয়া একেবাৰেই তোমাৰ মুখ বন্ধ হ'ব।" "অসমীয়া সাহিত্যৰ এইবিলাক"ৰ অৰ্থ হ'ল পণ্ডিত হেমচন্দ্ৰ গোস্বামীৰ দ্বাৰা সংকলিত আৰু সম্পাদিত 'অসমীয়া সাহিত্যৰ চানেকি', 'অঙ্কীয়া নাটক', 'পুৰণি অসম বুৰঞ্জী', 'কথা-গীতা', 'কথা-ভাগৱত', 'হস্তীবিদ্যাৰ্ণৱ' আদি গ্রন্থ।

'অসমীয়া সাহিত্যৰ চানেকি' কলিকতা বিশ্ববিদ্যালয়ে প্রকাশ কৰি উলিওৱাৰ মূলত ভোলানাথ বৰুৱাৰ বদান্যতা। সেই গ্রন্থ ছপাবৰ বাবে বৰুৱাই কলিকতা বিশ্ববিদ্যালয়ক দহ হাজাৰ টকা দিয়ে। ১৯২২ চনৰ ৮ মাৰ্চৰ দিনলেখাত হেমচন্দ্ৰ গোস্বামীয়ে কোৱা মতে সেইদিনা গোস্বামীয়ে ছাৰ আশুতোষ মুখাৰ্জীক ভোলানাথ বৰুৱাৰ ঘৰলৈ গৈছিল, আৰু 'অসমীয়া সাহিত্যৰ চানেকি'ৰ মুদ্রণ-ব্যয়

বাবদ বৰুৱাই আশুতোষ মুখাৰ্জীৰ হাতত দহ হাজাৰ টকা দিবলৈ গাত লয়; "অৰ্থাৎ তেওঁ Calcutta University-ক দহ হাজাৰ টকা দি B. Borooah Trust Fund এটা কৰি দিব। এই Fund-ৰ পৰাই কলিকতা University-এ সদায় লাগতিয়াল Assamese কিতাপবিলাক ছপাই থাকিব আৰু সেই কিতাপবিলাক বেচি তাৰ মূল্য Fund-ত জমা দিব।"

অৱশ্যে ছাৰ আশুতোষ মুখাৰ্জী ভোলানাথ বৰুৱাৰ হাওড়াৰ ঘৰলৈ আহিছিল আৰু তেওঁক হেমচন্দ্ৰ গোস্বামীয়ে আনিছিল ৮ মাৰ্চৰ পূৰ্বৰ এটা দিনতো, ৩ ফেব্ৰুৱাৰীতো। সেই তাৰিখৰ দিনলেখাত হেমচন্দ্ৰই কৈছে, "তেওঁ (আশুতোষে) বৰুৱাক এক লাখ টকাৰ নিমিত্তে ধৰিব খুজিছে। তেওঁ কৈছে যে এক লাখ টকা পালে তেওঁ Assamese Language-ৰ নিমিত্তে এখন Chair form কৰিব পাৰে। তেনেহ'লে অসমীয়া ভাষা আৰু বুৰঞ্জীৰ অনেক তত্ত্ব অনুসন্ধান কৰিব পৰা হ'ব। আমি কথা পাতি আহি বৰুৱাৰ ঘৰ পালোঁহি। মই, বৰুৱা আৰু Sir আশুতোষে অনেক কথা হ'লোঁহঁক। Sir আশুতোষে বৰুৱাক ১ লাখ টকাৰ কথা ক'লত তেওঁ দিব নোৱাৰোঁ বুলি নক'লে; কিন্তু সম্প্ৰতি 'অসমীয়া সাহিত্যৰ চানেকি' বোলা মই কৰা কিতাপখন ছপোৱা খৰচ দিবলৈ গাত ল'লে।" ৪ ফেব্ৰুৱাৰীত ভোলানাথ বৰুৱাই দুহাজাৰ টকাৰ চেক এখন হেমচন্দ্ৰৰ হাতেদি আশুতোষ মুখাৰ্জীলৈ পঠিয়াই দিলে এখন চিঠিৰে সৈতে। চিঠিত বোলে বৰুৱাই এইবুলি কৈছিল, "মই 'অসমীয়া সাহিত্যৰ চানেকি' ছপাই দিবলৈ গাত ল'লোঁ, আৰু তাৰ বাবে এতিয়া ২০০০ টকা পঠালোঁ। বাকী টকা লাহে লাহে দিয়া যাব।"

'অসমীয়া সাহিত্যৰ চানেকি' প্ৰকাশৰ বাবে আগ বঢ়োৱা ভোলানাথৰ দানৰ কথা বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ছাৰ আশুতোষ মুখাৰ্জীয়ে ১৯২২ চনৰ মাৰ্চ মাহত অনুষ্ঠিত বিশ্ববিদ্যালয়ৰ সমাৱৰ্তন-

ভাষণত মানদে উল্লেখ কৰিছে এইদৰে, "Mr. Bholanath Borooah, one of the most enlightened sons of Assam, has offered a handsome donation of rupees ten thousand to meet the cost of publication of the Assamese Selections."

'অসমীয়া সাহিত্যৰ চানেকি'ৰ (Vol. III, Part I) 'নিবেদন' অংশত ১৯২৩ চনৰ আগষ্ট মাহত অম্বিকানাথ বৰাই একেটা প্ৰসংগকে এনেদৰে কৈছে, "গোসাঁইদেৱে বহু পৰিশ্ৰম কৰি ১৯২১ চনত সেই পুথি গোটাই বিশ্ববিদ্যালয়ৰ হাতত দিয়েহি। সেই সময়তে আসামৰ কৃতী সন্তান ভাৰত-বিখ্যাত স্বৰ্গীয় ভোলানাথ বৰুৱাই এই পুথি ছপাবলৈ বিশ্ববিদ্যালয়ক দহ হাজাৰ টকা দিবলৈ প্ৰতিশ্ৰুত হয়, আৰু তাৰ দুহেজাৰ তেতিয়াই বিশ্ববিদ্যালয়ক দিয়ে। সেই টকাৰে বিশ্ববিদ্যালয়ে নিজৰ প্ৰেছতে পুথি ছপাবলৈ আৰম্ভ কৰে।"

প্ৰাদেশিক ভাষা-সাহিত্যৰ অধ্যয়ন-উন্নয়নৰ বাবে উপাচাৰ্য ছাৰ আশুতোষ মুখাৰ্জীৰ দৰে লেখীয়া উদাৰ-হৃদয় পুৰুষৰ উদ্যোগ, আৰু ভোলানাথ বৰুৱাৰ লেখীয়া স্বদেশ প্ৰেমিক আৰু হিতৈষী সদাগৰৰ বদান্যতা, আৰু সুযোগৰ যৌথ প্ৰচেষ্টা অবিহনেযে হেমচন্দ্ৰ গোস্বামীৰ যুগমীয়া কীৰ্তিস্তম্ভ স্বৰূপ এই গ্ৰন্থখন প্ৰকাশ নাপালেহেঁতেন, সেই কথা সূৰ্যকুমাৰ ভূঞায়ো তেওঁৰ এখন গ্ৰন্থত (Studies in the Literature of Assam, 1956, p. 23) কৈছে (The late Srijut Hem Chandra Goswami's monumental work Typical Selections from Assamese Literature was published on account of a combination of circumstances,—Sir Asutosh Mukherjee's zeal and the generous patriotism of Assam's premier merchant and philanthropist Bholanath Borooah.)। গ্ৰন্থখনৰ

প্ৰকাশন-ব্যয় বহন কৰিবলৈ ভোলানাথ আগ বাঢ়ি নহা হ'লেহে গ্ৰন্থ-খনৰ প্ৰকাশ অনিৰ্দিষ্ট কাললৈ বন্ধ হৈয়েই থাকিলহেঁতেন, সেই কথাও সূৰ্যকুমাৰ ভূঞাই কৈছে (৩ ছেপ্টেম্বৰ, ১৯২৯) গ্ৰন্থখনৰ প্ৰথম খণ্ডৰ ভূমিকা-লিপিত (The publication of the Assamese Selections would have been postponed indefinitely but for the patriotism and generosity of Srijut Bholanath Barua who was a well-known figure in the business circles of Northern India;)। পিছে; অতিশয় দুখৰ কথা যে গ্ৰন্থখনৰ লগত যি তিনিগৰাকী মহান ব্যক্তিৰ উদ্যোগ, উদাৰতা আৰু বদান্যতা জড়িত হৈ আছিল, সেইসকলৰ এজনেও জীৱদ্দশাত গ্ৰন্থখনৰ প্ৰকাশ দেখি যাবলৈ নাপালে। গ্ৰন্থখন প্ৰকাশ হৈছিল ১৯২৯ চনত। ১৯২৮ চনত সংকলয়িতা-সম্পাদক গোস্বামীৰ বিয়োগ ঘটিল, ১৯২৪ চনত বিয়োগ ঘটিল ছাৰ আশুতোষ মুখাৰ্জীৰ, আৰু তাৰো এবছৰৰ পূৰ্বে ১৯২৩ চনত চিৰবিদায় ল'লে ভোলানাথ বৰুৱাই। যি যি হওক, অসমীয়া ভাষা-সাহিত্যৰ ইতিহাসত ভোলানাথ বৰুৱা স্মৰণীয় হৈ থাকিব আৰু থকা উচিত সাতোটা খণ্ডত প্ৰকাশিত 'অসমীয়া সাহিত্যৰ চানেকি'ৰ বাবেই, যুগান্তৰকাৰী এই গ্ৰন্থখনৰ প্ৰকাশন-কাহিনীটোৰ বাবেই।

ভোলানাথ বৰুৱাক অসমীয়াই সুঁৱৰিব লগীয়া কথা আৰু আছে। কমলাকান্ত ভট্টাচাৰ্যই কৈ যোৱা মতে অসমত অসমীয়া ভাষাৰ পুনৰ্বাসন ঘটোৱা সম্পৰ্কত ঊনবিংশ শতিকাৰ ষাঠিৰ দশকৰ শেহৰ ফালে কলেজিয়েট স্কুলৰ যিকেইজন ছাত্ৰই অহোপুৰুষাৰ্থ কৰিছিল, ভোলা-নাথো আছিল সেই কেইজনৰে এজন। এওঁলোক দুজনৰ উপৰি আন দুজনৰ এজন আছিল উত্তৰ গুৱাহাটীৰ দুৰ্গাকান্ত বৰুৱা আৰু আনজন নগাঁৱৰ গোবিন্দ মিশ্ৰ। কমলাকান্তই কৈছে, "দুৰ্গাকান্ত বৰুৱা, ভোলা বৰুৱা, গোবিন্দ মিশ্ৰ আৰু মই—এই চাৰিজন ছাত্ৰৰ গাত উৎসাহৰ বাঘ-তেজ লাগি অসমীয়া ভাষা উদ্ধাৰৰ নিমিত্তে বাঢ়ি-

দিন জ্ঞান নাছিল।" গুৱাহাটী নগৰত কেউপিনে বোলে তেওঁলোকে প্ৰচাৰ কাৰ্য, প্ৰপাগেণ্ডা "ৱৰ্ক্ চ" আদি চলাইছিল। কমলাকান্তই নিজৰ বিষয়ে আক্ষেপ কৰোঁতে ভোলানাথৰ বিষয়ে কৈছে, "ইয়াৰ ভিতৰত ৺ভোলানাথ বৰুৱাই মাথোন কলিকতাত ডাঙৰ ধনী হৈ আসামৰ নাম ৰাখি গ'ল।" কমলাকান্তৰ মনত আন কেইজনৰ লগতে ভোলানাথো বোলে "মৰা-জীয়া লগৰ দৰে হৃদয়ৰ বন্ধু আছিল।" (দ্ৰষ্টব্য: যতীন্দ্ৰনাথ গোস্বামীৰ 'অসমীয়া ভাষাৰ ওজা হেমচন্দ্ৰ বৰুৱা,' ১৯৮৫, পৃ. ২১১)। এই প্ৰসংগতে কৈ থ'ব পাৰি, অমিয়কুমাৰ দাসৰ পিতৃ উদয়ৰাম দাসো আছিল ভোলানাথ বৰুৱাৰ সহপাঠী ('জীৱন-স্মৃতি', অ. প্ৰ. প., ১৯৮৩, পৃ. ৮)।

হেমচন্দ্ৰ গোস্বামীৰ পুত্ৰ শৰৎচন্দ্ৰ গোস্বামীৰ এখন চিঠিৰ পৰা (শ্ৰীৰাম গোস্বামীলৈ লিখা) জানিব পৰা মতে ভোলানাথ বৰুৱাৰ বদান্যতাৰ বাবে হেনো আশুতোষে ভোলানাথ বৰুৱাক 'নাইটহুড্'(?) দিওৱাৰ প্ৰসংগ উলিয়াইছিল হেমচন্দ্ৰ গোস্বামীৰ আগত। কিন্তু "বৰুৱাই উত্তৰ দিলে বোলে 'নাইট' হৈ যিটো আনন্দ পাম, আমাৰ অসমীয়া সাহিত্যৰ হকে এই সামান্য দানকণ দি পোৱা আনন্দ তাতকৈ শতগুণে বেছি।" (দ্ৰষ্টব্য: বেণুধৰ শৰ্মা-ৰচিত 'অসমীয়া সাহিত্যৰ পৰমাচাৰ্য পণ্ডিত হেমচন্দ্ৰ গোস্বামী', ১৯৭২, পৃ. ১০৪)। প্ৰসংগটোতযে অতিৰঞ্জন ঘটিছে, তাত লেশমানো সন্দেহ নাই। হেমচন্দ্ৰ গোস্বামীয়ে নিজে সেই বিষয়ে একো কোৱা নাই স্বাভাৱিক কাৰণতে। কিন্তু পত্ৰলেখক শৰৎচন্দ্ৰ গোস্বামীযে হেমচন্দ্ৰ-আশুতোষ-ভোলানাথৰ আলোচনা বা মিলনৰ শ্ৰোতা বা দৰ্শক আছিল, সেইটো সত্য। পিতৃ হেমচন্দ্ৰৰ লগতে তেখেতো সেইকেইটা দিন কলিকতাত আছিল। 'নাইটহুড্' নহয়; হয়তোবা কলিকতা বিশ্ববিদ্যালয়ৰ পক্ষৰ পৰা ভোলানাথ বৰুৱালৈ সন্মানজনক সদস্য (Honorary Fellow) পদ আগ বঢ়োৱাৰ বিষয়ে আশুতোষ-হেমচন্দ্ৰৰ মাজত হোৱা আলোচনা শৰৎচন্দ্ৰ গোস্বামীয়ে শুনিছিল।

গোস্বামীৰ চিঠিখনৰ সন্মান সম্পৰ্কীয় কথাখিনিলৈ আওকাণ কৰিলেও ভোলানাথ বৰুৱাই কোৱা বুলি তেখেতে লিখা এটা বাক্যাংশৰ গুৰুত্ব অনস্বীকাৰ্য। "....আমাৰ অসমীয়া সাহিত্যৰ হকে এই সামান্য দানকণ দি পোৱা আনন্দ তাতকৈ (যি কোনো ধৰণৰ সন্মানতকৈ) শতগুণে বেছি"—অসমীয়া ভাষা-সাহিত্যৰ প্ৰতি, অসমৰ জাতীয় জীৱনৰ প্ৰতি থকা সদাগৰ ভোলানাথ বৰুৱাৰ নিভাঁজ প্ৰেমৰ চানেকি দাঙি ধৰিবলৈ এই বাক্যাংশটোৱেই যথেষ্ট।

ভোলানাথ বৰুৱাইযে কলিকতা বিশ্ববিদ্যালয়ৰ পৰা সন্মানজনক সদস্য পদ এটা পাব পাৰিলেহেঁতেন, তাত কোনো সন্দেহ নাই। তেনে ধৰণৰ পদ বিশ্ববিদ্যালয়ৰ আচাৰ্যই আগবঢ়োৱাৰ ব্যৱস্থা কলিকতা বিশ্ববিদ্যালয়ৰ আইনত আছিল: "The Chancellor had the power to nominate under section 13(2) of the Act, any person to be an Honorary Fellow for life who had been eminent for his attainments in any branch of learning, or eminent benefactor of the University, or was distinguished for services to the cause of education." (দ্ৰষ্টব্য: 'Hundred Years of the University of Calcutta', p. 472, পাদটীকা)। কলিকতা বিশ্ববিদ্যালয়ৰ এজন জনাজাত হিতৈষী ব্যক্তি (eminent benefactor of the University) হিচাপে বিশ্ববিদ্যালয়ে হয়তোবা ভোলানাথলৈ আজীৱন সন্মানজনক সদস্য পদ আগবঢ়ালে-হেঁতেন; কিন্তু তেওঁৰ মৃত্যুৰ বাবেই তেনে স্বীকৃতিয়ে তেওঁক লগ নাপালেগৈ বুলি অনুমান কৰিব পাৰি। পিছে আমাৰ বাবে দুখৰ কথা এইটোহে যে কলিকতা বিশ্ববিদ্যালয়ৰ দাতাসকলৰ তালিকাতো ভোলানাথ বৰুৱাৰ নামটো পাবলৈ নাই।. ১৮৯২ চনত গুণাভিৰাম বৰুৱাই তেওঁৰ পত্নীৰ স্মৃতিত ৩০০ টকা মূল্যৰ চৰকাৰী প্ৰতিজ্ঞা পত্ৰ (Govt. Promissory Note) দি 'বিষ্ণুপ্ৰিয়া দেৱী প্ৰাইজ' নামৰ

বঁটা এটা বিশ্ববিদ্যালয়ক প্ৰবৰ্তন কৰিবলৈ দিছিল। ১৯৫৭ চনত সেই বঁটাৰ মূল্য হয়গৈ ৫০০ টকা। কলিকতা বিশ্ববিদ্যালয়ৰ শতবৰ্ষপূৰ্তি উপলক্ষ্যে প্ৰকাশিত গ্ৰন্থখনত সেই বঁটাৰ বাবেও গুণাভিৰাম বৰুৱাৰ নামটো প্ৰকাশ পাইছে (পৃ. ৫০৯), প্ৰকাশ পাইছে স্থায়ী নিধি-সদস্য (Foundation Fellow)-ৰ তালিকাতো (পৃ. ৪৬৯)। কিন্তু স্বয়ং উপাচাৰ্য আশুতোষ মুখাৰ্জীয়ে সমাৱৰ্তন-ভাষণত ভোলানাথ বৰুৱাৰ দানৰ কথা উল্লেখ কৰা সত্বেও উক্ত গ্ৰন্থৰ সংশ্লিষ্ট তালিকা-কেইখনৰ এঠাইতো ভোলানাথ বৰুৱাৰ নাম দেখিবলৈ নোপোৱাটো আশ্চৰ্যৰ বিষয় নিশ্চয়।

আকৌ, ততোধিক আশ্চৰ্যৰ বিষয় এইটোহে যে কলিকতা বিশ্ববিদ্যালয়ৰ এশ বছৰীয়া ইতিহাস-জ্ঞাপক গ্ৰন্থখনত দাতা হিচাপে হেমচন্দ্ৰ গোস্বামীৰ (Gossain, Hemchandra) নামটোহে মুদ্ৰিত হৈছে, আৰু তেওঁৰ নামৰ বিপৰীতে ৫২,৬০০ টকা বিশ্ববিদ্যালয়ৰ পুঁজিত ১৯৫৭ চনত থকাটো দেখুৱাইছে (গ্ৰন্থখনৰ ৫১৫ পৃষ্ঠা দ্ৰষ্টব্য)। দানৰ সময় ১৯০৮ চন। ধনখিনি ইচ্ছাপত্ৰ-সূত্ৰে (by Will) পোৱাটো দেখুৱা হৈছে। হেমচন্দ্ৰ গোস্বামীয়ে কলিকতা বিশ্ব-বিদ্যালয়ক কোনো সূত্ৰে ধন দিয়া নাছিল। বেণুধৰ শৰ্মাই যুগুতোৱা গোস্বামীৰ জীৱনীতো ('অসমীয়া সাহিত্যৰ পৰমাচাৰ্য পণ্ডিত হেমচন্দ্ৰ গোস্বামী') তেনে ধৰণৰ কোনো কথাৰ উল্লেখ নাই। এই সমুদায় ধনযে ভোলানাথ বৰুৱাই ১৯০৮ চনত বিশ্ববিদ্যালয়ক ইচ্ছাপত্ৰ-সূত্ৰে দিয়া দানৰ ১৯৫৭ চনলৈকে হোৱা ক্ৰমবৰ্দ্ধিত পৰিমাণহে, সেই কথা অনুমানৰ ওপৰত ভৰ দি হ'লেও ক'ব পাৰি। কিয়নো, সেই সময়ত হেমচন্দ্ৰ গোস্বামী দূৰৈৰ কথা, আন কোনো অসমীয়া ব্যক্তিৰেই এনে ধনাঢ্যতা নাছিল ভোলানাথ বৰুৱাৰ বাহিৰে। অন্যথা, 'অসমীয়া সাহিত্যৰ চানেকি' ছপাবৰ বাবে প্ৰয়োজনীয় ধনখিনি দিব পৰা অসমীয়া মানুহ দ্বিতীয় এজন নিশ্চয় ভেটিয়া ওলালহেঁতেন। দানটোৰ লগত হেমচন্দ্ৰ গোস্বামীৰ নামটো প্ৰকাশ হোৱাৰ কাৰণ

নিশ্চয় এইটোৱেই যে গোস্বামী আছিল ইচ্ছাপত্ৰখনৰ অন্যতম নিৰ্বাহক (Executor of a will)। লক্ষ্মীনাথ ফুকনৰ আগতো ভোলানাথে কৈছিলেই, তেওঁৰ কথা হেমচন্দ্ৰ গোস্বামী আৰু লক্ষ্মীনাথ বেজবৰুৱাইহে জানে বুলি। বেজবৰুৱাৰ লগত বিচ্ছেদ নঘটা হ'লে উইল-নিৰ্বাহক স্বৰূপে বেজবৰুৱাৰ নামটোৱেই কিজানি থাকিলহেঁতেন। ১৯০৮ চনত ইচ্ছাপত্ৰযোগে বিশ্ববিদ্যালয়খনক দিয়া সেই দানৰ সবিশেষ জনাৰ উপায় আমাৰ হাতত নাই; বেজ-বৰুৱাই কিজানি তেওঁৰ দিনলেখাত ভোলানাথ বৰুৱাৰ উইলৰ কথা উল্লেখ কৰিছিলেই। কিন্তু বেজবৰুৱাৰ ১৯০৮ চনৰ দিনলেখা পাবলৈ নাই।

হেমচন্দ্ৰ গোস্বামীয়ে কৈ যোৱা মতে 'অসমীয়া সাহিত্যৰ চানেকি'ৰ উপৰি "অসমীয়া পুৰণি পুথি ছপাবৰ নিমিত্তে দহ হেজাৰ টকাৰ" পুঁজি এটাও আগ বঢ়াবলৈ ভোলানাথ বৰুৱাক তেওঁ স্বীকাৰ কৰাইছিল। কথা আছিল, "এই Fund এটা Publicity Board-ৰ তলত থাকিব।" তদনুক্ৰমে ১৯২২ চনৰ ৭ মাৰ্চত ভোলানাথ বৰুৱাই হেমচন্দ্ৰক ৫৪৬ টকা দিয়ে কথা-ভাগৱত, কথা-গীতা আৰু অঙ্কীয়া নাট ছপোৱা বাবদ ছপাশালত আগধন হিচাপে দিবলৈ। গোস্বামীয়ে কটন প্ৰেছত ৩০০ টকা দিয়ে কথা-ভাগৱতৰ বাবে; কথা-গীতা আৰু অঙ্কীয়া বাৰ নাটৰ বাবে এশ এশকৈ দুশ টকা আগধন দিয়ে সঞ্জীৱনী প্ৰেছত। ৪৬ টকা গোস্বামীয়ে ৰাখে সংস্কৃত প্ৰেছত পূৰ্বে ছপোৱা অঙ্কীয়া নাটৰ বাবদ সেই প্ৰেছটোত দিবলৈ। ভোলানাথ বৰুৱাই কথা-ভাগৱত ছপোৱা সম্পৰ্কত ১১ ফেব্ৰুৱাৰীতে গোস্বামীৰ লগত কথা পাতিছিল, আৰু বেপ্টিষ্ট মিছন প্ৰেছত মুদ্ৰণ-ব্যয় নিৰূপণ কৰিবলৈ গোস্বামীক কৈছিল। গোস্বামীয়ে সেই তাৰিখত কথা-গীতাৰ পৰা ভট্টদেৱৰ জীৱনী পঢ়ি ভোলানাথক শুনাইছিল। তাৰেই পৰিণাম স্বৰূপে, আৰু বোধ হয় ভট্টদেৱৰ গ্ৰন্থ দুখনৰ ঐতিহাসিক মূল্যৰ কথা উপলব্ধি কৰিয়েই, দুয়োখন গ্ৰন্থ

ছপোৱাৰ ব্যয় বহন কৰিবলৈ তেওঁ গাত লয় বুলি ক'ব পাৰি। সৰ্বেশ্বৰ কটকীয়ে কোৱা মতে, পণ্ডিত হেমচন্দ্ৰ গোস্বামীয়ে যুগুত কৰা অসমীয়া পুথিৰ বিবৰণাত্মক তালিকা (Descriptive Catalogue of Assamese Manuscripts) নামৰ পুথিখনৰ প্ৰকাশো "অসমীয়া সাওদ ভোলানাথ বৰুৱাৰ বদান্যতাৰে" ফল (দ্ৰঃ 'Ancient Assamese Script', 1930, p. 19)। পিছে, অসম চৰকাৰৰ হৈ কলিকতা বিশ্ববিদ্যালয়ে ১৯৩০ চনত প্ৰকাশ কৰা এই গ্ৰন্থখনত ভোলানাথ বৰুৱাৰ নামটো পাবলৈ নোহোৱাটো দুখৰ কথা।

অসমীয়া গ্ৰন্থ প্ৰকাশনৰ উদ্দেশ্যে ভোলানাথ বৰুৱাৰ পৰা কুৰি হাজাৰ টকা আদায় কৰা বাবে হেমচন্দ্ৰ গোস্বামীয়ে ভূয়সী প্ৰশংসা পাইছিল সত্যনাথ বৰা, ৰজনীকান্ত বৰদলৈ আৰু শৰৎচন্দ্ৰ গোস্বামী (অসম সাহিত্য সভাৰ প্ৰধান সম্পাদক)-ৰ লেখীয়া ব্যক্তিৰ পৰা। ২৭.৩.১৯২২ তাৰিখে সত্যনাথ বৰাই হেমচন্দ্ৰ গোস্বামীলৈ লিখিছিল, "....wonder is that you have been successful in obtaining Rs. 20,000 for publishing literary works, which bid fair to place Assam in the forefront of the Indian provinces." ভোলানাথ বৰুৱাৰ লগ পাই হেমচন্দ্ৰই অভিপ্ৰায় সিদ্ধি কৰা বাবে শৰৎচন্দ্ৰ গোস্বামীয়েও উপৰোক্ত তাৰিখতে লিখা এখন চিঠিৰে আনন্দ প্ৰকাশ কৰিছিল। অসমীয়া গ্ৰন্থ প্ৰকাশ কৰিবলৈ আগ বঢ়োৱা দানৰ বাবে ভোলানাথ বৰুৱাৰ জীৱনত যেনেকৈ শুভ পৰিবৰ্তন এটা ঘটাৰ সম্ভাৱনা শৰৎচন্দ্ৰ গোস্বামীয়ে দেখা পাইছিল, বৰুৱাৰ সেই বদান্যতায়ো অসমৰ জাতীয় জীৱনত তেনে ধৰণৰ শুভ পৰিবৰ্তন এটা সূচাব বুলি চিঠিখনত তেওঁ নিজৰ আশা প্ৰকাশ কৰিছিল। সন্দেহ নাই, গ্ৰন্থ প্ৰকাশৰ বাবে হেমচন্দ্ৰৰ অনুৰোধ ৰক্ষা কৰাটো হেমচন্দ্ৰৰ প্ৰতি থকা ভোলানাথৰ সম্ভ্ৰম আৰু আস্থাৰে পৰিচায়ক। ভোলানাথে যে হেমচন্দ্ৰ

গোস্বামীক বৰ ভাল পাইছিল, সেই কথা গুৱাহাটীৰ সনাতন ধৰ্ম সভাৰ উদ্যোক্তা কালীচৰণ সেনে ভোলানাথৰ লগত কথা পাতোঁতেও বোলে অনুমান কৰিব পাৰিছিল।

হেমচন্দ্ৰ গোস্বামীৰ সম্পাদনাত "লৰা-ছোৱালীৰ সচিত্ৰ মাহেকীয়া কাকত" 'অৰুণ' কলিকতাৰ পৰা লোহিত চন্দ্ৰ ভূঞাই প্ৰকাশ কৰিছিল ১৯১৬ চন (১৮৩৭ শকৰ মাঘ)-ত। কিছু দিন চলি বন্ধ হৈ যোৱা আলোচনীখন পুনৰ উলিওৱাৰ ইচ্ছা ভোলানাথ বৰুৱাৰ আগত প্ৰকাশ কৰিলে গোস্বামীয়ে। গোস্বামীৰ ১৯২২ চনৰ ১৪ ফেব্ৰুৱাৰীৰ দিনলেখাত আছে, "তেওঁ মোৰ idea-টো বৰ ভাল বুলিলে আৰু তেওঁ financial সহায় কৰিবলৈ ইচ্ছা প্ৰকাশ কৰি প্ৰেছৰ (সঞ্জীৱনী) মেনেজাৰ সুকুমাৰ বাবুক তেওঁৰ ওচৰলৈ এদিন মাতি আনিব (লৈ) ক'লে।" ২০ ফেব্ৰুৱাৰীত সুকুমাৰ মিত্ৰ ভোলানাথ বৰুৱাৰ ঘৰলৈ আহিল। হেমচন্দ্ৰৰ সেই তাৰিখৰ দিনলেখাত আছে, "....মই শ্ৰীযুত বৰুৱাক 'অৰুণ' আকৌ উলিওৱাৰ কথা ক'লোঁ। 'অৰুণ' ভালকৈ উলিয়াবলৈ দেখা গ'ল মাহে প্ৰায় ২৫০ টকা লাগে। এয়ে ঠিক হ'ল যে মই কাগজখন edit কৰিম, সুকুমাৰ বাবুৱে publish কৰিব আৰু শ্ৰীযুত বৰুৱাই finance কৰিব।"

এতিয়া এই কথা নিশ্চিতভাৱে ক'ব পাৰি যে ভোলানাথ বৰুৱাই আৰ্থিক দান আৰু আন্তৰিক উৎসাহ প্ৰদান কৰা বাবেহে হেমচন্দ্ৰ গোস্বামীয়ে অসমীয়া ভাষা-সাহিত্য সম্পৰ্কত ভবি থোৱা আটাইকেইটা আঁচনিৰে বাস্তৱ ৰূপায়ণৰ পথ মুকলি হৈছিল। হেমচন্দ্ৰৰ আঁচনি বহিৰ্ভূত আন দুখন গ্ৰন্থও ভোলানাথে ছপোৱাৰ কথা হেমচন্দ্ৰক কৈছিল ১৯২২ চনৰ ৫ ফেব্ৰুৱাৰীত। দুয়োখন গ্ৰন্থ হেমচন্দ্ৰ গোস্বামীৰে। এখন 'অসমীয়া জাতিৰ বুৰঞ্জী', আনখন 'অসমীয়া সাহিত্য আৰু ভাষাৰ বুৰঞ্জী'। গ্ৰন্থ দুখন প্ৰকাশ নহ'ল। তাৰ কাৰণ নিশ্চয় ১৯২৩ চনত ঘটা ভোলানাথ বৰুৱাৰ বিয়োগ।

লক্ষ্মীনাথ বেজবৰুৱাৰ 'মহাপুৰুষ শ্ৰীশঙ্কৰদেৱ আৰু শ্ৰীমাধৱদেৱ' গ্ৰন্থখন ১৯১৪ চনত প্ৰকাশ হোৱাৰ গুৰিতো সদাগৰ ভোলানাথ বৰুৱাহে। গ্ৰন্থখনৰ পাতনিত বেজবৰুৱাই বৰুৱাৰ প্ৰতি কৃতজ্ঞতা প্ৰকাশ কৰি লিখা বাক্যটোৱে ভোলানাথ বৰুৱাৰ ব্যক্তিত্বৰ কেই-বাটাও দিশৰ সম্ভেদ দিছে। বেজবৰুৱাই কৈছে, "অদ্ভুত আৰু এষাৰি কথা ক'ব লগীয়া আছে। চিৰকাল এই গ্ৰন্থকাৰৰ প্ৰতি ভ্ৰাতৃ-স্নেহপূৰ্ণ সম্মানভাজন শ্ৰীযুক্ত ভোলানাথ বৰুৱা ডাঙৰীয়াই এই কিতাপ ছপোৱাৰ সম্পূৰ্ণ ব্যয়ভাৰ স্বেচ্ছাতে গ্ৰহণ কৰি বিদ্যানুৰাগিতা, গুণগ্ৰাহিতা আৰু মহাপুৰুষীয়া ধৰ্মৰ প্ৰতি প্ৰগাঢ় নিষ্ঠাৰ চিনাকি দিছে ; সেইবাবে আমি তেওঁৰ ওচৰত কৃতজ্ঞ থাকিলোঁ।" কথাবাৰত বেজবৰুৱাই কোৱা ভোলানাথৰ গুণকেইটাতকৈও বিশেষভাৱে মন কৰিব লগীয়া কথা এইটোহে যে বেজবৰুৱাৰ এই গ্ৰন্থখনৰ প্ৰকাশন-ব্যয় ভোলানাথে বহন কৰিছিল বেজবৰুৱাৰ লগত মনোমালিন্য ঘটাৰ প্ৰায় দহ বছৰৰ পাছত। লক্ষ্মীনাথ ফুকনে যেতিয়া বৰুৱাৰ ঘৰতে বেজবৰুৱাক লগ পাবলৈ গৈছিল, তেতিয়াও বোলে বৰুৱাই বেজবৰুৱাক নিজে কৈছিল "শ্ৰীশঙ্কৰদেৱ আৰু শ্ৰীমাধৱদেৱ'ৰ দ্বিতীয় তাঙৰণ এটা উলিয়াব লাগিছিল" বুলি। অসমৰ বৈষ্ণৱ ধৰ্মৰ প্ৰতি আৰু মহাপুৰুষ দুজনাৰ প্ৰতি ভোলানাথৰ নিষ্ঠা আৰু শ্ৰদ্ধা আছিল যিমান, বেজবৰুৱাৰ সাহিত্য-প্ৰতিভাৰ প্ৰতিও ভোলানাথ বৰুৱাৰ আস্থা আছিল সিমানেই। বৰুৱাই বেজবৰুৱাৰ আবিষ্কাৰ-ধৰ্মী প্ৰতিভাক শ্ৰদ্ধাৰ দৃষ্টিৰে চাব নোৱৰা হ'লে তেনে কথাৰ অৱতাৰণা তেওঁ নিজে নিশ্চয় নকৰিলেহেঁতেন। বেজবৰুৱাৰ কনিষ্ঠা কন্যা দীপিকাই এঠাইত (মহেশ্বৰ নেওগ-সম্পাদিত 'Lakshminath Bezboroa, the Sahityarathi of Assam', 1972, p. 246) প্ৰসংগক্ৰমে এটা কথা উল্লেখ কৰিছে যে ভোলানাথ বৰুৱাই হেনো বেজবৰুৱাৰ কিতাপ এখন পঢ়ি বেজবৰুৱাক কৈছিল তেওঁ অমৰ হ'ব বুলি ("After reading one of Papa's books,

Mr. B. Borooah once said to him, 'Bez, 'you will become immortal.' How true these words have become today.")। বেজবৰুৱাৰ 'মহাপুৰুষ শ্ৰীশঙ্কৰদেৱ আৰু শ্ৰীমাধৱদেৱ' পঢ়িয়েই ভোলানাথে বেজবৰুৱাৰ অমৰত্ব সম্পৰ্কীয় ভৱিষ্যদ্বাণী কৰিছিল নে কি জানিব পৰা নাযায়; কিন্তু সাহিত্যানুৰাগযে ভোলানাথ বৰুৱাৰ আছিল, আৰু আছিল প্ৰতিভা চিনি পোৱাৰ এক অসাধাৰণ প্ৰতিভা, সেই কথা নিশ্চিতভাৱে ক'ব পাৰি দীপিকাৰ উক্তিটোৰ পৰাও।

পদ্মনাথ গোহাঞিবৰুৱাই 'বন্তি' কাকতৰ বাবে অৰ্থ-সাহায্য বিচাৰি যাওঁতে পিছে ভোলানাথ বৰুৱাই তেওঁক বৰ উৎসাহ নিদিছিল। 'বন্তি'ৰ লেখীয়া সৰু কাকত এখনৰ ভূমিকা বা ভৱিষ্যৎ সম্পৰ্কত হয়তোবা বৰুৱা বৰ আশাবাদী হ'ব পৰা নাছিল। ভোলানাথে বোলে গোহাঞিবৰুৱাক এই বুলিছে কৈছিল যে গোহাঞিবৰুৱাই "যদি কলিকতাৰ 'ইংলিচম্যান', 'ষ্টেট্ছম্যান' আদিৰ নিচিনাকৈ এখন ওখ খাপৰ ইংৰাজী দৈনিক কাকত প্ৰচাৰ কৰিব'ল" গাত ল'ব পাৰে, তেন্তে ভোলানাথেও গাত ল'ব "এখন প্ৰথম শ্ৰেণীৰ ছপা যন্ত্ৰৰ সৈতে আৰ্থিক সাহায্য দান কৰিবলৈ।" ভোলানাথৰ সেই প্ৰস্তাৱ আছিল গোহাঞিবৰুৱাৰ ধাৰণাৰ অতীত। তথাপি ভোলানাথে পদ্মনাথক বিমুখ নকৰি পাছ দিনা বি• বৰুৱা কোম্পানীৰ কৰ্মচাৰী লবোৰাম শইকীয়াৰ হাতত পদ্মনাথলৈ ২৫ টকা পঠিয়াই দিলে "সেই কেইটকা সাম্প্ৰতিকভাৱে মাথোন বাট খৰচা" হিচাপে ('মোৰ সোঁৱৰণী', অ• প্ৰ. পৰিষদ, পৃ. ১৭৮)।

গোহাঞিবৰুৱাক তেনেকৈ কোৱা কথাৰ পৰা 'ইংলিচম্যান', 'ষ্টেট্ছম্যান' আদি কাকতৰ লেখীয়া দৈনিক ইংৰাজী কাকত এখন প্ৰকাশ কৰাৰ ইচ্ছা ভোলানাথ বৰুৱাৰ আছিল বুলি অনুমান কৰিব পাৰি। তেওঁ নিজেও আছিল 'দ ষ্টেট্ছম্যান' কাকতৰ পঢ়ুৱৈ।

১৮৯৫ চনৰ ১৬ জানুৱাৰীৰ পৰাই তেওঁ এই কাকতখনৰ পঢ়ুৱৈ বা নিয়মীয়া গ্ৰাহক হয় বুলি বেজবৰুৱাৰ উপৰোক্ত তাৰিখৰ দিনলেখাই কৈছে (Sending *The Statesman* to Mr: Borooah from today.)। পঢ়ুৱৈ হিচাপে বৰুৱাই বাতৰি কাকতৰ জাননীবোৰো খবৰবোৰ পঢ়াৰ দৰেই পঢ়িছিল। কাৰণ, "বেহা-বেপাৰ, ব্যৱসায়-বাণিজ্যৰ বিষয়ে বহুত কথা তাৰ পৰা জানিব পাৰি" বুলি লক্ষ্মীনাথ ফুকনৰ আগত তেওঁ কৈছিল। এই প্ৰসংগতে কৈ থ'ব পাৰি, গল্প-উপন্যাস আদি পঢ়াতকৈ চিন্তামূলক লেখাৰ প্ৰতিহে পঢ়ুৱৈ হিচাপে বৰুৱাৰ আকৰ্ষণ আছিল বেছি। মোক্ষনাথ ফুকনে শিক্ষা সম্বন্ধে ইংৰাজী ভাষাত লিখা কিতাপখন পঢ়ি বৰুৱাই ভাল পোৱাৰ কথা লক্ষ্মীনাথ ফুকনে কৈছে (ম. প. ৰূ., পৃ. ৮৪)। অসমীয়া আলোচনী 'জোনাকী'ৰো গ্ৰাহক আছিল ভোলানাথ বৰুৱা। আলোচনীখনৰ প্ৰথম ভাগৰ চতুৰ্থ সংখ্যাত প্ৰকাশিত "ধন পোৱা ৰছিত"ত এটকা চাৰি অনাকৈ বৰঙণি দিয়া যি ছগৰাকী ব্যক্তিৰ নাম মুদ্ৰিত হৈছে, তাৰে দ্বিতীয় গৰাকীয়েই হৈছে তেতিয়া মাণিকচন্দ্ৰ বৰুৱাৰ ব্যৱসায়-সংক্ৰান্তত গোৱালপাৰাত থকা "শ্ৰীযুত ভোলানাথ বৰুৱা"। আন আৰু প্ৰথম গৰাকী ব্যক্তি আছিল "Mrs. M: C: Borooah (Gowahati)"।

নিজৰ ভাষা-সাহিত্যৰ উপৰি অন্যান্য সামাজিক অনুষ্ঠান-প্ৰতিষ্ঠানৰ প্ৰতিও ভোলানাথ বৰুৱাই দান দিছিল প্ৰচুৰ। গুৱাহাটীৰ সনাতন ধৰ্ম সভাৰ নিমিত্তে অনুষ্ঠানটোৰ উদ্যোক্তা কালীচৰণ সেনে ভোলানাথক ১৫ হাজাৰ টকাৰ দান এটা বিচাৰিছিল ১২।৩।১৯২২ তাৰিখে। "তেওঁ কিমান দিব নক'লে, কিন্তু কিছু দিম বুলিলে।" (প. হে. গো. ৰচনাৱলী, পৃ. ৫৪৫)।

ঝাড়সোগড়াত ভোলানাথে দাতব্য চিকিৎসালয় এখন স্থাপন কৰি দিছিল। ১৯২২ চনৰ ৮ জানুৱাৰীত সেই চিকিৎসালয়খনৰ প্ৰতিষ্ঠা উৎসৱ অনুষ্ঠিত হৈছিল। সেই দিনা বেজবৰুৱাৰ উপৰি

ডেপুটী কমিছনাৰ ইংগলৃছ, জে. এন. সেন আৰু বৰুৱাই একেলগে মধ্যাহ্ন ভোজন কৰিছিল 'ঝাড়সোগড়া বিশ্রেষ্ট'ত।

ৱাল্‌টেয়াৰ হাস্পতালত ভোলানাথ বৰুৱাই ৩০ হাজাৰ টকা দান দিয়াৰ কথাও শুনা যায় 'জয়ন্তী'ৰ তৃতীয় বছৰৰ ষোড়শ সংখ্যাত (১৭ ছেপ্টেম্বৰ ১৯৪০) প্ৰকাশ পোৱা সম্পাদকীয় টোকা এটাৰ পৰা। কোৱা প্ৰয়োজন যে কাকতখনৰ তৃতীয় বছৰৰ পঞ্চদশ সংখ্যাত প্ৰকাশিত চন্দ্ৰকান্ত বৰকাকতীৰ এটা লেখাত তেতিয়াৰ অসমৰ "কেওা বাবু" সকলৰ কাৰ্য-কলাপৰ বিষয়ে কিছু কথা পোহৰলৈ আহিছিল। সেই কথাখিনিৰ প্ৰতিবাদ স্বৰূপে তেতিয়াৰ কামৰূপ জিলাৰ সৰুপেটাৰ জনৈক এম. পি. আগৰৱালাই সম্পাদকলৈ লিখাত সম্পাদকে 'চিঠিৰ সমিধান' শীৰ্ষেৰে ষোড়শ সংখ্যাত যিখিনি কথা কৈছিল, তাৰ মাজতে প্ৰাসংগিকভাৱে ভোলানাথ বৰুৱাৰ বদান্যতাৰ কথা প্ৰকাশ পাইছিল এনেকৈ, "আমাৰ মনত আছে, অসমীয়া সাউদ ভোলানাথ বৰুৱাই ১৯২২ চনত মাদ্ৰাজৰ ভিজাগপট্টম বা ৱাল্‌টেয়াৰ হাস্পতালত বিজুলী পাংখা আৰু চাকি দিবলৈ ৩০,০০৮ টকা দান কৰিছিল। দান দিবৰ সময়ত সাউদ ডাঙৰীয়াই প্ৰস্তাৱ কৰিলে যে তেখেতে কলিকতাৰ পৰা তেখেতৰ নিজৰ ভাল মানুহ আনি দি কামটো ভালৰূপে কৰাই দিয়াৰ। হাস্পতালৰ বোৰ্ড আৰু গৱৰ্ণমেণ্টে এই প্ৰস্তাৱ গ্ৰহণ নকৰিলে, আৰু ক'লে যে বৰুৱাই টকা দান কৰিছে, তাৰ কাৰণে আমি কৃতজ্ঞ; কিন্তু কাম আমি মাদ্ৰাজী মানুহৰ দ্বাৰাইহে কৰাই ল'ম। এয়া শ'ল দান দিয়াৰ কথা।" সংশ্লিষ্ট সম্পাদকীয় টোকাটোৰ উদ্দেশ্য আছিল যদিও চন্দ্ৰকান্ত বৰকাকতীৰ লেখাটোৰ বক্তব্য বিষয়ক সমৰ্থন জনোৱা, তাৰ মাজত প্ৰকাশ পোৱা ভোলানাথ বৰুৱা সম্পৰ্কীয় কথাখিনিয়ে তেওঁৰ উদাৰ-হস্ততাৰ সাক্ষ্য বহন কৰিছে। পৰিমাণটোৰ কথা উল্লেখ কৰা নাই যদিও কেশৱকান্ত বৰুৱায়ো তেখেতৰ পূৰ্বোক্ত লেখাটোত ৱাল্‌টেয়াৰ হাস্পতালত ভোলানাথে কিছু টকা দান

নিয়াৰ কথা কৈছে। ৰাল্‌টেয়াৰৰ লগত যে ভোলানাথৰ ব্যৱসায়িক সম্পৰ্ক আছিল আৰু তেওঁ ঘনাই তালৈ যাতায়াত কৰিব লগীয়া হৈছিল, তাৰ সাক্ষ্য দিছে বেজবৰুৱাৰ দিনলেখাই।

কেশৱকান্ত বৰুৱাই এই কথাও কৈছে যে ভোলানাথ বৰুৱাৰ চিম্‌লাতো ঘৰ-সম্পত্তি আছিল, আৰু সেই সম্পত্তি তেওঁ বাৰাণসী হিন্দু বিশ্ব-বিদ্যালয়ক দান-সূত্ৰে অৰ্পণ কৰিলে। সেই সম্পত্তিৰ মূল্য বোলে তেতিয়া এক লাখ টকাৰো অধিক। লক্ষ্মীনাথ ফুকনৰ আগতো ভোলানাথ বৰুৱাই নিজে কৈছিল, "চিম্‌লাত থকা 'বৰুৱা আসাম হাউচ' নামৰ তেওঁৰ ঘৰটোৰ পৰা পোৱা আয়খিনি তেতিয়াৰ পৰা বাৰাণসীৰ হিন্দু বিশ্ববিদ্যালয়ে পাব" বুলি। কেশৱকান্ত বৰুৱাৰ পূৰ্বোক্ত লেখাটোত এই কথাও আছে যে ভোলানাথৰ সেই সম্পত্তিৰ পৰা হোৱা আয়ৰ কিছু অংশেৰে অসমৰ পৰা তাত ইঞ্জিনীয়াৰিং পঢ়িবলৈ যোৱা ছাত্ৰসকলক কেইটামান বৃত্তি দিয়াৰো ব্যৱস্থা আছিল। বাৰাণসী হিন্দু বিশ্ববিদ্যালয়ত ভোলানাথ বৰুৱাই দিয়া দানৰ কথাটো কনকলাল বৰুৱায়ো কৈছে অসম সাহিত্য সভাৰ সভাপতিৰ আসনৰ পৰা। কনকলাল বৰুৱাৰ মতে, "কাশীৰ হিন্দু বিশ্ববিদ্যালয়ৰ বাবে ১,২৫,০০০ টকা" দিয়ে ভোলানাথে। তেওঁৰ কথাত অৱশ্যে চিম্‌লাৰ ঘৰ-সম্পত্তিৰ উল্লেখ ঘটা নাই (দ্ৰষ্টব্য: 'অসম সাহিত্য সভাৰ ভাষণাৱলী' ১ম ভাগ, ১৯৫৫, পৃ. ৯৫)।

পিছে, 'জয়ন্তী'ৰ চতুৰ্থ বছৰৰ চতুৰ্দশ সংখ্যাত (১৬ আগষ্ট ১৯৪১) প্ৰকাশিত উপেন্দ্ৰ কুমাৰ বৰুৱাৰ এটা প্ৰবন্ধত ('হিন্দু বিশ্ববিদ্যালয় আৰু মালব্যজী') শিক্ষানুষ্ঠানটোৰ প্ৰতি আগবঢ়োৱা বিভিন্নজন দাতাৰ বিভিন্ন দানৰ কথা কোৱা হৈছে যদিও ভোলানাথ বৰুৱাৰ নাম বা দানৰ কোনো ধৰণৰ উল্লেখ ঘটা নাই। উপেন্দ্ৰকুমাৰ বৰুৱাই প্ৰবন্ধটোত বিশ্ববিদ্যালয়খনৰ ইঞ্জিনীয়াৰিং শাখাটোৰ কথা কওঁতে এনেকৈ কৈছে,• "ৰামপুৰৰ নবাব চাহাবে ইঞ্জিনীয়াৰিং কলেজৰ 'চেণ্ট্ৰেল হল' তৈয়াৰ কৰোঁতে এলাখ টকা দান কৰিছিল,

সেইবাবে সেই হলটোৰ নাম ৰখা হয় 'ৰামপুৰ হল'। মেকানিকেল আৰু ইলেক্‌ট্রিকেল ইঞ্জিনীয়াৰিং চেয়াৰৰ বাবে পাতিয়ালা দৰবাৰে বছৰি ২৪,০০০ টকা সাহায্য কৰে। যোধপুৰৰ দৰবাৰে তুলাখ টকা দান কৰাত 'মাইনিং আৰু মেটালাৰ্জি' (Mining and Matallurgy) বিভাগ খোলা সম্ভৱ হৈছে। যোধপুৰৰ 'হাৰ্ডিঞ্জ টেক্‌নলজি'ৰ চেয়াৰৰ বাবে আৰু ২৪০০ টকা বছৰি দিয়ে।"—উদ্ধৃত অংশটোত ভোলানাথ বৰুৱাৰ নামটোৰ অনুল্লেখে কেশৱকান্ত বৰুৱাই কোৱা ইঞ্জিনীয়াৰিং বিষয় অধ্যয়ন কৰা অসমৰ ছাত্ৰসকলে ভোলানাথ বৰুৱাৰ দানৰ পৰা বৃত্তি লাভ কৰোৱা বিষয়টো সন্দিগ্ধ কৰি তুলিছে। অন্যথা, প্ৰবন্ধটোৰ লেখক উপেন্দ্ৰকুমাৰ বৰুৱাই সানন্দে আৰু সগৌৰৱে ভোলানাথ বৰুৱাৰ নাম-দানৰ উল্লেখ নকৰাৰ কাৰণ আপাততঃ একো নাই।

কিন্তু বাৰাণসী হিন্দু বিশ্ববিদ্যালয়েযে ভোলানাথ বৰুৱাৰ দান লাভ কৰিছিল, সেই বিষয়ে সন্দেহৰ অৱকাশ থাকিবই নোৱাৰে। কলিকতা বিশ্ববিদ্যালয়ৰ অন্যতম উপাচাৰ্য ছাৰ দেৱপ্ৰসাদ সৰ্বাধিকাৰীয়ে ১৯২৫ চনত যোৰহাটত অনুষ্ঠিত অসম ছাত্ৰ সন্মিলনৰ সভাপতিৰ আসনৰ পৰা কোৱা এষাৰ কথা এনেকুৱা: "মোৰ মৃত বন্ধু মিঃ বি. বৰুৱাৰ (যিজনে বেনাৰস য়ুনিভাৰ্ছিটিলৈ ডাঙৰ দান এটি দিছে) দানৰ পৰা অতি সোনকালে যোৰহাটৰ স্থানীয় স্কুলটোৰ লগতে আন এটি শিল্প বিদ্যাৰ ভাল স্কুল হ'ব বুলি মোৰ দৃঢ় বিশ্বাস" (ভাষণমালা, অ. প্ৰ. প., ১৯৬০, পৃ. ১৭৩)। এই কথাষাৰত প্ৰকাশ পোৱা "ডাঙৰ দান এটি" অংশটোৱে কনকলাল বৰুৱাই স্পষ্টভাৱে কোৱা ১,২৫,০০০ টকাৰ সংখ্যাটোকে আমাৰ মনলৈ স্বাভাৱিকতে আনে। কলিকতা বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ছাৰ দেৱপ্ৰসাদ সৰ্বাধিকাৰীয়ে ভোলানাথ বৰুৱাৰ নাম উচ্চাৰণ কৰোঁতে 'বন্ধু' বুলি কোৱাটোও নিশ্চয় গৌৰৱৰ কথা। এইখিনিতে কৈ থওঁ, বাৰাণসী হিন্দু বিশ্ববিদ্যালয়ত ভোলা-নাথ বৰুৱাৰ দান সম্পৰ্কীয় সম্যক অৱগতিৰ অৰ্থে আমি নিজে

এঁকাধিক বাৰ বিশ্ববিদ্যালয়খনৰ পঞ্জীয়কলৈ চিঠি লিখিও সিটো দিশৰ পৰা কোনো ধৰণৰ সঁহাৰি নাপালোঁ। সি যি হওক, ভোলানাথ বৰুৱাৰ একাধিক ঘৰৰ নামকৰণত 'কামৰূপ' আৰু 'আসাম' শব্দ দুটা জড়িত হৈ থকাটো তেওঁৰ অসম-প্ৰীতিৰে পৰিচায়ক নিশ্চয়। জ্ঞানদাভিৰাম বৰুৱাই একেটা প্ৰসংগতে কৈছে, "তেওঁ য'লৈকে গৈছে, আসামৰ নাম জ্বলাই গৈ আছে" (জ্ঞা. ব. ৰ., পৃ. ২৫৭)।

পিছে, ব্ৰিটিছৰ প্ৰতি প্ৰীতিও ভোলানাথ বৰুৱাৰ কম নাছিল। যোৰহাটত প্ৰিন্স অফ ৱেল্‌চৰ নামেৰে কাৰিকৰী শিক্ষানুষ্ঠান এটা স্থাপন কৰিবলৈ ভোলানাথ বৰুৱাই অসম চৰকাৰক এক লাখ টকা দান দিলে। মহাত্মা গান্ধী আৰু কংগ্ৰেছৰ আহ্বানত ভাৰতীয় জনসাধাৰণে যি সময়ত প্ৰিন্স্ অফ ৱেল্‌চৰ ভাৰত আগমনৰ প্ৰতিবাদ জনাইছিল, ঠিক সেই সময়তে ভোলানাথ বৰুৱাই ব্ৰিটিছ ব্যক্তিগৰাকীৰ নাম অসমত যুগমীয়া কৰাৰ উদ্দেশ্যে মুক্ত হস্তে এক লাখ টকা দান দিয়াটো আপাতদৃষ্টিত তেওঁৰ প্ৰতিক্ৰিয়াশীল মনোভংগীৰেই পৰিচায়ক। প্ৰিন্স্ অফ ৱেল্‌চে ভাৰতৰ মাটিত (বোম্বাইত) ভৰি দিছিল ১৯২১ চনৰ ১৭ নৱেম্বৰত, আৰু সম্পূৰ্ণ চাৰি মাহ কাল ভাৰতত থাকি ১৯২২ চনৰ ১৭ মাৰ্চত ভাৰত এৰি সুদূৰ প্ৰাচ্য অভিমুখে যায়। তেওঁ বোম্বাইত ভৰি দিয়াৰ আগদিনায়, ১৬ নৱেম্বৰত, কলিকতাত অভূতপূৰ্ব হৰতাল পালিত হয়। লক্ষ্মীনাথ ফুকনে কোৱা মতে, "ইয়াৰ পিছদিনা কি তাৰ পিছদিনা" ভোলানাথ বৰুৱাই ফুকনক এখন নে দুখন কাগজ পঢ়িবলৈ দিলে, "আৰু তেৰোঁ ব্যাখ্যা কৰি গ'ল যে প্ৰিন্স্ অব ওৱেল্‌চৰ ভাৰত আগমন উপলক্ষ্যে তেওঁ অসম গৱৰ্ণমেণ্টক এক লাখ টকা দান দিছে যোৰহাটত প্ৰিন্স্ অব ওৱেল্‌চৰ নামে এটা টেক্‌নিকেল স্কুল স্থাপন কৰিবলৈ।" অনুষ্ঠানটো বৰুৱাৰ নিজৰ নামতে দিব পাৰিলেহেঁতেন বুলিও ফুকনে বৰুৱাক কৈছিল। কিন্তু বৰুৱাই বোলে বুজি দেখুৱালে "প্ৰিন্স্ অব ওৱেল্‌চৰ নামে টেক্‌নিকেল স্কুলটো দিছোঁ এইবাবেই যে স্কুলটো

কেতিয়াও নমৰে। ইংৰাজ গৱৰ্ণমেণ্টে প্ৰিন্স্ অব্ ওৱেলচৰ নামি থকা স্কুলটো মৰিবলৈ নিদিয়ে” বুলি (ম. প. ক., পৃ. ৮৩)। ভোলানাথ বৰুৱাৰ উত্তৰটোত প্ৰিন্স্ অফ ৱেলচৰ প্ৰতি থকা প্ৰীতি বা ব্ৰিটিছ-ভক্তিতকৈ তেওঁৰ উত্তৰ পুৰুষৰ অসমীয়াসকলৰ প্ৰয়োজন-সম্পূৰক কাৰিকৰী শিক্ষানুষ্ঠান আৰু শিক্ষাৰ প্ৰতি অনুৰক্তিহে অধিক পৰিমাণে নিহিত আছে বুলি আমি ভাবোঁ।

“টেক্‌নিকেল এডুকেচন অৰ্থাৎ যাক যন্ত্ৰবিদ্যা সম্বন্ধীয় বিদ্যা বোলা যায়, আমাক বৰকৈ লাগে। আমাৰ বাৰিষ্টাৰ, উকীল, ডাক্তৰ, প্ৰফেছৰ, মনচুপ, চব ডেপুটী হ’ব নোৱৰাসকলে যি বিদ্যা শিকিলে নিজৰ ভাত মোকোলাই খাব পাৰিব আৰু সেই সম্বন্ধে নিজৰ দেশৰ অভাৱ মোচন কৰি দেশক সমৃদ্ধিশালী কৰিব পাৰিব, তেনে বিদ্যাহে আমাক বৰকৈ লাগে, তাত সন্দেহ কি? আমাৰ সকলো মানুহেই পইচা পোৱা ডাক্তৰ-উকিল হ’ব নোৱাৰে, তালৈ ঠায়ো কম। অথচ আমাৰ দেশত আজি-কালিৰ নতুন গঢ়ৰ কমাৰ, কুমাৰ, বাঢ়ৈ, চৰ্মকাৰৰ বিদ্যা আৰু কল-কাৰখানা আদিৰ বিদ্যা জনা লোকৰ যে কি ভয়ানক অভাৱ তাক কৈ শেষ কৰিব নোৱাৰি। আমাৰ ডেকা-সকলৰ এই ফালেও বৰকৈ লক্ষ্য থকা উচিত আৰু এই শ্ৰেণীৰ বিদ্যা আমাৰ ডেকাসকলে শিকিবলৈ সুবিধা আৰু সস্তৱ হ’বৰ নিমিত্তে আমি গৱৰ্ণমেণ্টৰ ফালে স্বভাৱতে চাবই লাগিব।” —উদ্ধৃত কথা-খিনি লক্ষ্মীনাথ বেজবৰুৱাৰ। ১৯১৬ চনত অনুষ্ঠিত অসম ছাত্ৰ সম্মিলনৰ প্ৰথম অধিবেশনৰ সভাপতিৰ আসনৰ পৰা কৈছিল বেজ-বৰুৱাই এই কথাখিনি (দ্ৰষ্টব্য: বেজবৰুৱা গ্ৰন্থাৱলী, ২য় খণ্ড, ১৯৭০, পৃ. ১৮৪৬)।

অসমত যান্ত্ৰিক শিক্ষাৰ অত্যাৱশ্যকীয়তা সম্বন্ধে লক্ষ্মীনাথ বেজ-বৰুৱাই তেনেকৈ কোৱাৰ পাঁচ বছৰৰ পাছত, নতুবা বেজবৰুৱাই কথাখিনি তেনেকৈ কোৱাৰ অব্যৱহিত পৰবৰ্তী কালছোৱাত সদাগৰ ভোলানাথ বৰুৱাই অসমৰ ভৱিষ্যৎ পুৰুষৰ হিতকাৰী শিক্ষানুষ্ঠান

ৰ'বোৱে এক লাখ টকা চৰকাৰক দান দিবলৈ সিদ্ধান্ত কৰি সেই দিশত বহু দূৰ আগ বাঢ়ি যোৱাটো সামান্য কথা নহয়। তেনে এটা শিক্ষানুষ্ঠান যাতে কেতিয়াও নমৰে, সেইটোহে আছিল ভোলানাথৰ প্ৰধান লক্ষ্য। তাৰ বাবে চৰকাৰৰ মুখাপেক্ষী হোৱাটো বা ব্ৰিটিছৰ প্ৰতি আনুগত্য প্ৰকাশ কৰাটো দোষৰ কথা হ'ব নোৱাৰে। "আমি গৱৰ্ণমেণ্টৰ ফালে স্বভাৱতে চাবই লাগিব"—এনেকৈ কৈছিল দেখোন বেজবৰুৱাৰ দৰে নিজ স্বাধীন মনোবৃত্তিৰ ব্যক্তিগৰাকীয়েও, তাকো আকৌ অসম ছাত্ৰ সন্মিলনৰ অধিবেশনত। তেনে স্থলত সদাগৰ ভোলানাথ বৰুৱাই নিজৰ নামটো যুগমীয়া কৰিবলৈ কোনো ধৰণৰ চেষ্টা নকৰি ১৯২২ চনত অসম চৰকাৰক এক লাখ টকাৰ পুঁজি এটা অৰ্পণ কৰাটো ব্যক্তিত্বৰ মহানতা আৰু হৃদয়ৰ বিৰলপ্ৰায় উদাৰতা বুলি স্বীকাৰ কৰিবই লাগিব।

প্ৰিন্স অফ্ ৱেল্‌চৰ নামত যোৰহাটত যান্ত্ৰিক স্কুল এখন স্থাপন কৰিবলৈ ভোলানাথ বৰুৱাই চৰকাৰক এক লাখ টকা দান দিয়ে ১৯২২ চনত। আমি পূৰ্বে দেখুৱাই অহা হাৰ দেৱপ্ৰসাদ সৰ্বাধিকাৰীৰ উক্তিত প্ৰকাশ পোৱা "যোৰহাটৰ স্থানীয় স্কুল" ভোলানাথ বৰুৱাৰ এই দানেৰে হ'ব লগীয়াথনেই। সেই দান বৰুৱাই তেওঁৰ কলিকতা-ভিত্তিক 'বি. বৰুৱা এণ্ড কোম্পানী'ৰ তৰফৰ পৰা অক্ষয় পুঁজি হিচাপে আগবঢ়ায়। ১৯২২ চনৰ ১২ আগষ্টত প্ৰকাশ পোৱা চৰকাৰী বিজ্ঞপ্তিত কোৱা মতে সেই দানেৰে এটা স্থায়ী নিধিকোষ গঠন কৰি অসম উপত্যকাত প্ৰিন্স অফ্ ৱেল্‌চৰ নামত এখন যান্ত্ৰিক স্কুল নিয়মিতভাৱে চলাই থকা হ'ব। সেই সম্পৰ্কীয় চৰকাৰী বিজ্ঞপ্তিখনৰ প্ৰথম ছেদত দেখুৱা মতে ভোলানাথে শতকৰা ৩½ অংশ সুদৰ ২৫ হাজাৰ টকীয়া চাৰিখন চৰকাৰী প্ৰতিজ্ঞা-পত্ৰ (Government Promissory Note) কিনি চৰকাৰক অৰ্পণ

কৰে। ১৮৫৪-৫৫ চনৰ প্ৰতিজ্ঞা-পত্ৰকেইখনৰ বিবৰণ এনে ধৰণৰ :-

১.	১৬১৯৭৫ সংখ্যক পত্ৰ—			২৫,০০০ টকা
২.	১৯১১১১	”	” —	২৫,০০০ ”
৩.	১৯৬৬৪০	”	” —	২৫,০০০ ”
৪.	১৯১১১২	”	” —	২৫,০০০ ”
			মুঠ	১,০০,০০০ টকা

উক্ত চৰকাৰী বিজ্ঞপ্তিখনৰ দ্বিতীয় ছেদত দেখুৱা মতে সেই পুঁজিৰ আঁচনি আছিল এনেকুৱা :—

১. দাতাজনৰ নামেৰে সেই নিধিকোষৰ নাম হ'ব 'ভোলানাথ বৰুৱা নিধিকোষ' (Bholanath Borooah Endowment Fund), আৰু এই স্থায়ী নিধিকোষটো অসম উপত্যকাৰ প্ৰস্তাৱিত যান্ত্ৰিক স্কুলখনৰ উদ্দেশ্যে ব্যৱহৃত হ'ব।

২. প্ৰস্তাৱিত যান্ত্ৰিক স্কুলখন যথাসম্ভৱ শীঘ্ৰে অসম উপত্যকাৰ মধ্য স্থল, যেনে, যোৰহাটত স্থাপন কৰা হ'ব, আৰু স্কুলখনত কাৰিকৰী পাঠ্যক্ৰমতকৈ উচ্চ ধৰণৰ প্ৰায়োগিক আৰু ঔদ্যোগিক শিক্ষাৰ বিধান থাকিব।

৩. প্ৰস্তাৱিত স্কুলখনৰ নাম হ'ব 'হিজ ৰয়েল হাইনেছ দ্য প্ৰিন্স্ অফ্ ৱেল্চ টেক্নিকেল স্কুল' (His Royal Highness the Prince of Wales Technical School), আৰু স্কুলখন এটা চৰকাৰী অনুষ্ঠান হৈ থাকিব।

৪. পুঁজিটো পৰিচালিত হ'ব শিৱসাগৰ জিলাৰ উপায়ুক্ত (Deputy Commissioner) আৰু অসমৰ উদ্যোগ বিভাগৰ সঞ্চালক (Director of Industries, Assam)-ৰ দ্বাৰা যুটীয়াভাৱে।

৫. প্ৰথম ছেদত দেখুৱা প্ৰতিভূতি (Security)-ৰ পৰা হোৱা আয় উক্ত স্কুলখন চলোৱাৰ প্ৰয়োজনতহে ব্যৱহৃত হ'ব। প্ৰতিভূতিৰ

পৰা হোৱা আয় দাতব্য নিধিকোষৰ অধ্যক্ষ (Treasurer) জনে শিৱসাগৰ জিলাৰ উপায়ুক্তলৈ ছমাহৰ মূৰে মূৰে পঠিয়াই থাকিব।

৬. স্কুলখনত নাম-ভৰ্তিৰ বেলিকা যিমানলৈকে সম্ভৱ সিমান-লৈকে অসম উপত্যকাৰ খিলঞ্জীয়া অধিবাসীসকলক অগ্ৰাধিকাৰ দিয়া হ'ব।

৭. পুঁজিটোৰ হিচাপ পৰীক্ষা কৰিব অসমৰ স্থানীয় নিধি হিচাপ পৰীক্ষকে (Examiner of Local Fund Accounts; Assam) নাইবা ন্যাস পুঁজি পৰিচালনা সংক্ৰান্ত চৰকাৰী বিধি অনুযায়ী স্থানীয় প্ৰশাসনৰ দ্বাৰা নিযুক্ত যি-কোনো বিষয়াই।

৮. স্কুলখন স্থাপিত হোৱাত যদিহে পলম হয়, নিধিকোষৰ প্ৰথম ছেদত উল্লেখ কৰা পুঁজিটো অসমৰ বাইজৰ উপকাৰৰ অৰ্থে চৰকাৰে যান্ত্ৰিক আৰু ঔদ্যোগিক শিক্ষাৰ যেই-সেই আঁচনিতে ব্যৱহাৰ কৰিব।

৯. পুঁজিটো পৰিচালনাৰ বাবে অসম চৰকাৰে সময়ে সময়ে বিধি নিৰ্দ্ধাৰণ কৰিব পাৰিব—এই আঁচনিৰ কোনো উপবন্ধ (provisions)-ৰ লগত অসংগতি নঘটোৱাকৈ।

চৰকাৰী বিজ্ঞপ্তিটো প্ৰচাৰিত হৈছিল অসম চৰকাৰৰ দ্বিতীয় সচিব লেইন (A. J. Laine, Second Secretary to the Govt: of Assam)-ৰ নামত।

পিছে, ১৯২২ চনতে 'ভোলানাথ বৰুৱা নিধিকোষ' (Bholanath Borooah Endowment Fund) গঠিত হ'লেও যোৰহাটৰ যান্ত্ৰিক স্কুলখনৰ জন্ম অনুষ্ঠানটোৰ পিতৃপুৰুষজনে দেখি যাবলৈ নাপালে। শিক্ষানুষ্ঠানটো স্থাপিত হয় ১৯২৭ চনতহে, দাতা ভোলানাথ বৰুৱাৰ মৃত্যুৰ প্ৰায় চাৰি বছৰৰ পাছতহে। ১৯২৮-চনৰ জানুৱাৰী মাহৰ ১৬ তাৰিখে অসমৰ গৱৰ্ণৰ ছাৰ ল'ৰি হাম্মণ্ডে আনুষ্ঠানিকভাৱে স্কুলখন মুকলি কৰে বুলি উপেন্দ্ৰকুমাৰ বৰুৱাই তেখেতৰ অসমৰ জিলিঙণি বিষয়ক গ্ৰন্থ ('A Glimpse of

Assam')-ত কৈছে ("...the Prince of Wales Technical School at Jorhat, which was opened by Sir Laurie Hammond, Governor of Assam, on the 16th January, 1928, and the munificent donation of a lakh of rupees by the late Mr. Bholanath Borooah for this purpose has been invested in securities as the Bholanath Borooah Endowment Fund for the use of this useful institution."—p. 149)।

অনুষ্ঠানটো স্থাপিত হোৱাত কনকলাল বৰুৱাৰ উদ্যোগৰ কথাও এইখিনিতে সুঁৱৰিব পাৰি ; বিশেষকৈ ভোলানাথৰ পৰা ধনখিনি দানসূত্ৰে আদায় কৰাৰ বেলিকা কনকলাল বৰুৱাৰ ভূমিকাৰ কথা পাহৰাটো উচিত নহ'ব। 'জয়ন্তী' কাকতে কনকলাল বৰুৱাৰ মৃত্যু-প্ৰসংগত কৈছে, "যোৰহাটৰ প্ৰিন্স্ অব্ ৱেল্‌চ টেক্‌নিকেল স্কুল পতাৰ গুৰিতে তেৱেঁই। বিখ্যাত সাউদ ভোলানাথ বৰুৱাই বহুত দিনৰে পৰা ভাবি আছিল যে কেনেকৈ অসমীয়া ছাত্ৰক শিল্প বিষয়ক শিক্ষা দিব পাৰি। এই কথাৰ সন্তেদ বৰুৱাদেৱে (কনক-লাল বৰুৱা চি. আই. ই.) পায়েই কলিকতালৈ গৈ সাউদৰ পৰা এক লাখ টকাৰ কাগজ আনি স্কুলখন পাতি দিলে, য'ৰ পৰা বছৰি বছৰি আজি ছাত্ৰ পাছ কৰি ওলাই দেশ জুৰি মানুহক প্ৰকাৰান্তৰে শিল্পভাবাপন্ন কৰিছে" ('কথা-প্ৰসংগ,' জয়ন্তী, ৩য় বছৰ ১ম সংখ্যা, ১৯৪০)।

যোৰহাটৰ উক্ত শিক্ষানুষ্ঠানটো হেনো পোনতে স্থাপিত হোৱাৰ কথা আছিল নগাঁও জিলাৰ কলীয়াবৰতহে। সেই সম্পৰ্কীয় কিছু সংবাদ এসময়ৰ কলীয়াবৰৰ এজন প্ৰথিতযশা শিক্ষক আৰু প্ৰখ্যাত সমাজকৰ্মী ৺খগেশ্বৰ গোস্বামীয়ে মৃত্যুৰ আগতে থৈ যোৱা আত্মজীৱনী-মূলক অপ্ৰকাশিত টোকা এটাৰ পৰা পোৱা গৈছে। ৺গোস্বামীৰ টোকাটোত প্ৰকাশ পোৱা মতে কলীয়াবৰৰ অঞ্চলত শিক্ষা-সম্প্ৰসাৰণৰ

অৰ্থে কলীয়াবৰীয়া ৰাইজৰ প্ৰতিনিধি-স্থানীয় ব্যক্তি কেইগৰাকীমানৰ অনুৰোধ-উপৰোধত আৰু তেতিয়াৰ ব্ৰহ্মপুত্ৰ উপত্যকাৰ স্কুল-পৰিদৰ্শক দুৰ্গাধৰ বৰকটকীৰ চুপাৰিছত কলীয়াবৰত এখন হাই স্কুল আৰু এখন টেক্নিকেল স্কুল স্থাপনৰ বাবে আৰ্থিক দান দিব বুলি সদাগৰ ভোলানাথ বৰুৱাই প্ৰতিশ্ৰুতি দিছিল ১৯২০ চনৰ মে' মাহত শ্বিলঙত অনুষ্ঠিত শিক্ষা বিভাগীয় এখন সভাত। অনুষ্ঠান দুটাৰ প্ৰাৰম্ভিক ব্যয় বাবদ প্ৰয়োজনীয় ১৬,৭৫০ টকাৰ এটা হিচাপো উদ্যোক্তাসকলে দাখিল কৰিছিল। ভোলানাথ বৰুৱা শ্বিলঙৰ পৰা কলিকতালৈ গৈয়েই দুহাজাৰ টকাৰ চেক এখনো ৰোলে পঠিয়াই দিলেগৈ উদ্যোক্তাসকললৈ। প্ৰতিশ্ৰুত এক লাখ টকাও হেনো তেওঁ অসম চৰকাৰক অৰ্পণ কৰিলে। ৺গোস্বামীয়ে টোকাটোত কোৱা মতে প্ৰস্তাৱিত "স্কুলৰ (টেক্নিকেল স্কুলৰ?) নাম 'বি. বৰুৱা ইন্ষ্টিটিউট' ৰখা হ'ল"। কিন্তু অনুষ্ঠানটোৰ স্থান নিৰ্ণয়ৰ বেলিকা স্থানীয় ৰাইজৰ মাজত মতানৈক্যই দেখা দিলে। তাৰ পৰিণাম স্বৰূপে ভোলানাথ বৰুৱাই ইতিপূৰ্বে আগ বঢ়োৱা দুহাজাৰ টকাৰ কথাও পৰিহাৰ কৰি কলীয়াবৰত স্থাপিত হ'ব লগীয়া শিক্ষানুষ্ঠানৰ প্ৰস্তাৱটো নিজেই প্ৰত্যাহাৰ কৰিলে, আৰু অসম চৰকাৰক দিয়া এক লাখ টকা কাৰিকৰী শিক্ষাৰ বেলিকা অসমৰ আন ঠাইত বিনিয়োজিত হোৱাটো বিচাৰিলে।

সদাগৰ ভোলানাথ বৰুৱাৰ বদান্যতাৰ সাক্ষ্য বহন কৰি আছে শ্বিলঙত অৱস্থিত 'আৰ্ল ছেনেটৰিয়াম' নামৰ প্ৰতিষ্ঠানটোৱেও। অসমৰ এসময়ৰ কমিছনাৰ আৰ্কডে'ল আৰ্লৰ প্ৰতি শ্ৰদ্ধাৰ চিন স্বৰূপেই বৰুৱাই এই প্ৰতিষ্ঠানটোৰ নামকৰণ তেনেদৰে কৰিলে নেকি, আৰু কৰিলে যদি কেতিয়া, প্ৰকৃত তথ্য-পাতিৰ অভাৱত সেই কথা নিশ্চিতভাৱে ক'ব পৰা নাযায়। তদুপৰি, বৰুৱাৰ শ্বিলঙৰ 'মেস্ৰ্ ৰেল্টন' নামৰ ঘৰটোৱেই 'আৰ্ল ছেনেটৰিয়াম'ত কেনেকৈ পৰিণত হ'ল, সেই বিষয়ক ঐতিহাসিক নথি-পত্ৰও বিভিন্ন কাৰণত

পাব নোৱৰা বাবে নগৈ গড়গাঁৱৰ বাতৰি কোৱাৰ পৰা আমি বিৰত থাকিলোঁ। কিন্তু উক্ত প্ৰতিষ্ঠানটোৰ লগত যে সদাগৰ ভোলানাথ বৰুৱাৰ স্মৃতি বিজড়িত হৈ আছে আৰু যুগমীয়া হৈও থাকিব, সেই কথা নিশ্চিতভাৱে ক'ব পাৰি।

ভোলানাথ বৰুৱাৰ বদান্যতাৰ চিন বৈ গ'ল বহু ঠাইত। কিন্তু অসম সাহিত্য সভাৰ লেখীয়া জাতীয় অনুষ্ঠান এটাক ভোলানাথ বৰুৱাই কোনো ধৰণৰ দান দিয়াৰ সংবাদ আমি পোৱা নাই। বৰুৱাৰ লগত সেই বিষয়ে যোগাযোগ কৰাৰ কথাও অনুষ্ঠানটোৰ কাৰ্যবিবৰণী বহীবোৰে নকয়। ১৯২০ চনত অসম সাহিত্য সভাৰ সভাপতিৰ পদ অলংকৃত কৰোঁতা পণ্ডিত হেমচন্দ্ৰ গোস্বামীৰ লগত ভোলানাথ বৰুৱাৰ অন্তৰংগতা থকা সত্বেও অসম সাহিত্য সভাৰ লগত ভোলানাথৰ সংযোগহীনতা বা অনুষ্ঠানটোৰ প্ৰতি ভোলানাথৰ উদাসীনতাৰ কোনো কাৰণ জানিব পৰা নাযায়। অৱশ্যে, যি সময়ত ভোলানাথ বৰুৱাই 'অসমীয়া সাহিত্যৰ চানেকি' ছপাবৰ বাবে কলিকতা বিশ্ববিদ্যালয়ক, বা যোৰহাটত যান্ত্ৰিক স্কুল খুলিবৰ বাবে অসম চৰকাৰক হাত উজাৰ কৰি দান দিছিল, সেই সময়ত অসম সাহিত্য সভা সক্ৰিয় হৈ থকা নাছিল—দেশৰ ৰাজনৈতিক বা-বতাহৰ বাবেই। সমগ্ৰ ভাৰত বিয়পা অসহযোগ আন্দোলনৰ ঢৌৱে তেতিয়া অসমকো প্লাবিত কৰি ৰাখিছিল। ভাষা-সাহিত্যৰ হৰি-কথাতকৈ ৰাজনৈতিক চাউলকঠাহে আছিল তেতিয়া অধিক প্ৰয়োজনীয়। তথাপি, তেতিয়াৰ অসম সাহিত্য সভাৰ কৰ্ণধাৰসকলে সামান্যতম উদ্যোগ লোৱা হ'লেও নিশ্চয় সদাগৰ ভোলানাথ বৰুৱাৰ বদান্যতাৰ পৰা মহান জাতীয় অনুষ্ঠানটো বঞ্চিত নহ'লহেঁতেন, আৰু সদাগৰ ভোলানাথ বৰুৱায়ো অসম সাহিত্য সভাৰ প্ৰতি মমত্ব অনুভৱ কৰাৰ সুযোগ পালেহেঁতেন। সদাগৰ ভোলানাথ বৰুৱাৰ মৃত্যুত নিচেই যান্ত্ৰিকভাৱেহে অসম সাহিত্য সভাই বেদনা প্ৰকাশ কৰিছিল বুলিব পাৰি। ১৯২৪ চনৰ এপ্ৰিল মাহৰ ২৬ তাৰিখে অনুষ্ঠিত সভাৰ কাৰ্যনিৰ্বাহক

সঁভাইত "তলৃত নাম দিয়া লোকসকলৰ বিয়োগত এই সন্মিলনে গভীৰ শোক প্ৰকাশ কৰি সিবিলাকৰ পৰিয়াললৈ আন্তৰিক সমবেদনা জনায়, আৰু সিবিলাকৰ আত্মাৰ সদগতি কামনা কৰে" বুলি গ্ৰহণ কৰা এটা প্ৰস্তাৱত (১ম প্ৰস্তাব) ৰায়বাহাদুৰ ফণীধৰ চলিহা, ৰায়বাহাদুৰ বিষ্টুৰাম বৰুৱা, চন্দ্ৰকান্ত সন্দিকৈ, ইন্দ্ৰকান্ত সন্দিকৈ আৰু কবি যমুনেশ্বৰী খাটনিয়াৰৰ লগতে সদাগৰ ভোলানাথ বৰুৱাৰো নামটো উল্লেখ কৰিছিল। আনন্দৰ কথা হ'ব পাৰে কেৱল এয়ে যে 'সদাগৰ ভোলানাথ বৰুৱা' নামটো আছিল তালিকাখনৰ প্ৰথম-টোৱেই। সদাগৰ ভোলানাথ বৰুৱাৰ বাবে অসম সাহিত্য সভাৰ আনুষ্ঠানিক চকুপানী তেতিয়া আছিল সিমানেই।

অনুষ্ঠানটোৰ ১৯২৪ চনত ডিব্ৰুগড়ত অনুষ্ঠিত অধিবেশনৰ সভাপতিৰ আসনৰ পৰা অংশ্ৰে কনকলাল বৰুৱাই ভোলানাথ বৰুৱাৰ বিয়োগত শ্ৰদ্ধা আৰু অশ্ৰুৰ অঞ্জলি যাচিছিল বাককৈয়ে। সভাপতি-ৰূপে পাঠ কৰা ভাষণত কনকলাল বৰুৱাই কৈছে, "...বছৰৰ প্ৰায় আদিতে আমাৰ দেশৰ নামজ্বলা সদাগৰ শ্ৰীযুত ভোলানাথ বৰুৱা কলিকতাত ঢুকাল। এওঁৰ মহৎ কীৰ্ত্তিৰ কথা অসমৰ সকলোৱে জানিছে। জকাইচুকৰ মানুহ হৈও এওঁ নিজ অধ্যৱসায় আৰু পুৰুষাৰ্থৰ বলত ভাৰতবৰ্ষৰ ভিতৰত এজন নামজ্বলা ডাঙৰ সদাগৰ হৈ দেশৰ নাম উজ্জ্বল কৰিলে। ভাৰতবৰ্ষৰ উত্তৰ-দক্ষিণ-পশ্চিম যি ঠাইলৈকে মই গৈছোঁ, সকলো ঠাইতে এওঁক চিনা বা এওঁৰ নাম জনা মানুহ লগ পাইছোঁ। আপোনালোকে জানিব পাৰে যে এওঁৰ উইল অনুসাৰে প্ৰায় ত্ৰিশ লক্ষ টকাৰ সম্পত্তিৰ শেষ উত্তৰাধিকাৰী অসমীয়া প্ৰজাবৃন্দ। জীৱিতাৱস্থাত এখেতে শিক্ষাৰ উন্নতিৰ নিমিত্তে ভালেমান মহৎ দান কৰি গৈছে। তাৰে ভিতৰত কাশীৰ হিন্দু বিশ্ববিদ্যালয়ৰ বাবে ১,২৫,০০০ টকা আৰু অসমত এটি টেক্‌নিকেল স্কুল খোলাৰ অৰ্থে ১,০০,০০০ টকা এই দুটি দানেই ধাৰ্য। এম. এ. পৰীক্ষাৰ পাঠ্য অসমীয়া সাহিত্যৰ সংগ্ৰহখনি ছপা কৰিবলৈ এওঁ

মৃত্যুৰ কিছুদিন পূৰ্বে য়ুনিভাৰ্চিটিক ১০ হেজাৰ টকা দিলে।” এই টকাৰ দ্বাৰা এতিয়া এই সংগ্ৰহখনি ছপা হ'ব লাগিছে। দেশহিতকৰ কামৰ বাবে এনেকৈ লক্ষ টকা দান কৰিও বৰুৱা ডাঙৰীয়া যথোচিত ৰাজসমানেৰে ভূষিত নহ'লেও অসমীয়া ৰাইজৰ মনত তেওঁৰ নাম চিৰস্মৰণীয়ভাৱে অঙ্কিত হৈ থাকিব” (অ. সা. স. ভাষণাৱলী, ১৯৫৫, পৃ. ৯৫)।

কনকলাল বৰুৱাই তেনেকৈ কোৱাৰ বাবেই নে কি নাজানো, তাৰ ছবছৰৰ পাছত ১৯২৬ চনত অনুষ্ঠিত অসম সাহিত্য সভাৰ প্ৰথম নগাঁও অধিবেশনত ‘অসমীয়া সদাগৰসকলৰ জীৱনী-সংগ্ৰহ’ নামৰ এখন গ্ৰন্থ ৰচনা কৰিবৰ বাবে নগাঁৱৰ গিৰীশচন্দ্ৰ বৰুৱাই এশ টকাৰ পুৰস্কাৰ এটা আগ বঢ়াইছিল। গ্ৰন্থখন প্ৰকাশ কৰাৰ কথা আছিল নগাঁৱৰ উকিল বিদ্যাধৰ বৰুৱাই। গ্ৰন্থখনৰ পৰীক্ষক মনোনীত কৰা হৈছিল লক্ষ্মীনাথ বেজবৰুৱাক। সদাগৰ ভোলা-নাথ বৰুৱাৰ বিয়োগৰ বাবেই নিশ্চয় তেনে এটা সাহিত্য-কৰ্মৰ প্ৰতি অসমীয়া লেখকসকলক আহ্বান জনোৱা হৈছিল, অনুপ্ৰাণিত কৰা হৈছিল। কিন্তু ‘অসমীয়া সদাগৰসকলৰ জীৱনী-সংগ্ৰহ’ নামৰ গ্ৰন্থ প্ৰকাশ হোৱাৰ কথা আমি নাজানো।

অৱশ্যে অসম সাহিত্য সভাই তেনে উদ্যোগ লোৱাৰ পূৰ্বেই, আৰু ভোলানাথ বৰুৱাৰ জীৱদ্দশাতে, আনন্দাভিৰাম বৰুৱাই কৈছিল, “....এনে এজন লোকৰ (বি. বৰুৱাৰ) জীৱনী থকা ভাল। তেওঁ এজন ‘কাকতী’ ৰাখি নিজৰ আত্মজীৱনী লেখোৱাব পাৰে। তেওঁৰ স্বাস্থ্য এতিয়া অলপ ভাল নহয় দেখি নিজে সেই কাম হাতত লোৱা ভাল নহয়; নহ'লে এজন কি দুজন ডেকা ল'ৰাই এই কাম হাতত লৈ আমাক ঋণী কৰিব পাৰে। তেওঁৰ জীৱনী বহু ঘটনাৰে পূৰ্ণ। ৩০ বছৰ আগেয়ে আসাম এৰি থৈ ১৫।২০ বছৰৰ পাছতে কেনেকৈ লক্ষপতি হ'ল আৰু সেই সময়ৰে পৰা কেনেকৈ তেওঁৰ উন্নতি হৈছে, সেইবোৰ কথা আমি জানিলে বহুতো উপকৃত হ'ম। আমাক

কোনেজনাৱ ?" প্ৰসংগটোৰ শেষত, গুণাভিৰাম বৰুৱাই আনন্দৰাম ঢেকিয়াল ফুকনৰ বিষয়ে লিখা জীৱনীখনৰ কথা কৈ জ্ঞানদাভিৰামে কথাখিনিৰ সামৰণি মাৰিছে এনেকৈ : "সেইদৰে মিষ্টৰ বি. বৰুৱাৰো ('বাণিজ্য-বীৰ' বৰুৱাৰ) জীৱনী থাকিলে আমাৰ ভৱিষ্যত সময়ৰ সন্তান-সন্ততিসকলৰ এই কিতাপখনিও শিক্ষাপ্ৰদ হ'ব। কোনে এই কাম হাতত ল'ব ?"

জ্ঞানদাভিৰামে ভোলানাথ বৰুৱাক 'বাণিজ্য-বীৰ' বুলি অভিহিত কৰাটোও মন কৰিব লগীয়া কথা। কোৱা বাহুল্য মাথোন যে কেৱল ধনাঢ্যতাৰ বাবেই নহয়, ধনাঢ্যতা আৰু বদান্যতা দুয়োটা গুণৰ অধিকাৰী ব্যক্তি বুলিহে সদাগৰ ভোলানাথ বৰুৱাৰ জীৱনী এখনৰ উপযোগিতা জ্ঞানদাভিৰাম বৰুৱাই উপলব্ধি কৰিছিল মৰ্মে মৰ্মে।

আঠ

মানুহজন

"খুহতীয়া কথা, ৰঙিয়াল কথা, আৰু খাইকৈ লোকৰ মন আকৰ্ষণ কৰিব পৰা কথা আৰু ব্যৱহাৰেৰে তেওঁ মোক বশ কৰি পেলালে",—আত্মজীৱনীত লক্ষ্মীনাথ বেজবৰুৱাই ভোলানাথ বৰুৱাৰ বিষয়ে কোৱা কথা এইষাৰ। কৃপাবৰ লক্ষ্মীনাথকো খুহতীয়া কথা, ৰঙিয়াল কথা কৈ বশ কৰিব পৰা মানুহ আছিল ভোলানাথ বৰুৱা। ব্যৱসায়ীসকল হিচাপী; ধনত, কামত, কথাত, সকলোতে। ভোলা-নাথো আছিল হিচাপী মানুহ; কিন্তু জ্ঞানদাভিৰাম বৰুৱাই কোৱা মতে কথাত নাছিল। "বি. বৰুৱাই পাতনি, ভূমিকা দি দীঘলাই কথা ক'বলৈ ভাল পাইছিল"। ভোলানাথ বৰুৱা তেনেহ'লে এক ব্যতিক্রম। পিছে, পদ্মনাথ গোহাঞি বৰুৱাই প্ৰথম লগ পাওঁতে ভোলানাথ বৰুৱাই "পাতনি চমু চপাই লৈ আচল কথাৰ আলোচনাত ধৰিলে, সিও বহু পৰ নহয়, আধা ঘণ্টামান মাথোন।" গোহাঞি-বৰুৱাৰ মতে, "ব্যৱসায়ী লোকৰ আলাপ চুটি।" তেনেহ'লে, প্ৰথম পৰিচয়-পৰ্ব বাবেই পদ্মনাথৰ লগত ভোলানাথে তেনে ব্যৱহাৰ কৰিছিল নে কি? জ্ঞানদাভিৰাম বৰুৱাই ভোলানাথ বৰুৱাৰ সান্নিধ্য-সাহচৰ্য লাভ কৰিছিল বহু বছৰ বহু প্ৰকাৰে।

সদাগৰ ভোলানাথ বৰুৱা আছিল জীৱন-বীমা-বিৰোধী। পোষ্য-পুত্ৰ ভুৱনচন্দ্ৰ বা বিশ্বনাথৰ নামত জীৱন-বীমা-পত্ৰ এখন কৰাবলৈ বৰকৈ ধৰিছিল জ্ঞানদাভিৰামে। ভোলানাথে বোলে হাঁহি হাঁহি ক'লে, "হেৰা, জ্ঞান, বিশ্বনাথে যদি আজি লাইফ ইন্সিওৰ কৰায়,

আর্জিবে পৰা তাক আটাইয়ে শাও দিবলৈ আৰম্ভ কৰিব।" পিছে, প্রকৃত কথা নিশ্চয় সেইটো নহয়; জীৱন-বীমাত কৰা অর্থ-বিনিয়োজন সদাগৰ ভোলানাথৰ বাবে অর্থহীন। বৰঞ্চ নিজা ব্যৱসায়ত ধন-বিনিয়োগ কৰাটোহে তেওঁ বিচাৰিছিল।

বিয়া-বাৰু, জন্মদিন আদিত উপহাৰ দিয়াতো ভোলানাথ বৰুৱা আছিল অকৃপণ; বৰঞ্চ ক'ব পাৰি, উপহাৰ দিয়াটো আছিল যেন ভোলানাথৰ এটা বিলাসিতাহে। বেজবৰুৱাৰ প্রথমা কন্যা সুৰভিক ১৮৯৫ চনৰ ১১ জুলাইত ২৫ টকা মূল্যৰ সোণৰ আঙঠি এটা উপহাৰ দিছিল—হয়তোবা সন্তানটিক প্রথম বাৰ দর্শন কৰা উপলক্ষ্যেই। আঙঠিটো কিনা হৈছিল ষ্টিফেন এণ্ড কোম্পানীৰ পৰা। তাৰ আগ দিনা সন্তানটিৰ পিতৃ লক্ষ্মীনাথে সন্তানটিক উপহাৰ দিছিল একেটা কোম্পানীৰে ৮ টকা মূল্যৰ সোণৰ জিপ্‌ছী পিন এটা। ১৯০১ চনৰ ৫ ডিচেম্বৰত বেৱাৰ শিশু ৰাজকুমাৰৰ বাবে বৰুৱাই এযোৰ সোণৰ বালা উপহাৰ স্বৰূপে পঠিয়াইছিল। বালাযোৰৰ দাম ১৩৫ টকা। ১৯০৪ চনৰ ২৫ জানুৱাৰীত অতুলচন্দ্ৰ ঘোষৰ জীয়েকৰ বিয়া। ভোলানাথে উপহাৰ দিলে ২২ টকা দামৰ সোণৰ পিন (brooch) এটা। সেই চনৰ ২ ফেব্ৰুৱাৰীত অতুলচন্দ্ৰ ঘোষৰ পুতেক নানুৰ বিয়া। বৰুৱাৰ উপহাৰ ২৫ টকা মূল্যৰ এটা সোণৰ আঙঠি (one gold ring set with ruby worth Rs. 25/-)। বজা আজ-মালিকৰ বিয়াৰ উপহাৰ স্বৰূপে তাৰ আগ দিনা (১ ফেব্ৰুৱাৰী) ১৯০ টকা মূল্যৰ এধাৰ নেকলে'চ আৰু ৫০ টকা মূল্যৰ এখন কণি বৰুৱাই পঠিয়াই দিছিল ৰামব্ৰহ্ম নামৰ এজনৰ হাতেদি। সেই বছৰৰ ১৫ অক্টোবৰত বেজবৰুৱাৰ পত্নী আৰু হোৱালীকেইজনীলৈ শাৰদীয় পূজা উপলক্ষ্যে পঠিয়াইছিল ১৫০ টকা। ১৯১৪ চনত দিল্লীৰ মটৰ-দুৰ্ঘটনাত পৰি শয্যাগত হৈ থকা ভোলানাথে বেজবৰুৱাৰ জীয়েকহঁতৰ বাবে আগ্ৰাৰ পৰা উপহাৰ কিনি আনিবলৈকো ২৫ টা টকা বেজবৰুৱাক দিছিল।

সদাগৰ ভোলানাথ বৰুৱাৰ কাৰিক অন্নয়ৰ সপ্তম এডৱাৰ্ডক নিচিনা আছিল বুলি লক্ষ্মীনাথ বৰুৱে কৈছে। তেওঁ আছিল "চাহাবী সাজ পিন্ধা টপামুৰীয়া পকা ডাঙৰীয়া মানুহ"। পদ্মনাথ গোহাঞিবৰুৱাই প্ৰথমে দেখোঁতেও ভোলানাথ বৰুৱা আছিল "হেট-পেণ্ট পিন্ধা থূলন্তৰ ইণ্ডিয়ান চাহাব" (মো. সোঁ., পৃ. ১৭৮)। ছাই বৰণৰ 'নাঘুৰি' কাপোৰৰ পেণ্ট-চাৰ্ট সীয়াই ভোলানাথ-লক্ষ্মীনাথ দুয়ো পিন্ধা খবৰ এটা বেজবৰুৱাৰ দিনলেখাত আছে। দৰ্জী—চাদনিৰ কোনোবা গোপাল বাবু (....gave Gopal Babu of Chadni a *than* of ash-coloured Naghuri cloth to be made into two suits, one for B. B. & one for me.)। "ৰাম-কৃষ্ণ দুই-ভাই"-এ একে বৰণৰ কাপোৰ পিন্ধাত আচৰিত হ'ব লগীয়া কথা একো নাই। অৱশ্যে সময়-বিশেষে ফ্লানেল কাপোৰৰো পোচাক পিন্ধিছিল বৰুৱাই। ১৮৯৫ চনৰ ২১ আগষ্টত বেজবৰুৱাই বৰুৱাৰ বাবে ৫ টকাত দুটা চোলা কিনিছিল; ফ্লানেল কাপোৰৰ চোলা (purchased two flannel shirts at 5 Rs. for Mr. Borooah.)। বৰুৱাইযে সোণৰ ঘড়ীহে ব্যৱহাৰ কৰিছিল, সেইটো কথা আমি ইতিপূৰ্বে প্ৰসংগক্ৰমে কৈ আহিছোঁ। তেওঁৰ চছমাও আছিল সোণৰ, অৰ্থাৎ সোণৰ ৰাও লগোৱা চছমা। ১৯০০ চনৰ ১০ ফেব্ৰুৱাৰীত 'লৰেন্স এণ্ড মে' নামৰ কোম্পানীৰ পৰা ষাঠি টকা মূল্যৰ সোণৰ চছমা এযোৰ লক্ষ্মীনাথে কিনিছিল ভোলানাথৰ বাবে (Bought a gold spectacle for B. B. from Lawrence & May at Rs. 60/-)।

অসম সাহিত্য সভাৰ সভাপতিৰ আসনৰ পৰা লক্ষ্মীনাথ বেজ-বৰুৱাই ইংৰাজ জাতিৰ স্বভাৱৰ কথা কওঁতে এনে এষাৰ কথাও কৈছিল বোলে তেওঁলোকৰ "খং বিং জানিবা সোনা ম'হৰহে জোতা শিং"। সপ্তম এডৱাৰ্ডৰ লেখীয়া চেহেৰাৰ অধিকাৰী আৰু ইংৰাজী বেশ-ভূষাৰে সজ্জিত ভোলানাথৰ স্বভাৱ পিছে আছিল ইংৰাজক

বিপৰীত ; ক্ষণে কষ্ট ক্ষণে তুষ্ট তেওঁৰ স্বভাৱ। অৱশ্যে ধং আছিল ভোলানাথ বৰুৱাৰ ব্যক্তিত্বৰ এটা দিশেই। ১৮৯৫ চনৰ ২৫ ছেপ্টেম্বৰত কুলমণি নামৰ বান্ধনীটোক গোপীনাথ বৰুৱাই কামৰ পৰা খেদোৱাৰ বাবে চক্ৰধৰপুৰত গোপীনাথৰ প্ৰতি অতিপাত খং (B. B. very angry with Gopinath B. for dismissing Kulamani)। কিয়নো, বান্ধনীৰ অনুপস্থিতিত প্ৰায় অনাহাৰে কটাব লগীয়া হৈছে দিনটো। ইফালে তেওঁ যাব লাগে নাগপুৰলৈ, তাৰ পৰা বোম্বাইলৈ আৰু তাৰ পৰা মাদ্ৰাজ প্ৰেছিডেন্সীৰ ৱাল্টেয়াৰলৈ। পাছ দিনা কুলমণি উলটি আহিল। তাৰ পাছত আৰু গোপীনাথক ক'ব লগীয়া একো নাথাকিল। ১৯০৪ চনৰ ১ জুনত ভোলানাথ-লক্ষ্মীনাথৰ বিচ্ছেদ প্ৰায় সম্পূৰ্ণ হোৱাৰ এসপ্তাহৰ পাছতে ভোলানাথে লক্ষ্মীনাথৰ প্ৰতি বন্ধুসুলভ ব্যৱহাৰ দেখুৱাইছে, ক্লাবত বৰুৱাই লক্ষ্মীনাথক চাহ-জলপানেৰে আপ্যায়িত কৰিছে। (B. B. spoke to me today & showed friendliness & gave me tea & toast at the club)। ১৪ জুনত আকৌ ভোলানাথে লক্ষ্মীনাথক মাত-বোল কৰাটো বন্ধ কৰি দিলে (B. B. again stopped speaking to me.)। পূৰ্বে দিয়া প্ৰতিশ্ৰুতি অনুযায়ী ৪ জুলাইত ভোলানাথে লক্ষ্মীনাথক ঘোঁৰাৰে সৈতে গাড়ী এখন দিলে। অথচ ২৮ জুলাইত ভোলানাথ-লক্ষ্মীনাথ দুয়োজন অফিচ এটাত লগা-লগি হওঁতে কোনেও কাকো মাতামাতি নকৰিলে (I met him in office but both silent.)। এয়া কেইটামান মাত্ৰ উদাহৰণ।

কেৱল বেজবৰুৱাৰ লগতে নহয়, ভুৱনচন্দ্ৰ, অতুলকৃষ্ণ ঘোষ আদিৰ আগতো তেওঁৰ খং প্ৰকাশ পাইছিল। ভুৱনচন্দ্ৰ এদিন অফিচলৈ নাহিলেই—আগদিনা তেওঁক ভোলানাথে বেয়াকৈ কোৱা বাবে। অতুল কৃষ্ণ ঘোষো এসময়ত ভোলানাথ বৰুৱাৰ পৰা আঁতৰি গ'ল। ভোলানাথ বৰুৱাৰ খঙৰ প্ৰকাশ ঘটিছে অন্যান্য

ক্ষেত্রতো। ১৯০৬ চনত বেজবৰুৱাক লগত লৈ টিমলাটুলৈ আঙুলি খানচামা এটাৰ প্ৰতিও বৰুৱা অগ্নিশৰ্মা হৈ পৰিছিল—মোগল-চৰাইত তেওঁ প্ৰাতঃভোজন কৰিব নে নকৰিব সেই কথা লৈ তুমুহুধি কেৱল বেজবৰুৱাক সোধাৰ বাবেই। ১৯০৫ চনৰ ডিচেম্বৰত যোৰহাট সাৰ্বজনিক সভাৰ প্ৰতিনিধি হিচাপে গৈ বোম্বাইৰ পৰা উভতিবৰ পৰত হোটেলৰ (English Hotel, Hornby Road) মালিকৰ লগত দেনা-পাওনা লৈ বাককৈয়ে উখনা-উখনি এখন লাগিল বৰুৱাৰ। ১৯০০ চনৰ ৩০ জুলাইত যে আচানচোলত বায়ান নামৰ ইংৰাজ এজনৰ লগত খণ্ডযুদ্ধ এখনেই হৈ গ'ল ভোলা-নাথ বৰুৱাৰ। বায়ানৰ লাঠীৰ আঘাতত বৰুৱাৰ মূৰত বাককৈয়ে সাঁচ এটাও ৰহিল। উভয় পক্ষই মোকৰ্দমা তৰিলে। আচান-চোলত সেই কাঁজিয়াই চাঞ্চল্যৰ সৃষ্টি কৰিলে বাককৈয়ে। অৱশেষে আগষ্টৰ ২৫ তাৰিখে মোকৰ্দমাটো আপোচে মীমাংসা হ'ল।

ভোলানাথ বৰুৱাৰ জীৱনত ঘটা এনে বহু অবাঞ্ছিত ঘটনাৰ গুৰিত তেওঁৰ ব্যসনাসক্তিও কিছু পৰিমাণে দায়ী। তেনে ব্যসন, বিশেষকৈ মদ্যপান, নৃত্য-গীত, খেলা-ধূলা আদিৰ প্ৰতি আসক্তি আছিল ভোলানাথ-লক্ষ্মীনাথ দুয়োজনৰে। ক্লাবলৈ যোৱাটো আছিল দুয়োৰে প্ৰায় নিত্য-নৈমিত্তিক কৰ্ম। 'মাণিকচন্দ্ৰ আৰু তেওঁৰ যুগ' নামৰ পুথিত প্ৰফুল্লদত্ত গোস্বামীয়ে কৈছে, "সেই যুগত ইংৰাজী শিক্ষা পোৱা লোক প্ৰায়বিলাকৰে তিনিটা লক্ষণ চকুত পৰিছিল: কোট-পেণ্ট পিন্ধা, ডাড়ি ৰখা আৰু সুৰা পান কৰা" (পৃ. ১৮)। মাণিকচন্দ্ৰৰ যুগৰ ভোলানাথ বৰুৱাৰ গাতো প্ৰকাশ পাইছিল সেই তিনিটা লক্ষণ।

ভোলানাথ বৰুৱা আছিল ৰুচি-সম্পন্ন মন এটাৰো গৰাকী। সময়-সুবিধা অনুসৰি বেজবৰুৱাৰ লগত নাটকৰ অভিনয় উপভোগ কৰিছিল ভোলানাথে। ১৯০৪ চনৰ ১০ ডিচেম্বৰত আনন্দাভিৰাম, ভুৱনচন্দ্ৰ আৰু বেজবৰুৱাৰ লগত ক্লাছিক থিয়েটাৰত ভোলানাথে

ৰবীন্দ্ৰনাথ ঠাকুৰৰ 'চোখেৰ বালি' উপভোগ কৰাৰ প্ৰমাণ আছে। চাৰ্কাচ আৰু চিনেমাৰ প্ৰতিওযে তেওঁ বৰ অনুৰাগী আছিল, সেই কথা কৈছে বেজবৰুৱাৰ কন্যা দীপিকাই। বৰুৱা কলিকতাৰ ডব্‌চন ৰোডত থাকোঁতে আবকালি প্ৰায়েই তেওঁৰ মটৰ গাড়ীৰে দীপিকা-হঁতক 'জেঠা' ভোলানাথ বৰুৱাই চাৰ্কাচ নাইবা চিনেমা দেখুৱাবলৈ নিছিল (Lakshminath Bezbaroa, the Sahityarathi of Assam, p. 234)। ১৯২১ চনৰ ৩ জুলাইত হাওড়াৰ কৰিন্থিয়াম থিয়েটাৰত 'মদন মধুৰ মুৰলী' নামৰ নাটকৰ অভিনয় চাবলৈ বেজবৰুৱাৰ বাবেও টিকট কিনিলে ভোলানাথে। বেজবৰুৱাই অভিনয় উপভোগ কৰিলেগৈ, বৰুৱাহে কিবা কাৰণত নগ'ল। আমোদ-প্ৰমোদত মন ঢালি দিবলৈ ভোলানাথৰ গা ভালে থকা নাছিল প্ৰায়েই।

"দেখাত থুলন্তৰ হ'লেও ভোলানাথ বৰুৱাৰ স্বাস্থ্য ভাল নাছিল"—এয়া লক্ষ্মীনাথ ফুকনে কোৱা কথা। ফুকনে যি সময়ৰ কথা কৈছে, সেয়া এই শতিকাৰ তৃতীয়টো দশকৰ আৰম্ভণিৰ কথা। তেতিয়া ভোলানাথৰ জীৱনৰ আবেলি। তেতিয়া বোলে "ক্ৰমাৎ তেওঁ নিশকতীয়া হৈ পৰিছিল। উৰিয়া বেহেৰা এটা তেওঁৰ লগতে তেওঁৰ ছাঁৰ দৰে সৰ্বদায় আছিল, আৰু ঘৰটোৰ ভিতৰত ইফাল-সিফাল কৰোঁতেও তেওঁক সি ধৰি নিয়া" ফুকনে দেখিবলৈ পাইছিল।

কিন্তু উনবিংশ শতিকাৰ শেহৰটো দশকত আৰু নিজৰ বয়সৰ ডেৰকুৰি-চকুৰিৰ মাজৰ ছোৱা পৰতো ভোলানাথ বৰুৱাৰ স্বাস্থ্য ভাল আছিল বুলিব নোৱাৰি। কলিকতালৈ গৈ বেজবৰুৱাৰ লগত শোভাৰাম বসাক লে'নত থাকিবলৈ লোৱাৰ পোন্ধৰ দিনমানৰ পাছতেযে বৰুৱা অসুস্থ হৈ দুমাহমান প্ৰায় শয্যাগত হৈ আছিল, সেই কথা আমি পূৰ্বে পাই আহিছোঁ। তাৰ পাছতো বৰুৱাৰ অসুখযে ঘনাই হৈছিল, তাৰ সংবাদ বেজবৰুৱাৰ দিনলেখাত আছে।

১৮৯৫ চনৰ ১১ জানুৱাৰীত ভোলানাথ বৰুৱা অসুস্থ। "ধহু"।

১২ মার্চত বকৰাৰ জ্বৰ। সেই জ্বৰ গাত্ৰ পৰা গ'ল যদিও কীৰ্পটিয়ে নেৰিলে ২৯ মার্চলৈকে। সেইদিনা বেজবৰুৱাই 'লিংক্টাচ' নামৰ এবটল দৰব আনি দিছে বকৰাৰ পানীলগা জ্বৰ-কাহৰ আশু উপশম ঘটিবৰ বাবে (বেজবৰুৱাই ১ মার্চত লিখা মতে দৰবটো বোলে কাহ, পানীলগা আদিৰ আশু প্রতিবোধক: "Linctus by Newton Mason, immediate preventive of cough and cold &c.")। সেই বছৰৰ নৱেম্বৰৰ ২৬ তাৰিখতো বকৰা অসুস্থ (B: B: ill)। ১৮৯৯ চনৰ ২৫ মে'ত বকৰাৰ ১০৩ ডিগ্রী জ্বৰ। পাছ দিনাও অলপো উপশম ঘটা নাই। বাছেল নামৰ ডাক্তৰ এজনৰ হতুৱাই চিকিৎসা কৰোৱা হ'ল। লক্ষ্মীনাথহঁতে বাকৈয়ে ভয় খালে (we got frightened.)। ২৯ তাৰিখেহে সেই জ্বৰ গাৰ পৰা গুচে। ১৯০০ চনৰ ৩ জুলাইত বকৰাৰ বাঁও ভৰিটো মোচোকা খালে চিম্‌লাত। ভৰি উখহি গ'ল। ১৯০১ চনৰ ৪ ফেব্রুৱাৰীতো "বি. বৰুৱাৰ বেমাৰ হৈছে। নন্দকিশোৰ দাৰোৱানে তেওঁৰ দৰব ঝাড়্‌সোগড়ালৈ লৈ গ'ল।" ১ জুনতো "তেওঁ পেল্ৰা বোডত জ্বৰত পৰি আছে।" ৩ আগষ্টতো "বি. বৰুৱাৰ ইন্‌ফ্লুয়েঞ্জা ; বিচনাত পৰি আছে।" পাছ দিনা "ছোট ডাক্তৰ দত্তক মতা হ'ল। বি. বৰুৱাৰ আজি অৱস্থা বেয়া।" ৫ আগষ্টত ডাক্তৰ কেদাৰনাথে দৰব লিখি দিলে। কিন্তু ৭ আগষ্টত কে. এন. দাস নামৰ আন এজন ডাক্তৰ আহি বৰুৱাক চাব লগীয়া হ'ল। ২৮ ছেপ্টেম্বৰত বেজবৰুৱাক "বি. বৰুৱাই টেলিগ্রাম কৰি জনালে তেওঁৰ অসুখ ভয়ংকৰভাৱে relapse কৰিছে।" পাছ দিনা বেজবৰুৱা ঝাড়্‌সোগড়া পালেগৈ।

১৯০২ চনৰ ২২ মে'তো বৰুৱা অসুখত পৰি ঝাড়্‌সোগড়াৰ পৰা কলিকতালৈ আহে। ১৯০৩ চনৰ ১৯ আগষ্টত বিলাসপুৰৰ পৰা আহিয়েই বৰুৱা অসুস্থ। ১৯১৪ চনত দিল্লীত হোৱা মটৰ দুৰ্ঘটনাৰ কথা পূৰ্বে উল্লেখ কৰি অহা হৈছে। ১৮ ফেব্ৰুৱাৰীত হোৱা সেই

দুৰ্ঘটনাত তেওঁ কথমপিছে মৃত্যুৰ মুখৰ পৰা সাৰি আহিল (Mr. Borooah met with a motor car accident at Delhi today. He narrowly escaped death.)। বেজবৰুৱাৰ ১৯২১ চনৰ ১৪ ছেপ্টেম্বৰৰ দিনলেখাতো বৰুৱাৰ অসুখৰ খবৰ আছে। বৰুৱা তেতিয়া কিহৰ অসুখত ভুগিছিল জনা নাযায়। কিন্তু ১৯২২ চনত হেমচন্দ্ৰ গোস্বামী কলিকতাত বৰুৱাৰ ঘৰত কিছু দিনৰ বাবে থাকোঁতে বৰুৱা সোমক্ষয়-জনিত ৰোগত ভুগিছিল বুলি হেমচন্দ্ৰই কৈ গৈছে। হেমচন্দ্ৰৰ পৰামৰ্শক্ৰমে অসমৰ পৰা কুলবিলৰ পদ্মনাথ গোসাঁইক মতাই নি বৰুৱাৰ চিকিৎসা কৰোৱা হয়। ১৫ ফেব্ৰুৱাৰীত কুলবিলৰ গোসাঁই বৰুৱাৰ চিকিৎসাৰ অৰ্থে অসমৰ পৰা গৈ কলিকতা পালেগৈ। পাছ দিনাৰ পৰা বৰুৱাই গোসাঁইৰ দৰৱ খাবলৈ ল'লে। হেমচন্দ্ৰৰ ১৭ ফেব্ৰুৱাৰীৰ দিনলেখাত প্ৰকাশ পোৱা মতে কুলবিলৰ গোসাঁয়ে নাড়ীজ্ঞান কৰি "সোম-ক্ষয়ৰ পৰাই তেওঁৰ সকলো বেমাৰ হৈছে বুলি কোৱাত শ্ৰীযুত বৰুৱাই ঠিক নিৰ্ণয় কৰিছে বুলি কৈছে।" হেমচন্দ্ৰৰ বিশ্বাস আছিল, কুলবিলৰ গোসাঁইৰ চিকিৎসাতে বৰুৱা আৰোগ্য হ'ব। কিন্তু ১৯ মাৰ্চলৈকে বৰুৱা সুস্থ হৈ উঠা নাছিল। অথচ সেই দিনায় বৰুৱা ভিজিগাপট্টমলৈ যোৱাৰ কথা। গোস্বামীয়ে সেই তাৰিখৰ দিনলেখাত কৈছে, "তেওঁৰ শৰীৰৰ অৱস্থা যেনে, তেওঁযে কেনেকৈ ইমান দূৰ বেলত যাবলৈ সাহ কৰিছে মই ক'ব পৰা নাই।"

কিন্তু স্বাস্থ্যজনিত কাৰণত থমকি ৰোৱা মানুহ নাছিল ভোলানাথ বৰুৱা। লক্ষ্মীনাথ ফুকনে কোৱা মতে এবাৰ অসুখীয়া গাৰেই "বঙ্গোপসাগৰৰ পাৰত দিনচেৰেক থাকি তেওঁ পুৰী পালেগৈ।" সেয়া নিশ্চয় ১৯২৩ চনৰ ফেব্ৰুৱাৰী মাহৰ কথা। কিয়নো, কটকত অসুস্থ হৈ থকা বৰুৱাক চাবৰ বাবে ২৩ চনৰ ১৭ ফেব্ৰুৱাৰীত বেজবৰুৱা কটকলৈ গৈছে। ১৯ তাৰিখে বেজবৰুৱাই দেখিলেগৈ যে বৰুৱাই প্ৰায় ভ্ৰম বকিছে, তেওঁৰ স্মৃতিশক্তি প্ৰায় লোপ পাইছে

(—found him almost delirious. He has lost his memory.)।

সেইবাৰলৈ বৰুৱা বাচিল। কিন্তু সেই চনৰ মে' মাহৰ শেষৰ কালে বৰুৱা পুনৰ গুৰুতৰভাৱে অসুস্থ হৈ পৰিল। ২৮ মে'ত বেজবৰুৱাই দেখা মতে বৰুৱা প্ৰায় মৰণ-পথৰ যাত্ৰী। বেজবৰুৱাক তেওঁ চিনি নাপালে। দিনলেখাত (২৮ মে') বেজবৰুৱাই কৈছে, "Saw Mr. B. Borooah in the evening, found him dying almost. He could not recognize me. Had last look." হয়, ভোলানাথ বৰুৱাক বেজবৰুৱাৰ সেয়ে আছিল শেষ দেখা। ১৯২৩ চনৰ মে' মাহৰ ৩০ তাৰিখৰ দিনলেখাত বেজবৰুৱাই লিখিছে, নিশা আঢ়ৈ বজাত হাওড়াত সদাগৰ ভোলানাথ বৰুৱাৰ মৃত্যু হ'ল বুলি (B. Borooah died at Howrah at 2.30 A.M.)। মে' মাহৰ ২ তাৰিখে বেজবৰুৱাই প্ৰজ্ঞাসুন্দৰীলৈ লিখা চিঠিতো আছে, "বি. বৰুৱা ৩০ তাৰিখে 2-30 morning-এ মাৰা গেলেন" বুলি। কিন্তু ৩০ তাৰিখৰ নিশাৰ আঢ়ৈ বজা বা পুৱাৰ আঢ়ৈ বজা বুলিলে পাশ্চাত্য দিনপঞ্জী মতে পাছ দিনাৰ তাৰিখটোহে বুজাব, অৰ্থাৎ ৩১ মে'। সেইবাবেই অকণালৈ লিখা চিঠিত বেজবৰুৱাই কৈছে ভোলানাথ বৰুৱাৰ মৃত্যু ৩১ মে'ত হোৱা ("Mr. B.—31st May তাঁৰ হাওড়া বাড়িতে মাৰা গেছেন") বুলি। ৩১ মে' ভাৰতীয় দিনপঞ্জীত ১৭ জেঠ বৃহস্পতিবাৰ।

'বিলাসিনী' নামৰ কাকতে সদাগৰ ভোলানাথ বৰুৱাৰ বিয়োগ-বাতৰি পৰিবেশন কৰিছিল এইদৰে: "কোটীশ্বৰ ভোলানাথ বৰুৱা ইহ সংসাৰৰ পৰা গত ২৯শে মে'ই তাৰিখে কলিকতাত বিদায় ল'লে। ভোলা বৰুৱা নগাঁৱৰ লোক। ডেকা কালতে আসাম এৰি বিদেশত কাৰবাৰ কৰি আছিল। তেখেতৰ মৃত্যুত আসামৰ বিশেষ ক্ষতি হ'ল। নিজৰ দেশ এৰি বিদেশত কাৰবাৰ কৰি মানুহবে ধনী হ'ব পাৰে, তাৰ উদাহৰণ বৰুৱা ডাঙৰীয়াই দেখুৱাই

গৈছে। বৰুৱা ভাণ্ডাৰীয়াই উপাৰ্জন অনুসৰি দান কৰি গৈছে” (দ্ৰষ্টব্য : ‘মিলন’ কাকতৰ ১ম বছৰৰ ২য় সংখ্যাৰ ‘বিবিধ’ শীৰ্ষক শিতান)। ‘বিলাসিনী’ৰ বাতৰিটোৰ বেলিকা আমাৰ বক্তব্য মাত্ৰ এয়ে যে ভোলানাথ বৰুৱাৰ মৃত্যু-তাৰিখ সম্পৰ্কত কৰা ‘বিলাসিনী’ৰ নিৰ্ণয়তকৈ বেজবৰুৱাৰ নিৰ্ণয়টোৰহে বিশ্বাসযোগ্যতা আৰু নিৰ্ভৰ-যোগ্যতা অধিক। ভোলানাথ বৰুৱাৰ সংবাদ ‘বিলাসিনী’য়ে নাজানিছিল ; জানিছিল বেজবৰুৱাইহে।

অকণালৈ বেজবৰুৱাই লিখা চিঠিত আছে যে ২৮ মে’ত বেজ-বৰুৱাই তেওঁক চাবলৈ যাওঁতে তেওঁ কষ্টৰেহে চিনি পাইছিল। বৰুৱাৰ শৰীৰৰ সোঁ কালটো জঠৰ হৈ গৈছিল (“তাঁৰ right side paralysed হয়ে গিয়েছিল”)। একেদিনায় প্ৰজ্ঞাসুন্দৰীলৈ লিখা চিঠিতো বেজবৰুৱাই কৈছে বোলে পোনতে বৰুৱাই বেজবৰুৱাক চিনি পোৱা নাছিল ; কিন্তু কিছু সময়ৰ পাছত চিনি পাওঁতে বৰুৱাৰ চকুৰেদি লো বাগৰি আহিল। তেতিয়াও, মৰণোন্মুখী হৈও বোলে ভোলানাথ বৰুৱা অস্থিৰ হৈ উঠিছিল তেওঁৰ লগুৱাইঁতে বেজবৰুৱাক কিবা খাবলৈ দিছিল নে নাই বুলি (“কেবল অস্থিৰ হয়ে উঠেছিলেন আমাকে বেহেৰাৰা খেতে দিয়েছিল কি না”)। কিন্তু ভোলানাথৰ মৃত্যুৰ সময়ত লক্ষ্মীনাথ তেওঁৰ কাষত নাছিল। সম্বলপুৰৰ পৰা অকণালৈ লিখা চিঠিত প্ৰকাশ পাইছে যে ভোলানাথ বৰুৱাৰ মৃত্যুৰ খবৰ বেজবৰুৱাই পাইছিল ২ জুন তাৰিখেহে (“তাঁৰ মৃত্যুৰ খবৰ আজ পেলুম—মন বড় খাৰাপ হয়ে গেছে”)।

১৯২৩ চনৰ ৩১ মে’ত সদাগৰ ভোলানাথ বৰুৱাৰ মৃত্যু হ’ল. লক্ষ্মীনাথ বেজবৰুৱাৰ মতে এজন মহান ব্যক্তি আৰু তেওঁৰ বন্ধু এজন গ’লগৈ (A great man & my friend gone.)। ২ জুনত বেজবৰুৱাই প্ৰজ্ঞাসুন্দৰীলৈ লিখা চিঠিত কৈছে, “আমাৰ একজন বন্ধু ও প্ৰধান সহায়—আপদ-বিপদে সব সময়ে—চলে গেলেন। মন বড় খাৰাপ হয়ে গেছে।” একেদিনায় জীয়েক অকণালৈ লিখা

চিঠিতো বেজবৰুৱাই কৈছে, "সব বিষয়েআমি আমাৰ এক বড় বন্ধু হাৰালুম।"

সঁচা কথা, সদাগৰ ভোলানাথ বৰুৱাৰ বিয়োগত লক্ষ্মীনাথ বেজবৰুৱাই হেৰুৱালে তেওঁৰ নিজৰ এজন ডাঙৰ বন্ধুক, আৰু তেওঁৰ নিজৰ কথাৰেই ক'বলৈ গ'লে এজন ডাঙৰ মানুহক; অসমে হেৰুৱালে জাতীয় অৰ্থ নৈতিক ভেটি-সংস্থাপনৰ এজন অনন্যসাধাৰণ পথ-প্ৰদৰ্শকক, আৰু জ্ঞানদাভিৰাম বৰুৱাই কোৱা 'বাণিজ্য-বীৰ'জনক; ভাৰতে হেৰুৱালে উনবিংশ শতিকাৰ শেহৰটো দশকত ভাৰতীয় উদ্যোগ-ক্ষেত্ৰ-কৰ্ষণকাৰীসকলৰ অন্যতম এজন কৃষকক, আৰু পুৰুষ-ব্যাঘ্ৰ হাৰ আশুতোষ মুখাৰ্জীয়ে কোৱা উদ্যোগক অসমীয়াসকলৰ এজনক।

পৰিশিষ্ট

COPY OF B. BOROOAH ENDOWMENT FUND NOTIFICATION

The 12th August; 1922.

No. 985 L. S. C.—It is hereby notified that the Government of Assam in exercise of the power conferred upon them by sections 4 and 5 of the Charitable Endowments Act No. VI of 1890, and upon the application and with the concurrence of Mr. Bholanath Borooah of Messrs B. Borooah and Company; Calcutta (hereinafter referred to as donor), do hereby order and direct that the securities and the income therefore described in the first schedule hereunder written, shall, as from the date of the first publication of this notification in the Assam Gazette; vest and be thenceforth vested in the Treasurer of Charitable Endowments, for the territories subject to the Government of Assam; to be held by him and his successors subject to the provision of the said Act and the rules from time to time framed thereunder by the Governor General of India in Council, upon trust, to permit the said securities and the income thereof to be used for the endowment and maintenance of a permanent fund for the upkeep of a technical school in the Assam

Valley to be called "His Royal Highness the Prince of Wales' Technical School" in accordance with the terms of a scheme of management, the particulars whereof are set forth in the second schedule hereunder written;

And it is hereby further notified that the said scheme shall come into operation as regards the securities and the income comprised in this notification upon the vesting of such securities and income in the said Treasurer of Charitable Endowments for the territorial subjects to the Government of Assam;

The first schedule above referred to

3½ per cent. promissory Notes of the Government of India ;

No. 161975 of 1854-55 for	25,000
No. 191111 of 1854-55 for	25,000
No. 196640 of 1854-55 for	25,000
No. 191112 of 1854-55 for	25,000
	1,00,000

The second schedule above referred to

Scheme.

1. The said securities shall be utilised as a permanent endowment for the purpose of the proposed technical school in the Assam Velley, and that it shall be called the 'Bholanath Borooah Endowment Fund' after the name of the donor;

2. The proposed technical school will be established as early as possible at a central place in the Assam Velley, such as Jorhat, and will provide technical and industrial education of a higher type than a more artizan course.
3. The proposed school will be known as "His Royal Highness the Prince of Wales' Technical School," and shall continue to be a Government Institution.
4. The fund shall be administered jointly by the Deputy Commissionor of Sibsagar and the Director of Industries, Assam.
5. The income of the securities mentioned in the first schedule shall be applied in maintaining the said school. The Treasurer of Charitable Endowments shall remit to the Deputy Commissioner, Sibsagar, every six months the income of the securities mentioned in the said first schedule.
6. In making admissions to the school, preference will, as far as possible, be given to natives of the Assam Valley.
7. The accounts of the fund shall be audited by the Examiner of Local Fund Accounts, Assam, or by any officer appointed by the Local Government for that purpose under the official rules for the guidance of administrators of trust fund.
8. In case the school be established at any future time, the Government of Assam will utilise the funds of the endowment mentioned in the

first schedule in any other scheme of technical and industrial education for the benefit of the people of Assam.

9. The Government of Assam may from time to time frame rules for the management of the fund provided that such rules shall not be inconsistent with any of the provisions of this scheme.

Sd/- A. J. Laine
Second Secretary to the Govt. of Assam.